# কণ্ঠহাৰ

চৈয়দ আব্দুল মালিক



ASSAM

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী - ৭৮১০০১ - অসম

প্ৰকাশক :
শ্ৰীনৰেন্দ্ৰ চন্দ্ৰ দত্ত
বৰুৱা বামুণ গাঁও
৭৮৫৬১৪

পৰিবেশক :
ভাৰতী বুক ষ্টল
গোলাঘাট—৭৮৫৬২১

প্ৰচ্ছদ :
সুধীৰ মৈত্ৰ

প্ৰথম প্ৰকাশ :
মাৰ্চ, ১৯৮৯

ৰচনা কাল :
২।৩।৫৮-ৰ পৰা ১২।৬।৫৮

মূল্য : ৩০.০০ টকা

মুদ্ৰক :
পান্নালাল এণ্ড কোং
৩২/২ সাহিত্য পৰিষদ ষ্ট্ৰীট
কলিকতা—৬

# উচৰ্গা

আগবেলাৰ ৰ'দজাক টান আছিল। আমি তেওঁৰ ঘৰটো বিচাৰি উলিয়ালো। নিৰ্মলপ্ৰভা আৰু মই। তেওঁ অকলে আছিল। তেওঁক দেখি মই হতবাক হৈ গ'লো: গঢ়িত মুখখন শেঁতা, পাণ্ডুৰ, খীণাই গালবোৰ সোমাই গৈছে, চুলি প্ৰায়বোৰ পকি বগা হৈছে; মাত্ৰ আগৰ দৰে তেজাল আৰু তীব্ৰ হৈ আছে মেধাদীপ্ত ধুনীয়া চকুহুটা। এই হুটা চকুৰ লগত মই প্ৰথম চিনাকি হৈছিলো ঠিক কুৰি বছৰ আগে—১৯৩৯ চনত।

শেঁতা ওঁঠত হাঁহি বিৰিঙাই তেওঁ আদৰি নিলে, বহুৱালে আৰু কিবাকিবি বহুত কথা পাতিলে—দেশৰ কথা, সাহিত্যৰ কথা, ৰাজনীতিৰ কথা। তাৰ পিছত হাঁহি হাঁহিয়ে ক'লে "জানিছে মালিক, ডাক্তৰে কৈছে মোৰ কেন্সাৰ হৈছে, কিন্তু মোৰ কেন্সাৰ হোৱা নাই। কেন্সাৰ হ'লে মানুহ নেবাচে, কিন্তু মইতো জীয়াই আছো।"

কোনো উত্তৰ নিদি (উত্তৰ নাছিল আৰু তেওঁও কোনো উত্তৰ আশা কৰা নাছিল) মই তেওঁৰ মুখলৈ চালো।

তেওঁ ভিতৰলৈ গ'ল আৰু হুটা বহী আনি আগত মেলি ধৰি ক'লে, "ভাৰতীয় দৰ্শনৰ বিষয়ে কেইটামান প্ৰবন্ধ লিখিছো। আৰু কেইবাটাও লিখিবলগীয়া আছে, কব পৰা নাই কি কৰিব পাৰো।"

আমাক বিদায় দিবলৈ তেওঁ পহুলি মুৰলৈকে আহিল। মাত্ৰ কেইটামান দিন পিছত। বাতৰি কাকতৰ বুকত পঢ়িলো এটা মৰ্মঘাতি খবৰ—অধ্যাপক ভবানন্দ দত্তৰ মৃত্যু হৈছে। ভবানন্দৰ মুখত মই মৃত্যুৰ কালছায়া দেখা পাইছিলো, কিন্তু কেন্সাৰক কেন্সাৰ নোবোলা মোৰ কুৰিটা বছৰৰ অকৃত্ৰিম বন্ধু, আদৰ্শপথৰ সহযাত্ৰী ভবানন্দৰ বিপ্লৱী আত্মাই ইমান সোনকালে মৰ্ত্য এৰি যাব—তেতিয়া সন্দেহ কৰা নাছিলো।

কিন্তু যিখন দুৰ্ভগীয়া অসমত আনন্দৰাম বৰুৱা, আওবজ ছাহু, লক্ষ্মীধৰ শৰ্মা, মবিজুল ইচলাম, নলিনী বৰুৱা, গনেশ গগৈ, মাধৱ বেজবৰুৱা, অমূল্য বৰুৱা কোনোৱেই আটৈকুৰিৰ কাষ চাপিবৰো সৌভাগ্য লাভ কৰিব নোৱাৰে, তাত ভবানন্দই বা ব্যতিক্ৰম হ'বলৈ যাব কিয় ?

ভবানন্দৰ ঠাই আজি জাতিৰ সশ্ৰদ্ধ স্মৃতিৰ বুকত, আমাৰ সংস্কৃতিৰ ইতিহাসত।

বাণীকণ্ঠ ভবানন্দৰ করুণ সোঁৱৰণত 'কণ্ঠহাৰ' উছৰ্গা কৰিলো। বন্ধু ভবানন্দৰ মুখৰ কথা নীৰৱ হৈ গ'ল, কিন্তু তেওঁৰ প্ৰাণৰ কথা অসমীয়া জাতিৰ প্ৰাণৰ কথা হৈ থাকিব।

১১।১০।৬০, যোৰহাট।

—মালিক

এটা সৰু মানুহে অন্য এটা সৰু মানুহৰ বিষয়ে কোৱা এটা সৰু কাহিনী।

—আৰু একো নহয়।

॥ ১ ॥

প্ৰথমতে আহিল দিদাৰত।

—শুই উঠিছহেনেকি ?

—অকণমান ৰ'—মুখখন ধুই লওঁ।

—আজি,ৰ'দজাক টান হ'ব কিজানি।

—ক'ৰবালৈ যাবনেকি ?—অৰ্থাৎ দিদাৰতৰ হাকিম।

—এতিয়াও ক'ব নোৱাৰিছো।

লেমন স্কোৱাচৰ বটলটোৰ সদ্ব্যৱহাৰ কৰিছে মইনে, তাতে পানী এবটল ভৰাই ৰাখে, পিয়াহ লাগিলে এটোপা খায়, ৰাতিপুৱা মুখ ধোৱে।

মইনে আগফালৰ জাপখন মেলিলে, ছুৱাৰ ডাংডালকে খুটি কৰি জাপখন উঠাই থলে, জাপখন ৰাতি ছুৱাৰ—দিনত চালি।

ফুলকুচিৰ সোতাটোৰে মইনে দোকানৰ গাদীখন সাৰিলে। এখন নে ছুখন ?

এখন—

পেকেটটো ফালি মইনে দিদাৰতক চেভেন-অ'-ক্লক ব্লেড এখন দিলে।

—আৰু ?

—ছুপইছাৰ বিড়ি ?

তাৰ পিছত আহিল বুধীন।

দিদাৰতে পইছা তিনি অনা মইনৰ হাতত দিলে, পইছাকেটা হাতত লৈ হাতখন সি এবাৰ কপাললৈ নিলে, তাৰ পিছত সৰু কাঠৰ বাকচটোৰ ভিতৰত ভৰাই থলে।

দিনটোৰ কাৰণে বুধীনে এতোলা মিক্চাৰ আৰু এটা জুইবাহ কিনে। পেপাৰটোৱে দুদিন যায়।

মিক্চাৰ তোলা জুখি জুখি মইনে ক'লে—পেপাৰ আজি নেলাগে নহয়?

কালি নিছে, আজিৰ দিনটো যাব।

বুধীনে খৰখেদা কৰিলে।

যাদব চাৰ আহিছে।

কাউৰীয়ে নৌ কা কৰোতেই যাদব চাৰ নৈৰ পাৰত ফুৰিবলৈ যায়। হেলথ্‌টো ৰাখিছে কিন্তু। বয়সতো কম হোৱা নাই। কিজানি ষাঠি বছৰ হ'ব পায়।

স্বাস্থ্যৰক্ষা কৰিব লাগিলে তিনিটা বস্তুৰ ওপৰত চকু দিবা—খোৱা, শোৱা আৰু ফুৰা।—যাদব চাৰে কয়।

মইনে ভাবে সিও কেতিযাবা যাদব চাৰৰ ছাত্ৰ আছিল, চহৰখনৰ সকলো ল'ৰাকতো তেওঁ পঢ়াইছে।

ইংৰাজী গ্ৰামাৰ যে ইমান ভাল পঢ়ায়, এপ্ৰপ্ৰিয়েট প্ৰিপজিচন মুখস্থ।

মইনৰ হাত কপাললৈ উঠিল।

নমস্কাৰ—চাৰ আহক।

যাদব চাৰৰ নৈৰ পাৰত ফুৰি ভাগৰ লাগে ঠিক মইনৰ দোকানৰ আগ পালে। বেঞ্চখনত অন্য বহে, যাদব চাৰ বহে এডাল হাত-ভগা চকীখনত। প্ৰায় পাঁচ মিনিট কোনো কথা নকয়। ব্যায়ামৰ পিছত কথা কোৱা স্বাস্থ্যৰ কাৰণে বেয়া।

—বহক চাৰ।

কিন্তু মইনে নকলেও চলে, চাৰ বহিবই।

—তোক আজি কি লাগিব আইধান?

—এক অনাৰ চাহ পাত আৰু ছয় পইছাৰ কটা বিস্কুট।

আইধানে পইছাকেটা আগবঢ়াই দিলে।

মুখ ধোৱাই নাই আইধানে, শুই আছিল চা'গে। মাকে জগাই পঠিয়াব পায়। কণমান ছোৱালীজনী।

—প্ৰমোচন পালি ?

মইনে এনেয়ে সুধিলে।

আইধানে মূৰ জোকাৰিলে—পাইছে।

বস্তুকেটা কাগজৰ টোপোলাটোত বান্ধি মইনে আইধানক দিলে,—ভালকৈ নিবি।

যাদব চাৰ বহি আছে। আন্ধাৰি পুৱাতে কেতিয়ানো মূৰ আঁচোৰে জানো চাৰে।

হাকিমৰ ড্ৰাইভাৰ দিদাৰত।

মটৰ কিবা সদায় চলায়নে? বজাৰ কৰে, দোকান কৰে, হাকিমৰ ঘৰত কত কাম। আৰু কাম যেতিয়া নেথাকে তেতিয়া মইনৰ দোকানৰ আগত বহি সুখৰ দুখৰ কথা পাতে, আড্ডা দিয়ে। হাকিমনী বৰ ধুনীয়া দেখিবলৈ, পিছে বৰ ধনী মানুহৰ ঘৰৰ ছোৱালী নহয় বোলে, হাতৰ মুঠি অলপ টান। হাকিমৰ কাৰণে প্ৰত্যেক দিনে ৰাতিপুৱা এখনকৈ ব্লেড্‌ নিয়ায়—দিদাৰতৰ হতুৱাই। হাকিমে আকৌ এখন ব্লেডেৰে দুবাৰ ডাঢি মুখুৱায়।

এক পেকেট ব্লেড়ৰ দাম ভালেমান। তাৰ উপৰি এক পেকেট একেবাৰে আনিলে, কোনোবাই চুৰ কৰে। কোন হ'ব আৰু! দিদাৰত নাইবা চাপ্ৰাচীটো। সিতো পিংপিঙাই ফুৰে।

হাকিমনীয়ে কিন্তু নেজানে যে এখন ব্লেডত দিদাৰতৰ দুপইছা লাভ হয়, দুই পইছাৰ ব্লেড, দুপইছাৰ বিড়ি।

মইনে চাৰলৈ 'পাণখন' আগ বঢ়ায়।

—জৰ্দা ?

—দিছো চাৰ।

তাৰ পিছত এক অনাৰ লজেঞ্চ বান্ধি দিয়ে কাগজত, চাৰৰ নাতিনীয়েকৰ কাৰণে।

চাৰে জেপত ভৰাই লয়।

বসুদেৱ আহিলে মইনৰ মুখখন অলপ বিষণ্ণ হয়।

— চাৰ যায়েই ?

চাৰে নেমাতে।

বসুদেৱ পঢ়াশুনাত একেবাৰে গাধা আছিল, ইণ্টাৰ'গেটিভ এড্‌জেক্‌টিভ কাক বোলে ক'ব নোৱাৰে, চাৰৰ ঠিক মনত আছে। এদিন এব্‌চ্‌ট্রেক্ট নাউনৰ উদাহৰণ দিব নোৱৰাৰ কাৰণে তাক পিঠিত কেইচাটমান দিছিল। সি ওপৰলৈ হাত দুখন দাঙি কৈছিল—চাৰ, আস্তে-আস্তে, চাৰ—পিঠি ফাটক, কামিজটোৰ ইস্ত্ৰী ভাগিব চাৰ।

কি পঢ়িব—গাধা।

বসুদেৱৰ ল'ৰাছোৱালী এহাল, পুহিবৰ উপায় নাই। চিনেমা-হলৰ গেট-কীপাৰ কৰে, কেতিয়াবা মইনক বিনা পইছাই দেখুৱায়।

পইছা কিজানি কম নেপায়. পিছে মদ খায হ'বলা, মইনে তাক ভাল নেপায।

মদ খা, পইছা বচাই খা। দুনিয়াৰ চব মানুহে মদ খায়, আগে ল'ৰাছোৱালীৰ ভাত-কাপোৰ দি মদ খা।

চাৰে চিগাৰেটকে নেখায, জৰ্দা মছলা দিয়া খিলি পাণ এখন খায়, মইনে পাণখন ভাল দিয়ে—চাৰে কৈয়ে দিযে।

আৰু বসুদেৱটো।

—কেনেকুৱা অ'—মইন ?

—আহ—বহ।

এইখন কিন্তু তই জৰুৰ চাবি। মানে চাঞ্চ্যাটিক কৰিছে। বহাৰ লগে লগে বসুদেৱৰ মুখ মেল খায, আৰম্ভ হয় চলি থকা ছবিখনৰ নানা আলোচনা সমালোচনা। নাগিছে কাক বিয়া কৰালে শেষত, দিলীপ কুমাৰৰ কাৰণে মধুবালাই কি কৰিলে, বীণা ৰায়

ধুনীয়া নে সুচিত্রা, ধুনীয়া, মিলিয়ন ডলাৰ মাৰমেইডত যে হিৰইনজনী হৈছিল—তাই হেনো সাঁতুৰি মিচিচিপি পাৰ হৈ যাব পাৰে। ইয়াৰ পিছত আহিব—তুফান কা খেলা—মীনাকুমাৰী আছে—চাওঁ বিড়ি এটা দে আক'—

বন্ধুদেৱৰ কথা চলি থাকে। তাৰ পিছত আহে ষ্টেট ট্ৰেন্সপৰ্টৰ ড্ৰাইভাৰ জিয়াওৰ আৰু মহেন্দ্ৰ। জিয়াওৰটো বৰ কেঁৰা। ক'ৰবালৈ চালে ক'ৰবালৈ চোৱা যেন দেখি। গালৰ হাড় কেডালো ওলোৱা। আজিকালি কেতিযাবা চাফা পেন্ট এটাও পিন্ধে। তাৰ দাঁত দুপাৰি বৰ ধুনীয়া—সমান, বগা, চকচকীয়া।

মহেন্দ্ৰটো বগা আছিল, পিছে মটৰ চলাই চলাই বৰ ক'লা পৰিল মানুহটো, সি পিছে কথাই কথাই অবাইচ মাতে। ভাল মানুহ, বেয়া মানুহ কোন আছে কবই নোৱাৰে। বাপেক ভাল মানুহ আছিল—তিনিজনী বিয়া কৰাইছিল। তাৰ জীয়াই থকা মাহীমাকজনী হেনো বৰ 'বজ্জাত'!

দুয়োটাই দুমুঠি বিড়ি লয়, দুখন পাণ খায়। জিযাওৰে চিক্সলৈকে পঢ়িছিল, মহেন্দ্ৰই অসমীয়া, ইংৰাজী, হিন্দী সমানে কয়, কিন্তু কোনটোৰ কিমান পঢ়িছিল কোনেও ভালকৈ নেজানে।

—ভাটৌৱেও কথা কয়। লিখিব পাৰেনেকি?—বন্ধুদেৱে কয়।

তাৰ মানে ভাটৌৱে লিখা পঢ়া নেজানে।

দুয়োটা ভাল ড্ৰাইভাৰ।

অলপ মদ নেখালে মহেন্দ্ৰৰো গা বিষায়।

জিয়াওৰে খুব চাহপানী খায়। মাক বৰ পৰ্হেজগাৰ—সদায় নামাজ পঢ়ে, ৰোজা ৰাখে। তাতে মদ নোখোৱাকৈ ড্ৰাইভাৰী কৰি আদ বয়স গ'ল। ডাঙৰ ছোৱালীজনীয়ে এইটত পঢ়িছে। চেহেৰাটো চাই তাই কোনোবা ডাঙৰ মানুহৰ ঘৰত পৰিব লাগে।

—পইছা ঘূৰি আহিছে দিম দেই—

নিদিয়াকৈ নেথাকে। ভাল মানুহৰ কথাৰ লৰচৰ নাই।

সুকুৰালে কি হ'ব—মইনৰ চকু জিয়াওৰৰ ছোৱালীজনীৰ ওপৰত নপৰা নহয়। তাৰ দোকানৰ আগেদিয়ে সদায় স্কুললৈ যায়, কেতিয়াবা টফি কিনি খায়, ৰঙা ৰিবন কিনে দুগজ, কেতিয়াবা পাপো কিনি খায়।

ছোৱালীজনী পিছে অলপ গহীন। হাজাৰো হওক, স্কুলত পঢ়া ছোৱালী, বেছি চলৌপতৌ হোৱা বেয়া।

আঠ বাজি গ'ল।

চাৰে আঠ বজাৰ পৰা স্কুলীয়া ল'ৰা ছোৱালীবোৰ যাবলৈ আৰম্ভ কৰিব। দহ বজালৈকে লানি নিচিগা মানুহ, লানি নিচিগা গ্ৰাহক।

ঠিক আহি ওলালহি চন্দ্ৰ আৰু গোলজাৰ।

কলেজৰ ল'ৰা। দুয়োটাই 'থাৰ্ড ইয়েৰত' পঢ়ে। 'আৰ্ট' লৈছে। বি এ.পাছ কৰি—মানে পাছ যে কৰিব তাৰ কোনো ভুল নাই—দুয়োটাই হাকিম হ'ব। আজিকালি ডাটি নগজা ল'ৰাও হাকিম হৈছে। ছোৱালীও হাকিম হৈছে বোলে।

চন্দ্ৰইঁত বেঞ্চখনতে বহিল।

গোলজাৰে শুই উঠিয়ে ডাটি খুৰায়, চুলি বেকব্ৰাছ কৰে। ইস্ত্ৰি কৰা হাৱাই চাৰ্ট পিন্ধে, চহ্‌মাযোৰ ধুনীয়াকৈ পিন্ধে, আৰু গোৰোহাভগা বাক্ লেডাৰৰ বগা নাগৰাযোৰ চোঁচোৰাই চোঁচোৰাই আহি চন্দ্ৰক লগ লয়—দুয়োটা আহি মইনৰ দোকানৰ আগৰ বেঞ্চখনত বহেহি—চাৰে দহটা পৰ্যন্ত।

চন্দ্ৰই স্কুলত থাকোতে ফিমেল পাৰ্ট কৰিছিল—দেখাত ধুনীয়া, আজিকালি ডাটিবোৰ বেছি হ'ল, আৰু ফিমেল পাৰ্ট ছোৱালীয়ে কৰে।

থিয়েটাৰত চন্দ্ৰৰ কেচ নাম আছে। মেইন পাৰ্ট কৰে, কেইবা বাৰো মেডেল পাইছে।

টাউনখনৰ ল'ৰাছোৱালী সকলোৱে চন্দ্ৰক চিনি পায়।

চন্দ্ৰৰ ৰাতিপুৱাতে ডাটি খুখুৰালেও চলে, মুৰ নফণিয়ালেও চলে। আৰ্টিষ্ট মানুহ অলপ কেয়াৰলেচ্ হৈ থাকিলে ভাল দেখি।

সিহঁত দুটা তাত কেলেই সদায় বহি থাকে সেইকথা স্কুললৈ যোৱা ছোৱালীবোৰেও জানে। ক্লাচ টেঁনৰ দীপালীয়ে যে মুখ টিপি হাঁহি যায়।

চন্দ্ৰৰ চিগাৰেট খাই ধোঁৱা উকওৱাৰ এটা ষ্টাইল আছে—বন্ধুৱে নোৱাৰে।

গোলজাৰে চুখা খায়।

বাকী কৰি চিগাৰেট কিনিবলগীয়া হোৱাৰ দিনা সি নিশ্চিতভাৱে মইনক শুনাই দিয়ে—বুইছ, মই কমিউনিষ্ট হৈ যাম। লাইফত আমাৰ একো নহ'ব নেকি ?

পিছে ভালেমান দিন হ'ল—গোলজাৰ এতিয়াও কমিউনিষ্ট হৈ যোৱা নাই।

বন্ধুদেৱ বহি থাকে।

চন্দ্ৰ চচিয়েলিষ্ট, চিগাৰেট অকলে নেখায়। বন্ধুদেৱে জানে।

—অকণ বহ দেই গোলজাৰ। মই চাহ খোৱাই নাই। মইন দোকানৰ পৰা তাৰ বহালৈ আগ বাঢে।

ডেড় ফার্লং দূৰত চিদানন্দ অভাৰচিয়াৰৰ যি শাৰী ভাড়াঘৰ আছে, তাৰে এটা সৰু জুপুৰী ঘৰত মইন থাকে। সেই খিনিত আঠোটা একেৰকমৰ খেৰৰ সৰু ঘৰ আছে—প্ৰত্যেকটোৰ ভাড়া সাত টকাকৈ। সৰু দুটা কোঠালি—অকণমান ৰান্ধনী ছালি। আগতে মিউনিচিপালি-টিৰ পানী কলটো আছে।

আজি পাঁচ বছৰ মানৰ পৰা চিদানন্দ অভাৰচিয়াৰে ঘৰবোৰ খেৰৰ গুচাই টিঙৰ কৰি, তলবোৰ পকা কৰি, কেউপিনে জেওৰা দিয়াৰ কথা কৈ আছে। কিন্তু এতিয়াও সময়কে পোৱা নাই—

বিস্কুট কেইডোখৰ মইনে দোকানৰ পৰাই লৈ আহে। পানীটোপা তপতাই চাহ কণ কৰি খায়। হোটেলৰ চাহটোপা কিবা ৰেং-ৰেঙীয়া লাগে। চাহটোপা বুলিলে—মানে—গাটো গৰম লাগি যাব লাগে।

জুইত এলুমিনিয়ামৰ কেট্‌লিটো তুলি দি, মইনে দোৰা দৌৰিকৈ

ডাঢ়িখিনি খুৰায়। বেৰতে সৰু ঘূৰণীয়া আৰ্চীখন আঁৰা আছে। চেভিংষ্টিক সি বেচেহে, ব্ৰাছেৰে মুখত চাবোন ঘঁহিবৰ তাৰ সময় নাই, সেইবোৰ ডাঙৰ মানুহৰ, অইন কাম নথকা মানুহৰ কাম, পিছে চাবোন নহ'লেও গালবোৰ বৰ ফৰফৰায়।

সি পানীৰে মুখখন তিয়াই, কাপোৰ ধোৱা চাবোন ডোখৰকে মুখত ঘঁহে। তাৰ পিছত আঙুলিকেটাৰে গালৰ চাবোন ফেনাবৰ চেষ্টা কৰি, কি হ'ল বিশেষ নেভাবি ডাঢ়ি খুৰায়, মুখখন তাৰ ওলাই পৰে।

ডেকা মানুহ, গালবোৰ পুৰঠ—বগাও, মুখখন ধুই সি অকণমান পাউডাৰ ঘঁহে।

তাৰ পিছত চাহ বাকি খায়।

দোকানলৈ যাবৰ আগতে আকৌ এবাৰ আৰ্চিত মুখখন চায়—যাঃ পাউডাৰ বোৰ বগা হৈ ওলাই আছে। তাৰ কামিজৰ আগটোৰে ঘঁহি ঘঁহি সি পাউডাৰৰ চিন নোহোৱা কৰি ওলাই যায়।

তাৰ মুখত পাউডাৰ দেখিলে ছোৱালীবোৰে কি ভাবিব ?

আধা ঘণ্টাৰ ভিতৰতে সি ঘূৰি আহিল।

—কোনোবা আহিছিলনেকি ?

তাৰ দোকান ৰখি দিয়াৰ কাৰণে চন্দ্ৰইঁতৰ প্ৰতি তাৰ কৃতজ্ঞতা মাতত ফুটি উঠে।

সি নেথাকোতে চন্দ্ৰইঁতে তিনি পেকেট চিগাৰেট বেচে, চাৰি অনাৰ লজেঞ্চ বেচে, এডোখৰ হামাম চাবোন বেচে। মিক্‌চাৰ নাই বুলি কয়, চাহপাত নাই বুলি কয়।

ভিৰ বাঢ়ে।

নগৰৰ জীৱন আৰম্ভ হৈছে।

মানুহবোৰ আহাৰ বিচাৰি ঘৰ এৰি অহা চৰাই। ৰাতিৰ ঘৰ, দিনৰ পৃথিবী। অফিচৰ অৰণ্যত খুটি খুটি আহাৰৰ খুদ কণ গোটোৱাৰ অবিশ্ৰান্ত সংগ্ৰাম, জনপদৰ ব্যস্ত শব্দ।

কাৰো ফালে কাৰো চাবৰ অৱসৰ নাই।

চাইকেলৰ শাৰী, মটৰৰ ৰাছ্, পদাতিকৰ বেগী খোজ।

দোকানত বহি থাকে মইন।

তাৰ মুখত কাৰণ নোহোৱা হাঁহিৰ ৰেখা।

ছোৱালীবোৰ সচেতন, ডেকা ল'ৰাবোৰ আৰু বেছি সচেতন।

পৃথিবীৰ সকলোৰে চকু সিহঁতৰ ওপৰত।

চাৰি আলিটোৰ চুকতে মইনৰ পাণৰ দোকান, পিছফালে জৰি গছ জোপা—তাৰ ঠাল ঠেঙুলিয়ে এহালিচা চানি আছে।

তথাপি ৰ'দৰ আকাল নাই।

আকাশৰ বুকত বহুত ৰ'দ—বগা, মৰমলগা, ৰ'দ।

মইনৰ পাণৰ দোকানৰ আগত বহি থাকে বসুদেৱ, চন্দ্ৰ, গোলজাৰ আৰু কোনোবা কোনুবি।

জৰিজোপাৰ সেৰেঙা পাতৰ মাজেদি ৰ'দ আহি পৰেহি মইনৰ দোকানৰ চালিত, তাৰ দোকানৰ আগৰ সৰু চোতালডোখৰত, আগৰ বননিখনত।

মিউনিচিপালিটি মেম্বাৰ ৰবি বাবুৱেও গাড়ীখন তাৰ দোকানৰ আগত ৰখাই নামি আহে।

ভদ্ৰপুৰুষ অসমতে আছে। ৰবি বাবু অসমীয়া হৈ গৈছে—যদিও বঙালী হাইস্কুলৰ তেওঁ চেক্ৰেটৰী।

মইনৰ দোকানৰ অলপ আঁতৰতে ৰবি বাবুৰ ঘৰ, ধুনীয়া ঘৰ কৰিছে কিন্তু—ডাঙৰ ঠিকাদাৰ।

ৰবি বাবুৱে চিগাৰেট এপেকেট লয় আৰু 'আয়েকক' পাৰিলে 'পাণ' চাৰিখন দি আহিবলৈ কয়।

সদায় কয়।

সমানকণ খাটিৰ মইনে ৰাখে।

ডাঙৰ মানুহ, তাতে তাৰ মিউনিচিপালিটিৰ টেক্সো বঢাই ধৰা নাই। লাচতে তামোল চাৰিখন দি অহাটোনো কি বেয়া কথা?

আৰু এটা কথা। টাউনৰ দক্ষিণ-ফালে ৰবি বাবুৰ বহুত মাটি আছে। একটা ছুটকাকৈ সাঁচি, পাৰিলে মাটি একঠা মান লৈ নিজৰকৈ ঘৰ এটা সজাৰ কথা মইনে বহুত দিনৰ পৰা ভাবি আছে।

সদায় আৰু চিদানন্দৰ জুপুৰীতে জীৱন কাটিবনে? কেতিয়াবা কিজানি ঘৰ-সংসাৰ কিবা হয়েই, তাৰ লগৰ কিছুমানে বিয়া কৰালেই, বয়সোতো কম হোৱা নাই—কুৰিয়েই হ'ল হবলা, নহয়, ওঠৰহে?

পিছে বিয়াৰ কথা ভাবিলেই তাৰ কাণমূৰ ৰঙা পৰে ছিঃ ছিঃ। কি যে লাজ-বিজ নোহোৱা কথা।

তথাপি নিজাকৈ ঘৰ এডোখৰ বন্ধাটো বেয়া নহয। আৰু চিদানন্দটোৱেও যদি সি থকা ঘৰটো অলপ ভাল কৰি দিলেহেঁতেন! লাগিলে ভাৰা ছুটকা বেছি লওক।

কঠাত বাৰ শকৈ লাগে।

কেতিয়াবা কিজানি সেইবোৰ মাটিৰ দাম কঠাত বাৰটকাও নাছিল। সেইবুলি মানুহে জানো নিকিনাকৈ আছে?

এসময়ত জাহজী কলৰ দাম আছিল আখিত দুপইছা, এতিয়া এটা ভাল জাহাজী কলৰ দাম এক অনা ছপইছা।

যেতিয়া যেনেকুৱা।

আগৰ দিন ঘূৰি আহিব বুলি বহি থাকিলে লাভ নহয। দিনে দিনে দাম বাঢ়িছেহে।

হয়তো খাটিলে এহেজাৰতো দিব পাৰে।

তাৰ জমা আছে—পাঁচশ সাতাইশ টকা।

যোৱা সাত বছৰে সিমানকে সি সাঁচিছে।

সাঁচিবনো ক'ৰপৰা? খিলিপাণৰ দোকান—গোটেই দোকান খনত মাল পাঁচশ টকাৰ বেছি নাই। থবলৈ ঠাই হ'লেহে! কেউপিনে মাল—মাজতে খোৰোংটো—তাতে সি সোমাই থাকে—কোনো মতে।

আঠৈ বছৰ এই জবি জোপাৰ তলতে অকণমান চালি এখন কৰি

তামোল-পাণৰ দোকান দিছিল—আঠ টকা মূলধনেৰে। আৰু কিমান ডাঙৰ দোকান হ'ব ?

তামোল-পাণ, বাদাম, চিগাৰেট—আৰু খৰালি সুমথিৰা, তাতেই লখিমীয়ে অলপ চকুমেলি চালে বুলিহে।

আৰু ৰবি বাবু আৰু মজহৰ বাবুৱে ইয়াতে এই দোকানখন বহুৱাবলৈ দিলে বুলিহে।

এইখন দোকান—টেক্স দিব লাগে, নিজে চলিব লাগে, গাঁৱৰ মাক ভনীয়েকলৈ পঠিয়াব লাগে।

লাখ টকাৰ কাৰবাৰনে কিবা ?

—সেই ডাল নহয়, সেই বেছি ৰঙা ডাল দিয়া।

—এই ডাল ?

—উঁ— ?

ভাল ছোৱালী—তাৰ পৰা ফিটা নিয়ে, লজেঞ্চ নিয়ে, প্লাষ্টিকৰ ফুল নিয়ে, কেতিয়াবা স্কুলৰ পৰা ঘূৰি আহোতে পাণো নিয়ে।

—আৰু কি দিম ? নতুন শলা আহিছে।

চুৰেটাৰ গোঁঠা শলা।

—চাওঁ—

এমুঠি শলা মইনে ছোৱালী কেজনীৰ আগত উলিয়াই দিয়ে।

ছোৱালী কেজনীৰ মন বহি গ'ল।

—এতিয়া পিছে পইছা নাই নহয়। দাম কিমান ?

—পইছা কাইলৈ দিবা, কিমান নম্বৰ লাগে ?

মইনে দাম ঠিক কৰি দিয়ে।

সিহঁত ভাল ছোৱালী—তাৰ পইছা নেখায়।

আৰম্ভ হৈছে কলেজীয়া ছোৱালীৰ শোভাযাত্ৰা। শোভাযাত্ৰা—ঠিক শব্দ! মতা মানুহৰ আকৌ কি শোভাযাত্ৰা হয় ? মতা মানুহে খোজকে কাঢ়িব নেজানে।

শোভাযাত্ৰা কৰি যায় ছোৱালী বোৰে।

বহুত ছোৱালীকে মইনে চিনি পায়।

পিছে তাৰ বৰকৈ চাবৰ সময় নেথাকে। কলেজৰ ছোৱালীবোৰ অহাৰ সময়তে তাৰ দোকানত ল'ৰাবোৰৰ ভিৰ হয়। একো কিনিব লগীয়া নথকায়ো কিবা এটা কিনে।

আকাৰে-ইংগিতে কিবা কিবি কয়। কোনোবা ছোৱালীৰ ৰোল নম্বৰটো ডাঙৰকৈ মাতে।

—চাওঁ মইন, ৭২ নম্বৰটো দেচোন।

মোক দুশ সাতচল্লিশ টো দে।

কৃষ্ণমাৰ্কা বিধ অহাই নাই নেকি?

তাৰ মানে জয়ন্তী কাকতী—বিয়াৰ বন্দৰস্ত হৈ আছে বিষ্ণু শৰ্মাৰ লগত। সেইদেখি কৃষ্ণমাৰ্কা।

বুজিও মইনে নুবুজাৰ ভাও ধৰে।

কেতিয়াবা দুজনীমান ছোৱালী তাৰ দোকানলৈকে সোমাই আহে। ফক্‌ফকাই থকা ল'ৰাবোৰ অপ্ৰস্তুত হৈ পৰে।

মইন কিন্তু গহীন।

ছোৱালী হওক, ল'ৰা হওক—গ্ৰাহক।

কিবাকিবি কিনি ছোৱালীবোৰ গুচি যায়।

চন্দ্ৰই আকাশৰ ফালে চাই থিয়েটাৰৰ স্পীচ মাতে—বহুত দিনৰ আগে কোনোবা জোনাক নিশা, ক'ত যেন দেখিছিলো— নপৰে মনত। গোল্‌জাৰে কৈ দিয়ে—এই কলেজৰ ছোৱালীবোৰ বুইছ মইন—মানে—একোটা—

উমা চৌধুৰী সোমাই আহে।

উমা চৌধুৰী উকিল। স্বদেশী উকিল, খদ্দৰৰ চুট কৰে, গান্ধী টুপী পিন্ধে, ইভিনিং ইন্ পেৰিচ ঘঁহে, ৰবাৰ্ট টেইলৰৰ নিচিনা মোচ ৰাখে, শকত ফ্ৰেমৰ চছ্‌মা পিন্ধে।

গুচি যোৱাৰ পিছত শুনাকৈয়ে গোল্‌জাৰে কয়—উমা উকিলে হেনো গাঁৱৰ লিখাপঢ়া নজনা মক্কেলৰ লগতো ইংৰাজী কয়, পিছে পিন্ধে খদ্দৰ!

উকিলে আৰু ইংৰাজী নকৈ অসমীয়া ক'বনে ?—এনেয়ে চন্দ্ৰই কয়, তাৰ পিছত পুনৰ আৰম্ভ কৰে স্পীচ।

কথা-কথা-কথা—

শুনা চন্দ্ৰাৱতী, কথাৰ সাগৰ মথি

প্ৰেমৰ অমৃত মই বিচাৰি আনিম—

আজি তুমি নকবাচো কথা—

থাকা মনে মনে,

আমি দুয়োজনে—

ৰেবতী তৰণীয়ে চাইকেলখন ওচৰৰ টেলিগ্ৰাফৰ খুটাটোত আউজাই থৈ মইনৰ দোকানলৈ সোমাই আহে।

একো নিকিনে।

ভাত খাই উঠি বিড়িটো মুঠি মাৰি লৈ আহে আৰু মইনৰ দোকানৰ নাৰিকলৰ ৰচিডালত জ্বলাই, কাকো একো নোকোৱাকৈ গুচি যায়।

এই এক ডেডঘণ্টাৰ ভিতৰতে ভাল বিক্ৰী হৈ যায় মইনৰ।

শোভাযাত্ৰা পাতল হৈ আহে।

স্কুল-কলেজ-অফিচ-আদালতে মানুহবোৰ গিলি পেলায়। চন্দ্ৰইও যায়গৈ।

মইন গাদীৰ পৰা নামি বাহিৰলৈ ওলাই আহে। সিও এটা বিড়ি জ্বলায়।

সি অলপ দূৰলৈ আঁতৰি যায়, আৰু ঘূৰি তাৰ দোকানখনলৈ নোচোৱাৰ দৰে চায়। আৰু সজাব পাৰি, পিছে সময়েই নাই। এদিন দেওবাৰে ভালকৈ সজাব লাগিব।

নিৰ্ম্মীথকা কেলেণ্ডাৰখন—সেই খিনিত, সকলোৰে দেখাত আৰি থবই লাগিব, তেতিয়া আকৌ প্লাষ্টিকৰ ফুলবোৰ ঢাক খাই যায়।

ৰবি বাবুৰ মাটি ডোখৰ এহেজাৰত নিদিবনে বাৰু?

জয়ন্ত ফুকন, ৰাধা হাজৰিকা আৰু আবাদ সোমাই আহি বেঞ্চখনত বহি পৰে।

কথা আৰম্ভ হৈছে বহুত আগতে, ক'ৰবাতে !

জয়ন্তই পলিটিক্সৰ নাম শুনিব নোৱাৰে। লাষ্ট বিচৰ্ট অফ্ দি স্কাউণ্ড্ৰেল্চ্— । অন্য কথা ক'। ষ্টেলিন কৰ, গান্ধী কৰ, নেহৰু কৰ—দে' স্পইলদ্ দি ছ', দে ক্ৰিয়েটেদ্ দি কেৱচ্।

ৰাধা আৰু আবাদ দুয়োটো কমিউনিষ্ট—অন্ততঃ নিজে কমিউনিষ্ট বুলি ভাবে। ঘৰৰ কাম-বন নকৰে। ৰাধাৰ দুটা ককায়েকে কাম কৰে, সি মাজতে চলি যায়, ভাত-কাপোৰ হ'লেই হৈ গ'ল। বাকী সন্তীয়া ৰাচিয়ান আৰু চীনা কিতাপ পঢ়া—ইংৰাজী বা বঙালী অনুবাদত—সভাত বক্তৃতা দিয়া, আৰু মইনৰ দোকানৰ আগত জয়ন্তহঁতৰ লগত বহি ইণ্টাৰ-নেছনেল্ প্ৰব্লেম্ছৰ ওপৰত দিছকাচন্ কৰা। বিড়িয়েই যথেষ্ট। পালে বিলাতী চিগাৰেট, কেতিযাবা চুৰ্খা।

জয়ন্তই যদিও সিহঁতৰ আলোচনাক কেতিয়াবা গাঞ্জাখুৰি বোলে, ৰাধাই কিন্তু ভাং নেখাই বুলিযেই সকলোৰে বিশ্বাস। ভাং খোৱা মানুহে হামিয়ায়।

আবাদৰ লিখা-পঢ়া সামান্য। মানুহটো সবল, দুখীয়াৰ ঘৰৰ ল'ৰা। খোৱা থকা, কাপোৰ কানিৰ অভাৱৰ অন্ত নাই। কথাবোৰ ৰিভলিউচনেৰি। ধনিক শ্ৰেণীৰ ওপৰত 'অন্তিম আঘাত' হানিবৰ কাৰণে দৃঢ়-মুষ্টি। মাত্ৰ পৃথিবীৰ জনসাধাৰণৰ সমৰ্থন লাগে। 'স্বাধীনতা' দৈনিক পঢ়ে, চোভিয়েট লেণ্ডৰ ছবি চাই অভিভূত হয়, মইনৰ দোকানত নেহৰুৰ ছবি থকা কেলেণ্ডাৰ দেখি অলপ ভোৰ-ভোৰায়। এসময়ত ষ্টেলিনক সমগ্ৰ পৃথিবীৰ অদ্বিতীয় মুক্তিদূত বুলি বিশ্বাস কৰিছিল। আজিকালি সেই বিশ্বাস কমিছে—ৰাজনীতিত পাৰ্চনেলিটি কাল্ট বৰ বেয়া বস্তু। কেৰালাৰ বহুত খবৰ ৰাখে।

আবাদে জয়ন্তৰ কথাৰ প্ৰতিবাদ কৰে—ষ্টেলিনৰ লগত নেহৰুৰ তুলনা নকৰিবি। ষ্টেলিনে বিপ্লৱত বিশ্বাস কৰিছিল, হি ৱাজ এ গ্ৰেট ৰিভলিউচনেৰি। নেহৰু আৰু গান্ধী বিপ্লৱী নহয়—মানে—

কম্প্রমাইজ কৰি স্বাধীনতা পালে। নেহৰু বুৰ্জোৱাজিৰ পাৰফেক্ট চিম্বল।

ইংৰাজী শব্দবোৰ সদায় শুনি শুনি শিকা।

বদ্রীনাৰায়ণ আহে। আঁৰি কুঁজা—লেং লেং কৰে দীঘল। ওপৰৰ পাৰি দাঁত বহুত আগবাঢ়ি থকা। হাঁহি থকা যেন লাগে।

মূৰত খদ্দৰৰ টুপী—কূৰ্তাটোও খদ্দৰৰ। চেণ্ডেলযোৰৰ অৱস্থা জৰাজীৰ্ণ।

বদ্রীনাৰায়ণক দেখিলে ৰাধাইঁতৰ কংগ্রেছৰ বিৰুদ্ধে বক্তৃতা শক্তিশালী হৈ উঠে।

—কংগ্রেছে ভাৰতৰ জনসাধাৰণৰ এচ্‌পিৰেছনচ্‌ বিট্রে কৰিলে। চচিয়েলিজম্‌ কৰাৰ নামত দেশী কেপিটেলিষ্ট শ্রেণীৰ শোষণৰ বাট মুকলি কৰি দিলে।

কোন ফালে যোৱাহে বদ্রী— ?

বদ্রীৰ কাম আছে—অলপ এই খিনিৰ পৰা আহিব।

—কাম আছেতো বুজিলো। তোমালোকৰ কাম নেথাকি আৰু কাৰ থাকিব ? দেশখনতো তোমালোকৰে।' 'বাপুৰ' নামত আৰুৰ কাৰবাৰ কৰিছানে নাই ?

বদ্রীয়ে হুঁহাৰ নিচিনা কৰিলে। ৰাজনীতি বেছি নেজানে। এবাৰ নেহৰু অসমলৈ আহোঁতে ভলন্টিয়াৰ হৈ আলিবাটৰ মানুহ নিয়ন্ত্রণ কৰিছিল। তাৰপৰা খদ্দৰৰ টুপীটো আৰু চোলাটো এৰা নাই। ইহঁতৰ আগত সঙ্কোচ যথেষ্ট।

জয়ন্তই মন্তব্য কৰিলে, ইমান ৰিস্ক লৈ আজিকালি ভাল মানুহে কানিৰ কাৰবাৰ খুব কমেই কৰে। তাতকৈ দেখাদেখিকৈ পি ডব্লিউ ডিৰ ঠিকা, নাইবা চাপ্লাইৰ কনট্রেক্ট ললেই লাভ বেছি হয়, পি ডব্লিউ ডিত চেভেন্টি ফাইভ পাৰ্চেন্ট লাভ থাকে। ফাইভ ইয়েৰ প্লেন মানে গৰীব প্রজাৰ হাতৰ কাণৰ চুচি নি ঠিকাদাৰৰ বেঙ্কবেলেঞ্চ ওখন্দোৱা। পিছে ব্রদ্রী, অলপ যা-যোগাৰ হৈছেনে নাই ? চিমেন্টত

বোলে ভাল কমিচন বয়, আক চে'ল টেক্সৰ খেলাতো বোলে ফিফ্‌টি পার্চেন্ট কমিচন—

বজ্ৰীয়ে হাঁহিয়ে কয়—ইমান লাভ যদি তোমালোক ইয়াত বহি নেথাকি দেখোন সেইবোৰতে নামিব পাৰা—আঙুৰ টেঙা নেকি ?

কিন্তু আমি সেইবোৰত ধৰিলেযে তোমালোকৰ চাউল মুঠিয়েই বন্ধ হৈ যাব।

বজ্ৰীয়ে তামোল চাবি পইছাৰ লৈ যায়গৈ। সদায় ইহঁতক লগ পায়, সদায় এনে তৰ্ক হয়। কিন্তু তৰ্কৰ সিপাৰে একো নাই।

মইনে সিমান বুজি নেপায়।

চান্দা সি সকলোকে সমান দিয়ে। আবাদহঁতৰ মিটিঙৰ কাৰণেও আঠ অনা, কংগ্ৰেছৰ মিটিঙৰ কাৰণেও আঠ অনা, স্বৰস্বতী পূজাৰ কাৰণেও আঠ অনা, ঈদ মজলিচৰ কাৰণেও আঠ অনা।

ৰাধাহঁতৰ কথাবোৰ শুনি শুনি সিও ৰাজনীতি শিকি পেলাইছে। কিন্তু সি নিজৰ অভিমত দিওঁ দিওঁ কৰিও কোনো দিন দিব পৰা নাই। কথাবোৰ জুকিযাই লওঁতেই কোনোবা এটা ওলাযহি।

—পাণ এখন দিয়া।

—চিগাৰেট এক পেকেট দিযা।

তাৰ আৰু ৰাজনীতি কৰা নহয়।

জয়ন্তহঁতে তিনিওটাৰ ভিতৰতে একঅনাৰ তামোল খায়। মুখ ঘূৰাই বেঞ্চখনৰ পিছফালে পিক পেলায, আৰু কেতিয়াবা বৰ ডাঙৰ কথা চিন্তা কৰাৰ দৰে মনে মনে বহি থাকে।

ৰসাতললৈ যাব ধৰা পৃথিবীখন আৰু ৰক্ষা কৰা নহ'ল—এই ভাব।

ৰাধাহঁত যাবলৈ উঠো উঠো কৰিও বহি থাকে। কথা শেষ হ'ল—এতিয়া নীৰৱতা।

নীৰৱতা ভঙ্গ কৰে হাফিজ চাহেবে।

কোৱা মতে, হাফিজ চাহেব লক্ষ্ণৌৰ মানুহ। বহল পায়জামা

পিন্ধে। ক'লা জোতা আৰু ৰঙা এযোৰ গৰম মোজা সদায় পিন্ধি থাকে। গাত আদ্দিৰ লখ্নৰি কুৰ্তা। আস্তিনত জালি কাম কৰা।

চেহেৰা ধুনীয়া, ডাটিখিনি চুটিকৈ কটা—মুখখন কল্‌ডিলীয়া দেখি। দীঘল বাবৰি চুলি। গাত সদায় আতৰৰ গোন্ধ—মুখত চাচি পাণৰ ৰং সদায় লাগি থাকে।

বেচ মজ্‌লিচি মানুহ।

তাতোকৈ ভাল মাতটো। ধুনীয়া গজল গায়।

কাৰবাৰ কৰে, আতৰ এচেঞ্চ বিক্ৰী। এক অনা আতৰত এতোলা হোৱাইট অইল মিহলাই আঠে টকা তোলাত বেচে। মুছলমানৰ মাজত চিনাকি—আতৰৱালা হাফিজ চাহেব।

তেওঁ আহিলে আড্ডা জমি যায়।

ৰঙা কাপোৰেৰে মেৰিযাই অনা আঁতৰৰ টোপোলাটো কাষৰ পৰা নমাই মইনৰ গাদীতে এচুকে থৈ আগে এখন কাৰাকৈ জৰ্দা দিয়া পাণ খাই লয়।

—কি মইন ভাই—ভালা হেই না?

হাফিজে অসমীয়া শিকিছে। ঘৰে ঘৰে আতৰ বেচে—অসমীয়া নেজানিলে কেনেকৈ?

—আছো আৰু কোনো ৰকম। আপোনাৰ ভাল?

—হামাৰ তো হৰ হামেছাই ভাল। খানা, গানা আওৰ আনা-যানা—জীন্দেগীতো এক্ বাহানা—হেই না মইন ভাই?

মইনে মূৰ দুপিয়ায়, ইমানখিনি কথাৰ অৰ্থ মইনে বুজে।

আবাদে কয়—আজি কিন্তু হাফিজ চাহেব—একটা আচ্ছা গজল গাইয়ে।

জয়ন্ত ইঁতেও কয়—হয়, হয়, তাৰ কাৰণেই আমি বহি আছো।

আঙুলিৰ মূৰত লাগি থকা চূণকণ তলৰ পাৰিৰ দাঁত এটাত লগাই হাফিজে হাঁহে—মুকলি হাঁহি। হাঁহিটোতো যেন আতৰৰ গোন্ধ।

তাৰ পিছত হাফিজে চকুহুটা আধা মুদা কৰি দূৰৰ ফালে চাই অলপ পৰ কি জানো ভাবে। হয়তো লক্ষ্ণৌৰ এটা ঠেক গলিৰ এখন মৰম-কোমল মজিয়াৰ কথা মনলৈ আহে। কাৰোবাৰ এটা চেনেহী হাঁহি, কাৰোবাৰ এটা মৰমী চাৱনি। হয়তো উত্তৰ-প্ৰদেশৰ কোনোবা দূৰণি গাঁৱৰ উদাসীন আলিবাটৰ কথা মনত পৰে।

অলপ পৰৰ পিছত হাফিজে কয়—আপ্‌লোগ গজল শুনিব নহয় ?

লাহে লাহে গভীৰ মিঠা মাতটোৰে হাফিজে গজল আৰম্ভ কৰে। দুপৰীয়াৰ নিৰ্জনতা অলপ চঞ্চল হৈ উঠে। জৰিজোপাৰ পাতবোৰৰ কোমল কঁপনি শান্ত হয়।

বৰ দৰদ দি হাফিজে গজল গায়—প্ৰণযৰ গীত গায়। মীৰৰ গজল, জওকৰ গজল, গালিবৰ গজল।

—জীনা হামে আছ্‌লা নজৰ নেহি আ'তা,
গৰ্ আজ ভি ৰহ্ ৰছ্‌কে-মছীহা নেহি আ'তা।
ক্যা জানে উচে ৰহম হেই ক্যা মেৰি তৰফ্‌ছে,
জু খা'ব মে ভি ৰাত কু তন্‌হা নেহি আ'তা।
হাম্ ৰোণেপে আ' যাযে তু দৰয়া হি বহা দে',
চৰ্‌নম্ কি তৰহৰ্চে হামে ৰোণা নেহি আ'তা।
আনা হেই তু আ'যা কে ক'ই দম্ কি হেই ফুৰ্চত,
ফিৰ্ দেখে আ'তা ভি হেই দম্—যা নেহি আ'তা।

মইনহঁতে সুৰ বুজে, অৰ্থ নুবুজে, তথাপি ভাল লাগে। বৰ ধুনীয়াকৈ গায হাফিজে, তেওঁ গান গাবলৈ ল'লে ওচৰ পাঁজৰৰ ল'ৰা-ছোৱালী জমা হৈ যায়। কাষৰৰ ঘৰৰ জীয়াৰী বোৱাৰীহঁতে খিৰিকি মুখত বৈ কাণ দি শুনে। হাফিজৰ মাতটো বহুতৰ চিনাকি হৈ পৰিছে।

—আনা হেই তু আ'যা, কে কই দম কি হেই ফুৰ্চত—জওকৰ গজল গায় হাফিজে।

: আহিম বুজিছা যদি এতিয়াই আহা, মোৰ হাতত মাথোন কেইটামান সৰু মুহূৰ্তৰ আজৰি আছে, কোনে জানে আৰু কেইটা নিশ্বাস মোৰ জীৱনলৈ আকৌ আহিব ?

মৃত্যুৰ দুৱাৰ-দলিত বৈ প্ৰিয়তমাৰ কাৰণে জনোৱা অন্তিম আহ্বান।

—কান্দিব ধৰিলে মই, নৈ বৈ যায়। কাৰণ—নিয়ৰৰ কণাৰ নিচিনা সামান্য কান্দোন মই কান্দিব নেজানো। সেই কাৰণেই নেকি হাফিজৰ গীতৰ সুৰত কান্দোনৰ বাষ্পাকুল বিননি।

আবাদহঁতো অভিভূত হৈ পৰে। কমিউনিষ্টে বিৰহৰ গান ভাল পোৱা উচিত নে অনুচিত তেতিয়া আৰু মনত নেথাকে।

গান বন্ধ হোৱাৰ কিছু পৰৰ মূৰত আৰম্ভ হয় ডায়েলেকটিকেল মেটিৰীয়েলিজমৰ চেতনা।

সকলোৰে ভোক লাগিছে।

তথাপি অনুৰোধ আহে—আওৰ এক্ হাফিজ ভাই—কিন্তু হাফিজ বহাৰ পৰা উঠে, আকৌ এখন পাণ খায়, তাৰ পিছত মইনৰ পইছা কেটা গণি দিয়ে। আৰু গাব লাগিব—হাকিমৰ জীয়েক নাচীমে হাফিজৰ হাতত ধৰি কৈ উঠে।

নাচীম—আঠবছৰীয়া লোদোৰ-পোদোৰ ধুনীয়া ছোৱালীজনী। জোঙা ধুনীয়া নাকটো, চকুদুটা ইমান মোহ-লগা। চুলিবোৰ চুটিকৈ কটা—চকুত পৰিছেহি। ক্ৰেপৰ আকাশনীলা ফ্ৰকটোৱে গাখীৰ-বগা মুখখন আৰু উজ্জ্বল কৰি তুলিছে।

হাফিজে নাচীমৰ হাতখনত ধৰি কয়—আৰু গাব লাগিব ? ক্যা গাব লাগিব ?—

—গজল—

—গজল। তুমি চম্‌ঝেগা ?

তাৰ পিছত কয়—আচ্ছা, আচ্ছা, লেকিন বহুত দেৰি হ'ল—ভুখ লাগিছে। চাৰ লাইন—ঠিক হেই না ?

খিয় হৈ থাকিয়ে হাফিজে সুৰ নমাই গায়—মীৰৰ কোনোবা এটা পুৰণি গজলৰ চাৰি শাৰী :—

—য়াঁকি চুফেদ ৱ চিয়াহ মে হামকু দখল জু হেই, চু ইত্না হেই।

ছব্ কু ৰু ৰু চুবহ্ কিয়া, আওৰ চুবহ কু ৰু ৰু ছাম কিয়া ?

মীৰ কে দীন ৱ মজহৱ কু ক্যা পুচ্‌তে হ' তুম্, উন্নে তু,

কাছ্‌কা খেচাঁ, দেইৰ মে বইঠা, কব্‌কা তৰকে ইছ্‌লাম কিয়া।

গাই উঠি হাফিজে আকৌ হাঁহি দিয়ে।

ৰঙা কাপোৰেৰে মেৰিওৱা আতৰৰ সৰু বাকচটো কাষলতিৰ তলত লৈ হাফিজ চাহেব যাযগৈ।

অন্যান্য বিলাকো লাহে লাহে ঘৰমুৱা হয়। ভৰ দুপৰ হৈছে, ভাত খাবৰ হ'ল সকলোৰে।

নাচীমে যাবলৈ পাহৰে, তাইৰ ভোক নাই, অথনিযে ভাত খালে। বাবাক কাছাৰীত আছে। মা ভাত খাই শুইছে। ঘৰত এইটো সকলোৰে জিৰণিৰ সময়।

নাচীমে মইনৰ লগত কথা পতা আৰম্ভ কৰি দিযে—মইন কাকা হাফিজে আৰু গান নেগালে কেলেই ?

—আকৌ কাইলৈ গাব। আজি আৰু ভোক লাগিল নহয়।

সোনকালে ভাত খাই নাহে কেলেই ?

মইনে তাৰ কাৰণটো নাচীমক ক'বলৈ নিবিচাৰে। ঘৰে ঘৰে, দুৱাৰে দুৱাৰে আতৰ বেচি ফুৰে হাফিজে, তাৰেই আৰ্জন, তাৰেই সংসাৰ। হাফিজৰ কাৰণে কোনে ন বজাতে ভাত ৰান্ধি দিব ?

মইনে অন্য কথা উলিয়ায়।

নাচীমক স্কুলত কোনজনী বাইদেৱে বেছি মৰম কৰে ? চিৰীণে কি কৰিছে ? চিৰীণ নাচীমৰ ভনীয়েক—চাৰি বছৰীয়া, নাচীমৰ পেহীয়েক যে আহিছিল, গ'লনেকি ? আৰু কিবা কিবি সৰু সৰু টুকুৰা টুকুৰি কথা।

নাচীমে কয়—আমাৰ চুবাইয়া পেহীৰ বিয়া হ'ব নহয়, মইন কাকা।

—বিয়ানেকি ? কেতিয়াকৈ হ'ব ?

কেতিয়াকৈ হ'ব নাচীমে ক'ব নোৱাৰে, পিছে বিয়া হ'লে হ'ব। খুব মজাৰ হ'ব নহয় পেহীৰ বিয়া হ'লে ?

মইনৰ ভোক লাগে, তথাপি মইনে নাচীমৰ লগত কথা পাতি বহি থাকে। বৰ মৰম লাগে নাচীমজনীলৈ। মইনৰ ভনীয়েক জনীও ভাল, পিছে ইমান ধুনীয়া নহয়। ক'ৰ পৰানো হ'ব—ভূঁই কঠিয়া কৰা ছোৱালী। হাকিমৰ ছোৱালীৰ নিচিনাকৈ কিবা খাবলৈকে পাইছেনে, পিন্ধিবলৈকে পাইছে ? এইবোৰ ল'ৰা-ছোৱালী ফুল তোলাদি তুলিছে। আৰু কথাবতৰা বোৰো কেনেকুৱা মৰম লগা।

চাৰি আলিত ডিউটি দিয়া মোবাৰকো বিড়ি এটা জ্বলাবৰ কাৰণে আহি মইনৰ দোকানৰ আগৰ বেঞ্চখনত বহেহি। মোবাৰকতো দিনে দিনে শকত হৈ গৈছে। কেইদিনৰ ল'ৰা—সিদিনা পুলিচত সোমাইছিল। এৰা, শকত হ'বৰ মন থাকিলে পুলিচৰ কামত সোমাবা, এবছৰৰ মূৰত গাল মুখ পোট খাই চিনিব নোৱাৰা হয়।

মোবাৰক আহি বহিলে মইনৰ ভোক লগা কথাটো আকৌ মনত পৰে। সি নাচীমক দুটা টফি দিয়ে, আৰু কয়—বলা নাচীম, তোমাক ঘৰত বিচাৰিব, এতিয়া দুপৰীয়া মাৰ লগতে অলপ শুই থাকাগৈ, আকৌ পিছত আহিবা দেই।

তাৰ পিছত মোবাৰকক কয়,—অলপ চাবা দেই। ভাত মুঠি খাই আহো, আজি পলমেই হৈ গ'ল, তুমি খালা নহয় ?

এই সময়ত আলিবাটতো মটৰ গাড়ী, মানুহৰ ভিৰ কম, মইনৰ দোকানতো গ্ৰাহক কম।

মোবাৰকে দোকান ৰখে।

নাচীমৰ হাতত ধৰি মইন তাৰ ঘৰলৈ যায়।

মইনৰ ভাত খোৱাৰ বন্দবস্ত অলপ বেলেগ। সিফালৰ ঘৰত থকা জয়নাথে ৰাতি ইলেকট্ৰিক চাপ্লাইত চকিদাৰ কাম কৰে। ৰাতিটো উজাগৰে বহি থাকি পুৱা পাঁচ বজাত সি ঘৰলৈ আহে, তাৰ

কাৰণে মইনে চাহ কৰি থয়, সাত মান বজাত চাহ খাই লি শুই দিয়ে। উঠে ১১ বজা মানত, তেতিয়া মইন দোকানত।

জয়নাথে মইনৰ কাৰণেও ভাত ৰান্ধে। দিনটো ছয় বজালৈকে তাৰ ছুটী।

জয়নাথো ডেকা মানুহ। মাজে মাজে বিয়া কৰোৱাৰ কথা চিন্তা কৰে, পিছে নিজৰেই সঙ্কোচ লাগে। বিয়া কৰাই কি হ'ব, গোটেই ৰাতিটো কামতে থাকিব লাগে দেখোন।

গাটো ধুই, ভাত মুঠি খাই আকৌ মইন দোকানলৈ আহে। দোকানত বহি থাকিলেওতো জিৰণি হয়। তাতে মোবাৰক আছে বুলিহে।

জৰি গছৰ পাতৰ মাজত কোমল বতাহজাকৰ ৰিব্ৰিব্ কঁপনি। ৰ'দজাক শান্ত।

মোবাৰকৰ লগত মইনে দুই চাৰিটা সুখৰ দুখৰ কথা পাতে।

মোবাৰক ল'ৰাটো বেযা নহয়। মইনক ককাইতি বুলি মাতে, বয়সত সৰু। কেতিযাবা মইনে মনতে ভাবে—ভনীজনী মোবাৰক-লৈকে দিব পৰা হ'লে! ইয়াৰ লগত কিজানি এমুঠি ভালেৰেই খাব পাৰিলেহেঁতেন। বৌটিৰ লগত অকলে থাকে। গাঁৱৰ ল'ৰাবোৰ যিহে খেচেৰা। কোনোবাই পলুৱাই নিলে লাজতে নাক উলিয়াব নোৱৰা কথা হ'ব।

মোৱাৰকৰো তিনিজনী ভনীয়েক দিব লগীয়া হৈ আছে। পিছে তাৰ ককায়েক আছে। খেতিবাতি কৰে, ডাঙৰ জনীৰ বয়সেই হ'ল, কুৰিমান হ'ল কিজানি, সিও কেতিয়াবা মনে মনে ভাবে, ডাঙৰ ভনীজনী মইনলৈকে দিব পৰা হ'লে। নগৰত থাকে, দুপইছা যোজ-গাৰো কৰিছে। ভনীজনীয়ে ইয়াৰ লগত সুখেৰেই খাব পাৰিলে-হেঁতেন।

কিন্তু মনৰ কথা কোনোৱে কাকো নকয়।

ৰামচৰণ নাপিত আহি বেঞ্চখনতে বহেহি। তাৰ কাযলতিৰ তলত

কেচি ফণিৰ মোনাটো, সি কিজানি তিনিদিনমান ডাটি খুকৱা নাই, তেলক'লীয়া মুখখন ঢাক খাই পৰিছে।

ৰামচৰণে এমুঠি বিড়ি কিনে আৰু এটা জ্বলাই হুপিব ধৰে। মোবাৰক ডিউটিত থিয় হয়গৈ। অৱশ্যে এতিয়াও বেছি মানুহৰ ভিৰ হোৱা নাই।

ৰামচৰণৰ লগত মইনে দুবাৰ কথা পাতিলে। প্ৰায়ে মইনে ৰামচৰণক কয় যে আজি কালি ঘৰে ঘৰে ঘুৰি ফুৰি চুলিকটাৰ দিন নাই, চেলুন খুলিব লাগে, তেতিয়া হ'লে গ্ৰাহক আপুনি আহিব।

ৰামচৰণে দুখ কৰে: দিনে আৰ্জি দিনে খাওঁ, এখন চেলুন খুলিবলৈ দুই আটে শ টকা লাগে, জমাতো নহয়েই। ইয়াত চলিব লাগে, ঘৰলৈকো পঠাব লাগে, ঘৰতো বুঢ়া বাবা আছে, মাহী আই আছে, ভাইভনী আছে। তবে, ভগৱানৰ দয়া যে মানুহৰ চুলিতো নবঢাকৈ নেথাকে। নহ'লেযে আমাৰ কি দিগদাৰি হ'লহেঁতেন।

মইনে শলাগিলে।

—এৰা, হাজামৰ কামটো বেয়া নহয়। কাৰবাৰটোত বেছি টকা নেলাগে—খুৰ, কেচি, ফণি হ'লেই হ'ল। আমাৰতো বহুত টকা লাগে, নহ'লে দোকানেই নহয়।

ৰামচৰণৰ আৰু এটা অনুযোগ।

—বিলাত, 'আফ্ৰিকাত' তিৰোতা মানুহেও চুলি কটায় হেনো। আমাৰ ইয়াত আকৌ মাইকী চৰে চুলিত কেচি নলগাযেই, নহ'লেকি আমাৰ কম লাভ হ'লহেঁতেন?

গ্ৰাহকজনক চিগাৰেট পেকেট দি বিদায় কৰি মইনে ক'লে—আল্লাই মাইকী মানুহক চুলি দিছে দীঘলকৈ ৰাখিবৰ কাৰণে। মাইকী মানুহে চুলি চুটিকৈ কটালে আল্লায়ো বেয়া পায় জানিছ ৰামচৰণ, আৰু মই একদম বেয়া দেখো।

ৰামচৰণে মইনৰ কথাটো বৰ ভাল নেপায়। চুলি কটালে

দেখিবলৈ ভাল হোৱা বেয়া হোৱাৰ লগত ৰামচৰণৰ বিশেষ সম্পৰ্ক নাই। সকলোৱে তাৰ হতুৱাই চুলি কটাব লাগে—এই কথা।

—আজিকালি ডেকা ল'ৰা কিছুমানে আকৌ কিবা ঠুটবিত ডাড়ি ৰাখিবলৈ লৈছে—মইনে কয়। কলেজৰ কিছুমান ল'ৰায়ো ৰাখিছে, মইনে দেখিছে।

—চিনেমাত ৰাখে হেনো। ডেকা মানুহৰ খেয়াল! ৰামচৰণে স্বচ্ছ অভিযোগ আৰু পুতৌ কৰাৰ সুৰত কয়।

চুলেইমান দৰ্জিয়ে ততাতৈয়াকৈ আহি গুলি সূতা তুটা বিচাৰে।

চুলেইমান নাম কৰা দৰ্জি। কলেজৰ অলপ ইফালে তাৰ চিলাইৰ দোকান—দি কে'ছন হাউছ। হাৱাইন চাৰ্ট ভাল চিলায়—সকলো কলেজৰ ল'ৰাই তাতে দিয়ে।

চুলেইমানৰ মুখলৈ চাই মইনে এনেই হাঁহি দিয়ে।

—হাঁহিছ যে মইন?

—তোৰ আৰু সদায় হুচ নাই, বহচোন।

—নাই, একদম সময় নাই অ'। বেয়া নেপাবি। দেখিছনে ডাড়ি মুখ মৰাবলৈও সময় পোৱা নাই।

—বহ, বহ, ৰামচৰণ বহি আছে। দে ৰামচৰণ, এওঁৰ ডাড়ি খিনি খুৰাই দে।

—একদম সময় নাই, বুজিছ—গ্ৰাহকৰ যি তাগাদা, হাতে মেচিনে—চুলেইমান বহি পৰে বেঞ্চখনতে—

—সমানে চলাইছো, তিনটা ল'ৰাও ৰাখিছো।

—ৰামচৰণে চুলেইমানৰ মুখত ব্ৰাছডালেৰে চাবোন ঘঁহাত লাগে। ঠুটবিতে অলপ ৰাখি দিবি ৰামচৰণ। চুলেইমান ডেকা মানুহ।

—থ' থ' পাই নেলাগে ৰাখিব। নামাজ ৰোজা নাই, ডাড়ি ৰাখি মোল্লা ৰোলাই ফুৰিলে কি হ'ব?

—মোল্লা বোলাবলৈ নহয় অ'। আজি কালিতো কলেজীয়া ডেকা ল'ৰাই চুটিকৈ ডাটি ৰাখে।

মই কিবা কলেজীয়া ল'ৰানে? সেইবোৰ ফেচন আমাক নেলাগে। সেইবোৰ হেনো কিবা ফ্রেঞ্চ নে বাচিয়ান কাট। একো নহয় বুইছ, ছোৱালীৰ চকুত পৰাৰ মৎলব। পিছে আজি কালিৰ ছোৱালী ইমান বুৰ্বক নহয়। ডাটি দেখি কঁচি নেযায়।

—আজিকালি বোলে ছোৱালীয়েও হাৱাইন চার্ট পিন্ধে হয়নে?

ওঁ পিন্ধেতো। শ্লেকচ্ পিন্ধে, হাৱাইন চার্ট পিন্ধে:

—পৰা হ'লে ডাটিও ৰাখিলেহেঁতেন কিজানি। তিনিওটাই হাঁহিলে।

চুলেইমানে ৰামচৰণৰ সৰু আচিখনত নিজৰ মুখখন আকৌ এবাৰ চালে, এৰা, এতিয়াহে মুখখন ওলাই পৰিছে।

ৰামচৰণহঁত যোৱাৰ পিছত, ইফালে সিফালে চাই মইনে ক'ৰবাৰ পৰা বুটলি অনা এমেৰিকান চিনেমা আলোচনী এখন গাদীৰ তলৰ পৰা উলিয়ালে। কিছুমান ছোৱালীৰ গাত কাপোৰ-নোহোৱা ছবি। চুলিবোৰ চুটিকৈ কটা। যিবোৰ ছোৱালীয়ে চুলি এনেকৈ চুটিকৈ কটায়, সিহঁত নাওঠ হৈয়ো থাকিব পাৰে কিজানি।

নীলা চকুৰ পাতল ছোৱালী এজনীৰ ছবিখন তাৰ বৰ ভাল লাগে, ছোৱালীজনীয়ে তলপেটত গাতে লাগি থকা কিবা অকণমান আন্দাৰৱেৰ এটা পিন্ধিছে, গাটো উদি।

এনেকুৱাকৈ আমেৰিকাৰ ছোৱালীবোৰ সদায় থাকেনেকি? প্রফেচাৰ চৌধুৰীক সোমাই অহা দেখি খৰখেদাকৈ মইনে কাগজখন গাদীৰ তলত সুমালে।

—কি দিম চাৰ?

একো নকৈ চৌধুৰীয়ে অলপ পৰ মইনৰ মুখলৈ চাই ৰ'ল।

—ওঁ কি দিবা? তুমি কি দিবা?

ফিলচফিৰ প্রফেচাৰ চৌধুৰীক মইনে জানে। পাগল আৰু

ঝিলচকাৰৰ মাজত বৰ বেছি তফাৎ নাই বুলি কলেজৰ ল'ৰাই কোৱা মেলা কৰা সি শুনিছে।

অৱশ্যে মইনে প্ৰফেচাৰ চৌধুৰীক শ্ৰদ্ধা কৰে। তেওঁ কেতিয়াবা বস্তু লৈ পইছা দিবলৈ পাহৰি উঠি যায়। কেতিয়াবা বস্তু একো নোলোৱাকৈয়ে পইছা দিয়ে। কেতিয়াবা মইনৰ চোতালৰ চকি খনতে বহি জৰি গছ জোপাৰ ফালে চাই থাকে।

বয়সত আদহীয়া হ'ল কি হ'ল, মানুহজন ল'ৰামতীয়া। মইনৰ সঁচাসঁচিকৈয়ে তেওঁলৈ মৰম লাগে। তেওঁ আগে চিগাৰেট খাইছিল, আজি কালি পাইপ খায়। কেতিয়াবা হেনো ছাত্ৰৰ পৰা খুজি মিক্সাৰ খায়।

সেইটো কিন্তু বেয়া কথা। মইনে ভাবে।

—মইন—

মইনে আগ্ৰহেৰে মাতে—চাৰ—

—তোমাৰ দোকানত দিনে কিমান টকাৰ চিগাৰেট বিক্ৰী হয়?

—চাৰ, হয় পোন্ধৰ বিশ টকাৰ।

—তুমি দিনে কিমান পইছা জমা কৰা?—

—একো জমা কৰিব নোৱাৰো চাৰ। বহুত খৰচ।

—ওঁ, পোন্ধৰ টকাৰ ধোঁৱা বিক্ৰী কৰিলে তুমি ধোঁৱা জমা কৰাৰ বাহিৰে আৰু কি জমা কৰিবা? ধোঁৱা মানে কি জানা?

মইনে নুবুজাৰ দৰে চৌধুৰীৰ মুখলৈ চায়।

—ধোঁৱা মানে শূন্য। Everything ends in smoke, everything—what they spend and what you earn.

প্ৰফেচাৰ চৌধুৰীয়ে কিবা বুজিব নোৱৰা হাঁহি এটা মাৰে।

মইনে জৰ্দা কিমাম দিয়া পাণ এখন আগ বঢ়ায়। পাণখন মুখত ভৰাই প্ৰফেচাৰে কয়—মইন—

চাৰ?

—ধোঁৱাবোৰ শূন্য নহয় জানিছা? ধোঁৱাবোৰ ডাৱৰ হয়, ডাৱৰ

বোৰ ববফুণ হয়, ববফুণ বোৰ পানী হয়, পানীবোৰ সাগৰ হয়—

মইনে শুনি যায়—নীৰবে।

দৰ্শনৰ অধ্যাপকে জন্মচক্ৰৰ বক্তৃতা শুনাইছে—পাণবালা মইনক।

সাগৰবোৰত জাহাজ চলে, জাহাজত উঠি মানুহ সাগৰৰ পাৰলৈ যায়—ওঁ, ফুতোলা মিক্সাৰ—মইনৰ নিজৰ মন্তব্য নাই।

সি ফুতোলা মিক্সাৰ জুখি দিয়ে। কিন্তু একো নকয়।

আকৌ প্ৰফেচাৰ চৌধুৰীয়ে হাঁহে।

কিন্তু সাগৰৰ সিপাৰেও একো নাই—একে ধোঁৱা। From smoke into smoke, and—and through smoke

প্ৰফেচাৰৰ চকুৰ আগত কোনোবা দূৰ দেশৰ কিছুমান ধোঁৱা।

ক্লাছতো চাৰে এইবোৰকে পঢ়ায়নেকি? মইনে ভাবে।

প্ৰফেচাৰে দুটা লজেঞ্চ মুখত ভৰায় আৰু বৰ তৃপ্তিৰে কয়—কিছু দিনৰ পিছত লজেন্স গছত লাগিব।

—চাৰ?

—হাইব্ৰীড বুজা? বিভিন্ন বস্তুৰ মিশ্ৰণৰ যোগেদি নতুন এক মৌলিক বস্তুৰ সৃষ্টি হ'ব। ধৰা, এটা সুমথিৰা তাত চেনি আছে—মানে ৰসত—

—হয় চাৰ.

সুমথিৰা যেতিয়া ফুলে তেতিয়া তুমি তাত নেমুৰ, নাৰিকলৰ, ইলাচীৰ, আপেলৰ, জহা ধানৰ, আৰু ধৰা—ধৰা, মাখনৰ মূল বস্তু থিনি ইন্‌জেক্ট কৰি মিলাই দিব পাৰা—কি হ'ব?

মইনে প্ৰফেচাৰৰ মুখলৈ চাই থাকে।

বৰ আত্মপ্ৰসাদেৰে হাঁহি প্ৰফেচাৰে কয়—তেতিয়া হ'ব এই এনেকুৱা এটা লজেন্স। With all the elements is one single fruit.

প্ৰফেচাৰ যায়গৈ।

মইনে একো বুজিব নোৱাৰে—প্ৰফেচাৰে কি কয়। লজেন্স গছত লাগিব কেনেকৈ?

অন্য কোনো কোনো প্ৰফেচাৰে হেনো প্ৰফেচাৰ চৌধুৰীক এইদৰে দোকানে পোহাৰে সোমাই বক্তৃতা দি ফুৰাৰ কাৰণে বেয়াও পায়। মইনে কিন্তু বেয়া নেপায়। মইনে তেওঁক সুবুজিব পাৰে, তেওঁতো মইনক বুজে, মৰম কৰে।

ঘৰত হেনো তেওঁৰ কথা কোনেও নুশুনে। ল'ৰা দুটাই হেনো তেওঁৰ মিক্সাৰ চুৰ কৰি খায়, মিচেছ চৌধুৰীয়ে হেনো এম এল এ হোৱাৰ পিছতে এওঁক ডাইভৰ্চ কৰাৰ কথা সদায় কয়। মাত্ৰ বাপুৰাম বোলা বান্ধনিটোৱেহে তেওঁৰ খবৰ ৰাখে।

বাপুৰাম কেতিয়াবা প্ৰফেচাৰৰ ধপাত নিবলৈ আহে। মইনে প্ৰফেচাৰৰ ঘৰুৱা খবৰ লয়, প্ৰফেচাৰে হেনো খুব জলকীয়া খায়, তেওঁৰ যুক্তি: জলকীয়াৰ জালে আত্মচেতনা দিয়ে। প্ৰফেচাৰৰ পঢ়া কোঠাৰ খিৰকিত হেনো টিক্‌টিক্ কৰে ৰঙা পৰ্দা। তাৰ কাৰণ অৱশ্যে প্ৰফেচাৰে কাকো নকয়।

এদিন হেনো এজন মাদ্ৰাজী সহকৰ্মী প্ৰফেচাৰে মন্তব্য কৰিছিল—Your screens could as well be green or blue. Professor Chaudhury?

চৌধুৰীয়ে উত্তৰ দিছিল—But green is never red!

বেলিয়ে ঢাল লয়। জৰিজোপাৰ ছাঁবোৰ আহি বেঁকাকৈ পৰিবলৈ ধৰে। নৈৰ পাৰৰ পৰা বতাহজাক কোমলকৈ বৈ আহে।

ছোৱালীকেজনী আহি তাৰ দোকানৰ আগত ৰয়হি।

ইহঁত বেলেগ ছোৱালী।

স্কুল-কলেজৰ নহয়, নগৰৰো নহয়। নগৰ কাষৰীয়া গাঁওখনৰ পৰা সিহঁত আহে। সিহঁত পুৰা দহমান বজাত আহে, সপ্তাহত দুই তিনি দিন—মূৰত একোপাচি চাউল। লগত এজনী বা দুজনী আদহীয়া মানুহ থাকে। গাভৰু আহে পাঁচ ছজনী।

ছোৱালীকেজনী শকত-আৱত—ভুঁই কঠিয়া কৰা ছোৱালী, পিছে নগৰলৈ আহিলে সিহঁত অলপ নগৰীয়া হৈ আহে। মুখত সৰহকৈ পাউডাৰ ঘঁহে। মুগাৰ মেখেলাৰ ওপৰত মণিপুৰীয়া পাতল চাদৰ নাইবা ঘৰত বোৱা লেডী পাটৰ বিহা পিন্ধে, বাহুলৈকে হাত নোহোৱা ব্লাউজ পিন্ধে—ৰঙা চিট কাপোৰৰ নাইবা ইমিটেচন জৰ্জেটৰ।

সিহঁত আহি মইনৰ আগত ৰয়হি, মুৰৰ ওপৰৰ পাচি এহাতেৰে ধৰি থাকে।

মইনৰ অলপ লাজ লাগে। হাতখন দাঙি থকাৰ কাৰণে ছোৱালী, কেজনীৰ কাষলতি তলবোৰ ওলাই থাকে আৰু ওলাই থাকে বুকুৰ অলপ, তাৰ চকুক সি শাসনত ৰাখিব নোৱাৰে।

পূৰঠ বুকুৰে টান, পাতল চোলা পিন্ধা গাভৰুকেজনীৰ যেন সেই বিষয়ে কোনো কাণসাৰ নাই।

মুখৰ ৰং এজনীৰহে ধুনীয়া—বাকী কেজনী মিঠা বৰণীয়া। গাবোৰ হ'লে প্ৰত্যেক জনীৰে শকত, ফিট্‌ফিটীয়া, এজনীয়ে কৈ দিয়ে—আমাৰ গালৈ চাই চকু বিষোৱাব নেলাগে বাৰু—বিড়ি দিয়া ছমুঠি। মইনে চিনাকি ছোৱালী কেজনীৰ, লগত ঠাট্টা কৰিবলৈ ভয় নকৰে।

ৰ'চোন অলপ চাওঁ, আমি চালেনো কি ক্ষয় যাব!

ছোৱালীকেজনীয়ে কিন্তু আৰু মাৰাত্মক, কিবা এটা লাজ লাগি যোৱা কথা কৈ দিয়ে—মইন ৰঙা পৰি যায়।

অন্য মানুহ দোকানৰ ফালে অহা দেখি সি বিড়ি ছমুঠি দিয়ে।

—আৰু কি দিম?

দুষ্টামিৰ হাঁহি মাৰি এজনীয়ে কৈ দিয়ে—পাচিত ঠাই নাই, নহ'লে তোকে লৈ গ'লোহেঁতেন।

আটাইখনে গিৰ্জনি মাৰি হাঁহে, মইনেও। সিহঁতে প্লাষ্টিকৰ ফুল কিনে, খাৰু কিনে, চাধা ধপাত কিনে, একোখনকৈ পাণ লয়।

পাণ বনাবৰ সময়ত এজনীয়ে তালৈ চাই থাকি কয়—তামোলত কিবা আছুদিহে কৰিছে হ'বলা, নগৰলৈ আহিলে ইয়াত সোমাই

নগ'লে ভালেই নেলাগে। মইনে কথাবাৰ শুনি মহলা অলপমান বেছিকৈ ঢালি দিয়ে।

পোহাৰী ছোৱালী—ঢেকীৰে ধান খুন্দি চাউল উলিয়াই ঘৰে ঘৰে নি নগৰত বেচেহি। তিনি চাৰি মাইল খোজ কাটি আহে। নগৰৰ বহুত মানুহে কলৰ চাউল নেখায়।

হাকিমৰ ঘৰৰ চাপ্ৰাচী-চকিদাৰৰ লগত হাঁহি ধেমালিৰে মিতিবালি পাতে। নাপিতৰ দোকানৰ আগত জমা হোৱা বিজ্ঞৱালাইতক সাত পুৰুষ উদ্ধাৰি গালি পাৰে। কাৰোবাক কৈ দিয়ে—তোলৈ কি যাম? বাপেৰলৈ যাম, আই বুলি মাতিবি—

তাৰ পিছত উচ্ছল হাঁহি।

চাউল বেচি, গাঁৱত নগৰৰ পৰা নিয়া সস্তীয়া বস্তু দুপইচা লাভত বেচি, সিহঁতে দুখীয়া পৰিয়াল চলায়, নিজৰ বিয়াৰ বস্তু গোটায়।

তাৰ পিছত মনখোৱা গাঁৱৰ ডেকাৰ লগত পলাই যায়, নাইবা বিয়া হয়।

মইনে ইহঁতক ভালকৈ জানে। ইহঁত পাতিহাঁহৰ লগৰ, পানীতে থাকিও পানীত নিতিতে।

ৰাজা মিঞা কণা। ভিক্ষা কৰে। পুৱাৰ পৰা আবেলিলৈকে কণা মগনীয়া বুলিয়ে পইছা, চাউল-পাত অন্যতকৈ বেছি পায়। শুকুৰবাৰে মুছলমানৰ ঘৰলৈ যায অন্য দিনা সকলোলৈকে।

সি তাৰ মাগি পোৱা পইছা মইনৰ দোকানত জমা ৰাখে। মইন বৰ ইমানদাৰ, কণাৰ পইছা নেখায়। অন্য কেইবাজনেও আগতে ৰাজা মিঞাৰ জমা পইছা আত্মসাৎ কৰিলে।

দিনে এটকা ডেড টকা, কেতিয়াবা দুটকাও জমা হয়। মইনে বহী এটাত লিখি ৰাখিছে—কোন দিনা কিমান থলে।

হাতৰ মুঠিৰ পইছা কেটা মইনৰ হাতত দি ৰাজা মিঞা গ'লগৈ।

আৰম্ভ হৈছে স্কুল-কলেজৰ পৰা অহা ল'ৰা-ছোৱালীৰ শাৰী। অফিচৰ কেৰেণীৰ চাইকেল ৰেচ। ন বজাৰ তেজাল ৰসাল মুখবোৰ

নিবস শুকান হৈ আছিছে। সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ ভোকত শুকান মুখবোৰত সোনকালে ঘৰ পোৱাৰ উৎকণ্ঠা, সকলোৰে খোজবোৰ খৰ।

ল'ৰা-ছোৱালীবোৰে চিঞৰ-বাখৰ কৰি যায়। প্ৰত্যেকে নিজৰ নিজৰ কথা কৈ যায়। কোনেও কাৰো কথা কাণ পাতি নুশুনে।

জাকৰ পৰা ওলাই দুই চাৰিটা ল'ৰা মইনৰ দোকানলৈ আহে— চিগাৰেট কিনে, নাইবা বুদ্ধি কৰি অলপ পাছ পৰে, পাছত অহা কোনোবা এজনী ছোৱালীক লগ ধৰিবৰ কাৰণে।

বুজিও মইনে নুবুজাৰ ভাও ধৰে।

খেল পথাৰলৈ যাবলৈ অহা ল'ৰাজাক হুৰমূৰাই আহি দোকানত সোমায়হি।

এই ল'ৰাজাকলৈ মইনৰ ভয়ো লাগে, মৰমো লাগে। মইনৰ দোকানতনো অন্য কিটো পাব, লুট কৰি নিলেওনো কিমান টকাৰ বস্তু নিব? চল্লিশ বা পঞ্চাশ টকাৰ।

পিছে সিহঁতে হুৰমূৰহে কৰে, লুটপাত নকৰে।

কেতিয়াবা ডাঙৰ মেচ হ'লে দোকান বন্ধ কৰি মইনেও চাবলৈ যায়। সদায় তাৰ দোকানৰ পৰা তামোল চিগাৰেট খোৱা খেলুৱৈ ল'ৰাকেটাকো ফিল্ডত দেখিলে তাৰ চিনি নোপোৱা যেন লাগে।

মইনে ফুটবল খেল বুজে, সৰুতে নিজেও খেলিছিল কিন্তু ক্ৰিকেট একো বুজি নেপায়। আৰু তাৰ ধৈৰ্যও নেথাকে, ইমান লাহে লাহে খেলে।

হাতত নাচীমক ধৰি ধৰি হাকিমনী ফুৰিবলৈ ওলাই আহে, তাৰ দোকানৰ আগেদিয়ে পাৰ হৈ যায়। তাৰ দোকানৰ ওচৰ পালে নাচীম বৈ দিয়ে। —মা, মইন কাকাৰ দোকানৰ পৰা টফি কিনিম। —এতিয়া নেলাগে, ঘূৰি আহোঁতে লবা—মাকে সৰুকৈ কয়। নাচীমে

ৰোহ পাতে, মই কিনিম। মইন দোকানৰ পৰা ওলাই আহে, আৰু কাগজ এখনত বান্ধি টফিকেটা আলিবাটতে নাচীমৰ হাতত গুজি দিয়ে। হাকিমনী গহীন হৈ থাকে।

হয়তো মইনলৈ মৰম লাগে। নাচীমক মইনে বৰ মৰম কৰে তেওঁ জানে।

—মইন কাকাৰক পইছা দিয়া এতিয়া,—হাকিমনীয়ে কয়। নাচীমে এবাৰ মাকৰ আৰু এবাৰ মইনৰ মুখলৈ চায়। আপ্যায়িতৰ দৰে মইনে কয়,—কাইলৈ দিবা পইছা—এতিয়া খোৱা।

লাহে লাহে হাকিমনী আগবাঢে। মইনে নাচীমৰ ফালে চাই থাঁকে। ইমান মৰমলগা ছোৱালীজনী।

ওচৰৰ মছজিদটোত মগ্‌ৰিবৰ আজান দিযে। মইনৰ নামাজ পঢাৰ কথা মনত পৰে। সি সকতে নামাজ পঢিছিল—গাঁৱতো সিহঁতৰ ঘৰৰ ওচৰতে মছজিদটো এতিযাও আছে। গাঁৱলৈ গ'লে সি নামাজ পঢে। ইয়াতো সি জুমা'ৰ নামাজ পঢে। অন্য নামাজ পঢিবৰ সি সময়কে নেপায।

মগ্‌ৰিবৰ আজান শুনিলে নামাজ পঢিবলৈ যাব নোৱৰাৰ কাৰণে মনে মনে তাৰ বেয়া লাগে। নামাজ পঢিম বুলি সি প্ৰাযে ভাবে, পিছে সময়েই নহয।

আগে দোকানত সি লণ্ঠন জ্বলাইছিল, আজিকালি ইলেকট্ৰিক লাইট লৈছে। নিয়ন লাইট লবৰ মনটো আছে, পিছে কোনোবাই কিবা কয় বুলিহে লোৱা নাই। ডাঙৰ ডাঙৰ দোকানতহে নিয়ন লাইট থাকে।

গধূলিভোখৰতেই মইনৰ বিক্ৰী হয় বেছি। গ্ৰাহকৰ ভিৰ হয়। চিনেমা চাবলৈ অহা মানুহ, বজাৰ কৰি অহা মানুহ, খেল চাই ঘূৰি অহা মানুহ আৰু ফুৰি মেলি অহা মানুহ। একো নহ'লেও পাণ, বিড়ি-চিগাৰেট কিনে।

জোনাক বাতি কেতিয়াবা দোকানৰ আগত আড্ডা বহে। চিনেমা, পলিটিক্স, মিউনিচিপাল্চিটিৰ ইলেক্‌চন আৰু কাৰোবাৰ ঘৰৰ কেলেঙ্কাৰীৰ কথা আলোচনা হয়। মইনে শুনি থাকে, কেতিয়াবা বেয়াও পায় তাৰ চোতালত এইবোৰ কথা আলোচনা হোৱাৰ কাৰণে। পিছে কাকো একো ক'ব নোৱাৰে সি—বাধা দিয়াৰ অধিকাৰ তাৰ নাই বুলিয়ে ভাবে।

আৰু কেতিয়াবা ভাল ভাল মানুহেই বহি এইবোৰ কথা পাতে। ফাজিল কেৰেণী, জয়নাথ পেচকাৰ, চৰিৰু মাষ্টৰ, হুৰু ঠিকাদাৰ—এনে মানুহেও কেতিয়াবা বহুত ৰাতিলৈকে বহি কথা পাতি থাকে। ভাল কথাৰ মাজতে অলাগতিয়াল বেয়া কথাও পাতে, পাতিবই। বুল্‌গানিন, ৰাধাকৃষ্ণন, কাশ্মীৰ, গোৱাৰ পৰা আৰম্ভ কৰি ফয়জুত অভাবচিয়াৰ, ভদ্ৰকৃষ্ণ জজ, ৰেৱতী হেড-মাষ্টৰ সকলোবে বিষয়ে আলোচনা হয়।

জয়নাথ পেচকাৰৰ নিচিনা ঘোচ খোৱা মানুহ গোটেই জিলাখনত নাই। জজৰ পেচকাৰ, চেচনচ্ কে'চবোৰ পায়, টকা খাই 'লাল'। পুতেকক বিলাতলৈ পঠাইছে। তেওঁৰ সদায় অভিযোগ চাপ্ৰাই অফিচৰ কোনোবা এজন কেৰেণীৰ ওপৰত। এবস্তা চিমেণ্টো ঘোচ নেপালে নিদিয়ে।

হুৰু ঠিকাদাৰে কাৰো বিৰুদ্ধে অভিযোগ নকৰে। চলিব জানিব লাগে। তেওঁ পি ডব্লিউ. ডি.ৰ ডাঙৰ ডাঙৰ লাখটকীয়া ঠিকা লয়, নিয়মমতে এচ. ডি. অ', অভাবচিয়াৰ, মহৰী আৰু একাউণ্টেটক দৰ্মহা তেওঁৰ নিজৰ ৰবীযাকৈ দি থাকে। পাঁচ হেজাৰৰ বিল পাছ কৰাবলৈ পাঁচ শ খৰচ নকৰিলে কেনেকৈ চলে? চৰকাৰৰ কাম হ'ব লাগে, আমাৰ টকা হ'ব লাগে। যুদ্ধৰ পিছৰ পৰা চৰকাৰৰ কাম হ'লেই ফাকি দিয়াৰ মনোবৃত্তি সকলোবে হৈছে। শিমলু কাঠত ৰং ঘঁহিলে শাল হয়, এগুণ চিমেণ্টত দহ গুণ বালি মিহলালেও 'এক চাৰি' হয়, বছৰৰ শেষত নৈৰ দলঙৰ কাম আৰম্ভ কৰি বহাগৰ ঢলত

উটাই দিব পাৰিলেও কম্‌প্লিচন ৰিপৰ্ট দিওঁতাত কোনো অসুবিধা নেথাকে, মাত্ৰ অলপ ভাগ দিব জানিব লাগে।

দুখ ঠিকাদাৰে জানে।

মদ খাই আছে ৰিক্সাৱালাকেইটা, অশ্লীল চিঞৰ-বাখৰ কৰি আছে। সিহঁতক মইনে সোনকালে বিদায় দিয়ে। দিনত সিহঁত ভাল মানুহ। ৰাতি সিহঁতক গালি দিলেও, দিনত সিহঁতৰ লগত ভাল ব্যৱহাৰেই কৰে মইনে। দিনটো ৰিক্সা চলাই অলপ মদ নেখালেনো কেনেকৈ? নহ'লে সিহঁত গাৰ বিষত থাকিব নোৱৰা হয়। মানুহহে আৰু! চিনেমাৰ দ্বিতীয় শ্ব' আৰম্ভ হোৱালৈকে মইনে দোকান খুলি ৰাখে। তাৰ পিছত আৰু গ্ৰাহক অহাৰ আশা কম। গৰম কালি অৱশ্যে ৰাতি এঁঘাৰ-বাৰ বজালৈ দোকানৰ দুৱাৰ খুলি সি বাহিৰত বহি কথা পাতি কটায়। অ'ৰ-ত'ৰ ইটি সিটি আহি জমা হয়। বননিয়ে ঘাঁহনিয়ে বহি শুই নানা কথা পাতি ৰাতি দুপৰলৈ থাকে। শুলেওতো টোপনি নাহে গৰমত।

সদায় বিক্ৰী সমান নহয়। স্কুল অফিচ বন্ধ থকাৰ দিনা বিক্ৰী কম হয়, খেলধেমালি, থিয়েটাৰ, সভা থাকিলে বিক্ৰী বাঢ়ে—ত্ৰিশ-চল্লিশ-পঞ্চাশ পৰ্যন্ত।

ৰাতিৰ ভাত খাওঁতে তাৰ সদায় পলম হয়।

পাছদিনাৰ কাৰণে দোকানখন অলপ সজাই পৰাই থৈ, ৰাতিপুৱা দোকানলৈ কি কি বস্তু আনিব লাগিব তাৰ এটা লেখ কৰি, পইছা কেইটাৰ হিচাপ কৰি সি লাহে ধীৰেহে ঘৰলৈ আহে।

চাৰি আলিত তাৰ দোকান। ওচৰতে স্কুল, কলেজ, কাছাৰী, পুলিচৰ-চাহাবৰ বঙলা, চিনেমা-হল, বেঙ্ক। ৰাতি পুলিচ পহৰা থাকে। তাৰ দোকানত মানুহ ৰাতি নেথাকিলেও ভয় নাই। অন্ততঃ অতদিনে কোনো চোৰ-চাৰিয়ে জুলুম কৰা নাই।

ৰাতি ঘৰলৈ আহিবৰ সময়ত মইনৰ মনত পৰে ৰবি বাবুৰ মাটিৰ কথা, মাটি ডুকঠামান লব পৰা হ'লে। নিজা এটা ঘৰ নহ'লে আৰু

নচলে। কেঁচা ভেটিয়েই হ'ব। বেৰবোৰত ধুনীয়াকৈ চুণ দিব লাগিব, নীলা পর্দা দিব লাগিব খিৰিকিত।

এতিয়াও দেখা নোপোৱা ছোৱালী এজনীৰ কথা সি মনতে কল্পনা কৰে, নাচীমৰ মাক হাকিমনীৰ নিচিনা ধুনীয়া হ'বনে বাৰু ছোৱালীজনী? সিমান ধুনীয়া নহ'লেও ফৰিদ কেৰেণীৰ কলেজত পঢ়া ছোৱালীজনাৰ নিচিনা হ'লেও হয়। এৰা, ঘৰটো হ'লে মানুহ এজনী নহ'লে চলিবনে? খিৰিকিত নীলা পর্দা, বাদামী ৰঙৰ এখন পালেং, এজনী ৰূপহী গাভৰু ছোৱালী। ভাত মুঠি, চাহপানী টোপা তেওঁ সময়মতে যতনাই দিব।

শোওঁতেও মইনে তাৰেই কল্পনা কৰে।

॥ ২ ॥

—মানুহ ঘৰ দিনক দিনে উঠি আহিছে।

গাঁৱৰ মানুহে কোৱা মেলা কৰে।

মইন ল'ৰাটো চালাক, আল্লাৰো মৰ্জি, অকণমান পাণৰ দোকান-খনতে দেখিছানে কিমান টকা উলিযাইছে।

বস্তুতৰে ধাৰণা মইনে মাহেকত হেজাৰে হেজাৰে টকা উলিয়ায়। আগৰ উৰলি যোৱা ঘৰটো নতুনকৈ সজালে। খেৰৰ যদিও, সৰু যদিও, ঘৰটো বৰ আটোম-টোকাৰি। আগফালে আলিৰ কাষত ফুল-জেওৰা দিয়াইছে। ঘৰটোতো বহল বহল খিৰিকি দিয়াইছে। হালধীয়া ৰং দিয়া বেটৰ চকীও আগফালে পাৰি থৈছে—তিনি-খন। আৰু হেনো ভনীয়েকৰ কাৰণে পালেং চকী কৰাইছে—নগৰতে।

টকা বাৰুকৈ হ'ল।

বাপেকৰ ভোজত হেনো সাতকুৰি খৰচ কৰিলে।

টকাবোৰনো কি কৰিব? খাওঁতা মুঠেই মাক-জীয়েক দুজনী।

আৰু মোমায়েকৰ সেই চেবেলা পুতেকটো। তাকো বোলে মইনে নগৰলৈ লৈ যাব। কৈছেহে দোকানত ৰাখিব বুলি, ক'ত দোকানত ৰাখিব ? ভাত ৰান্ধনি ল'ব।

জীয়ৰীজনীৰ কথাই নাই, মাকজনীকে নেদেখিছা দিনে দিনে যেন গাভৰুহে হৈ আছিছে। হওঁতে বয়সনো কিমান হৈছে ? খুব বেছি একুৰি পোন্ধৰ বছৰ। বুঢ়ী বুলি কোনোবাই ক'বনে ? কপাল ভাল, পুতেকে আৰ্জিছে—সুখত আছে। যেন সোতৰ বছৰীয়া গাভৰু জনীহে। গাল মুখৰ তেজ দিনক দিনে চৰিছেহে। মাক-জীয়েকক, নেদেখা মানুহে বাই-ভনীহে বুলিব।

হওক হওক, কত দিনৰ মূৰত সুখৰ মুখ দেখিছে। মইনৰ বাপেক ঢুকোৱাৰ পৰা কমনো দুখ গ'লনে ইহঁতৰ। ভাত নাই, কাপোৰ নাই, ঘৰো নাই। মাটি কেডৰাও বন্ধকত গ'ল, আল্লাই দিওঁ বুলিলেনো কিমান পৰ ? গাঁৱৰ এঘৰৰ ভাল হ'লে গাঁওখনৰে ভাল। হস্কিলে-মস্কিলে সিকিটো-আদমহীয়াটো বিচাৰিলে বিমুখ হ'ব নেলাগে।

মইনৰ মাকে অৱশ্যে কয়, একো নাই হেৰ'—তামোল-পাণৰ দোকানখনৰ পৰানো কিমান ওলাব ? চাৰিটাকৈ মানুহৰ খোৱা। আজি-কালি বস্তুৰ যিহে জুইছাই দাম। তেওঁ আল্লাই চলাইছে আৰু, মিছা নকওঁ। আগৰ নিচিনা হা-ভাত, হা-কাপোৰ আল্লাই নাই কৰোৱা। —হক . হক। আমি ভাল পাইছো আইহঁত, তইতনো ক'ৰ, আমিনো ক'ৰ, গঞা চুবুৰীয়াৰ হ'লে আমি ভালহে পাওঁ। চাওঁ, ভাল চাহপাত এবোজৰ নাইনে ? বাতিপুৱাৰ পৰা ভাল পানী এটোপা মুখত পৰা নাই।

মইনৰ মাকে নিতৌ অন্ততঃ দহখন মুখৰ পৰা দহবাৰ শুনিবলৈ পায় যে মইনৰ বিয়াখন বৰ পলম হৈ গৈছে। গাঁৱৰ তাৰ লগৰ ল'ৰা সকলোৱে বিয়া কৰালে, ল'ৰা বাপেকী হ'ল, পলম কৰি থকা ভাল নহয়। নগৰৰ মায়া সোমালে কি কৰি বহে কোনে জানিছে। নগৰৰ কোনোবা চিংপখিলা ছোৱালীয়ে লগ পাবলৈ হ'লে বলিয়া

কৰিব। তাৰ দোকানৰ আগেদিয়ে কত হেজাৰ গণ্ডা গাভৰু ছোৱালী অহা-যোৱা কৰে, তাইহঁতৰ যিহে হাঁহি-খিকিন্দালি, অজলা ল'ৰা পাই মইনক কি কৰে কোনে জানিছে ?

—মান-ইজ্জত আল্লাইহে বচাওঁতা—মাকে কয়—পিছে ছোৱালীজনীৰস্থ আগে দিহা এটা কৰিব লাগে। তাইক ৰখি থকাটোহে মোৰ টান হৈছে।—এঃ ছোৱালীজনী আৰু পৰি থাকিবনে? তাইক আগেয়ে উলিয়াই দি হাত কেথন চিঙিব খুজিছনে? আৰু তাইৰনো বয়স হৈছে কিমান? কত ঢাদহী ঢাদহী ছোৱালী পৰি আছে। আৰু কথাই-কামে, খোজে-কাটলে তাইৰ জোখৰ ছোৱালীনো কেইজনী আছে গাঁওখনত। তাই যাব—পৰি নেথাকে। ল'ৰাটোৰহে সোনকালে দিহা এটা কৰ। হেৰ' মৰিয়ম, বুঢ়া তামোল আছে যদি ছুটা দে আই হেৰ'। এই কুমলীয়া তামোলবোৰ খাই খাই মুখখন গুচালো আৰু।

মইনৰ ভনীয়েক মৰিয়মে কেইটামান বুঢ়া তামোল থৈ যায়হি।

—মানুহ আহিলে ওলায়ে নেমাত আজিকালি—কি কৰিছিলি ?

—কাপোৰ ধুইছিলো জেঠাইতি। পুখুৰী পাৰত আছিলো।

—নতুন পুখুৰীটোৰ পানীবোৰ ভাল হৈছেনে? হক, হক। ঘৰৰ পুখুৰীৰ পানী টোপা ভাল লাগে। খৰচ চাগৈ পৰিল কেইটকামান।

মৰিয়মে একো নকয়। বুঢ়ী গ'লগৈ।

—হেৰ' আইকণ আছনে ?

সেইটো ফজিৰৰ মাত।

—আছো আহা।

—এতিয়া নোসোমাও আৰু, বেলি ছুপৰ হ'ল।

কৈ কৈ ফজিৰ সোমাই আহে।

গাঠলু মানুহটো, পোন্ধৰ বছৰ ডাং-বৰলাৰ ভাত খাইছে, বিয়াৰ তিনি বছৰৰ পিছতে ছোৱালী এজনী থৈ ঘৈণীয়েক মৰিল। আৰু বিয়া কৰাবলৈ বৰ ঘূৰিছিল। গাঁৱৰ জীযাৰী-বোৱাৰী জোকাই গালি-

পানিও খালে বহুত, পিছে ছোৱালী নেপালে। মইনৰ মাক আইকণৰ ওপৰত চকু আছিল—বিশেষকৈ বাঁৰী হোৱাৰ পিছৰ পৰা। পিছে আইকণ বৰ একাচেকা মানুহ—তদুপৰি খোদা বছুললৈ বৰ ভয়।

আইকণে খঙেৰেই ক'লে,—মই গাভৰু ছোৱালী নহয়, ফুচুলাব নোৱাৰে। সেইবোৰ কথা উলিয়াবলৈ হ'লে মোৰ ইয়ালৈ নাহিবাই। সেইবোৰ গুনাহ কৰি দোজখলৈ যাব নোৱাৰো।

ফজিৰে সাহস নেপালে।

কিন্তু মোহ থাকি গ'ল, পুৱা-গধূলি একোবাৰ আহে। এনেই মাতষাৰ লগাই যায়—আইকণ কি কৰিছ?

ফজিৰৰ ছোৱালীজনী যোৱা বছৰ গাঁৱৰে ল'ৰা এটাৰ লগত পলাই গ'ল। ফজিৰৰ দায়িত্ব কমিল।

ফজিৰ মূঢ়াটোতে বহে। তামোলৰ বটাটো লৈ আইকণ ওলাই আহিল।

—মৰিয়ম ক'লৈ গ'ল?

—পুখুৰী পাৰত আছে, কাপোৰ ধুইছে।

—মইনটো এই কেইদিন অহা নাইনেকি?

—কাইলৈহে অহাৰ কথা আছে। আহিলেনো কি লাভ? এবোজা ঘৰ বুলি আনক, সিপিনে দিনটোলৈ দোকানখনো বন্ধ থাকে।

—এৰা, এইবাৰ আহিলে কেএগা গোলাৰ পৰা মোলৈ ভাল লুঙি এখন আনিবলৈ কম বুলি ভাবিছো। চুৰিযাখন ভেনেই ফাটিল।

আইকণে নেমাতে, তামোল কাটি বটাটো আগবঢ়াই দিলে।

ফজিৰে আইকণৰ মুখৰ ফালে, গাটোৰ ফালে, হাত-ভৰিবোৰৰ ফালে চালে, তাৰ চকুত কামনাৰ ক্ষুধা।

—অ' মৰিয়ম? এনেয়ে ফজিৰে মাতে।

মৰিয়ম পুখুৰী পাৰত আছে। তাৰ মাত মুশুনে, শুনিলেও সি বুলি জানিলে মৰিয়ম নাহে। মৰিয়মে তাক বৰ ভাল নেপায়।

মাতটো অলপ নমাই ফজিৰে কয়,—মই কৈছো আইকণ—তই বেয়া নেপাবি—মই কৈছো—তোৰ এতিয়াও দিন যোৱা নাই—হ'ব আৰু মৰিয়মৰ বিয়া, পিছে তাৰ আগতে তয়ো—

তলমূৰ কৰি আইকণে কয়,—ল'ৰা-ছোৱালী ডেকা হ'ল। এতিয়া সেইবোৰ কৰিবলৈ হ'লে কাললৈ নাম থাকি যাব। আল্লাই যেনেকৈ ৰাখিছে, তেনেকৈয়ে সুখী, সেইবোৰ কথা ভাবিলেও গুনাহ হয়।

—গাঁৱৰ দহোটাক সোধ, তোক মৰিয়মৰ মাক নোবোলে, বায়েকহে বুলিব। কিনো দিন চৰি গৈছে? চেহেৰাই-পানীয়ে তোৰ লগত ফেৰ মাৰিব পৰা গাভৰুৱেইনো গাঁওখনত কোনজনী আছে—তয়ে ক' চোন।

আইকণৰ কাণমূৰ ৰঙা পৰিল, নিজৰ ৰূপৰ যশস্যা শুনিলে বুঢ়ীবো আনন্দ হয়, আৰু মনে মনে আইকণে ভাবিলে যে ফজিৰে মিছা কোৱা নাই।

—চাহপানী এটোপা দিমনেকি?—আইকণে সোধে।

—এতিয়া দুপৰীয়াখন আৰু কিনো চাহপানী খাম, আছে যদি ৰাৰু এটোপা দে।

—বহা তেনেহ'লে দেই, মযে কৰি আনো। মৰিযমজনীৰ আকৌ কাপোৰ ধোৱা হোৱাই নাই চাগৈ।

আইকণ ভিতৰ সোমাই গ'ল।

আইকণৰ বেয়াও লাগিল ফজিৰৰ কাৰণে। মানুহটোৰ তাইলৈ কি জানো মোহ সোমাল।

আজি অত বছৰে সি আশা পালি আছে তাইৰ মন ঘূৰিব বুলি। সি বুঢ়াই হৈ গৈছে, বয়স কমেও দুকুৰি মান হ'ব পায়, আৰু ময়ো জানো গাভৰুজনী হৈ আছো? ল'ৰা-ছোৱালী ডেকা-গাভৰু হ'ল, তেওঁ তাৰ চকুত মই গাভৰু! মতা মানুহবোৰ জানো কেলেই অবুজ হয়!

ৰান্ধনীশাললৈ যাওঁতে আইকণে শোৱা কোঠাত সোমাই মৰিয়মৰ

সক আচিঁথনত এবাৰ নিজৰ মুখখন তন্তাতৈয়াকৈ চালে, ফজিৰে মিছা কোৱা নাই।

পিছে ছিঃ, এতিয়া আৰু আচিঁত মুখ চাবৰ দিন আছেনে ?

আচিঁখন থৈ আইকণ বান্ধনী-শালত সোমাল। এতিয়া আৰু ফজিৰবো বিয়া কৰাবৰ দিন নাই, মোৰো বিয়া হ'বৰ দিন নাই, তুনিয়াই থু পেলাব, জুইকুৰা ধৰি কেট্‌লিটো তুলি দি আইকণে ভাবিলে।

ঘূৰি চাই দেখে ফজিৰ আইকণৰ—পিছতে নীৰৱে থিয় হৈ আছে।

আইকণ যেন উচপ খাই উঠিল।

ফজিৰে ক'লে—মৰিয়মে কাপোৰ ধুই আছে। নাই অহা।

চেপা, শঙ্কিত মাতেৰে আইকণে ক'লে—ইয়ালৈ কেলেই আহিলা ? কোনোবা ওলাবহি, চাওঁ, আগ ফাললৈকে আহা।

আইকণ বহাৰ পৰা উঠিল, আৰু সক, ঠেক বান্ধনী-শালটোৰ পৰা বাহিৰলৈ ওলাই আহিব খুজিলে।

ফজিৰে আইকণৰ বাউসীছুটাত ধৰি ক'লে—ইমাননো ভয় খাইছ কেলেই—দিন তুপৰীয়াখন— ?

সি আইকণক বুকুৰ কাষলৈ চপাই আনিলে, কেনেকৈ মৰম কৰিব লাগে সি নেজানে, এনেয়ে তাৰ ডাঢ়ি গজা গালখন আইকণৰ গালত হেঁচি ধৰিলে।

এক মুহূৰ্ত আইকণো নিশ্চল হৈ তাৰ বুকতে সোমাই ৰ'ল।

তাৰ পিছত বাউসীৰ পৰা তাৰ হাত ছুখন এৰুৱাই তাৰ কাষৰ পৰা আঁতৰি আহি ক'লে,—ওঁ হ'ল আৰু, এতিয়া আগফাললৈ যোৱা বহাগৈ, নহ'লে কোনোবা ওলাবহি।

লাহে লাহে বহুত তৃপ্তি আৰু আনন্দেৰে ফজিৰ আগফাললৈ ওলাই আহিল। তাৰ কাণ-মুখ ৰঙা পৰিল। আজি সি আইকণৰ পৰা এই মৰম বৰ অপ্ৰত্যাশিতভাৱে পালে। সি আশাই কৰা নাছিল। কৃতজ্ঞতাত তাৰ মনটো ভৰি উঠিল।

চাহপানী টোপা খাই আৰু বিশেষ কথা-বতৰা নেপাতি ফজিৰ গ'লগৈ। আজি যেন আইকণলৈ তাৰ বৰ লাজ লাগিছে। আইকণ কিন্তু সহজ হৈয়ে থাকিল।

চোতালখনত তুপৰীয়াৰ ৰ'দ জাক মুকলি হৈ পৰিছে। চোতালৰ আগৰ আমজোপাৰ ছাঁটো আহি এফালে পৰিছেহি। বৰ উকণ্ঠা লাগিল আইকণৰ। ঘৰৰ আগৰ পথাৰ ডবাৰ ফালে চাই আইকণ বহি থাকিল।

আজি নহয় কালিলৈ মৰিয়মক বিয়া দি এঘৰলৈ উলিয়াই দিব লাগিব। আজি নহয় কালিলৈ মইনেও এজনী বিয়া কৰাই নিজৰ ঘৰ সংসাৰ পাতিব। মই কি কৰিম? বিয়া কৰোৱাৰ পিছত জানো মইনে এতিয়াৰ নিচিনাকৈ মোৰ খবৰ-বাতৰি লব?

ফজিৰৰ কোৰ-মৰা হাত দুখন টান। সি হয়তো আইকণৰ বাউসীত কোমলকৈয়ে ধৰিছিল, কিন্তু টান কাম কৰা হাত—কোমল হ'ব ক'ৰ পৰা? হাত দুখন টান হ'লেও, মানুহটো মৰমিয়াল, বয়স হৈছে—হওক। মোৰ জানো বয়স হোৱা নাই?

মৰিয়মজনীক সোনকালে এটালৈ দিবলগীয়া হ'ল। ফজিৰৰ ঘৰবাৰীয়েই নাই। দৰকাৰ যেন দেখিলে তাক মোৰ ঘৰতে ৰাখি থম। গাঁৱৰ মানুহবোৰনো কি? ভোজভাত এগাল খুৱালেই ঠিক হৈ যাব।

আইকণে চকুৰ সমুখত জীৱনৰ এটা নতুন পথ দেখিলে। কোনোবা মতা মানুহ এটা নহ'লে যেন তাইৰ জীৱনটো দুৰ্বহ হৈ পৰিছে।

পাছ-দুৱাৰৰ মুখলৈ আহি আইকণে এনেয়ে মাতিলে—তোৰ, কাপোৰ ধোৱা হোৱাগৈ নাইনে আৰু মৰিয়ম?

—হ'ল বৌতি। গাহে ধুইছো। বৰ ভোক লাগিছে, ভাত বাঢ় বৌতি—মই গৈছো।

মৰিয়ম ভেতিয়া পুখুৰীৰ দলঙত। সাতুৰি নাতুৰি গা ধুইছে।···

আবেলি আইকণ ওচৰৰে ভোগবামহঁতৰ ঘৰলৈ গ'ল। কালিলৈ

দেওবাৰ, মইন অছাৰ কথা আছে ঘৰলৈ। ভোগৰামৰ ঘৰত তুজনী ম'হ খীবায়। কাইলৈ গাখীৰো লাগিব এসেৰমান, আৰু আছে যদি এঘটি দৈও।

ভোগৰামে মইনৰ বিযাৰ কথা উলিযালে। নগৰতে বোলে বিয়া কৰাব হয়নে?

—ক'লেই হ'ল আৰু, নগৰৰ ছোৱালী আনি মই বান্দী সোমালেহে হ'ব। সেইবোৰ লেখাপঢ়া জনা ছোৱালী, গাঁৱত ঢেকী দি ধান বানি, খৰি ফালি খাব পাৰিবনে? ঘৰ সজাবলৈ আমাক বোৱাৰী নেলাগে পায।

—কেলেই আমাৰ ইন্দ্ৰ তৰণীৰ পুতেকলৈও দেখোন চহৰৰ ছোৱালী আনিছে। কলেজতো বোলে 'এচেনি' পঢ়িছিল। ইযাত দেখোন গাঁৱৰ ছোৱালীযেও নোৱাৰে কামে-কাজে। গোবৰো পেলাযহে হেনো।

—এ, তহঁতৰ হিন্দুৰ ছোৱালীৰ কথা বেলেগ, সিহঁতে সিমান ধুনপেচো নেমাৰে, কামলৈও ভয় নকৰে, ঘৰ ধৰিব জানে। আমাৰ ছোৱালীবোৰ দেখিছ নহয়, বতাহৰ আগত উৰি ফুৰিবলৈ বিচাৰে।

আৰু নানা কথা ওলায়। ভোগৰাম আৰু আইকণ সমনীয়া। সৰুতে একেলগে ৰং-ধেমালি কৰা একেখন গাঁৱৰে ল'ৰা-ছোৱালী।

আজৰি পালেই আগৰ কালৰ কথা ওলায। সেই যে এবাৰ ঔতলৰ টোকনি পুখুৰীটোত এপাচি মাগুৰ মাছ ওলাইছিল। এবেলি যে ভদীযাৰ কুঁহিয়াৰ চুৰ কৰোতে খেদি আহি বুঢ়া খালটোত পৰি এখাল হৈছিল—আৰু ল'ৰাজাকে কিৰিলি পাৰি জপিয়াইছিল।

ল'ৰা কালৰ কথা। তাৰ লগত মিহলি হৈ আছে—বহুত মিঠা সপোন, বহুত ৰঙীন স্মৃতি। আইকণো কেইদিনমান স্কুললৈ গৈছিল। ভোগৰামো যায়, মুহিধৰ যায়—আইনত যায়, পাণৈ যায়, বোসেশ্বৰী যায়। এদল ল'ৰা-ছোৱালী।

এবছৰমান আইকণো গৈছিল—ফলিপুথি লৈ। তাৰ পিছত ঘৰত কাম কৰিবলগীয়া হ'ল—নোযোৱা হ'ল। গাঁৱৰ ছোৱালীয়ে আৰু কিমান পঢ়ে? ভোগৰামে আৰু তুবছৰমান পঢ়িছিল। পিছে

মই নৰখিলে নহয়। তৃতীয় শ্ৰেণী পায়েই এৰি দিলে। এতিয়াও ভোগৰামে নিজৰ নামটো লিখিব পাৰে, ৰামায়ণ আৰু কীৰ্তন পঢ়িব পাৰে।

আইকণে পিছে সকলো পাহৰি গৈছে। কিতাপৰ আখৰবোৰ দেখিলে বহুত দিনৰ আগতে ক'ৰবাৰ দূৰ গাঁৱৰ বিয়াত দেখা অচিনাকি মানুহ যেন লাগে।

আইকণৰ মনটো পাতল লাগি আছিল আজি। দুপৰীয়াৰ পৰা। মনত পৰিছিল ফজিৰৰ অজলা মুখখন।

আইকণে ভোগৰামলৈ চালে। আঁঠুমূৰীয়া চুৰিয়া ভোখৰ পিন্ধি আছে সি। ওলাই আছে তাৰ কৰঙন দুটা আৰু শুদা আটিল গা'টো। ভোগৰামৰ ল'ৰাছোৱালী আঠোটা। দুজনী ছোৱালী বিয়া দিলে। নাতিনীও হ'ল। তেও মতা মানুহবোৰ সোনকালে বুঢ়া নহয়।

ভোগৰামৰো যেন লৰাকালৰ কথা মনত পৰিছিল। সিও এনেয়ে কিছুপৰ আইকণলৈ চাই থাকিল। তাৰ পিছত সি হাঁহি দিলে। এই হাঁহিৰ কোনো অৰ্থ নাই। শৈশৱৰ উলঙ্গ মন আৰু উলঙ্গ দেহ আজি জীৱনৰ পৰিৱৰ্তনে পাহৰাই দিছে।

অঘোণৰ মিঠা ৰ'দ, কেঁচা নৰাণি, অন্যৰ পৰা ফালৰি কাটি আঁতৰি অহা এহাল আঠ ন বছৰীয়া ল'ৰাছোৱালী—সিহঁতৰ নিঃসঙ্গ, নিষ্পাপ অশ্লীলতা। জীৱনৰ অবোধ্য অনুৰোধৰ মাদকতা—আৰণ্যক আনন্দৰ অপূৰ্ণতা।

বহুত, বহুত কথা।

ভোগৰামৰ চকু দুটাই যেন আইকণৰ আবৃত দেহাৰ মাজত সেই নৰাণিৰ মাজত এদিন চিনি পোৱা বন্য মানুহজনীক আকৌ এবাৰ চাই ললে।

-- গধূলিয়েই হ'ল ·আহো আৰু দেই।

· অ যা। মই বাৰু গাখীৰ পঠিয়াই দিম।

অকাৰণতে আজি ভোগৰামৰ আইকণলৈ এটা অহেতুক মৰম লগা

যেন অনুভৱ কৰিলে। আইকণজনী বৰ অকালতে বাঁৰী হ'ল বেচেৰী। মানুহজনী এতিয়াও কেঁচা হৈয়ে আছে।

ৰাতি শুবৰ সময়ত আইকণে মৰিয়মক ক'লে—ককায়েৰ কাইলৈ আহিলে তই কপাহী খুড়ীয়েৰৰ ঘৰলৈ এপাক যাবলৈ কৰিচোন।

—কেলেই ?

—তাৰ ছোৱালী খোজাৰ কথা ক'ব লাগে। মইনো নিজমুখে কি কম ? খুড়ীয়েৰেই ক'ব।

— ছোৱালীনো ক'ৰ ?

—জানো ক'ৰ ছোৱালী তাক লাগে। মই হ'লে ভাবিছো, দেৱাজত মণ্ডলৰ ছোৱালীজনীকে ধৰো ?

"দিব জানো আমাৰ ঘৰলৈ ? তাতে ছোৱালীজনীয়েও—ছবিনা নহয় জানো ?—পঢ়ি আছে নহয়, স্কুলত।"

"থাকিব নোৱাৰিলে পঢ়ি। কোৱাই চাওঁ বাৰু।"

ছোৱালীজনী আইকণৰ মন খাইছে। দেখাই মেলাই, খোজে কাটলে ছবিনা ছোৱালীজনী চকুত লগা। গাঁৱৰ কামো কৰিব পাৰে, নগৰীয়া চলন ফুৰণো জানে। ঘৰখনৰো ৰসপম আছে।

মৰিয়মৰ কিন্তু বৰ মন নাই। ছবিনা ছোৱালীজনী ভাল হ'লে কি হ'ল ? বাপেকে বৰ ঘোচ খায়, আৰ মাটি তাৰ পট্টাত, তাৰ মাটি আৰ পট্টাত লিখি থৈ দুয়ো পক্ষৰে টকা খায়। দুখীয়া মানুহবোৰৰ মাটিৰ মোকৰ্দমা লগাই দি, কোনোবা এটাক ধন ধাৰলৈ দি, মাটি বন্ধকত ৰাখি, পিছত নিজৰ নামত ৰেজিষ্ট্ৰী কৰাই লয়। দেৱাজত মণ্ডল বৰ ভাল মানুহ নহয়। বাপেক ভাল নহ'লে জীয়েকনো কি ভাল হ'ব ?

মৰিয়মৰ ইচ্ছা মা'ফেৰিক খোজাৰ। মা'ফেৰিৰ মাক নাই। পিছে জেঠায়েকে বৰ আতোলতোলকৈ তুলিছে। ছোৱালীজনী বৰ ধীৰ, শান্ত, মৰমলগা। তেনেজনী ছোৱালীহে আমাৰ ঘৰৰ কাৰণে ভাল হ'ব। নবৌজনী ধুনীয়া হ'ব লাগে।

তাৰ পিছত আপোন মনেৰে মৰিয়মে নিজৰ বিয়াৰ কথা ভাবিলে। গাঁৱৰ ল'ৰা এটাকো তাইৰ ভাল নেলাগে। কিছুমানে কাপোৰ-কানি পিন্ধিব নেজানে, কিছুমানে ভালকৈ ভদ্ৰ কথা ক'ব নেজানে, কিছুমানে লিখা-পঢ়া নেজানে।

পজিৰ ল'ৰাটো ভাল আছিল, পিছে কিবা মাইকী মানুহৰ নিচিনা বৰ লাজকুৰীয়া, চকুলৈ চাই কথা এষাৰকে ক'ব নোৱাৰে। মৰিয়মৰ আগত যে সি লাজতে মৰে।

মহচীনটো আকৌ জাতে-পাতে দুখীয়া। বেচেৰাৰ কাপোৰ-কানিয়েই নাই। মৰম লাগে বেচেৰাটোলৈ, পিছে তাৰ লগত ঘৰ-সংসাৰ কৰি কি লাভ হ'ব? গোটেই জীৱনটো দুখতে যাব। সি এটাকে চলাব পৰা নাই—মোক কি খুৱাব?

মৰিয়মে কল্পনা কৰে যেন মইনৰ লগত নগৰৰ পৰা কাপোৰে-কানিয়ে, কথাই-বতৰাই, টকাই-পইচাই ক'ৰবাৰ কোনোবা ডেকা এটা আহি তাইৰ জীৱনত আচম্বিতে আলহী হ'বহি। আৰু তাৰ প্ৰাণ উজাৰি নোকোৱা ভাষাৰে ক'ব—মই আহিছো, তুমি মোক নিজৰ কৰি লোৱা —

সেই অনাগত ধুনীয়া ডেকাটোৰ কথা কল্পনা কৰি কৰি মৰিয়ম টোপনি যায়।

পিছদিনা ন মান বজাত মইন ঘৰ ওলালহি। ডাটি ভালকৈ খুৰুৱা, মুখত পাউডাৰ ঘঁহিছে মইনে। চেহেৰাটো ওলাই পৰিছে, চুলিখিনিও সি ভালকৈ ফণিযাই আহিছে। গঁৰিয়লী কামিজটো ধোবাই ধোৱা। মইনে আজিকালি চুৰিযা নিপিন্ধে. এটা নীলা লং-পেণ্ট পিন্ধিছে।

বাছৰ পৰা সি টোপোলাটো নিজেই নমাই লৈ আহিল, মাক ভনীয়েকলৈ এবোজা নানিলে হয়নে, মাছ-শাকৰ পৰা আৰম্ভ কৰি কাপোৰকানিলৈকে। মৰিয়মৰ এখন শাৰী আৰু এটা ব্লাউজ-পীচ, মাকৰ এখন মেখেলা, এডোখৰ চোলা-কাপোৰ, একটালা কাপোৰ ধোৱা

চাবোন, এভোখৰ লাম্ম চাবোন, আৰু কত কি? ঘৰলৈ মানুহ শুদা হাতে আহেনেকি?

মৰিয়মে টোপোলাটো ভিতৰলৈ নিলে, মাকে তাৰ মুখলৈ এবাৰ চায়ে ভিতৰ সোমাল। তালৈ চাহপানী কৰিবৰ কাৰণে।

মাত্র সুধিলে—কিমান সময়ত আহিলি তাৰপৰা? এনেয়ে সোধা প্রশ্ন।

মইনে পেণ্টত সুমাই অনা কামিজটো উলিয়াই ললে, আৰু পাছফালে পুখুৰী পাৰলৈ গ'ল, পাছ চোতালতে সি জোতাযোৰ খুলি থলে, চিনাকি মাটিৰ চেঁচা পৰশটো তাৰ ভাল লাগি গ'ল। এই মাটিৰ লগত তাৰ জন্মাৱধি নিবিড় সম্পর্ক। নগৰত যেন মাটিৰ এনেকুৱা মৰমী পৰশ নাই, নগৰ শুকান, তাৰ পৰশ ব্যৱসায়গন্ধী।

গাঁৱৰ ঘৰলৈ আহিলে মইনৰ নগৰৰ কথা, তাৰ দোকানখনৰ কথা পাহৰি যাবৰ মন যায়, কিন্তু যেয়ে আহে সেয়ে পেঘেনিয়াই পেঘেনিয়াই তাক মাথোন নগৰৰ কথাহে সোধে। এতিয়াৰ ডেপুটি কমিচনাৰজন বোলে বৰ কাৰা মানুহ—হয়নে? চাপ্লাইত যে কাম কৰিছিল ফিৰদৌচ—সি বোলে চুৰকৈ চিমেণ্ট বেচাৰ কাৰণে ধৰা পৰিছে—সঁচানেকি কথাষাৰ? কলেজৰ কোনোবা ছোৱালী এজনীৰ অবাঞ্চনীয় প্রশ্ন।

মুজিবতে, দেবেশ্বৰে ইলেকচনত কমিউনিষ্ট প্রার্থীজনৰ কাগজ-পত্র বিলাইছিল। দুয়োটাই নিজক বর্তমান পলিটিচিয়ান বুলি ভাবে। কাচি আৰু ধানৰ তাৎপর্য গাঁৱৰ ৰাইজক বুজাই কয়। ঘৰৰ অৱস্থা দুয়োটাৰে বেয়া—গতিকে প্রায়ে কৈ ফুৰে—আমি কমিউনিষ্ট মানুহ ভাই।

সিহঁত কেতিয়াবা ঘূৰিপকি আহি মৰিয়মহঁতৰ ঘৰ ওলায়হি, আৰু তাতে এজাউৰি বক্তৃতা মাৰে। আইকণ আৰু মৰিয়মে বৰ বেছি নুবুজে, বুজিবৰ চেষ্টাও নকৰে। মুঠতে গৰু, ঘৰ, ধান-কাচি সকলোবোৰ দৰকাৰী বস্তু; গৰুনো কেলেই বেয়া আইকণে নুবুজে।

মইন অহা পম পায়েনে এনেয়ে, দেবেশ্বৰ আৰু মুজিবত আহি মইনহঁতৰ ঘৰ ওলালহি।

আৰম্ভ হ'ল পাৰ্টিৰ কথা।

মইন অলপ গহীন হৈ দিলে। যেন সি নগৰৰ পৰা অহা এজন ডাঙৰ পলিটিচিয়ান। মাজে মাজে তাৰ দোকানত বহি থাকিয়ে সি তাৰ দোকানৰ সিফালৰ ফিল্ডতে হোৱা ৰাজহুৱা সভাবোৰলৈ কাণ দিয়ে, নানা বক্তাৰ বক্তৃতা শুনে, কিছুমান সি বুজি পায়, কিছুমান নুবুজে, কিন্তু ইয়াত দেবেশ্বৰহঁতৰ আগত তাৰ এনেহে লাগিল যেন সেই বক্তৃতাবোৰ কেতিয়াবা সি নিজেই দিছিল, আৰু যেন নগৰৰ হাজাৰ হাজাৰ মানুহে তাৰ বক্তৃতাকে কাণপাতি শুনিছিল, সভাৰ পিছত তাৰ কথাৰ গুণগুণনি উঠিছিল দৰ্শকৰ মাজত।

বিজ্ঞৰ দৰে মইনে মন্তব্য দিয়ে : গাঁৱত কি পলিটিক্স হ'ব ? ইয়াৰ মানুহে বুজিযে নেপায, পলিটিক্স কৰিবলৈ টকা পইছা নেলাগে, মন লাগে বুইছ।

মইনে কথা ক'লে মুজিবতহঁত মনে মনে থাকে। সি নগৰত থকা মানুহ, তাৰ আগত মিছাকৈয়ে কথা ক'লে কি লাভ ? তথাপি মৰিয়মৰ আগত তাৰ নিজৰ বিদ্যাবুদ্ধি আৰু ৰাজনীতিজ্ঞান কিছু জাহিৰ কৰাৰ লোভ মুজিবতে সামৰিব নোৱাৰে, সি প্ৰায় জোৰেৰেই কয়—নগৰত কিহৰ পলিটিক্স হ'ব অ' ? নগৰৰ চব মানুহ মধ্যবিত্ত নাইবা ধনী। মধ্যবিত্তই ফুইতাল খেলে, আৰু ধনীয়ে কংগ্ৰেছ কৰে, পলিটিক্স গৰীবৰহে বস্তু।

মুজিবতৰ ধাৰণা যে 'কংগ্ৰেছ কৰিলে' পলিটিক্স নহয়। চৰকাৰৰ বিৰোধিতাৰ নামেই পলিটিক্স ! লোকৰ পৰা শিকা 'পলিটিস।'

মৰিয়মে তিনিওকে চাহ দিয়ে, লগত মইনে অনা বিস্কুট আৰু ভুজিয়া।

তাইৰ চাহ টোপা দিবলৈ পাই ভাল লাগে। গাঁৱতনো শুদা চাহ এপিয়লাকে যাচিবৰ শক্তি কিমানৰ আছে !

দুখীয়া গাওঁ, এলেহুৱা মানুহ, সীমাবদ্ধ আৰ্জন, অদৃষ্ট-বিশ্বাসী, নিঃসম্বল ; অজ্ঞ খেতিয়ক।

গাখীৰে চেনিয়ে এপিয়লা চাহ সহজলভ্য নহয়।

মইনৰ ইহঁতক চাহ পিয়লা দিবলৈ পাই ভাল লাগে। চাহ পিয়লাৰ যোগেদি যেন তাৰ ঐশ্বৰ্য প্ৰতিপত্তিৰ এটা মুকলি স্বীকৃতি প্ৰতিষ্ঠা হ'ল।

মইনে কয়, মোৰ দোকানতে কত ডাঙৰ ডাঙৰ পলিটিচিযান বহি থাকে জানিছ।—

—তই বোলে চহৰৰ মাটি এহালিচা কিনিলি ?

—চাইছো, কিনা নাই এথোন।

—কিমান পৰিব আন্দাজ ?

—এহালিচাত ? কঠাত তিনি হেজাৰ কৈ—কিমান হ'ব, পোন্ধৰ হেজাৰ ? এৰা, পোন্ধৰ হেজাৰ।

মুজিবতহঁত চুপ হৈ যায। পোন্ধৰ হেজাৰ, বহুত টকা. মনে মনে ভাবে—মইনৰ বাকৈকৈ অলপ টকা হ'ল দেই। পোন্ধৰ হেজাৰৰ যদি মাটিকে লয়, ঘৰটো সজাওঁতেও তো দহ-বাৰ হেজাৰ খৰচ পৰিব।

হঠাৎ মইনক সিহঁতৰ এটা ডাঙৰ মানুহ যেন লাগি গ'ল। অত টকাৰ মালিক হ'ল মইনটো—এই কেইদিনৰ ভিতৰতে। এৰা, নগৰত লক্ষ্মী আছে। নহ'লেনো তামোল-পাণৰ দোকান এখন দিয়ে মানুহে হাজাৰ টকা কেনেকৈ কৰিব পাৰে ? নগৰত মানুহৰ টকাই টকা। সকলো মানুহৰ পকী ঘৰ, দালান।

মুজিবতহঁত যোৱাৰ পিছত আইকণ ওচৰ চাপি আহি অলপ বিশ্বস্তভাৱে সোধে—মাটি ললিনেকি ?

—লম কিজানি, এতিয়াও দৰদাম ঠিক হোৱা নাই।

—ইমানবোৰ পইছানো কত পাবি পিছে ?

—হ'ব কিবা এটা। গহীনকৈ মইনে কয়।

অলপ পৰ কিবা ভাবি মাকে কয়—নগৰত যদি মাটি লয়, আমিনো

আৰু গাঁৱত কি কৰিম থাকি ? তিনটা পৰাণীৰ তুখন মজিয়া কেলেই ?

—ওঁ মাটি লৈ ঘৰ এটা সজাই লব পাৰিলে, তইঁতক লৈ যাম, গাঁৱত থাকি কি কৰিবি ?

—এৰা, —আইকণে সন্মতি জনায়।

আইকণ আৰু মৰিয়মৰ চকুৰ আগত নগৰৰ সেঁামাজৰ এটা নতুন পকী অট্টালিকাৰ ধুনীয়া ছবি ভাহি উঠে। আগফালে ফুলনি, পাছফালে পুখুৰী—তুৱাৰ খিৰিকিত ৰং-বেৰঙৰ ধুনীয়া পৰ্দা।

আইকণৰ যে লাজেই লাগি যায়।

নগৰৰ কোনোবা অচিন ৰাজকোঁৱৰৰ হাঁহিভৰা মুখ কল্পনা কৰি কৰি মৰিয়ম পাছ চোতাললৈ গুচি যায়। তাইৰ মনৰ পদূলি-মূৰত কোন অনাগতৰ যেন ভৰিৰ মৃদু পদধ্বনি। তাই উন্মনা হৈ পৰে।

মইনৰ মনটো বুজিবৰ চেষ্টা কৰি আইকণে ইটো সিটোৰ পিছত নিজেই কয়—আজি কোনোবা এটা সময়ত কপাহী খুড়ীয়েৰৰ তাৰ পৰা পাক এটা মাৰি আহিবিগৈ, তোক কেইবা দিনো বিচাৰিছে।

—বাৰু যাম। পিছে পিছবেলাকৈহে যাব পাৰিম হ'বলা। এতিয়া মই অন্য ফালেহে যাম।

মাকৰ আপত্তি কৰিবৰ একো নাই। ডেকা ল'ৰা, গাঁৱৰ ইঘৰ সিঘৰত এপাক মাৰিবই, কোনে ধৰি ৰাখিব ? আৰু মইনক ধোবাই-ধোৱা কাপোৰ কানি পিন্ধি গাঁও ফুৰিবলৈ যোৱা দেখিলে মাকৰ গৰ্বও নহৈ নেথাকে। গাঁৱত চেহেৰাই পানীয়ে, তাৰ নিচিনা ডেকানো ওলাব কেইটা ? তাতে মইন নগৰত থাকিবলৈ লোৱাৰ পৰা গহীনো হ'ল। সি অন্য ল'ৰাৰ দৰে ছোৱালী-পোৱালীৰ লগত হুলিগলিও কৰি নুফুৰে।

নগৰৰ কথাই বেলেগ।

অলপ ভয় সঙ্কোচ মিহলি মাতেৰে আইকণে ক'লে —নগৰৰ সোণাৰীবোৰ বোলে ভাল ?

—ওঁ ভালতোন।

—যদি পাৰ ভনীয়েৰলৈ সোণৰ কাণফুল এযোৰকে গঢ়াব লাগিছিল। সোণৰ বা দাম কিমান হৈছে আজিকালি—

—ক'ব নোৱাৰো। এশ দহ টকা মান হ'ব পায়—তোলাত।

—আও এশ দহ টকানে? বৰ দাম।

—হৈছেই আৰু। আজি কালি সকলো বস্তুৰে দাম।

—চাৰি অনা মানৰে এযোৰ পাৰিলে গঢ়াই দিবি, বজৰুৱা কাণফুল আৰু কিমান পিন্ধিব?

—চাৰি অনা সোণৰ এযোৰ কাণফুল—বাখৰো লাগিব—গঢ়নি লাগিব—কমেও পঞ্চাশ টকা পৰিব, পোন্ধৰ হেজাৰ নহয়, পঞ্চাশ টকা—বহুত টকা।

মইন মনে মনে থাকিল।

মাকে ইটো সিটোকৈ অন্য কথা উলিয়ালে।

—ভনীয়েৰলৈও ক'ৰবাৰ ল'ৰা-চৰা এটা চাব লাগিছিল নহয়। চাই থাকিলে হ'বনে আৰু।

মইনে একো নেমাতিলে। এৰা মৰিয়মজনীক কাৰোবালৈ বিয়া দিয়াৰ কথা সিও নভবা নহয়। গাঁৱৰে ৰসপম থকা কোনোবা এঘৰত পৰিলে বেয়া নহয়। দুখীয়াৰ ঘৰৰ ছোৱালী—ভাত-কাপোৰকেটা পালেও হয়।

মাকে ক'লে—নগৰৰে ক'ৰবাৰ ভাল ল'ৰা এটা ঠিক কৰ। তোৰ জানো চা-চিনাকি নাই।

—এৰা—মইনে অন্য কিবা ভাবিছিল। মইন পাণৱালাৰ ভনীয়েকক নগৰৰ ক'ৰ ভাল মানুহৰ ল'ৰাই বিয়া কৰাব?

বৌটিয়ে একো নুবুজে। বৌটিয়ে নুবুজে নগৰত মোৰ নিচিনা পাণৱালাৰ ঠাই ক'ত—মানসন্মান কিমান।

পাণৱালাৰ ভনীয়েকক বিয়া কৰোৱাৰ কথা নগৰৰ ল'ৰাই ভাবিব কিয়? সিহঁতৰ কাৰণে আছে নগৰৰ ধুনীয়া ধুনীয়া ছোৱালী—সেই তাৰ দোকানৰ আগেদি যোৱাৰ নিচিনা ছোৱালী।

—পিছে চাবি, নগৰৰ ল'ৰা হ'লেই নহয়, গুৰি-গোষ্ঠীও ভাল হ'ব লাগে, খা-খৰচতো ভাল হ'ব লাগে। আৰু ধন-পইছা সা-সম্পত্তিও থাকিব লাগে,—আইকণে ক'লে।

—ওঁ জানিছো—মইনে ক'লে।

আবেলি মইন কপাহী খুড়ীৰ ঘৰৰ ফালে ওলাই গ'ল। পিছে বাটতে জমিৰত গাওঁবুঢ়াৰ চোতালত কেইবাজনো ডেকা বুঢ়া বহি আছিল। ঘৰৰ আগেদি যোৱা দেখি তাক মাতিলে। মোসোমালে ফুটনি হৈছে বুলি ভাবিব। মইন সোমাই গ'ল।

ল'ৰা এটাই বহি থকা মূঢ়া এটা এৰি দিলে।

—কেতিয়া আহিলি ?

—কোনোবা ফালে যাওঁ বুলি আহিলিনেকি ?

—কেনে চলিছে কাজ কাৰবাৰ ?

বহুত প্ৰশ্ন হ'ল একেলগে। মইনে আৱশ্যকীয় উত্তৰ দিলে।

জমিৰত গাওঁবুঢ়াৰ বয়স হৈছে। আঁটিল শৰীৰ ক্ৰমে শিথিল হৈ আহিছে। বুঢ়াই চিগা কঠডোখৰতে বহি খুন্দনাত তামোল খুন্দিছিল। গা উদি। ঘন ডাটিখিনিয়ে বুকুৰ পৰা পেটৰ এডোখৰ-লৈকে ঢাকিছে। ডাটি চুলি সকলো পকি বগা হৈছে। কেইটামান দাঁত এতিয়াও আছে, কিন্তু কামত নাহে। মাজে মাজে বিষাই আমনিহে কৰে।

গাওঁবুঢ়াৰ সমুখত মইন বহিল।

তাক চোতাললৈ সোমাই যোৱা দেখি ভিতৰৰ পৰা বুঢ়াৰ বোৱাৰীয়েক নাতিনীয়েকহঁতে ভুমুকিয়াই চালে। কোনোবা এজনীয়ে এনেয়ে খুকুখুকাই হাঁহিলেও।

মইন অৱশ্যে গহীন হৈয়ে থাকিল।

কাৰোবাৰ বোৱাৰীয়েকৰ কিবা ৰকমৰ বদনাম হৈছিল। তাকে আলোচনা কৰি আছিল ডেকা-বুঢ়াহঁত বহি। ৰাজহুৱা নহয়, ঘৰুৱা আলোচনা।

মইন গ'লত অৱশেষত অন্য কথা উলিয়ালে।

—হয়নে মইন, আমাৰ কংগ্ৰেছে বোলে কমিউনিচক দেখিবই নোৱাৰে। ইপিনে আকৌ আমাৰ গাঁওখনক কমিউনিচ্ প্ৰজেক্ কৰিব খুজিছে বোলে, কিবা জাননে? প্ৰশ্নটো কৰিছিল গাঁৱৰ গেজেট দেহনুৰে—আটায়ে মইনৰ মুখলৈ চালে।

অলপ মুৰব্বীয়ানাৰ সুৰত মইনে কলে—মই ক'ব নোৱাৰো দদাই। পিছে আজিকালি কি ৰাইজ, কি চৰকাৰ তলে তলে সকলো কমিউনিষ্ট! আৰু কিছুদিন ৰোৱা—দেখিবা সকলো মানুহ কমিউনিষ্ট হৈ যাব।

দেহনুৰে পিন্ধা বুটযোৰ যুদ্ধৰ কোনোবা চিপাহীয়ে দিয়া। ভৰিলৈ ডাঙৰ হয়। খোজ কাটিলে অলপ সোলোক-ঢোলোক হৈ যায়। দিওঁতেই ফিটা নাছিল। ফটাকানিৰ ৰচি বাটি লৈছিল—পিছে ছিগি ছিগি যায়। শেষত বেটৰ সূত তুলাই ললে। কোনোদিন ৰং নথকা ৰূপৰীয়া ক'লা জোতাযোৰত বেটৰ বগা ফিটা কেডাল জিলিকি থাকে। কিন্তু দেহনুৰ য'লৈকে যায় বুটযোৰো তালৈকে সদায় যায়—গাঁৱৰ লৰাইঁতে কয়।

দেহনুৰে ক'লে—এৰা, চ'ছলিছৰ মানুহবিলাকেও কৈছে বোলে কংগ্ৰেছ আৰু বেছিদিন নেথাকে। চাওঁ, বিড়ি চিগৰেট নাইনে এটা দেচোন—পিছে যাবিগৈ কৌতিয়া?

মইনে অলপ ইতস্ততঃ কৰি বিড়িৰ মুঠাটো উলিযাই দিলে। খুজিলে নিদি উপায় কি?

বদৰতৰ গাত হাৱাই চাৰ্ট আৰু এখন চাৰখানা লুঙ্গী। সি অলপ গোফ ৰাখিছে। বয়সত মইনতকৈ অলপ ডাঙৰ। চাইকেলৰ দোকান দিয়ে। দোকান মানে—কেইডালমান বেঞ্চ আৰু দুটামান ফটা টিউব আৰু 'ভলটিপ' ৰাখে। ফুটা চাইকেল ভাল কৰি দিয়ে। দুটা পেট্ৰমাক্স লাইট আছে, ভাৰালৈ দিয়ে। তাৰ ভাষাত সি বিজনেচ কৰে। যুদ্ধৰ আগৰে বাইশ টকাত কিনা এটা জাপানী গ্ৰামোফোন আছে। তিনিখন অসমীয়া ৰেকৰ্ড সদায় ৰাতি বাজে। অৱশ্যে কম্যু

যোৱা পিন আৰু ক্ষয় যোৱা ৰেকৰ্ডে সৃষ্টি কৰা সঙ্গীত ওচৰত কাণ পাতি সুগুনিলে শুনা নেযায়। কিন্তু শ্ৰোতাৰ অভাৱ কোনো দিন নহয়।

বদৰতে সুধিলে, হয়নে মইন, গভৰমেণ্টে হেনো বিজনেচ কৰিবলৈ টকা ধাৰলৈ দিয়ে ? কালৈ দৰ্খাস্ত কৰিব লাগে অ ?

—দিয়ে, পিছে অসমীয়া মানুহক নিদিয়ে। ৰিফিউজীক হে দিয়ে। ৰিফিউজীক হেজাৰে হেজাৰে দিছে।

—থুন্দা তামোলখন মুখত ভৰাই জমিৰত গাওঁবুঢ়াই সুধিলে— ৰিফুজীনো কোন ?

—ৰিফিউজী বঙালী মানুহক কয়। মইনে ক'লে।

—কোনবোৰ বঙালী—চাহ বাগিছাৰবোৰনে, 'বেঙ্গুলী' বোৰ ?

বেঙ্গুলীবোৰ। সিহঁতে এখন চাৰ্টিফিকেট দেখুৱায় আৰু তেতিয়া যিমান লাগে সিমান টকা পায়।

চাৰ্টিফিকেট আমি দেখুৱালে আমাক নিদিবনে ? বদৰতৰ প্ৰশ্ন।

বঙ্গালী বুলি দেখুৱালে দিব কিজানি।

মৌজাদাৰৰ চাৰ্টিফিকেট হ'লে হ'বনে ?

ডলা এখনতে কেইবাটিমান চাহপানী লৈ বুঢাৰ মাজু বোৱাৰীয়েক ওলাই আহিল। মূৰত দীঘল ওৰণি। ব্লাউজটো নিশ্চয় এতিয়া বাকচৰ পৰা উলিয়াই পিন্ধি আহিছে। মইনে এবাৰ চাই অন্য ফালে মুখ কৰিলে।

ডলাৰ পৰা চাহপানীৰ বাটিকেটা এটা এটাকৈ আগ বঢ়াই দিয়াৰ সময়ত মইনৰ চকুত পৰিছিল বোৱাৰীযেকৰ বগা হাতখনৰ পিঠিটো আৰু ধুনীয়া আঙুলিকেইটা। ছোৱালীজনী ৰূপহী। মইনে এনেয়ে ভাবিলে।

বোৰহান ফকীৰে মন্তব্য দিলে,—আল্লাইহে জানে দেশখনত কোনে ৰাজপাট খাইছে। গাঁৱত যে বেঙ্ খুলিছে—কৈছিল খেতিয়কক ধন ধাৰলৈ দিব খেতি কৰিবলৈ, যোৱা বছৰ চ'ততে দৰ্খাস্ত দিলো—তৰণিৰ হতুৱাই লেখাই। পিছে সেই চ'ত গৈ বৃষি

চ'ত পালেছি। টকাৰ 'ট'টোও নাই। বৰ বেইমান। বিক্ৰিউঞ্জীক দিয়ে। নগৰৰ ডাঙৰ মানুহে পায়, আমি খেতিয়কপালক টোপ দেখুৱাই চোঁচৰাই মাৰিছে।

টকা নাই দিয়া ভালেই হৈছে বুজিছ বোৰহান—গাওঁবুঢ়াই ক'লে। দিলে বা কেনেকুৱা টকা দিয়ে কি ঠিক। কিজানিবা আহুধানৰ কঠিয়াৰ নিচিনাই হয়। আহুধানৰ কঠিয়াবোৰ দিলে—বাইজখনে ঠটা মাটিত হাল বাই বাই গৰুম'হৰ ধাতু লৈ পাৰিলে। এটাও নগজিল। চৰকাৰে যদি এনেকৈ কণা কুকুৰাক পতান ধান দি ঠগে কাক বিচাৰ্ছাছ কৰিবি অ'। লাগিলে টকা ধাৰলৈ দিয়ক, সেই টকাও কিবাকৈ নচলক —ধাৰত মৰিবহে লাগিব।

মইনে একো নক'লে। সিও নেজানে কিয চৰকাৰে দিয়া আহু ধান পাৰিলে নগজে। কিয় ডাইল চাউলৰ দাম যুদ্ধ নলগাকৈয়ে বাঢ়ি পৈ আছে। কিয় কাপোৰৰ বুজিব নোৱৰা দাম হৈছে।

দুনিয়াত কত বুজিব নোৱৰা কথা আছে।

ৰফিয়তে নামাজ পঢ়ে। বয়স পঞ্চল্লিশমান হৈছে। গাঁৱত বেছিভাগে বিয়া কৰোৱাৰ পিছৰ পৰা ডাঢ়ি ৰাখিবলৈ আৰু নামাজ ৰোজা কৰিবলৈ আৰম্ভ কৰে, কিন্তু বহুতে পঞ্চাশৰ পিছতহে ভালকৈ নামাজ ৰোজাত ধৰে। অৱশ্যে ৰফিয়তৰ অন্য এটা কাৰণ আছে। জমিৰত গাওঁবুঢ়াৰ আৰু বেছিদিন আয়ুস নাই। খুব বেছি আৰু পাঁচ বছৰ। তাৰ পিছত গাওঁবুঢ়াৰ পদটো খালি পৰিব। কিন্তু যাকে তাকে গাওঁবুঢ়া নেপাতে। গাঁৱৰ চৰ্দাৰ যি হ'ব সি কথাই কামে সকলোতে সকলোৰে মান-সন্মানৰ যোগ্য হ'ব লাগিব। পাৰ্হেজগাৰ হ'ব লাগিব। নামাজী হ'ব লাগিব। ভাল মানুহ হ'ব লাগিব।

ৰফিয়তে মূৰৰ পৰা টুপীটো কোনোদিন খুলি নথয়। টুপী পিন্ধি থাকিলে চয়তানে একো কৰিব নোৱাৰে। টুপীটো কপাহী কাপোৰৰ আছিল। কিন্তু তেল আৰু ধূলি লাগি লাগি বৰ্তমানত তাৰ বৰণটো অবৰ্ণনীয় হৈ পৰিছে। খাকীৰ ওপৰত ধোঁৱাৰবৰণৰ ডাঠ

চাম্নি। মূৰটো কেতিয়াবা খোলেও, ৰফিয়তে টুপীটো কোনোদিন নোখোৱে।

ৰফিয়তে ক'লে—খোদাৰ হুকুম নহ'লে বিৰিখৰো পাত এটা নলৰে। বাইজ ভালেহে ৰজা ভাল। মানুহবোৰৰ ঈমানৰ ঠিক নোহোৱা হ'ল, হালাল হাৰামৰ ঠিক নোহোৱা হ'ল। বৰ গুনাহগাৰ হ'ল। কেলেই গজিব আহুধানৰ কঠিয়া? আৰু দুদিনমান বাট চা, দেখিবি পতানৰ ভিতৰতে চাউল নোহোৱা হ'ব, গাইৰ ওহাৰতো গাখীৰ নোহোৱা হ'লেই। আমাৰ ল'ৰাহঁতৰ মাকৰ দুহাল যঁজা ল'ৰা-ছোৱালী হৈছিল, তেও বুলি বুকুৰ গাখীৰেৰে চোলা তিতি থকে। আজিকালিৰ ছোৱালীবোৰৰ নিজৰ কেঁচুৱাক খুৱাবলৈকো বুকত গাখীৰ অকণ নাই। ক'ৰবাৰ ঘোঁৰাৰ নে উটৰ বিলাতী গাখীৰ খুৱায় নিজৰ কেঁচুৱাক। দুনিয়াত বৰ্‌কত নোহোৱা হ'ল।

ৰফিয়তে বেলিটোৰ ফালে চালে। আচৰৰ নামাজৰ সময় হ'লেই।

—পিছে উঠহঁক আৰু। আচৰৰ নামাজৰ সময় হ'ল।

মেল ভাগিল। মইনেও সকলোৰে পৰা বিদায় ললে। চাহৰ বাটিবোৰ নিয়াৰ চলেৰে বুঢাৰ উঠন নাতিনীযেক এজনীযে মইনৰ আগত গা দেখা দি গ'লহি।

ছোৱালীজনী দেখাত বেয়া নহয়। শকত-আৱত, ৰাঙলীজনী।

কপাহী খুড়ীৰ বয়স দুকুৰিৰ ওচৰ চাপিছে। ঢকঢক্ কৰে বগী আছিল কাৰণে নাম দিছিল কপাহী। পিছে অকল বগীয়েই নহয় কপাহী বৰ গঢ়িত আৰু ধুনীযাও। গাভৰু কালত কপাহীলৈ মন নকৰা গওঁা ডেকা এটাও নাছিল। সকলোৰে মুখে মুখে আছিল কপাহীৰ নাম।

গাঁৱৰে পাঠশালা স্কুলত কপাহীয়ে নাম লগাই পঢ়িছিল। নাম লগাইছিল সাত বছৰমান বয়সত, তৃতীয় শ্ৰেণী পাওঁতে এঘাৰ বছৰ হ'ল। পিছে আঁহ-পাহ মুকলি ছোৱালীজনী এঘাৰ বছৰীয়াতে গাভৰুজনী যেন দেখি। বাটত যেয়ে সেয়ে জোকায়। তাতে স্কুলত

পণ্ডিত এজন—চাত্তাৰ পণ্ডিত, ডেকা ল'ৰা। পণ্ডিতবো কপাহীক লৈ মনত অলপ উথল-মাথল লাগিল। অন্তে গম নেপালেও কথাটো কপাহীয়ে বুজি পাইছিল। ঘূৰি ঘূৰি পণ্ডিতৰ চকু কপাহীৰ ওচৰলৈ ঘূৰি আহে।

কপাহীবো চাত্তাৰলৈ মৰম সোমাইছিল। সেই সময়ত তাইৰ কাৰণে চাত্তাৰ পণ্ডিততকৈ ডাঙৰ মানুহ আৰু কোনো নাছিল। গাঁৱত অৰণ্যে ছোৱালীয়ে ল'ৰাক বা ল'ৰাই ছোৱালীক ভাল পোৱাৰ এটা সীমা আছে। বিয়া। বিযাৰ দৃষ্টিকোণেৰেই ল'ৰাই ছোৱালীক আৰু ছোৱালীয়ে ল'ৰাক চায়।

এদিন স্কুল ছুটীৰ সময়ত ওচৰলৈ মাতি নি চাত্তাৰ পণ্ডিতে ফুচ্‌ফুচাই কপাহীক ক'লে—কাইলৈ স্কুললৈ অলপ আগতে আহিবিচোন।

কপাহী অলপ ৰঙা পৰিল। কিয়বা আগতে আহিবলৈ কৈছে।

তাই ক'লে—কেলেইনো চাৰ ?

—অলপ কথা আছে। সকলোৰে আগত ক'ব নোৱাৰি। তই আহিবি বাৰু।

পিছদিনা চাত্তাৰে অলপ হুটামুটাকৈয়ে মনৰ কথাটো কপাহীক ক'লে,—তই পঢ়ি থাক্, এৰি নিদিবি। মই আৰু অন্যৰ কথা নেভাবো।

কপাহীয়ে কিমান বুজিলে ক'ব নোৱাৰি। তাই আহি তাইৰ চাৰিখনত বহিলহি। সেইদিনা তাই আৰু এবাৰো পণ্ডিতলৈ মূৰ তুলি চাব নোৱাৰিলে।

পিছে পাঠশালা পাছ কৰি আৰু কপাহীয়ে নপঢ়িলে। গাত গামোচা লোৱা ছোৱালী আলিবাটে আলিবাটে ঢপলিয়াই স্কুললৈ যোৱা বেয়া কথা।

পণ্ডিত মাজে মাজে আহি থাকে। পিছে কপাহীক বৰ বেছি লগ নাপায়, মাকেহে বেছি ভাগ কথা বতৰা পাতে।

চাৰি বছৰৰ পিছত কপাহীৰ বিয়া হ'ল আলিমহৰী বদিৰৰ লগত সুখৰ সংসাৰ। চাণ্ডাৰ পণ্ডিত তাৰ পৰা বদলি হৈ গ'ল।

কপাহীৰ ল'ৰাছোৱালী মুঠেই এহাল। ছোৱালীজনী ডাঙৰ, মাকৰ গঢপিত, চেহেৰাপানী লৈ আহিছিল। সোনকালে বিয়া দিলে। ল'ৰাটো নগৰত থাকে, কলেজত পঢ়িছে।

বদিৰ মহৰী সম্পৰ্কত মইনৰ দদায়েক হয়।

কপাহীৰ চেহেৰাপানী এতিয়াও তেজাল হৈয়ে আছে। ভুঁইকঠিয়া কৰিব নেলাগে, ঢেঁকী দিব নেলাগে—খোৱাপিন্ধাৰ দুখ নাই। গাভৰু হৈ আছে।

ভালেমান দিনৰ মূৰত মইনক পদূলি মূৰত দেখি কপাহীয়ে আদৰ সাদৰ কৰি মাতি নি বহুৱালে।

—কেতিয়া আহিলি মইন, ভালে আছ নহয়? মাৰ-ভনীয়েৰৰ ভালনে? মই ভালেমান দিন তহঁতৰ ঘৰৰ ফালে যাবই পৰা নাই। দাদায়েৰ দিনটো ঘৰত নেথাকেই। এই হাতীহেন ঘৰখন এৰিনো মই কেনেকৈ যাওঁ।

একেলগে ভালেমান কথা ক'লে কপাহীয়ে। মইনে উত্তৰ দিলে।

—আমাৰ জমীৰক লগ পাৱনে কেতিয়াবা?

—ওঁ পাওঁ মাজে মাজে। আহিছিলনেকি?

—আহিবৰ এমাহ মানেই হ'ল। কলেজত পঢ়া ল'ৰা, সদায় আহি থাকিব নোৱাৰে।

—খুড়ীহঁত তেনে অকলেই আছা আৰু?

—অকল নহয়নো আৰু কি? মই বৰকৈ জুইৰ ওচৰত থাকিব নোৱাৰো। ভাইটোৰ ছোৱালীজনী আনি ৰাখিছোহি—ভাত চাহ তায়ে কৰে। হেৰ' জমীলা, ওলাই আহচোন। বটাটো লৈ আহ। চাহ পুচিতো জুইৰ ওপৰত দে। পিঠা এটা খাবি জানো? তহঁতে আকৌ কটি বিস্কুটহে খাব—পাণ মছলাও লৈ আহিবি—

মইনে কথা কবৰ চলেই নেপালে। কপাহী খুড়ীৰ এটা ব্যক্তিত্ব

আছে। গুথই পাখই, কথাই বতৰাই মানুহজনী ডাঙৰ মানুহ হোৱাৰ যোগ্য।

অলপ পৰৰ মূৰত জমীলা ওলাই আহিল। ১৫।১৬ বছৰীয়া এজনী গাভৰু। এখন নীলা ৰঙৰ শাৰী পিন্ধিছে।

—এইজনী জমীলা, ভাইটোৰ ছোৱালী। তায়ে নোহোৱা হ'লে মোৰ জোলে জুবিলেহেঁতেন। মই আকৌ অন্য বান্ধনিৰ হাতে খাব নোৱাৰো। কিবা কিবা লাগে। চাহ কৰগৈ যা।

মইনে জমীলালৈ চালে—খোলাখুলিভাবেই। তাৰ চকুত কিবা হৈছেনেকি? আটাইবোৰ ছোৱালীকে দেখোন আজিকালি তাৰ ধুনীয়া লগা হৈছে। গাওঁবুঢ়াৰ নাতিনীযেকজনী আৰু এই জমীলা—দুয়োজনী ধুনীয়া গাভৰু। আৰু শাৰীখনো এনে ভালকৈ পিন্ধিছে, যেন নগৰীয়া ছোৱালীহে। নিজৰ অজানিতেই মইন অলপ ৰঙা পৰিল।

কপাহী খুড়ীয়ে লক্ষ্য কৰিছেনে নাই সি কব নোৱাৰিলে।

—তোৰ কাজ-কাৰবাৰ কেনেকুৱা চলিছে আজিকালি? শুনিছো বোলে ভালেই চলিছে?

—বেয়া নহয় খুড়ীটি। পিছে নগৰৰ কথা, বৰ খৰচ।

গাঁৱতো আঁটিছে বোপাই। সকলো বস্তুৰ জুইছাই দাম। দদায়েৰে দুয়োহাতেৰে চপাই আছে বুলিহে। আজিকালি আকৌ জমীৰকো দিব লাগে নহয়। মাহে এশকৈ লাগে। কাপোৰকানিলৈ বেলেগে নিয়েহে আকৌ। পিছে পটি মেলিবা কি হয় আল্লাইহে জানিছে। আজিকালি দেখোন বি. এ., এম এ পাছ কৰিও কামকাজ নেপায়।

মইনতকৈ কপাহীয়ে কথা বেছি জানে। পুতেক কলেজীয়া ল'ৰা, গিৰিয়েক মহৰী, নিজেও লিখা-পঢ়া জনা মানুহ।

অলপ পৰৰ পিছত জমীলা আহি কলে—জেঠাইটি চাহ দিছো।

—ব ল বোপাই, ভিতৰলৈকে, চাহটোপা খাগৈ। গাঁৱলীয়া ঠাই.. কিটো পাবি—

মেজত চাহ দিছে, লগত ভজাপিঠা, আৰু বিস্কুট দুটামান।

মইন বহিল। সমুখা-সমুখিকৈ কপাহীও বহিল। মইনে দেখিলে কপাহী খুড়ীৰ হাতৰ ঠাৰিডাল বৰ ধুনীয়া—বগা, পুৰঠ, মিহিন।

—পিছে মা'ৰে কিবা উলিয়াইছিলনে?

মইনে কপাহীৰ মুখলৈ চালে। কথাষাৰৰ অৰ্থটো বুজিবৰ কাৰণে। হঠাৎ যেন বুজিব পাৰি সি ৰঙা পৰি উঠিল।

জমীলা আঁতৰি গ'ল—কাষৰ কোঠাটোলৈ।

—ভনীয়েৰক ক'ৰবাত দিব লাগে। পিছে ঘৰলৈ এজনা ননাকৈ দিলে, মাৰৰ হাত নিচিগিব জানো? আৰু তোৰো বয়স হৈছে আৰু। দিন আৰু গৈছে আছে।

মইনে বিস্কুট এডোখৰ চাহত তিয়াই তলমূৰ কৰি শুনি গ'ল।

—এৰা, মাৰে মুখামুখিকৈ ক'বলৈ চাগৈ ভাল পোৱা নাই। পিছে মাৰে নক'লেও ময়ে কৈছো। আগে তোৰ বিয়াখনহে হ'ব লাগিব, তাৰ পিছতহে ভনীয়েৰৰ। নহ'লে মাৰ কাৰ লগত থাকিব? খা বোপাই, পিঠা এটা খা।

মইনে অলপ সাহস গোটাই লবৰ চেষ্টা কৰিলে।

—বিয়ানো কিহেৰে পাতো খুড়ীটি? টকা-পইছা জানো কমবোৰ লাগে আজিকালি?

—টকা-পইছা লাগেতোন! পিছে ধন নাই বুলি আৰু কোনোবাই বিয়া নকৰায় আছেনে? যাৰ যেনেকুৱা অৱস্থা তেনেকৈ পাতিবি। আৰু গাঁওখন আছে, তোক আৰু এৰি দিবনে, হেৰ জমীলা, এইবোৰ নে'হি।

বেৰখনৰ সিপাৰেই আছিল জমীলা। তাই সোমাই আহিল আৰু পিৰিচ পিয়লাবোৰ জাপি ললে।

আকৌ এবাৰ মইনে জমীলালৈ চালে। কপাহীয়ে নেদেখাৰ ভাও জুৰি চূণৰ ভুৰুকাটোত চূণ বিচাৰিব ধৰিলে কটাবীখনৰ আগেৰে।

জমীলা ওলাই গ'ল।

—তই ভাবিচিন্তি চা। মা'ৰহঁতৰ মন নগৰীয়া ছোৱালী আনিবলৈ। মই পিছে কওঁ আমাৰ গাঁৱত গাঁৱৰ ছোৱালীহে টিকিব পাৰিব। আৰু আজিকালি গাঁও নগৰৰনো কিটো তফাৎ আছে? আমি গাঁৱতে উপজি গাঁৱতে বুঢ়ী হ'লো, পিছে নগৰত আমি জানো চলা নাই? কতখন নগৰীয়া বিয়া খাইছো। আমাক'না কোনে গাঁৱলীয়া বুলি হাঁহিব পাৰে।

মইনে কোনো উত্তৰ ভাবি নেপালে।

—পেহীটি আছানে?

—কোনোবাই মাতিছে। তই বহচোন বোপাই। কোনে মাতিছে চাওঁ। হেৰ জমীলা। ককায়েৰক তামোল চালি দে।

কপাহী বাহিৰলৈ ওলাই আহিল। মইন বহাৰ পৰা উঠিব খুজিও বহি থাকিল। জমীলা ওলাই আহিল। অন্য এটা বটা লৈ।

জমীলাযে আগে মাতিলে,—ককাইটি কেতিয়া যাবাগৈ?

—কাইলৈ ৰাতিপুৱা।

—মোক চিনি পাইছানে?

—খুড়ীটিয়ে কৈছে নহয় তোমাৰ কথা। পাইছো।

লাজে লাজে জমীলাই ক'লে,—এদিন তোমালোকৰ ঘৰলৈ গৈছিলো। জেঠাইটিহঁতক মই চিনি পাওঁ।

জেঠাইটি মানে মইনৰ মাক—সি বুজিলে।

—ইয়াত কেতিয়াৰ পৰা আছা?

—ভালেমান দিন হ'ল।

মইনে জমীলালৈ ভালকৈ চালে।

শাৰীখন অলপ ঠিক কৰি লোৱাৰ চলেৰে জমীলাই গাটো মইনক অলপ দেখুৱাবৰ চেষ্টা কৰিলে।

মইনে একো ক'বলৈ বিচাৰি নেপালে।

চব ছোৱালীয়েই ধুনীয়া।

কিবা এটা কৈ কৈ কপাহী খুড়ী সোমাই আহিল—লগত ইয়াছীন।

—এ, মইন কেতিয়া আহিলি ?

—এইয়া অলপ পৰ হৈছে। আজিকালি ক'ত আছ ইয়াছীন ?

—ঘৰতে আছো, আৰু ক'ত থাকিবি ? জমীলা, জুই এডোখৰ আন অ'—

ইযাছীনে জেপৰ পৰা বিড়ি দুটা উলিয়াই এটা মইনলৈ আগ বঢ়ালে।

মইনে মূৰ জোকাৰিলে—সি নেখায়।

—আজিকালিও নেখাৱনে, নে পেহীটিৰ আগতহে নেখাৱ ?

—নাই, নেখাওঁয়েই। পিছে তই বহ দেই ইযাছীন। মই আৰু উঠোহে খুড়ীটি।

—যাবিচোন বহ। কিনো কৰিবিগৈ। ঘৰলৈ যাবিনে মইন কোনোবা ফালে যাবি এতিয়া ?

—আৰু ক'লৈকো নেযাওঁ। অথনিয়ে ওলালো। এতিয়া আৰু ঘৰলৈহে যাম।

তেনেহ'লে বহ। তুষাৰ কথাকে পাতো। হেৰ' জমীলা, ইয়াছীন ককায়েৰকো চাহ এপিযলা দে।

জমীলাই জুইশলাটো আনি মেজত থলে।

বিড়িটো জ্বলাই ইযাছীনে সুধিলে,—টাউনত কিবা ভাল চাকৰি নাইনে অ' মইন ?

—কাক লাগে ?

মযে কৰিম। গাঁৱতনো আৰু কিমান সোমাই থাকিবি।

—তই কিবা এটা শিকিছিলি নহয ?

—ওঁ শিকি পাছো কৰি থৈছো। ভকেচনেল ট্ৰেইনিং শিকিছিলো। পিছে চাকৰি নাই।

—বাগানত খবৰ কৰিছ ? বিজুৰ দৰে মইনে সুধিলে।

—সকলোতে খবৰ কৰিছো। নলয। ঘোচ লাগে—সকলোকে। খাবলৈকে নাই, ঘোচ দিবলৈ ক'ত পাম ? টাউনত দোকানে-চোকানে ক'ৰবাত মানুহ লয়নে অলপ খবৰ ৰাখিবিচোন।

পেহীয়ে মইনৰ ফালে চাই সুধিলে—দেৱাজত মণ্ডলৰ ঘৰৰ পৰা এপাক মাৰি নাহ জানো ?

প্ৰশ্নটোৰ তাৎপৰ্য মইনে বুজিলে, সি অলপ ৰঙা পৰিল। কিন্তু সহজ হ'বৰ চেষ্টা কৰিলে।

—এতিয়া আৰু কলৈকো নেযাওঁ খুড়ীটি।

—চাওঁ বাৰু এই পিনে আহচোন। তই অকণমান বহচোন ইয়াছীন—ইযাৰ লগত মোৰ কথা এটা আছে।

কপাহী আৰু মইন উঠি পিছফালৰ চোতাললৈ গ'ল। জমীলাই ইয়াছীনলৈ এপিযলা চাহ লৈ আহিল।

জমীলালৈ চাই ইয়াছীনে সুধিলে—পিছে পছন্দ হৈছে নে নাই ?

জমীলাই ক'লে—যাঃ নিলাজটো।

—চাওঁ এইপিনে আহচোন—

—কি ?

ইয়াছীনে জমীলাৰ হাতখন ধৰিব খুজিলে।

জমীলা আঁতৰি গ'ল। জেঠাইহঁত ওলাবহি।

তাই ভিতৰ সোমাই গ'ল, ইযাছীনে চাহত সোহা মাৰিলে।

কপাহী খুড়ীয়ে, মইনক ক'লে,—মণ্ডলৰ ছোৱালীজনী দেখাই-শুনাই কামে-কাজে সকলোতে ভাল। খুজিলে দিবও কিজানি। মাৰহঁতৰো মন থাইছে।

মইনে তলমূৰ কৰি ক'লে,—এতিযা মই বিয়া পাতিব নোৱাৰো খুড়ীটি। হাতত পা-পইছা নাই। নগৰত অকণমান দোকান এখন দি কোনোমতে চলি আছো।

—মণ্ডলৰ ঘৰনো কি ? নামতহে, অৱস্থা তইহঁতত্কৈও বেয়া। কলেজত পঢ়া পুতেকটোৱেই চুঁচি আছে। মাইধনীক জানো তই দেখা নাই। সেইজনীয়েই।

অলপ চিন্তা কৰি মইনে ক'লে—ছোৱালীজনী লৈ কথা নহয় খুড়ী। নিজৰ ঘৰখনৰ কথাহে ভাবিছো। নগৰতে অকণমান মাটি কিনিবৰ

চেষ্টা কৰি আছো। যদি অকণমান মাটি লৈ তাতে নিজাকৈ ঘৰ এডোখৰ সাজি লব পাৰো, তেতিয়া হ'লে বৌটিহঁতকো লৈ যাব পাৰিম। অন্য কথাও ভাবিবৰ সুবিধা হ'ব তেতিয়া।

নগৰত ঘৰবাৰী কৰিবৰ চেষ্টা কৰা বুলি জানি কপাহীয়ে আনন্দ পালে।

—এৰা, কাজ-কাৰবাৰ যেতিয়া নগৰতে ঘৰখনো নগৰতে কৰি লব পাৰিলে ভাল কথা। তইতৰ ঘৰ এখন হ'লে আমিয়ে গৈ কোনোবা দিনা চিনেমা বায়োস্কোপ এখন চাই আহিব পাৰিম, পিছে যি কৰ সোনকালে কৰ। বিয়াখনো সোনকালে পাতিব লাগে।

মইনহঁত সোমাই আহিল, ইয়াছীনে চাহ শেষ কৰি আৰু এটা বিড়ি জ্বলাইছে।

—হেৰ' মইন, টকা পাঁচ শ মান ধাৰলৈ দিব নোৱাৰনে? কিবা কাৰবাৰ এটাকে কৰো, তোৰ বোলে আজিকালি ঢেৰ টকা।

মইনে হাঁহিলে।

—কিহৰ কাৰবাৰ কৰ?

—টকা হাতত থাকিলে কত কাৰবাৰ কৰা যায়।

—থ থ ই কাৰবাৰ কৰি ফলাব, চাহ পানীৰ জুটি লৈ ফুৰা মানুহে কিহৰ কাৰবাৰ কৰিব অ'—খুড়ীৰ মন্তব্য।

ইয়াছীনে লাজ নেপালে।

সি ক'লে—চাবা পেহীটি, কমিউনিষ্ট হৈ যাম।

—কমিউনিষ্ট হ'লে পিছে কি হ'ব? সেইটো কিবা চাকৰিনেকি?

—কিজানি কি। পিছে কিমান আৰু এনেকৈ ঘূৰি ফুৰিম?

—য'ত ঘূৰিলে চাকৰি পায়, তাত ঘূৰিব লাগে, ইয়াত ঘৰে ঘৰে ঘূৰি ফুৰিলে কিটো পাবি?

—হাইস্কুলৰ দয়াৰাম মাষ্টৰ যে—তেওঁ কমিউনিষ্ট, ময়ো হম কমিউনিষ্ট—যি হ'ব হ'ব।

যেন হওঁ বুলিয়ে কমিউনিষ্ট হোৱা যায়! মইনে অলপ গহীন হৈ

ক'লে,—হুম বুলিয়েই কমিউনিষ্ট হ'ব পাৰিনেকি ? কিবা এটা কাম কৰ। বিচাৰিলে নেপাবি কেলেই ? নহ'লে কিবা সৰু কাৰবাৰ কৰ। আৰু পলিটিক্সত সোমাব খুজিছ যদি কংগ্ৰেছত সোমা, কংগ্ৰেছে চৰকাৰ চলাইছে, তোক এটা দিহা লগাই দিব।

অলপ ভাবি ইয়াছীনে ক'লে,—কংগ্ৰেছত সোমালে কিবা কাম দিবেন বাৰু ?

—দিব কিজানি, কংগ্ৰেছত থকা মানুহ কোননো এনেই বহি আছে ? চাকৰি নহ'লে কিবা ঠিকাঠুকলি পাবি।

—তেনেহ'লে কংগ্ৰেছতে সোমাম, এৰা জয়নাথ ঠিকাদাৰে কংগ্ৰেছত সোমাই ঠিকা কৰি ঢেৰ টকা কৰিছে।

—আজিলৈ মই যাওঁ আৰু খুড়া ৰাতিযেই হ'ল।

—বাৰু যা বোপাই। এৰা, ঘৰলৈ আহিলে মাজে মাজে এপাক মাৰিবি আৰু আমাৰ জমীৰক লগ পালে কবিচোন বুলি এবাৰ ঘৰলৈ মাতিছে।

মইন ওলাই আহিল, লগে লগে কপাহী, ইয়াছীন আৰু জমীলাও আগফাললৈ ওলাই আহিল।

মইন আলিবাটত উঠিল।

ইয়াছীনহঁত আকৌ ভিতৰ সোমাই আহিল।

—অলপ দিনৰ ভিতৰতে মইনটোৱে ভাল উন্নতি কৰিলে নহয়নে পেহীটি ?

ল'ৰাটো ভাল অ'। যিহতে লাগে মন পুতি লাগে। চলো পতো নহয়। চেহেৰা-পাতিও নগৰীয়া ল'ৰাৰ নিচিনা হৈ পৰিছে।

—জমীলাৰ আকৌ পছন্দ নহ'ল বোলে—ইয়াছীনে ক'লে।

—যাঃ নিলাজটো—লাজত জমীলা ৰঙা পৰিল।

কপাহীয়ে ক'লে—লোকৰ ল'ৰাই ছোৱালী পছন্দ কৰিযে থৈছে।

কাক খুড়ী।

—তোক কেলেই ?

ইয়াছীনে জানিবলৈ বিচাৰিলে, কিন্তু কপাহীয়ে এটা ৰহস্য সৃষ্টি কৰাৰ মনেৰেই যেন কথাটো ইয়াছীনৰ পৰা লুকাই ৰখাৰ চেষ্টা কৰিলে।

জমীলাই মনে মনে ভাবিলে কিজানি ময়েই। তাইৰ অলপ আনন্দ লাগিল। মইনটো বেয়া ল'ৰা নহয়। গহীন-গম্ভীৰ—ভাল ল'ৰা। মোৰ ভাল লাগিছে।

গাঁওখন মইনৰ বৰ শান্ত আৰু নিষ্প্ৰাণ যেন লাগিল। সাঁজ লাগি আহিছেহে, পিছে মানুহবোৰে শুবলৈ ললেই। বাটটোও আন্ধাৰ আন্ধাৰ, পিছে তাৰ আন্দাজ আছে। ইয়াতে সি কেঁচুৱাৰ পৰা ডেকা হৈছে। ইয়াৰ প্ৰতিটো বনপাতৰ লগত তাৰ চিনাকি আছে। এই ৰাতিটোক সি চিনি পায়, ৰাতিৰ বুকৰ মিঠা, দূৰণীয়া গোন্ধটোকো সি চিনি পায়।

আকাশখনত কিছুমান নতুন তৰা ওলাইছে।

নগৰত যে ইফালে সিফালে চাবৰো উপায় নাই। মটৰে-মানুহে উশাহ লবৰ ঠাই নাই। ইয়াত জীৱন মুক্ত, প্ৰশস্ত, পৃথিবীৰ পৰা আকাশলৈকে কেৱল বাধাহীন মুক্তি।

মইনৰ মনটো বৰ মুকলি লাগিল।

কিন্তু ইয়াত জীৱিকা নচলে। জীৱিকাৰ ক্ষেত্ৰ নগৰ। যিমানেই ঠেক হওক, গুকান হওক, টকা আছে নগৰতহে। নগৰত বনপাত বেচিও টকা উলিয়াব পাৰি।

ঘৰত মইনে লেমটোৰ পোহৰটো বৰ কম যেন পালে।

—এইবোৰ বগা তেল নে ক'লা তেল অ'?

—ক'লা তেল আমি নানোৱেই, বগা তেল।

ভাতকেটা খাই কিন্তু মইনে তৃপ্তি পালে, মাকে নিজহাতে ৰন্ধা আঞ্জাখন তাৰ বৰ সোৱাদ লাগিল। নগৰত সি পেট ভৰিবৰ কাৰণেহে কোনোমতে এমুঠি খাই থয়, সোৱাদ নেপায়। বাবীৰ জলকীয়াটোৰো সোৱাদ বেলেগ।

বিছনাত পৰি মইনে ভাবিলে দোকানৰ খোৰোংটোতে আৰু কিমান সোমাই থাকিম। গাঁৱত সকলো কিমান মুকলি, কিন্তু মুকলি হ'লে কি হ'ব? ইয়াতটো আৰু বতাহ খাই জীয়াই থাকিব নোৱাৰি।

তাৰ নগৰত হ'বলগা ঘৰটোৰ কথা সি কল্পনা কৰিলে। এটা আটোমটোকাৰি ধুনীয়া সৰু ঘৰ—কোনোবা মৰমিয়াল ছোৱালী এজনীৰ এষাৰ মৰম লগা মাত—আৰু শান্ত, নিবিড়, মধুৰ শান্তি।

॥ ৩ ॥

চিনেমাৰ ফাৰ্ষ্ট শ্ব' চলি থকাৰ সময়ত মইনৰ দোকান খোলা থাকে। সি কেতিয়াবা চেকেণ্ড শ্ব'হে চায়। চিনেমাত তাৰ বাপ নোহোৱা নহয়, পিছে পইছা ভালেমান লাগে। ছবিখন ভাল নহ'লে তাৰ পইছাকেটা অথলে যোৱা যেন লাগে। তদুপৰি চিনেমা চালে পিছদিনা শুই উঠোতে পলম হয়। তথাপি মাজে মাজে চায়।

চিনেমাহলটো তাৰ দোকানৰ পৰা বেছি দূৰত নহয়। তাৰ থকা ঘৰৰ পৰাহে অলপ দূৰত।

মইনে সেইদিনা চেকেণ্ড শ্ব' চিনেমা চাইছিল। চিনেমা শেষ হ'বৰ সময় হৈছে, এনেতে বৰষুণ আহিল—ডাঙৰ বৰষুণ। গধূলিৰ পৰা ওন্দোলাই আছিল, এতিয়া ধাৰাষাৰে নামি আহিল দপ্‌দপীয়া বৰষুণজাক। ৰাতি তেতিয়া প্ৰায় বাৰ বাজে।

ছাতি থকা মানুহবোৰ দিহাদিহি গ'ল। কোনো কোনোৱে ৰিক্সা ধৰিলে, কিছুমান মানুহ বৰষুণ এৰিবৰ কাৰণে অপেক্ষা কৰি বাৰাণ্ডাতে উচ্‌পিচাই ৰ'ল।

চেকেণ্ড শ্ব'ত বেছি মানুহ নহয়। সাধাৰণতে দোকানী, ৰিক্সাৱালা, পাণৱালা, বিড়িৱালা—এনে মানুহেই চেকেণ্ড শ্ব' বেছি চায়। ভদ্ৰলোক কম, ভদ্ৰমহিলা প্ৰায় নেথাকে।

মইনৰ অস্বস্তি লাগিল, আজি নহা হ'লেই ভাল আছিল। আৰু ৰৰষুণজাক যিদৰে দিবলৈ আৰম্ভ কৰিছে, কেতিয়াযে এৰিব ঠিক নাই।

মইনে অৱশ্যে ভাত খাই আহিছে। অন্য কাম আৰু নাই। ঘৰ পালেই বিছনাত পৰিব। কিন্তু চিনেমা ভগাৰ পিছত কাম থাকক বা নেথাকক, মানুহ আৰু নৰয়—ঘৰলৈ বেগ দিয়ে।

মইনে ইফালে সিফালে চালে, চিনাকি মানুহ দুই চাৰিটা আছে, কিন্তু তাৰ মাতিবৰ মন নগ'ল, মনে মনে একাষে থিয় দি থাকি সি ৰৰষুণজাক এৰিবৰ কাৰণে বাট চালে। ৰৰষুণ এৰিব আৰু সি ঘৰলৈ দৌৰ দিব।

তাৰ বৰ অস্বস্তি লাগিল।

প্ৰায় আধাঘণ্টা ধাৰাষাৰে ৰৰষুণ দিলে, চিনেমা হলৰ আগভোথৰ পানীৰে চপ্‌চপীয়া হৈ পৰিল। তাৰ পিছত লাহে লাহে ৰৰষুণ পাতলি আহিল।

মইন বাৰাণ্ডাৰ পৰা নামি আহিল, অকণমান ৰৰষুণত তিতিলে একো নহয়। মূৰৰ ওপৰত এবাৰ হাতখন দি চাই সি বেগাই খোজ দিলে।

কিছু দূৰ অহাৰ পিছত ঘূৰি চাই সি দেখিলে সি অকলেহে আহিছে, তাৰ লগত তাৰ ঘৰৰ ফালে আৰু কোনো অহা নাই।

হাকিমৰ ঘৰৰ মানুহ সকলো শুলে, এবাৰ তাৰ হাকিমনীৰ ধুনীয়া মুখখনৰ কথা মনত পৰিল—বৰ মৰমলগা মুখখন।

ৰৰষুণ ৰৈ গৈছে। কিন্তু বাটত মাজে মাজে পানীয়ে ডোঙা বান্ধিছে। সাৱধানে খোজ দিলে, গাটো তাৰ পাতল লাগিল—মনটো অকাৰণতে প্ৰফুল্ল হৈ উঠিল। এবাৰ এনেয়ে সি ৰাতিৰ আকাশখনৰ ফালে চালে, আৰু বহুত ডাৱৰ জমা হৈ আছিছে। আকৌ ৰৰষুণ দিব।

কিন্তু সি বেগ দিয়াৰ প্ৰয়োজন অনুভৱ নকৰিলে। ঘৰ পালেহিয়েই।

চাবি আলিৰ মেচটো সি ঘূৰিছে, এনেতে চুকত থকা বামফালৰ পাণৰ দোকানৰ চালিখনৰ তলৰ পৰা কোনোবা এটা ওলাই আহি তাৰ সন্মুখত বৈ দিলেহি, সি অলপ ভয় খালে। সি মূৰ তুলি চালে, এজনী বৰষুণত তিতা তিৰোতা মানুহ।

নেমাতি একাষৰীয়া হৈ সি আগবাঢ়িব খুজিলে। মানুহজনীয়ে কিন্তু তাক একপ্ৰকাৰ আগভেটা দিয়ে ক'লে—অকণমান ৰবাচোন।

মইন বৈ গ'ল। মানুহজনীৰ মুখলৈ চালে। মূৰৰ পানীবোৰ মচাৰ চলেৰে তাই ওৰণিখন খহাই দিলে, এজনী মিঠা বৰণীয়া ছোৱালী—অলপ আঁতৰত থকা লাইটটোৰ পোহৰত সি দেখিলে।

—কি হ'ল ?

—তুমি ক'ত থাকা ?

—সউখিনিত। কেলেই ?

—আজি ৰাতিটো মোক অকণমান ঠাই দিব পাৰিবানে ?

মইনে আকৌ এবাৰ ছোৱালীজনীৰ মুখলৈ চালে। ৰাতি বাৰ বাজি গৈছে। নিৰ্জন ৰাজপথ। আকাশত ঘনাই অহা ক'লা মেঘ।

—ক'ৰ পৰা আহিছা ?

—সকলো ক'ম। তোমাৰ ঘৰলৈ যাওঁ বলা।

মইনে একো নেমাতিলে, ৰাতি দুপৰখনত এইবোৰ কি লগ লাগিল। আজি ছবি চাবলৈ যোৱাই ভুল হৈছে।

এবাৰ মইনে কেউপিনে চালে। কোনো নাই। ইমান ৰাতি কোন আলিবাটত ওলাই থাকিব ? সকলো মানুহ শুইছে।

মইনে খোজ দিলে। পিছে পিছে নীৰৱে ছোৱালীজনী। মইনৰ চোতালখনত পানী চপ্‌চপীয়া হৈ পৰিছে।

—এইটো মোৰ ঘৰ—এনেয়ে মইনে ক'লে, আৰু আলিৰপৰা নামি আহিল। ছোৱালীজনীও আহিল।

তলাটো খুলি মইনে হেঁচা মাৰি দুৱাৰখন মেলিলে। আৰু লেমটো জ্বলালে।

ছোৱালীজনী আহি দুৱাৰমুখত থিয় দি ৰ'লহি।

অলপ ইতস্ততঃ কৰি মইনে ক'লে ভিতৰলৈ আহা। ছোৱালীজনী ভিতৰ সোমাই আহিল। মইনে বিশেষ নেভাবি দুৱাৰখন বন্ধ কৰিলে। এবাৰ কাণ দিলে—ওচৰৰ ঘৰকেটাৰ সকলো শুইছে।

ছোৱালীজনীৰ গাত এখন পুৰণি মলিয়ন শাৰী। বৰষুণত তিতি গাতে লিপিটথাই লাগি ধৰিছে। ছোৱালীজনী প্ৰায় সহজ। যেন মইন তাইৰ বহুত দিনৰ চিনাকি।

মইনে বেটৰ মূঢ়াটো আগবঢ়াই দিলে—বহা। ছোৱালীজনীয়ে ক'লে—মোৰ কাপোৰকানি সকলো তিজা।

মইনে চাকিটো লৈ তাৰ শোৱা কোঠালৈ গ'ল—আৰু এখন ধুইথোৱা ধুতি আনি ছোৱালীজনীক দিলে,—এইখনকে সলোৱা।

ছোৱালীজনীয়ে ধুতিখন ললে, কিন্তু মইনৰ আগত কাপোৰ সলাবলৈ অলপ ইতস্ততঃ কৰিলে, মইনে বুজিলে।

মইনে ক'লে—সিফালৰ কোঠালিলৈ যোৱা।

লেমটোৰে বাট দেখুৱাই মইনে ছোৱালীজনীক নিজৰ শোৱাকোঠালৈ যাবলৈ ক'লে, আৰু তাত থকা চাকিটো জ্বলাই দি সি চাকিটো লৈ ৰান্ধনীশাললৈ গ'ল।

বৰ দিগদাৰি—ৰাতি দুপৰত ক'ৰ যে কোন ওলায়হি—নিজকে নিজে মইনে ক'লে আৰু অলপ কেৰাচিন ঢালি জুইকুৰা জ্বলালে।

ছোৱালীজনীৰ কাৰণে এটোপা চাহপানী কৰিবলগীয়া হ'ল। তাৰো ঠাণ্ডা লাগিছে। কিন্তু অকলে হোৱা হ'লে এই দুপৰ ৰাতি সি আৰু ৰান্ধনীশালত নোসোমালেহেঁতেন। ক'ৰ বা চিনিজানি নোপোৱা ছোৱালী—আৰু ৰাতি দুপৰত মোৰ লগত আহিবলৈহে বাট চাই থাকিব পায়নে?

তাৰ ধুতিখনেৰে গাটো ঢাকি ছোৱালীজনী আহি তাৰ পিঠিৰ ওচৰত ৰ'লহি। সি গম পালে কিন্তু ঘূৰি নেচালে।

—জুই ধৰি কি কৰা?

—চাহ পানী। মই অথনিয়ে ভাত খালো। মইনে ক'লে।

ছোৱালীজনীও জুইৰ ওচৰতে তাৰ কাষতে বহিল। মইনে অলপ আঁতৰি দিলে।

—বৰ জাৰ লাগিছে। বৰষুণত তিতিলো।

একো নকৈ মইনে আৰু চুড়ালমান খৰি জুইত জাপি দিলে।

কিছুপৰ মনে মনে থকাৰ পিছত মইনে সুধিলে—তুমি ক ৰ পৰা আহিছা?

—অলপ হঁহাৰ নিচিনা কৰি ছোৱালীজনীয়ে ক'লে—মোক জানো চিনি পোৱা নাই?

মইনে ছোৱালীজনীৰ মুখলৈ চালে। এই ছোৱালীজনী আগে ক'ৰবাত দেখা তাৰ মনত নপৰে। ওঁহো নপৰে।

ছোৱালীজনীয়ে ক'লে—তোমাৰ নাম জানো মইন নহয়?

—ওঁ—

—এৰা, মই চিনি পাইছো নহয়। আমাৰ ঘৰ ফুলগুৰি গাঁৱত, কেলেই এদিন ফুটবল মেচ খেলিবলৈ যাওঁতে আমাৰ ঘৰত সোমাই চাহ খোৱা নাছিলা? কোন কেতিয়াই সি ফুটবল খেলিছিল, কাহানি সি ফুলগুৰি গাঁৱত কাৰ ঘৰত চাহপানী খাইছিল, আজি তাৰ অকণো মনত নাই।

তথাপি সি ক'লে—অ' হয়নেকি? এনেয়ে ক'লে।

সি চাহপানী বাকিলে। ৰাতি বহুত হ'ল। শুব লাগিল, তাৰ ঘৰত বিছনা মুঠেই এখন—ছোৱালীজনী তাতে শুব। মই আজি আৰু ইয়াতে বহি ঘুমটি মাৰিব লাগিব—সি ভাবিলে।

দুয়ো দুপিয়লা চাহ বাকি খাব ধৰিলে।

—তুমি ফুলগুৰি গাঁৱৰ পৰা ইয়ালৈ কেনেকৈ আহিলা?

—পলাই আহিলো, যেন বৰ ডাঙৰ কাম এটা কৰি আহিছে এনে সুৰত ছোৱালীজনীয়ে ক'লে।

—তোমাৰ নামনো কি?

—আচল নামটো কম ?

মইনে ছোৱালীজনীৰ মুখলৈ চালে—তাইৰ আকৌ নকল নাম এটাও আছেনেকি ?

—জানো—মইনে ক'লে।

—মোৰ নাম জুলেইখা। পিছে এতিয়া মোৰ নাম তগৰহে।

মইনে একো নক'লে।

ছোৱালীজনী বৰ ভাল বিধৰ নহয় হ'বলা। তগৰ—তগৰেই ভাল নাম।

সি বহাৰ পৰা উঠিল।

—আহা—

—ক'লৈ— ?

—তুমি শুই থাকাহি। ৰাতি বহুত হ'ল।

—আৰু তুমি ?

—মোৰ হ'ব বাৰু। বিছনা এখনহে আছে।

দুয়ো ৰান্ধনীশালৰপৰা আহিল।

মইনে তাৰ বিছনাখন অলপ জাৰি জোকাৰি দিলে।

—তুমি ইয়াতে শুই থাকা।

কোঠালিটোৰ দুৱাৰখন বন্ধ কৰি মইন তাৰ পৰা ওলাই আহিল।

গাঁৱৰ সকলোৱে সি ক'ৰবাৰ অট্টালিকাত থকা বুলি ভাবে। আহিছে পলাই পলাই তাৰ ঘৰত ৰাতি থাকিবলৈ।

নহয়, নগৰতে মাটি অলপ লৈ ভাল ঘৰ এটা কৰাই নললে আৰু নচলে। ধাৰে ঋণে ঘৰ এটা লবলগীয়া হ'ল। এইটো ঘৰতনো মানুহ থাকেনে ? দুটা মানুহকে শুবলৈ নাটে।

সৰু ধুনীয়া এটা ঘৰ, হাকিমৰ ঘৰৰ নিচিনা নীলা পৰ্দা। চকী, মেজ পালেং, ধুনীয়া চাকা বিছনা। এনেকৈ আৰু ভগা তক্তাত কিমান শোৱা যায়।

বেৰখনত আঁউজি বেতৰ মুঢ়াটোতে মইন লাহে লাহে টোপনি গ'ল।

ৰাতিপুৱা ভগৰ তাতকৈ আগে উঠিল। তাই উঠি এবাৰ মইনক চালে—মইন হালি পৰিছে, তাৰ বে'চ টোপনি।

বেছি শব্দ নকৰাকৈ তাই মুখ-হাত ধুই ৰান্ধনীশাললৈ গ'ল আৰু জুইকুৰা ধৰি চাহ কৰাত লাগিল। ৰাতি ভগৰৰ বৰ ভাল টোপনি আহিল। বিছনাত পৰাৰ পিছত তাই আৰু একো ক'ব নোৱাৰে। সেইদেখি এতিয়া ৰাতিপুৱা তাইৰ ভাল লাগিল—গা মন। ৰ'দজাকে৷ ফটফটীয়াকৈ ওলাইছে। ৰাতিৰ বৰষুণজাকে বননিবোৰ ধুই থৈছে। সেউজীয়া কেঁচা বননিবোৰৰ পৰা এটা ভাল গোন্ধ আহিছে।

মুখত আহি ৰ'দজাক পৰাত মইনে সাৰ পালে। সি উঠি ইফালে সিফালে চালে। প্ৰথমতে সি বুজিব নোৱাৰিলে সি কিয় মূঢ়াটোতে বহি ৰাতি টোপনি গ'ল।

সি উঠি ৰান্ধনীশাললৈ গ'ল,—ভগৰে জুই ধৰিছে।

—তুমি কেতিয়া উঠিলা ?

—এই অলপ আগতে। যোৱা মুখ হাত ধুই আহাগৈ। চাহ হৈছেই।

একো নেমাতি, মইন পিছ ফাললৈ গ'ল। শুই উঠাৰ আগতে কোনোবাই উঠি চাহ বনাই থলে বেয়া নহয়। তাৰ মনটো এনেযে ভাল লাগিল। ছোৱালীবোৰে ঘৰ ধৰিব জানে।

সিপাৰৰ ঘৰৰ জয়নাথ এতিয়াও শুই উঠাই নাই। এবা, বেচেৰাৰ ইলেক্‌ট্ৰিক চাপ্লাইত ৰাতিপুৱা পাঁচ বজালৈকে কাম। এতিয়া অলপতে শুইছেহে চাগে। চাকৰি বুলিলে তেনেকুৱাই। কাৰোবাৰ দিনত, কাৰোবাৰ ৰাতি। দুনিয়াখন তেনেকৈয়ে চলে।

—চাহ কিহেৰে খোৱানো ? ঘৰটোত একো বিচাৰি নেপাই ভগৰে সুধিলে।

—অ' ৰ'বা বিস্কুট আনিব লাগিব। পানী গৰম হলেইনেকি ?

—ওঁ, উতলি আছে।

কামিজটো পিন্ধি, পইছা চাৰি অনা লৈ মইন ওলাই গ'ল,—বিস্কুট আনিবৰ কাৰণে।

মইন ওলাই যোৱাৰ পিছত তগৰ শোৱা কোঠালৈ আহিল। বেৰত অকণমান আৰ্চিডোখৰ দেখিলে। আৰু খোচ মাৰি থোৱা ছুটামান দাঁত-ভগা ফণিডোখৰো পালে। তাই ততাতৈয়াকৈ চুলিখিনি অলপ ঠিক কৰি ললে।

ৰাতি তাইৰ তিতা কাপোৰখিনি শুকালনেকি চালে। এতিয়াও তিতি আছে। তাইৰ শাৰীখন আৰু ব্লাউজটো নি তাই পিছফালৰ ডাংডালত শুকাবৰ কাৰণে মেলি দিলে। মইনৰ ধুতিখন পিন্ধি থকাৰ কাৰণে তাইৰ এতিয়াহে লাজ লাগিল।

বিস্কুট লৈ মইন ঘূৰি আহিল।

দুয়ো বহি চাহ খালে।

—দুপৰীয়া ভাত ক'ত খোৱা ?

—জয়নাথে ৰান্ধে। সিটো ঘৰত থাকে জয়নাথ।

—মোৰ কাৰণেও বনাব জানো ?

প্ৰশ্নটোৱে মইনক অলপ বিমোৰত পেলালে। মইনে ভাবিছিল ৰাতিটো থাকি ৰাতিপুৱা চাহ খাই তগৰ ক'ৰবালৈ যাবগৈ।

সি সুধিয়ে পেলালে—তুমি জানো দুপৰীয়াও থাকিবা ?

—আৰুনো ক'লৈ যাম ? ঘৰৰ পৰা পলাই আহিছো।

—কেলেই পলাই আহিছা ?

—জোৰ কৰি চিলেটৰ মানুহ এটাৰ লগত মোৰ নিকাহ পঢ়াই দিব খুজিছিল।

মইনে তগৰৰ মুখলৈ চালে।

—কোনে ?

অলপ সৰু সৰুকৈ তগৰে ক'লে—মোৰ বাবা ঢুকাল নহয়। বাবা ঢুকোৱাৰ কিছুদিনৰ পিছত বৌটিক জৱবাৰ মুখিয়ে খিয়া কৰালে। তেওঁ ক'ৰবাৰ মৈমনচিঙীয়া মৌলবী। মছজিদত নামাজ পঢ়ায়, মানুহক

তাবিজ দিয়ে, ৰাজ কৰে, মৌলুদ কৰে। পিছে বৰ বজ্জাত মানুহ।

—ওঁ—মইনে শুনি গ'ল।

—কোনোবা এটা চিলেটীয়া মানুহলৈ মোক দিম বুলি মনে মনে বহুত টকা খালে। সিদিনা কোনোবা কাজী এজন মাতি আনি মোক জোৰ কৰি নিকাহ পঢ়াই দিবলৈ ঠিক কৰিছিল। দিনতেই মই সকলো গম পাইছিলো। মগৰিবৰ বাদতে মই ঘৰৰ পৰা পলাই গুচি আহিলোঁ। মই আৰু ঘৰলৈ নেযাওঁ। গ'লেই তাৰ লগত বিয়া দি দিব।

অলপপৰ মইন মনে মনে থাকিল। ঘৰৰপৰা পলাই আহিছে কম সাহসৰ ছোৱালী নহয়।

—পিছে ইয়াত কেনেকৈ ওলালাহি ?

—টাউনলৈ টকী চাবলৈ কেতিয়াবা আহোঁ নহয়। তোমাৰ দোকানৰ পৰাও পাণখিলি খাইছো কেতিযাবা। তোমাৰহে মনত নাই পৰা। আহি আহি যেতিয়া নগৰ পালোহি—সাত মাইলমান হ'ব কিজানি নহয় ?—তেতিয়া ৰাতিয়েই হ'ল ভালেমান। আন্দাজে আন্দাজে তোমাৰ দোকান বিচাৰি গ'লো, পিছে বন্ধ। এইপিনেই তুমি আহিব পাৰা বুলি ৰৈ আছিলো। ইপিনে বৰষুণেও তিয়ালে।

মইন বহাৰপৰা উঠিল। তাৰ দোকানলৈ যাবৰ সময় হ'ল। বহি থাকিলে নচলে। ছোৱালীয়েই আহক লাগে, ল'ৰায়েই আহক তাৰ ঘৰলৈ। দোকানখন বন্ধ ৰাখিব লাগিলে সি লখোন দিব লাগিব।

সি ক'লে, মই এতিয়া দোকানলৈ যাম।

—এতিয়াই যাবা জানো ?

—ওঁ দেৰিহে হৈছে, যাবঁেই।

অলপ কিবা ভাবি ক'লে, তোমাক কিবা লাগিব নে কি ?

—কাপোৰকানি একো আনিব নোৱাৰিলো নহয়। পিন্ধি থকা সাজেৰেই আহিলো। সলাবলৈকে একো নাই। বাক মোৰ হ'ব।

পিছে চাউলপাত দুটামান আনি থৈ যোৱা। ভাত খাবলৈ কিমান সময়ত আহা ?

—একো ঠিক নাই। এক দুই বজাত আহোঁ। দুপৰীয়া ভাত জয়নাথে ৰান্ধে।

—আজি মই আছো—জয়নাথে ৰান্ধিব নেলাগে।

কথাটো হয়—মইনে ভাবিলে।

সি সুধিলে—কি কি আনিমনো ?

—আছেনো কিটো ? সকলো আনিবা। চাউল-ডাইল, পাৰিলে অকণ মাছ—হালধিও নাই হ'বলা—নিমখ, মিঠাতেলো আনিব লাগিব।

তেনেহ'লে আগে মই সেইবোৰ বজাৰ কৰি আনো। দোকান-পাত অলপ পিছতে খুলিম।

কেইটামান টকা লৈ মইন বজাৰলৈ ওলাই গ'ল।

তগৰে আগফাল পিছফাল কেউপিনে চালে। এই ডোখৰত মানুহ সেৰেঙা। এই সৰু সৰু ভাৰা ঘৰকেইটা—পথাৰখন—পথাৰ নে কা'ৰাবাৰ বাৰী ? সিফালেহে ডাঙৰ মানুহৰ ঘৰ আছে সেইবোৰ।

ভালেই, ইয়াত মোক সহজে বিচাৰি নেপাযহি।

মইনটোহে বৰ একাচেকা। ভালকৈ মোৰ লগত কথাই পতা নাই। অকলে থাকি থাকি কিবা কঠুৱা হ'ল। পিছে মতা মানুহহে, —অলপ মৰম লগালেই গলি যাব। ঢেৰ মতা মানুহ মই দেখিছো।

অলপ পৰৰ পিছতে বজাৰ কৰি মইন ঘূৰি আহিল।

চাউল-ডাইল, মাছ, আলু—বহুত কিবা-কিবি। তাৰ উপৰি এখন ভাল শাৰী, এটা ব্লাউজ—এখন গামোচাও।

কাপোৰকেটা হাতলৈ লৈ তগৰে ক'লে—এইবোৰ মোলৈ আনিলানেকি ? কেলেই মিছাতে পইছাবোৰ খৰচ কৰিলা ? ব্লাউজটোত কিমান ললে ? অ' চাবোন নানিলা। তোমাৰ

কাপোৰকানিকেটা ধুই দিলোহেঁতেন। আৰু গা-ধোৱা এডোখৰো লাগিছিল—মই যে ধূলিয়ে মাকতিয়ে একাকাৰ হৈ আহিছো।

—আৰু কি লাগিব?

—আৰু—আৰু একো নেলাগে। বাৰু, মই ভাত-পানী ৰান্ধো। তুমি আহিছে গা ধোবাহি? চাবোন তেতিয়া আনিলেও হ'ব।

আৰু বিশেষ কথা-বতৰা নকৈ মইন দোকানলৈ ওলাই আহিল। ছুৱাৰ মুখত বৈ অলপপৰ তাৰ ফালে চাই থাকি তগৰ ভিতৰ সোমাই গ'ল।

তাৰ দোকানৰ আগত নিয়মীয়া গ্ৰাহককেজন আহি বৈ আছেহি। অৱশ্যে তাৰ বেছি দেৰি হোৱা নাই। আজি সি সোনকালেই উঠিল। চাহো সোনকালেই খালে। গতিকে ৰাতিপুৱাৰ ভিতৰতে সি কিবা কিবি বহুত কৰিলে যদিও, তাৰ দোকান খোলাত পলম নাই হোৱা।

তাৰ কিন্তু বহুত দেৰি হোৱা যেন লাগিছিল।

সি দোকানখন জাবি জোকাবি অলপ চাফা কৰিলে। আচিখনত মুখখন চালে। ডাটিবোৰ খুবাই আহিব লাগিছিল। কালিৰেপৰা খুৰুৱা নাই। তাতে ৰাতিও টোপনি নাই। টোপনি খটি হ'লে ডাটিবোৰ বেছিকৈ গজে!

আজি তাৰ ঘৰত এজনী ছোৱালী আছে—তগৰ। বেয়া নহয় ছোৱালীজনী, অৱশ্যে জমীলাতকৈ বেছি ধুনীয়া নহয়।

থাকক। পলাই আহিছে, ক'লৈনো যাব? মোকে চিনি পায় কাৰণেহে, নহ'লে ছুপৰ ৰাতি অচিনাকি চহৰত কাৰ ঘৰত বা ওলালগৈ-হেঁতেন। কম সাহস নহয় কিন্তু ছোৱালীজনীৰ। গাঁৱৰপৰা অকলে আঠ মাইল তাই খোজ কাটি আহিছে।

সঁচা মিছা আল্লাই জানে। পিছে মোৰনো কি হ'ব? থাকক, থাকিব খুজিছে, গ'লে যাব।

বাসুদেৱ, মহেন্দ্ৰ, জীয়াওৰ, আইধান এটা এটাকৈ আহিল—ব্ৰেড, বিড়ি, বিস্কুট—নিলে।

—মইন—কালি হ'বলা ছবি চালি? বাসুদেৱে সুধিলে। কেনেকুৱা লাগিল?

—বেয়া নহয়। পিছে ৰবষুণতহে তিতিলো।

—অ' এৰা, কালি ৰবষুণ দিলে। পিছে ফাৰ্ষ্ট শ্ব' চাব লাগে, তই চাৱ চেকেণ্ড শ্ব'।

—ফাৰ্ষ্ট শ্ব'লৈ যাবলৈ ক'ৰ সময় পাবি? দোকান খোলাই থাকে তেতিয়া।

গোলজাৰ আহি বহিলহি।

বাসুদেৱৰ চিনেমাৰ বক্তৃতা অলপ তল পৰিল।

—মইন।

—হো?

—এটা খবৰ তোক কম বুলিছিলো, কালি পাহৰিয়ে গ'লো।

মইনৰ বুকুখন অলপ টিপটিপাই উঠিল। ই কিবা গম পায়নেকি ভগৰ অহাৰ।

এতিয়া কবি নেকি?

মইন গাদীৰ পৰা নামি আহিল।

চিনেমাৰ গান এটাৰ সুৰটো টানি বাসুদেৱ বহি থাকিল।

গোলজাৰ আৰু মইন অলপ আঁতৰি গ'ল।

—ঘৰ তোক লাগিবনেকি?

—ঘৰ? উঁ, ভাল ঘৰ এটা পালে লাগেতো।

—ৰবী বাবুৰ মাটি দেখিছ নহয়?

——উঁ।

—সেইখিনিতে ঘৰ এটাত মানুহ এঘৰ আছিল। পিছে মানুহজন যাবগৈ। ঘৰটো অহা ১ তাৰিখৰ পৰা খালি হ'ব।

—কেনেকুৱা ঘৰটো?

—আহল-বহল বেচ ভাল। সৰু-সুৰা এটা পৰিয়াল থাকিব পৰা। পিছে এটা কথাহে।

—কিনো ?

—পানী ছুনীৰ সকলো সুবিধা আছে, পিছে ওচৰত মানুহহে নাই। ঘৰটো এমুৰীয়া। ঘৰটো হ'লে বেচ ভাল।

—মিউনিচিপালিটিৰ ভিতৰত নে বাহিৰত ?

—সীমাতে। ভিতৰত নে বাহিৰত ক'ব নোৱাৰো। বাহিৰত হ'লেও ওচৰতে লাইট পোষ্টটো আছে।

—ভাৰা বা কিমান বিচাৰে ?

—দহ-বাৰ টকা লব আৰু। বাৰীখন বৰ বহল। নতুনকৈ পাতিছে গছপুলিবোৰ ৰোৱাইছে। আচলতে বাৰীখনৰ ভাল ৰখীয়া লাগে।

—মই জানো পিছে বাৰীত চকু দিব পাৰিম ?

—এঃ মানুহটো থকা মানেই, বাৰী ঘৰত চকু ৰখা। ওলাওঁতে সোমাওঁতে দেখিবি—সেয়ে হ'ব।

—পিছে দোকানৰপৰা যে ভালেমান দূৰ পৰিব ? অহাযোৱা কৰোতেই বহুত সময় যাব ?

—পোনাই যাব পাৰিবি। এমাইলেই নহয়। আমাৰ ঘৰৰ পৰা তিনি ফাৰ্লং হ'ব কিজানি। লাগিলে চাইকেল এখন লবি। আজিকালি কিস্তিকৈও চাইকেল পায়।

—বাৰু মই ভাবি চিন্তি চাওঁ। ইযাত হ'লে বৰ অসুবিধা পাইছো।

—সেই কাৰণেহে কৈছে', ৰবী বাবুৰ মাটি ললেওতো সিমানেই অহা-যোৱা কৰিব লাগিব।

আবাদ আৰু বাধা আহিল। তাৰ পিছত ইটো-সিটো—নানা গ্ৰাহক। এতিয়া অন্য কথা চিন্তা কৰিবৰ সময় নাই।

লাহে লাহে শোভাযাত্ৰা আৰম্ভ হয়। স্কুল-কলেজৰ ল'ৰা-ছোৱালী আহিবলৈ আৰম্ভ কৰে।

ৰামচৰণ সোমাই আহিল। ৰামচৰণক দেখিয়ে তাৰ মনত পৰিল ডাটিখিনিৰ কথা।

—ৰামচৰণ, মোৰ মুখখন মাৰি দে অ'। কালিৰপৰা সময়কে পোৱা নাই।

মইনে গাল আৰু ঠুটৰিত হাত ফুৰাই চালে।

বেঞ্চখনতে বহি ৰামচৰণে তাৰ ডাটিখিনি খুৰুৱাত লাগিল।

—মইন ভাই—

—উঁ—

—ডাটি গজিলে ছাদি কৰিব লাগে। তই ছাদিটো কৰি পেলা।

কথা ক'লে খুৰে কটাৰ ভয়। মইনে মাথোন ক'লে—উঁ—

—এৰা, ডাটিটো মৰ্দানাৰ চিন। খুব, খুব্ চুৰত দেখিকে একটা ছোৱালী ছাদি কৰি পেলা।

গোলজাৰ, আবাদ আৰু ৰাধাইঁতে হাঁহিলে।

ৰামচৰণ যোৱাৰ পিছত ৰাধাইঁতে বক্তৃতা আৰম্ভ কৰে.

—ডাটি গজিলেই বিয়া কৰাব লাগে, কি যে ফিউডেল আইডিয়া! কি খাব, ক'ৰ খুৱাব তাৰ কোনো খবৰ নাই। ঠুটৰিত অলপ ডাটি গজিল—বচ্ দে ছোৱালী এজনী ডিঙিত ওলোমাই।

আবাদে ক'লে—ছাগলীৰো ডাটি গজে। তাৰ মানে বিয়া কৰাবৰ কাৰণে মানুহটো ছাগলী হ'লেই হ'ল।

মইনে একো মন্তব্য নকৰিলে। ফিউডেল শব্দটো সি বহুতবাৰ শুনিছে কিন্তু তাৰ অৰ্থটো সি আজিও কাকো সোধা নাই, নেজানেও, নিশ্চয় ফিউডেল মানে বৰ বেয়া কিবা এটা।

—নতুন ঘৰ, এজনী খুব্ চুৰত ছোৱালী, ডাটি মৰ্দানাৰ চিন—পৌৰুষৰ চিন।

হঠাৎ যেন মইনৰ মনটো ভাল লাগি গ'ল।

—গোল্জাৰ?

—ক'—

—ঠিক আছে, তই এটা বন্দবস্ত কৰি পেলা। বেছি ওপৰলৈ নেযাবি। চিন্তা কৰিবৰ কি আছে, নহয় জানো?

—মই কৈছো, বহুত সুবিধা হ'ব।

আৰু বান্ধনী এজনীতো আছেই। তগৰ জানো নেথাকিব?

কাবলতিৰ তলত কেইটামান কিতাপ লৈ ছাতিটো মেলি—আহিল প্ৰফেচাৰ চৌধুৰী। আজি অসময় হ'ল। হয়তো কটিন পাহৰিলে। নাইবা ঘড়িটো হেকৰালে।

প্ৰফেচাৰ অহা দেখি লাহে লাহে বাধাইত আলিবাটলৈ উঠিল।

—আহক চাৰ—

চৌধুৰী আহি তাৰ দোকানৰ আগত ৰ'ল, আৰু থৰ লাগি তাৰ মুখলৈ চাই ৰ'ল।

—কি দিম চাৰ?

—মইন—

—হয় চাৰ?

—এক টিং মিক্‌চাৰেৰে মোৰ কেইদিন যায়?

—সাতদিন চাৰ।

—সাতদিন? মিছা কথা!

মইন মনে মনে থাকিল। সঁচা কথাটো সি নেজানে।

—যদি মই চিগাৰেট নেখাওঁ—ইয়াৰ পৰা মিক্‌চাৰ টিং নি বাকচত ভৰাই থওঁ?

—হয় চাৰ—মইনে ক'লে।

—ওঁ, তেতিয়াও সাতদিন যায়।

হঠাৎ প্ৰফেচাৰে সোধে—তুমি বিয়া কৰালা?

অলপ বিব্ৰত হৈ মইনে কয়—না—নাই কৰোৱা চাৰ।

নাই কৰোৱা, তেন্তে তোমাৰ ল'ৰা-ছোৱালী কোনে চাব?

—চাৰ?—মইনে একো বুজা নাই।

বিয়া কৰোৱা বা নকৰোৱা, তোমাৰ ল'ৰা-ছোৱালীক ভালকৈ তুলিবা। সিহঁত ভৱিষ্যতৰ নাগৰিক। সিহঁতৰ মাজেদি তোমাৰ জীৱনৰ স্বপ্ন সাৰ্থক হ'ব, the dreams of your life.

—চাৰ, আজি মিক্‌চাৰ কিমান দিম ?

—A human child has infinite possibilities. অনন্ত সম্ভাৱনা আছে মানুহৰ—মানৱ সন্তানৰ।

বিশেষ নুবুজাকৈ মইনে কয়—আমি গৰিব মানুহ চাৰ—

—ওঁ ভাল কথা। The poorer you are, the more dreams you have, the more the dreams, the more your possibilities,—গৰিবে বেছি সপোন দেখে।

—হয় চাৰ—

প্ৰফেচাৰে আকৌ মইনৰ মুখলৈ চালে।

—আজি কিজানি বৰষুণ দিব চাৰ, বৰ গৰম হৈছে।

প্ৰফেচাৰ নীৰৱ।

মইনে তামোল এখন আগবঢ়ালে।

কিছুপৰ যেন কিবা এটা ভাবি থাকি প্ৰফেচাৰে সুধিলে—তুমি কিয় বিয়া কৰোৱা নাই ?

তাৰ পিছত নিজেই ক'লে—I see, because you are unmarried

—হয় চাৰ—

চৌধুৰীয়ে নিজেই কৈ গ'ল—You have not married, because you are unmarried Good, very good.

—চাৰৰ আজি কলেজ নাই নেকি ? মইনে সুধিলে।

—কলেজ ? আছে। কলেজ সদায় থাকে। মই নেথাকিলেও কলেজ থাকিব। Thre is the sky—eternally blue—existing—existing eternally, and we are stars that twinkle and vanish.

মইনে ইংৰাজী নুবুজে। এটা ধাৰণা কৰে—প্ৰফেচাৰৰ কথাৰ তাৎপৰ্যৰ।··

কাপোৰধোৱা চাবোন একটালা নিব লাগিব, হামাম এডোখৰো।

মুৰত লোৱা তেল জানো নেলাগিব ? আৰু এখন ভাল ফণি আৰু এটা পাউডাৰৰ টিং।

—মইনে চালে—তাৰ দোকানতে সকলো আছে।

—তগৰে কিজানি এতিয়া ভাত বনাব পাষ। যাঃ আজি আৰু ভাতৰ চিন্তা নকৰিলেও চলিব।

নাচীম আহিল। ক'লা ভেল্‌ভেটৰ ফ্ৰকটোৱে নাচীমক বৰ ধুনীয়া দেখি।

—মইন কাকা ?

—কি নাচীম ?

—হাফিজ চাহেব আজি নাহেনেকি ?

—আহিব কিজানি। ভাত খালা ?

—ওঁ।

—স্কুললৈ গৈছিলা ?

—ওঁ, ৰাতিপুৱা স্কুল নহয়।

—অ' এৰা।

প্ৰফেচাৰ উঠিল।

—মইন—

—চাৰ—

—মই এতিয়া ক'লৈ যাম ক'ব পাৰা ?

মইনে প্ৰফেচাৰ চৌধুৰীৰ মুখলৈ চালে।

—চাৰ ?

লাহে লাহে প্ৰফেচাৰে ক'লে—মই ঘৰলৈ যাব পাৰো, বাহিৰলৈ যাব পাৰো—

—হয় চাৰ।

—আৰু ক'লৈকো নেযাবও পাৰো।

নাচীমে প্ৰফেচাৰৰ মুখলৈ চালে।

লাহে লাহে প্ৰফেচাৰে খোজ ললে।

—ঘৰেও নাহি, পৰেও নাহি, যাবৰে আজ ঘৰছাড়া—

প্ৰফেচাৰৰ মুখত ৰবী ঠাকুৰৰ গান।

নাচীমে সুধিলে—মইন কাকা, প্ৰফেচাৰ এতিয়া ক'লৈ যাব?

—ক'ব নোৱাৰো নাচীম। চাৰ বৰ ভাল মানুহ।

পিছে—

দুজনী কলেজৰ ছোৱালী সোমাই আহিল।

—দুখন পাণ দিয়া।

মইনে দুখন পাণ দিলে।

—আৰু কিবা দিম নেকি?

নাচীমে ক'লে—টফি নিদিয়া কেলেই মইন কাকা?

ছোৱালী দুজনীয়ে হাঁহিলে।

মইনেও হাঁহি ক'লে—ডাঙৰ ছোৱালীয়ে টফি নেখায় নহয়, খায় জানো?

—আমাৰ মাও দেখোন ডাঙৰ ছোৱালী, মা'ই টফি নেখায় নেকি?

পাণ মুখত ভৰাই, হাঁহি হাঁহি ছোৱালী দুজনী ওলাই গ'ল।

মইনে নাচীমক দুটা টফি দিলে।

—ময়ো টফি নেখাওঁ—নাচীমে ক'লে।

—কেলেই নোখোৱা?

—ময়ো ডাঙৰ ছোৱালী—নাচীমে ক'লে!

—মইনে টফি এটা নাচীমৰ মুখত গুজি দিলে।

—বাৰু, বাৰু তুমি ডাঙৰ ছোৱালী, মই খুৱাই দিছো, খোৱা।

নাচীমৰ ধুনীয়া মুখখন হাঁহিৰে উপচি পৰে।

—মইন কাকা?

—কি?

—তুমি মোক ফুৰাবলৈ নিনিয়া কেলেই? মোৰ মাৰ লগত ফুৰি ভাল নেলাগে। মা মনে মনে গৈ থাকে, নেখেলেও, একো নকয়ো।

—মই আকৌ সময়কে নেপাওঁ নহয়, বাৰু কেতিয়াবা নিম।

সৌয়া হাফিজ চাহেব আহিছে—কিৰিলি পাৰি উঠিল নাচীমে।

হাঁহি হাঁহি হাফিজ সোমাই আহিল।

কাষলতিৰ তলৰ আতৰৰ টোপোলাটো বেঞ্চখনত থৈ হাফিজ আতৰৱালাই ক'লে—বৰ গৰম হৈছে মইন ভাই—

তাৰ পিছত নাচীমক হাতখনত ধৰি ওচৰ চপাই নিলে—

কেওঁ বচ্ছি, গৰম নাহি লাগিছে ?

নাচীমে ক'লে—গান গাব লাগিব।

এত্না গৰম মে ক্যা গান গাব লাগিব ? আজি তুমি গাব লাগিব।

ধুনীয়া নাচীমজনীক হাতত ধৰি আবেলি নৈৰ পাৰত ফুৰাবলৈ নিবলৈ বৰ আনন্দ লাগিব—মনতে মইনে ভাবিলে। তাই বুজি নোপোৱা ধুনীয়া কথাবোৰ সুধিব, আৰু সি এনেয়ে উত্তৰ দিব, পখিলাজনীৰ নিচিনাকৈ নাচীম বালিত নাচি জপিযাই ফুৰিব আৰু বহুত দূৰলৈ দৌৰি আঁতৰি গৈ মাতিব—মইন—কাকা—

নাচীমলৈ মইনৰ আৰু বেছি মৰম লাগি যায়। হাফিজৰ পিযাহ লাগি আহিছিল, মইনক খুজি এগিলাচ পানী খায, তাৰ পিছত এখন পাণ। হাফিজ চাহেবক জৰ্দা-কিমাম বেছিকৈ লাগে।

মানে, পাণখন খালে অকল মুখেই নহয, গোটেই গাটোৱে গম পাই যাব লাগে। অলপ গৰম লাগিব লাগে।

—হাফিজ চাহেব গান গোৱা—নাচীমৰ আব্দাৰ। মইনে হাফিজৰ মুখলৈ চালে।

হাফিজে হাঁহিলে, তাৰ পিছত, বহুত দিনৰ পুৰণি চিনেমাৰ গান এটা আৰম্ভ কৰিলে :

"দূৰ দেশ্কা ৰহ্নে ৱালা আয়া,
আয়া দেশ পৰায়ে,
মনকু মইনে বোল ৰহা হেই
আপনা ভেদ চুপায়ে।

জৰি গছৰ পাতত নিগৰি পৰা দুপৰৰ ৰ'দ। জিৰজিৰিয়া বতাহ, হাফিজৰ কণ্ঠত বেদনাৰ দৰদ, দূৰ দেশৰ অচিন আলহী, দেশ এৰি বিদেশলৈ আহিছে। মনক কওঁ মন তোৰ গোপন কথা গোপন কৰ। কত অব্যক্ত গোপন কথা প্ৰতিটো মানুহৰ মনে মনে, ভৰি ঘূৰি ফুৰে দেশে দেশে, পৃথিবীৰ অলিয়ে গলিয়ে, কিন্তু মন বন্ধা বৈ যায়—কোনোবা এঠাইত, কোনোবা এখন সাধাৰণ, অখ্যাত মজিয়াৰ ধূলিৰ বুকত।

সাত সাগৰৰ সিপাৰলৈ গৈও মনটো পাখি মেলি উৰি আহে কোনোবা চেনহীৰ চিনাকি চুবুৰিলৈ, বন্দী মনৰ উৰণীয়া পাখিত চিনাকি দেশলৈ ঘূৰি যোৱাৰ আকুলতা।

গান শেষ কৰি হাফিজে আকৌ হাঁহি দিবৰ চেষ্টা কৰে, কিন্তু হাঁহি নোলায়, বহুত স্মৃতিৰ গভীৰ বেদনাই যেন মনটো গধুৰ, ভাৰাক্ৰান্ত কৰি তোলে।

নাচীমো চুপ্ হৈ যায়, তাই একেথৰে হাফিজৰ মুখলৈ চাই থাকে।

বতাহজাক কঁপি কঁপি দূৰণিলৈ আঁতৰি যায়—বহুত গোপন বেদনাৰ নিশ্বাস লৈ।

কিছুপৰৰ নীৰৱতাৰ পিছত হাফিজে সোধে—

—মইন ভাই, খানা খায়া ?

—নাই খোৱা, যাওঁহে——

—নাচীম তুমি খায়া ?

নাচীমে মূৰ জুপিযালে।

—আচ্ছা হামিও যাওঁ, ভুখ লাগিছে।

নাচীমে ক'লে,—কাইলৈ আকৌ গান গাব লাগিব, হাফিজ চাহেব।

—আচ্ছা, আচ্ছা কালি ফেৰ্ গাব—

মইনে দোকানখন বন্ধ কৰিলে, আজি ৰখোতা নাই। চাবি

আলিত ডিউটিত থকা পুলিচটো নতুন মানুহ। মোবাৰক থকা হ'লে, দোকান খন খুলিয়ে ৰাখিব পাৰিলেহেঁতেন।

হাফিজ নিজৰ বাটত গ'ল। চাবোন, তেল, পাউডাৰৰ টোপোলাটো বান্ধি মইন নাচীমৰ হাতত ধৰি তাৰ ঘৰৰ ফালে আগ বাঢ়িল।

ৰ'দজাক টান।

গোলজাৰে কোৱা ঘৰটো পাক মাৰি এদিন চাই আহিব লাগিব। দূৰ পৰিব। ৰ'দে বৰষুণে অসুবিধা অলপ হ'ব। পিছে সদায় আৰু এই খোৰোংটোত কিমান সোমায় থাকিম, এটা ভাল ঘৰ পালে

নাচীম নিজৰ পচুলিযেদি সোমাই গ'ল। ইমান মৰম লাগে এই অকণমানি ছোৱালীজনীলৈ। হাকিমৰ ছোৱালী হ'ল কি হল— তাই ফিৰিস্তা, দেৱদূত। ইমান ধুনীয়া, ইমান মৰমলগা। এদিন নাচীমকো ফুৰাবলৈ নিব লাগিব।

ঘৰ পাই মইনে দেখিলে তগৰে জয়নাথৰ লগত কথা পাতিছে।

—জয়নাথ—

—এৰা, তোৰ ভনীযেৰৰ লগত কথা পাতিছো। তোৰ তেও ভাল হ'ল দে, ভাত কেইটা ভালকৈ খাব পাৰিবি। ভনীযেৰজনীৰ কেও কিছু নাই। আগতেই দেখোন লৈ আহিব পাৰিলিহেঁতেন।

চুটিকৈ মইনে ক'লে—এৰা—

তাৰ পিছত টোপোলাকেইটা তগৰলৈ আগ বঢ়ালে। ইতিমধ্যে তগৰ গা-পা ধুই নতুন শাৰী চোলা পিন্ধি, তিতা চুলিখিনি পিঠিত পেলাই নতুনজনী হৈ পৰিছে।

—তই ভাত খালিনেকি জয়নাথ ?

—নাই খোৱা, খাওঁগৈ, আজি আৰু তই মোৰ ভাত নেখাৱ নহয় ?

মইনে ক'লে, দোকান বন্ধ কৰিথৈ আহিছো। ভাত হ'ল জানো ?

তগৰে ক'লে—হৈ আছে। মই উলিয়াওঁ, তুমি গাটো বেগতে ধুই আহা। নোধোবা জানো?

জয়নাথ ঘৰলৈ গ'ল। মইন গা ধুবৰ কাৰণে পিছফালে গ'ল, তগৰে পানী এবাল্টি তুলি থৈছে। গামোচাখনো দি থৈছে, গা ধোৱা চাবোন ডোখৰ আগবঢ়াই দিলে।

মইনৰ আজি ভাত খাই ভাল লাগিল, তগৰৰ ৰন্ধা-বঢ়া ভাল।

ভাত বাঢ়ি দি, ওচৰতে বৈ, তগৰে চুক ভগা বিচনীখনেৰে তাক লাহে লাহে বিচি দিলে।

—জয়নাথ কিজানি বেয়া পাব পায—মইনে ক'লে।

—নেপায, মই কৈছো। আমাৰ ইয়াতে খাবলৈ কৈছিলো, পিছে আজি ৰান্ধিলেহে, অন্য এদিন খাম বুলিলে। ভাল মানুহ বেচেৰা।

মইনে একো নকৈ খাই যাব ধৰিলে।

কামিজটোৰ জেপত দুখন পাণ কাগজেৰে বান্ধি আনিছিল, এখন ভাত খাই উঠি সি মুখত ভৰালে, ইখন তগৰলৈ আগ বঢ়ালে।

—কি?

—পাণ।

তগৰে মুচুককৈ হাঁহিলে।

—কি হ'ল? মইনে সুধিলে।

—দোকানৰ বস্তু মোলৈ নানিবা। তাৰ পিছত অলপ বৈ ক'লে—দোকানৰ তামোল-চুপাৰি কোনে কাটে?

—মই, আৰু কোনে কাটিব।

মইনে তগৰৰ মুখলৈ চালে।

এটা কাম কৰিবা, তামোল আৰু চুপাৰি ঘৰলৈকে লৈ আহিবা, মই এনেয়েহে বহি থাকো। দেখুৱাই মেলি দিবা, ময়ে কাটি দিম, এনেয়েহে বহি থাকিব লাগিব।

কথাটো মইনে ভাল শুনিলে। তগৰে যদি ঘৰতে তামোল-চুপাৰিখিনি কাটি থয় তাৰ বহুত কামৰ সস্তা হ'ব।

সি তগৰৰ মুখলৈ চাই হাঁহি দিলে।

তগৰক লগ পোৱাৰ পৰা এয়ে সি প্ৰথম হাঁহিলে। তগৰে সাহস পালে।

অলপ হাঁহি তায়ো ক'লে—আজি জানো দোকানপৰা অলপ সোনকালে আহিব পাৰিবা ?

—সোনাকালে, কেলেই ?

—সদায় আৰু মূঢ়াতে বহি কোনোবা টোপনি যাব পাৰেনেকি ? এখন খাট আৰু বিছনা নহ'লে—ইযাত বিছনা এখনহে মুঠে—নহ'লে কঠ পাটিকে কিবা এটা আনিবা, মই মাটিতে শুম। কথাটো মইনৰ মনতে পৰা নাছিল।

এৰা, অকণমান ঘৰ, এখন বিছনা—তাতে দুটা মানুহ—এজনী আকৌ ছোৱালী—কেনেকৈ দিনে ৰাতিয়ে থাকিব ? ছোৱালীজনীয়ে খৰচ বঢ়ালেহে—

কিন্তু মইনে ক'লে—বাৰু, গধূলিলৈ কিবা এটা কৰিব লাগিব।

—তোমাৰ কি কাপোৰ ধুবলৈ আছে দিয়া, এতিয়াই ধুই দিলেহে শুকাব।

কথাষাৰ মইনৰ ভাল লাগিল।

তগৰে তাৰ ভাত-চাহ বনাই দিব, তামোল, চুপাৰি কাটি দিব, কাপোৰ কানি ধুই দিব—বেয়া নহয়। ঘৰখনত এজনী ছোৱালী লাগে।

মইনে দুই তিনিটামান কাপোৰ বিচাৰি দিলে ধুবৰ কাৰণে। তাৰ কাপোৰ বেছি নায়েই।

পিন্ধি থকা চোলাটোৰ ফালে দেখুৱাই তগৰে ক'লে—এই কামিজটোও দেখোন লেতেৰা হৈছে—

—এইটো এতিয়া থাওক। মোৰ চোলা-কাপোৰ বৰ বেছি নায়ো নহয়।

—ল'ব লাগে মাজে মাজে। তগৰৰ গম্ভীৰ মন্তব্য।

অন্যদিনা তভাতৈয়াকৈ ভাত খাই মইন দোকানলৈ দৌৰে, আজি যেন ভাত খাই তাৰ গাটো বৰ গধুৰ লাগিল, তাৰ এনেযে অলপ বহি থাকিবৰ মন গ'ল।

ভগাৰে ক'লে—দুপৰীয়া দোকানত গ্ৰাহক কম হয়নেকি?

—এই সময়ত মানুহ বেছি নাহে।

কিন্তু একেবাৰে নাহে জানো?

মইন উঠিল, আৰু একো নোকোৱাকৈ ঘৰৰ পৰা ওলাই গ'ল।

সি পোনে পোনে দোকানলৈ নগ'ল, সিটো আলিৰ কাষত কাঠ মিস্ত্রিৰ ফাৰ্ণিচাৰ হাউচ—তাত সি এখন খাটৰ অৰ্ডাৰ দিলে—গধূলিকৈ লাগিবই।

—লৈ যাবা—সজোৱাই আছে।

পোন্ধৰ টকাত দাম ছিগিল।

তাৰ পিছত ৰেজাইৱালা কৰিম মিঞাৰ তাত এখন সৰু তোচক চাই গ'ল—সস্তাতে দিব—সাত টকা বাৰ অনা, দুটা গাৰুও—দুটকা আঠ অনা।

খাট, তোচক, গাৰু, বাকী থাকিল এখন আঁঠুৱা আৰু এখন বিছনা চাদৰ।

জীৱনতে কোনোদিন সি ইমান টকা একেলগে খৰচ কৰা নাই। প্ৰায় ত্ৰিশ টকা পৰিব সকলো মিলাই।

যাওক, টকানো কেলেই? এপদ-দুপদকৈ বস্তু লৈ থাকিব লাগে।

আবেলি তাৰ দোকানৰ আগত আন দিনাৰ দৰেই ডেকাহঁতৰ জুম বহিল।

উমা চৌধুৰীয়ে কাছাৰীৰ পৰা উভতি আহোতে চিগাৰেট কিনিলে, যাদৱ চাৰ আবেলি ফুৰিবলৈ আহি একো নোকোৱাকৈ পোন্ধৰ মিনিট বহি ৰ'ল, জীয়াওৰ আৰু মহেন্দ্ৰ দুয়োটাই দুমুঠি বিড়ি কিনিলে আৰু আগৰ বাকী দিব লগা থকা পইছাখিনি নোখোজাকৈয়ে দি গ'ল।

বাছৰ কণ্ডাক্টৰৰ লগত মহেন্দ্ৰৰ অলপ ভিতৰুৱা বুজাপৰা আছে। ওপৰঞ্চি যাত্ৰীৰ ভাৰা দুয়োৰে মাজত ভাগ হয়। বাকী নিবলৈ আৰু বাকীৰ পইছা আদায় কৰি দিবলৈ মহেন্দ্ৰই বৰ কেযাৰ নকৰে।

যাদৱ চাৰ গ'ল। চন্দ্ৰ আৰু গোলজাৰ আহি ৰহিলহি।

মইনলৈ চাই চন্দ্ৰই নাটকীয় ভঙ্গীত ক'লে—মইন—

—হেঁা— ?

—দিনৰ শেষত এই ৰাতিৰ আন্ধাৰ—

ক'তো তাৰ নাই পাৰাপাৰ—

আন্ধাৰে আৱৰি ধৰে চকুৰ চাৱনি।

সেই আন্ধাৰত মোৰ চকুত জিলিকি থাকে

মোহনীয়া তোমাৰ মুখনি—

আন্ধাৰ ৰাতিৰ চাকি,

তুমি মোৰ পুৱতিৰ জোন।

মৰমৰ পোহৰ মাজত—

নোৱাৰো চিনিব তুমি কোন—

গোলজাৰে ক'লে—ইযাত বহি এইবোৰ স্পীচ মাতি থাকিলে কোনে শুনিব ?

চন্দ্ৰ কিন্তু নিজৰ ভাবত মগ্ন—সি আবৃত্তি কৰি গ'ল—

—নেলাগে শুনিব কেৱে

মোৰ এই ভাষাহীন বেদনাৰ কথা।

গোপনে সাৰ্থক হ'ব

চকুলোৰে মোৰ মালা গঁথা।

কত চগা পুৰি গ'ল

কোনে তাৰ কৰিলে গণনা।

ময়ো পুৰি শেষ হৈ যাম,

হৈ যাম সবাৰে অজানা।...

গাড়ী ৰথাই চিত্ৰ ৰকৱা সোমাই আহিল।

গাড়ীখন অৱশ্যে বৰুৱাৰ নিজৰ নহয়। মোমায়েকৰ, চিত্ৰ মোমায়েকৰ ঘৰতে থাকে। মোমায়েক ৰিটায়াৰ্ড জজ্।

চিত্ৰই বহুত কিবা কৰি ফুৰে। চেৰিটি শ্ব' পাতে, ভেৰাইটি শ্ব' পাতে, মহিলা সমিতিৰ কৃষ্টি সম্মিলনত গ্ৰীণৰুমৰ চাৰ্জত থাকে, টুৰ্ণামেণ্টত মাইক্ৰফোনেৰে স্ক'ৰ বৰ্ডৰ পইণ্ট এনাউঞ্চ কৰে, বিছু সম্মিলনত মিৰি আৰু বড়ো নাচনীহঁতৰ ফটো লয়। পিক্নিকৰ দিহা কৰে, কেতিয়াবা ভাল ফুটবল মেচৰ গ'লজ্জাজ থাকে। চিত্ৰই নগৰলৈ অহা সকলো কথাছবিৰ প্ৰথম দিনাৰ প্ৰথম শ্ব' চায়।

এটা চাৰ্কোলত বৰুৱা বিখ্যাত মানুহ।

দেখাই-মেলাই, চেহেৰাই-পানীয়েও বৰুৱা দেখনিয়াৰ, কথাই বতৰাই, চলনে ফুৰণে—এটা বৰ বিজি ভাব। বহুত কাম আছে—ইমানযে কাম পৰি আছে—নক'ব আৰু বৰ খাটনি পৰিছে—যেই কোনো সময়ত বৰুৱাৰ মুখত শুনা যায়।

মইনৰ লগত বৰুৱাৰ কেৱল চিনাকিয়েই নহয়, বে'চ দোস্তীও আছে। কেতিয়াবা মইনক অৰ্ডাৰ দি দিয়ে এহেজাৰখন তামোল, আঠৈশখন পাণ, নাইবা—দচ্ টিন গ'ল্ড ফ্লেক।

এনেয়ে বৰুৱাই মইনৰ তাৰ পৰা চিগাৰেটো কিনে। দিনে এক দুই পেকেট।

বৰুৱা অহাৰ লগে লগে চন্দ্ৰৰ নাটকৰ স্পীচ বন্ধ হৈ গ'ল।

—অ' চন্দ্ৰ।

—হয়।

—চাওঁ মইন, মিক্সাৰ একটিং—

—আৰু পেপাৰ ?

—ওঁ, পেপাৰ দুটা।

মইনে উলিয়াই দিলে।

—বহুত কাম লাগিছে। একদম সময় নাই। চেণ্ট্ৰেল মিনিষ্টাৰ আহিব, একজিবিচন্, কাল্চাৰেল শ্ব'—

—হয়—মইন আৰু চন্দ্ৰই একেলগে ক'লে।

—ডেইলি হাণ্ড্ৰেদ্ মাইলচ্ ঘূৰিবলগীয়া হৈছে। তোমালোকো যাবা আকৌ। বাৰু, আহিছো দেই। বকৰা ওলাই গ'ল।

তেওঁৰ পইছা নেহেৰায়, নিজেই দি থৈ যাব। এতিয়া সময় নাই।

বকৰাৰ গাড়ীখন যোৱাৰ পিছত গোলজাৰে ক'লে—পৃথিবীখনৰ এওঁ জেনেৰেল মেনেজাৰ।

চন্দ্ৰই ক'লে—জজৰ ভাগিনীযেক হোৱা হ'লে আমিও সেইদৰে ঘূৰিলোহেঁতেন।

কলেজৰ ল'ৰাবোৰে এওঁৰ কি নাম দিছে জান? মইনেও কাণ দিলে।

কলেজৰ ল'ৰাইনো নাম নিদিযে কাৰ? প্ৰফেচাৰৰ নাম দিযে, ছোৱালীৰ নাম দিয়ে, নগৰৰ ল'ৰাবোৰৰ নাম দিযে, নগৰৰ ভদ্ৰলোক ভদ্ৰমহিলাৰ নাম দিয়ে।

—এওঁৰ নাম 'টেক্সী'।

—কি?

—টেক্সী—

—কেলেই, কোনোবা এজন মিনিষ্টাৰৰ নামহে দিছিল টেক্সী?

—ওঁ, মিনিষ্টাৰ গোটেই দেশখনৰ 'টেক্সী, যেযে ভাড়া দিয়ে তাকে গাড়ীত তুলি নি দেষ্টিনেচনত থৈ আহেগৈ—ভাড়া দিলেই হ'ল।

—পিছে এওঁ?

—এওঁনো ট্ৰেক্সী নহয় কি? খালি দৌৰে, দৌৰে, এতিযাইতো হাণ্ড্ৰেদ মাইলচ্ ঘূৰি আহিল।

—যেই হওক, মানুহজন নহ'লে কিন্তু কোনো ৰাজহুৱা কামেই নহয়—মইনে সৰু কৈ ক'লে।

মাইকী মানুহ দেখিলে এওঁৰ একটিভিটি বেছি হয়—চন্দ্ৰই মন্তব্য দিলে।

সাঁজ লাগি ভাগিল।

এদল গ্ৰাহক আহিব এতিয়া, মইনে অইনৰ কথালৈ কাণ দিয়ে, মাজে মাজে বাহিৰলৈ চকুও দিয়ে, কিন্তু হাত দুখনে কাম কৰি থাকে। পাণ বনাই ৰাখে, চুপাৰি কাটি থাকে। শেষ হৈ অহা পাণ মছলা ঠাকো সজাই ৰাখে।

আজি তামোল আৰু চুপাৰি এখিনি ঘৰলৈ লৈ যাব লাগিব। কালিলৈ আৰু মই নিজে নেকাটিলেও চলিব। ভগাৰে কাটিব, শিকাই দিব লাগিব পিছে। গাঁৱৰ ছোৱালী, চৰতাৰে চুপাৰিনো কাহানি কাটি পাইছে?

গোলজাৰক মইনে অলপ একাষৰীয়াকৈ মাতি নিলে আৰু ক'লে ঘৰটো যেনেতেনে মোক লাগিবই। যিমান সোনকালে হয় আমি ইয়াৰ পৰা যাব পাৰিলে ভাল হয়।

বাৰু বাৰু, মই বন্দৱস্ত কৰি দিম, ইমান চিন্তা কৰিব নেলাগে।

মইনৰ আনন্দ লাগিল, এৰা, গোলজাৰে কোৱা নতুন ঘৰটোলৈ ন'গলে আৰু নহয়।

সি চন্দ্ৰ আৰু গোলজাৰক এনেযে দুখন পাণ দিলে।

চন্দ্ৰই ক'লে—মইন, জীৱনটো একো নহয় বুইছ, আচল বস্তু হৈছে থিয়েটাৰ। এনেই আলিবাটে আলিবাটে কিমান ঘূৰি ফুৰো কোনোৱে ঘূৰিয়ে নেচায়, কিন্তু থিয়েটাৰত অকণমান ওলালেই সকলোৱে হা কৰি চায়, কেনেকৈ কথা ক'লো, কেনেকৈ খোজ কাটিলো সকলো মনত ৰাখি লয়।

মইনে মূৰ দুপিয়ালে।

হঠাৎ তাৰ মনত পৰিল যে আজি সি দোকান সোনকালে বন্ধ কৰি ঘৰলৈ যাব লাগিব নহ'লে মিস্ত্ৰিৰ দোকান, বেজাইৱালাৰ দোকান সকলো বন্ধ হৈ যাব। আজি যে তাৰ ঘৰত এখন নতুন বিছনা হ'ব। নতুন বিছনাখনত কিন্তু ভগৱহে শুব। মোৰ বিছনা মোৰ, কালি যি হল হ'ল।

বতাহজ্জাক বৰ ভাল গোন্ধাইছে। বহাগ মাহনেকি? এৰা, হ'ব পায়। দোকানখনৰ খোৰোংটোত সোমাই থাকি থাকি তুনিয়াখনতনো কি হৈছে ক'বই নোৱৰা হ'লো. আকাশত জোন এটাও আছে হ'বলা। সেইজনী কুলি চৰায়ে চিঞৰিছে হ'বলা বেযা—নহয় মাতটো. ৰেবাব টেঙাৰ ফুলাবাৰ ভাল গোন্ধাইছে। গোন্ধটো লুণীযা. চৌধুৰীৰ বাৰীৰ পদূলিমূৰৰ নাহৰ তুজোপাৰ ফুলবোৰহে গোন্ধাইছে হ'ব পায়।

হাতত অনা চুপাৰিৰ টোপোলাটো তাৰ কাগজ এখিলা যেন পাতল লাগিল।

• গোলজাৰৰ ঘৰটো সোনকালে বন্দৱস্ত কৰি দিলেই হয়। লওক তুটকা বেছি ভাৰা. তুনিযাত সুখ লাগে, আৰাম লাগে।

ঠেলা গাড়ীখনত খাটখন আৰু গাৰু-তোচক বোজাই দি সি আগবাঢ়িল।

হঠাৎ তাৰ মনত পৰিল যে আজি গধূলিৰ কাৰণে যদি জযনাথে বজাৰ কৰা নাই—আজি কিজানি সি নাই কৰা—তেন্তে ভাত খাবলৈতো শুদা আলুগুটি তুটামানৰ বাহিৰে তাৰ ঘৰত একো নাই।

আজি তগৰক অলপ আচৰিত কৰি দিব লাগিব। সি আলিৰ কাষৰ দোকানখনত সোমাল. আৰু সদায কিনাৰ দৰে গহীনভাৱে হেৰিং মাছৰ টিন এটা একটা তুই অনা দি কিনি পেলালে। বিলাতী মাছ তগৰে নিশ্চয খোৱা নাই. বিলাহী বেঙনাৰ ৰস দিয়া আছে—এনেযো খাব পাৰি, ভাজিও খাব পৰা যাব।

খাটখন সৰু যদিও কোঠালিটো ভৰি গ'ল। ঠেক কোঠালি। হওক. কাষেদি এহাতমান ঠাই আছে—সেই পিনেদিয়ে অহা যোৱা কৰিব। তাৰ ঘৰলৈ কিবা ক'ৰবাৰ হাকিম হুকাম আহি বহিবহিনে? সৰহ ঠাইনো কেলেই?

ইয়াতো ক'ৰবাত কিবা ফুল ফুলিছে হ'বলা. আজি বতাহবোৰ ভাল গোন্ধাইছে।

তগৰ বান্ধনীশালৰ পৰা ওলাই আহিল, আগ ফালে ঘটং মটং চলিছে তেতিয়া।

হাতৰ টোপোলাটো মইনে তগৰলৈ আগ বঢ়াই দিলে, টোপোলাটো ভিতৰ ফালে লৈ আহি তগৰে তাক অলপ সহায় কৰাত লাগিল। মজিয়াখন সমান নহয়, খুটাৰ তলত কিবাকিবি দি খাটখন ঠিক কৰা হ'ল।

তগৰে নতুনকৈ অনা তোচকখন পাৰিব খুজিলে, মইনে ক'লে—পুৰণিখন ইয়াত পাৰিম, নতুনখন তোমাৰ তাত পাৰাগৈ।

মইনো ক'ত শুম ?

—ভিতৰৰ খনত !

—বাৰু বিছনা হ'ব। এতিয়া হাত মুখ ধুই আহা, ভাত অথনিয়ে হ'ল, তগৰে ক লে।

—ওঁ গৈছো, উসিওৱা গৈ যোৱা—

তগৰ সোমাই গ'ল।

সি তাৰ বিছনাৰ তুলি কাপোৰ আনি নতুন খাটখনত পাৰিলে আৰু নতুনকৈ অনাখন ভিতৰৰ তগৰৰ বিছনাত পাৰি দিলে।

—অ' গাৰুৰ গিলিপ নাই, পাহৰিযে গ'লো, কাইলৈ আনিব লাগিব। মোলৈও আনিব লাগিব, গাৰুও এটা আনিব লাগিব—এইটো বহুত পুৰণি হ'ল।

সি গাৰুটো নাকৰ ওচৰলৈ আনি শুঙি চালে, তুলাবোৰ পুৰণি, পিছে ভাল গোন্ধাইছে। কালি ৰাতি ইয়াত তগৰে মূৰদি শুইছিল। ছোৱালীবোৰৰ মূৰবোৰ ভাল গোন্ধায়।

লেমটোৰ পোহৰ বৰ কম, যাওক যেনেতেনে সিটো ঘৰত ভাল লেমৰ যোগাৰ কৰিব লাগিব, পাৰিলে ইলেকট্ৰিকহে লব লাগে, অলপ বেছি খৰছ হ'ব—হওক।

সঁচাকৈয়ে তগৰে ডাইল আৰু আলু শাকভজা কৰিছে। এৰা, ঘৰৰ ভিতৰতে তাই ক'ৰনো কিটো পাৰ ? ভাল হৈছে।

সি খাবলৈ বহিল।

—মাছ নিদিয়া কেলেই ?

তগৰে তাৰ মুখলৈ চালে।

—মাছ আনা, শাক ভজাৰে কেনেকৈ ভাত খাবা ! মইন গহীন।

—আজি বজাৰ কৰাই নাই নহয়, আৰু মোৰ হাততো পইছা এটাও নাই।

মইনে পাতলকৈ হাঁহিলে।

—চাওঁ, মই অনা টোপোলাটো আনাচোন বাৰু।

—তগৰে টোপোলাটো আনি মেলিলে, এগাল চুপাৰি আৰু এটা টিং।

—ইয়াতনো ক'ত মাছ আছে ?

খাবৰ সময়ত কি ধেমালিখন কৰিছে—তগৰে ভাবিলে।

মইন বহাৰ পৰা উঠি গ'ল, কটাৰীখনেৰে কোনোমতে ম'ছৰ টিংটো কাটিলে, ক'লে—বাচন আনা।

তগৰে ক'লে—মই কৰই নোৱাৰো।

—ওঁ—মইনে গহীন হৈ ক'লে।

দুয়ো তৃপ্তিৰে ভাত-পানী খালে।

মাজে মাজে তগৰে মইনৰ মুখলৈ, আৰু মাজে মাজে মইনে তগৰৰ মুখলৈ চালে, দুয়োটাৰে মুখত সহজ তৃপ্তিৰ উজ্জ্বলতা।

ভাত খাই উঠি দুয়ো আগফাললৈ ওলাই আহিল। জয়নাথ নাই, ঘৰটোৰ ভিতৰত মইন আৰু তগৰ। দুৱাৰ দুয়োখন বন্ধ। চাকিটোৰ অনুজ্জ্বল পোহৰত ৰাতিৰ নীৰৱতাৰ শান্ত নিশ্বাস।

তামোলখন খাই খাই মইনে অনুভৱ কৰিলে তগৰ নামৰ এই ছোৱালীজনী তাৰ ঘৰতে বহুত দিনৰ পৰা আছে। সিহঁতৰ পাতিবলগীয়া কোনো নতুন কথা নাই। তগৰৰ লগত তাৰ কিবা সম্পৰ্ক আছেনে নাই সেই প্ৰশ্ন সোধাবো কোনো প্ৰয়োজন আজি নাই।

কিছুপৰৰ নীৰৱতাৰ পিছত তগৰে ক'লে সিহঁতে যদি মোক বিচাৰি আহে কি কৰিবা? মইনে তগৰৰ মুখলৈ চালে।

—সিহঁতে? কোনে?

—বাবাহঁতে, মোক সিহঁতে জৰুৰ বিচাৰিব।

—আমি ইয়াৰ পৰা অন্য ঘৰলৈ যাম—নিশ্চিতভাৱে মইনে ক'লে।

—ক'ৰ অন্য ঘৰলৈ?

—সউফালে—দূৰত।

—তাত হ'বলা বিচাৰি নেপাব?

মইনে অলপ পৰ কিবা ভাবিলে তাৰ পিছত ক'লে—

—বাৰু কোনে বিচাৰি আহে চোৱা যাওকচোন।

ভিতৰৰ বিছনাখনত তগৰ, ইটো কোঠাত মইন, মাজতে বেৰখন

—টোপনি গ'লানেকি?—তগৰৰ প্ৰশ্ন।

—নাই যোৱা।

—কিছুপৰৰ নিস্তব্ধতা।

—সিটো ঘৰলৈ কেতিয়া যাবা?

—কেইদিন মানতে যাব লাগিব।

—মানুহক কি বুলি কবা?

মইন আকৌ মনে মনে থাকিল।

মানুহক কোৱাৰ কি দৰকাৰ? মানুহে একো নোসোধে. কিন্তু যদি সোধে?

—বহুত ৰাতি হ'ল শুই থাকা।

—ওঁ

অশান্ত ৰাতি, উঁইচিৰিঙাটো সাৰ পাই আছে। ঘৰৰ বাহিৰত এজাক অচিনাকি বতাহ।

—তগৰ?

—কি?

—একো নহয়।

মইনে শুবৰ চেষ্টা কৰিলে।

আজি তাৰ ভাতখিনি খাই ভাল লাগিল। জয়নাথেনো কি বান্ধিব জানে? চাউলকেটা সিজিলেই হ'ল। কিন্তু ছোৱালীবোৰে বান্ধে ভাল, বৌটিয়ে, ভনীটিয়ে, তগৰে। কিন্তু বৌটিয়ে যদি মোৰ ঘৰত তগৰ থকাৰ কথা জানে? বুজাই কব লাগিব। তগৰজনী ভাল ছোৱালী তাইক বাপেকে বেচিব খুজিলে বুলিয়ে বেচা যাবলৈ দিব লাগেনেকি? তাতে তাই মোৰ ভাত চাহ কৰি দিছে।

তগৰক আৰু এসাজ কাপোৰ আনি দিব লাগিব। ডিঙিও সুদা॥ এৰা, দুখীয়া মানুহৰ ছোৱালী ক'ৰনো কিটো পাব?

—টোপনি গ'লানেকি? সকৈকে তগৰে সুধিলে।

—নাই যোৱা।

—এৰা, তোমাক আৰু এসাজ কাপোৰ লাগিব নহয়?

—নেলাগে। সেইবোৰ কেলেই ভাবিছা? অলপ মনে মনে থাকি তগৰে ক'লে—ইযাৰ বহুত মানুহে তোমাক চিনি পায়নেকি?

—ভালেমানে চিনি পায়।

—মই থকাৰ কথা নকবা।

—ওঁ—

ক'বৰ জানো দৰকাৰ হ'ব? সকলোৱে জানিবই। কিবা এটা ক'ব লাগিব আৰু। মোক সকলোৱে জানে, মই বেয়া মানুহ নহয়।

একো ভয় নাই। উকীল হাকিম সকলোৱে মোক চিনি পায়। নাচীম জনীলৈ মোৰ ইমান মৰম লাগে। নাচীমক কিন্তু কৈ দিব লাগিব।

লাহে লাহে দুয়ো টোপনি গ'ল।

॥ ৪ ॥

মইন আৰু তগৰ নতুন ঘৰলৈ আহিল। গোলজাৰে, চন্দ্ৰই সহায় কৰি দিলে। বস্তু-বাহানি বিশেষ একো নাই। ঘৰ সলনি কৰাৰ আগে আগে, বস্তু-বাহানি ভৰাবৰ কাৰণে মইনে তগৰলৈ

বুলি এটা টিনৰ চুটকেচ কিনিলে। ঠেলা গাড়ী এখনত বোজাই কৰি এদিন ৰাতিপুৱাতে মইনহঁত নতুন ঘৰলৈ গ'ল।

ঠাইডোখৰ মুকলি। বাৰীখন বৰ ডাঙৰ। ওচৰত মানুহ বৰ কম। ন-ভঙনীয়া ঠাই। বুধিয়ক মানুহে সস্তাত কিনি থোৱা মাটি, এতিয়া সোণ যেন হৈছে। বাৰীখনৰ চাৰিওফালে বাৰ্বদ ৱায়াৰৰ জেওৰা। চোৰ-চাৰি লৈ বৰ ভয় নাই।

অলপ আঁতৰত কেইঘৰমান মানুহ আছে। বিহাৰৰ ফালৰ মানুহ। ঘৰত মাইকী মানুহ কেজনীহে থাকে। ঘৰবোৰ জুপুৰি। মতা মানুহবোৰ গধূলি আহি ওলায়হি। দিনত বজাৰত কিবা কাম কৰে,—মুচি, নাপিত এনেকুৱা।

এদিন থাকিয়ে, পিছ দিনাই মইনহঁতৰ বহুত দিনৰ পৰা থকা যেন লাগিল।

পুৱাতে আগৰ দৰেই মইন দোকানলৈ যায়। কিন্তু আজি কালি সি শুই উঠি মুখ হাত ধোৱে, গৰম চাহটোপা পায়, ডাটি খুৰাবলৈ গৰম পানী পায়, আৰু চাফা চোলা কাপোৰ পায।

মইন আগতকৈ পৰিপাটি হৈ পৰিছে। নগৰৰ মাজ মজিয়াৰ ঠেক ঘৰটোৰপৰা মুকলিলৈ ওলাই আহি ইযাত সিহঁতৰ ভাল লাগিল। মুকলি ঠাইত মনটোও মুকলি লাগে।

তাতে তগৰজনী বৰ ভাল ছোৱালী। গাঁৱৰ ছোৱালী হ'ল কি হ'ল—চলন-ফুৰণবোৰ নগৰীয়া ছোৱালীৰ নিচিনা। এই কেইদিনৰ ভিতৰতে তগৰৰ চেহেৰাটোও ওলাই পৰিছে। এৰা, মন মুকলি হৈ থাকিব পাৰিলে, সকলোৰে আঁহ-পাহ মুকলি হয়।

সি দোকানলৈ ওলাই যোৱাৰ পিছত তগৰে ঘৰ-চোতাল সাৰি পৰিষ্কাৰ কৰে। অলপ তামোল আৰু চুপাৰি কাটি থয়। নিজৰ আৰু মইনৰ ফটা কাপোৰ সীয়ে, আৰু এনেয়ে অকলে বহি বাহিৰৰ ফালে চাই থাকে। তগৰৰ মনৰ ভাববোৰ তাই নিজেই বুজিব নোৱাৰে।

দোকান পালে কিন্তু তগৰৰ কথা মইনে প্ৰায় পাহৰিয়ে যায়। তাৰ চিনাকি-অচিনাকি গ্ৰাহক বন্ধুবিলাকৰ কথা বতৰাৰ সি নীৰৱে ভাগ লয়, আৰু দোকানখনৰ যোগেদিয়ে সি তাৰ এটা বৰ ধুনীয়া ভৱিষ্যত গঢ়ি তোলাৰ স্বপ্ন দেখে।

সিহঁত এতিয়া থাকিবলৈ লোৱা ঘৰটোৰ পৰা অলপ নিলগতে ৰবী বাবুৰ মাটি। কোনোমতে দুকঠামান কিনি লব পাৰিলেই হয়। নিদিবনে বাৰু?

দুকঠা মাটি, এটা ঘৰ, এজনী ছোৱালী—এখন সৰু সংসাৰ।

তগৰক কোনোবাই বিচাৰি আহিব পাৰে। লৈ যাওঁ বুলিলে বাধা দিবৰ কোনো উপায় নাই। নিলেও নিব, যি কেইদিন আছে থাওক।

দুটা দেওবাৰে মইন গাঁৱৰ ঘৰলৈ যাব পৰা নাছিল। আজি কালি দেওবাৰেও দেখোন বহুত কাম ওলায়। দেওবাৰে অৱশ্যে দোকান মুখুলিও পাৰে, দোকানো বন্ধ থাকে। কিন্তু তথাপি তাৰ দিনৌ দোকান খোলা এটা অভ্যাস হৈ গৈছে। এবাৰ নগ'লে তাৰ মনটোৱে শান্তি নেপায়। তদুপৰি দেওবাৰে দুপৰীয়াও নাচীম তাৰ ওচৰলৈ এবাৰ আহে—লজেঞ্চ নিবৰ কাৰণে আৰু হাফিজৰ গজল শুনিবৰ কাৰণে।

নাচীমৰ কাৰণে মইনৰ এটা গভীৰ মৰম আছে। ইমান মৰমসনা অকণমান ছোৱালীজনী, লোদোৰ-পোদোৰ হাত ভৰিবোৰ, মাখন যেন কোমল মুখখন, ধুনীয়া চকু দুটা, আৰু মৰমলগা কথাবোৰ। তাৰ নাচীমলৈ বৰ মৰম লাগে। নাচীমে এতিয়াও মানুহৰ বিভিন্ন বিভাগ আৰু স্তৰবোৰ বুজি উঠা নাই। পাণৱালা বুলিও নাচীমে তালৈ বৰ হেঁপাহ কৰি আছে।

নাচীমৰ লগত মইনৰ বহুত কথা পাতিবৰ মন যায়। নিৰ্জন দুপৰীয়া। তাৰ দোকানৰ আগৰ বেঞ্চখনত বহি আশ্চৰ্য ধুনীয়া চকু দুটিৰে তাৰ ফালে, তাৰ দোকানৰ ফালে চাই থাকে নাচীমে।

—নাচীম—

—কি মইন কাকা ?

—তোমাৰ চুবাইয়া পেহীৰ বিয়া কেতিয়া হ'ব ?

—জানো মই ক'ব নোৱাৰো।—মইন কাকা ?

—কি ?—

—তোমাৰ বিয়া কেতিয়া হ'ব ?

মোৰ বিয়া ? মোৰ বিয়াত পিছে তুমি যাবানে নাই ?

—ওঁ যাম। মা'ও যাব নহয়। মইন কাকা—

—কি ?

—তোমাৰ বিয়া হ'লে দোকান কোনে দিব পিছে ?

হাঁহি মইনে কয—তুমিযে দিবা, নোৱাৰিবা জানো ?

—ওঁহো, মোক মা'ই দোকান দিবলৈ নিদিয়ে নহয—

—তেনেহ'লে বন্ধ কৰি থম।

মইন আৰু নাচীম দুয়োটাই হাঁহে—দুয়োটা শিশু।

—নাচীম—

—কি মইন কাকা ?

—মোৰ ঘৰলৈ এদিন যাবা ?

—ওঁ তুমি লৈ যাবা জানো ? মই চিনি নেপাওঁ নহয়।

—বাৰু মই লৈ যাম। তোমাৰ মা'ক কবা দেই।

—মা'ক ক'লে যাবলৈ নিদিয়ে। মই তোমাৰ লগত যাম।

মইনে বুজে। নাচীম, পাণৱালা মইনৰ ঘৰলৈ যোৱাটো নিশ্চয় হাকিমনীয়ে পছন্দ নকৰিব। মইনৰ হিয়াখন যিমানেই মুকলি নহওক, বহল নহওক, তাৰ ঘৰটো হাকিমৰ ঘৰ নহয। সি সৰু মানুহ!

ভবেশক সেই কাৰণেই মইনৰ ভাল লাগে। ভবেশে অৱশ্যে তাৰ লগত কোনো দিন কথা পতা নাই। কিন্তু সভাত ডাঙৰ মাতেৰে যেতিয়া ভবেশে বক্তৃতা দিয়ে, তেতিয়া মইনে কাণপাতি শুনে। ভবেশে সকলো মানুহ সমান হোৱাৰ কথা কয়। ভবেশ

নিজে ডাঙৰ মানুহৰ ল'ৰা, কিন্তু ক'ৰবাৰ কুলি মেটৰৰ মাজত ঘূৰি ফুৰে, বনুৱাৰ ডেলিগেচন লৈ যায়, বিক্সাৱালাৰ লগত শোভাযাত্ৰা কৰে। অন্তৰ লগত বননিত বহি কিবা কথা আলোচনা কৰে।

ভবেশে সকলো মানুহ আচলতে সমান বুলি কয়—সকলো মানুহ সমান হ'ব লাগে বুলি কয়। সেই কাৰণে ভবেশক মইনৰ ভাল লাগে। ভবেশৰ সভালৈ পইছা বিচাৰিলে মইনে আঠ অনা দিয়ে।

আৰু এজন মানুহক মইনৰ ভাল লাগে—ৰায় বাহাদুৰ ভোলা চক্ৰৱৰ্তীক।

বুঢ়া মানুহ। ৬৫ নে ৭০ বছৰ বয়স হৈছে। অলপ কুঁজাও হৈছে। তেওঁ তাৰ দোকানলৈ ৰাতি আহে। অন্য গ্ৰাহক যেতিয়া প্ৰায় শেষ হয়।

তেওঁৰ কাহ আছে—পাইপ খায। কাহ হ'বৰ আজি ভলেমান বছৰ হ'ল, মানুহজন বৰ পৰিপাটি, এই বুঢ়া বয়সতো বুঢ়া ধৰণৰ চুট পিন্ধে, টাই মাৰে, এডাল ধুনীয়া লাঠি লৈ ফুৰায।

তেওঁৰ দাঁত প্ৰায সকলো সৰিছে। গালবোৰ সোমাই গৈ মুখখন থোপোকা হৈ পৰিছে। বেছি পাৱাৰ থকা চছ্‌মা লয়। চকুও দুৰ্বল।

ঘৰৰ পৰা ৰায়বাহাদুৰ খোজ কাঢ়িযে আহে। কিন্তু মইনৰ দোকান পাওঁতে তেওঁ ভাগৰি পৰে, তেওঁ লাহে লাহে চকীখনতে বহি পৰে।

মইনে নমস্কাৰ জনায়। বুঢ়াই হাঁহে—সোলা মুখৰ সৰল সৰু হাঁহি।

মইনে শুনিছে এই ভোলা চক্ৰৱৰ্তী এসময়ত বৰ ভাল গায়ক আছিল, তেতিয়া আমাৰ মানুহে গানৰ চৰ্চা খুব কমেই কৰিছিল, কিন্তু তেওঁ হেনো তবলা হাৰমনিয়াম লৈ খুব ভাল গান গাইছিল, আজিকালি কৃষ্টি সভা, ভেৰাইটি শ্ব' হ'লে তেওঁ সদায় যায়। কিন্তু আজিকালি তেওঁ গান নেগায়, গাব নোৱাৰে। ফুটবল খেলিবলৈ যেনেকৈ দম লাগে, গান গাবলৈকো তেনেকৈ দম লাগে, আজিকালি তেওঁৰ 'দম' নাই।

কিন্তু মইনে ৰায়বাহাদুৰক অন্য এটা কাৰণতহে ভাল পায়।

ৰায়বাহাদুৰক চহৰখনৰ সকলোৱে চিনি পায়, সকলোৱে দেখিলেই প্ৰণাম, চালাম, গুদ্ মৰ্ণিং, গুদ্ ইভ্‌নিং দিয়ে। এইটো হেনো ৰায়বাহাদুৰৰ অসহ্য লাগে, তেওঁ চালাম লোৱাৰ ভয়তে হেনো বাটত মানুহ নোহোৱা হ'লে ঘৰৰ বাহিৰ ওলায়।

দ্বিতীয় কথা :—তেওঁ এতিয়াও গুণগুণাই তাহানি কালৰ নেপাহৰা গীত দুই এটা কেতিয়াবা গায়। কিন্তু ঘৰত তেওঁৰ জীয়েক বোৱাৰীয়েক নাতি ভতিজাহঁতে শুনিলে হেনো খুকুখুকাই হাঁহি দিয়ে। গতিকে ভয়তে তেওঁ ঘৰত গান নেগায়। ৰাতি ভাত খাই উঠি, আলিবাটলৈ ওলাই তেওঁ এখোজ দুখোজকৈ খোজ দিয়াৰ লগতে গুণগুণাই গানো গায। দাঁত নাই, সুৰ ঠিক নাই, কিন্তু গান গোৱাৰ পুৰণি অভ্যাসটো ৰৈ গৈছে। জীৱনত বহুতক লগ পালে—স্ত্ৰী, পুত্ৰ-কন্যা, বোৱাৰী, মিত্ৰ বন্ধু আৰু কত কি। কিন্তু এটি এটিকৈ সকলো নিজ নিজ বাটত গুচি গ'ল। আজি ৰাযবাহাদুৰ নিঃসঙ্গ। কিন্তু সকলোৱে এৰি যোৱাৰ পিছতো তেওঁক এটি লগৰীযে আজিও লগ নেৰিলে—তেওঁৰ গান। মুখত গানৰ সুৰ থাকিলে তেওঁ নিজকে অকণো অকলশৰীযা অনুভৱ নকৰে।

ৰাযবাহাদুৰে কেতিয়াবা মইনৰ দোকানৰ চকীখনত বহি পৰাৰ পিছতো গানৰ সুৰ গুণগুণাই থাকে। মইনৰ ভাল লাগে।

—চাৰ, আজি গাটো ভালে আছেনে ?

—ওঁ আছো ভালে। ঘৰলৈ গৈছিলানে ?

—কিছুদিন যাবই পৰা নাই চাৰ, দোকানখন এৰিবই নোৱাৰো।

—মাজে মাজে মা'ৰ ভনীয়েৰৰ খবৰ কৰি আহিবা।

—হয় চাৰ, এইয়া ধৰক মিক্‌চাৰ।

মইনে ৰায়বাহাদুৰলৈ কাগজেৰে বান্ধি ধপাতখিনি দিয়ে। ৰায়বাহাদুৰে কয়—আৰু জানিছা, বিয়াখনো পাতি পেলোৱা।

মইনৰ লাজ লাগে। ইমান ডাঙৰ মানুহজনেও তাক বিয়া পাতিবলৈ কয়। সি একো নেমাতে।

ৰায়বাহাদুৰ যোৱাৰ পিছত অকলশৰে দোকানখনত বহি দিনটোৰ বিক্ৰীৰ পইছা হিছাপ কৰিবৰ সময়ত মইনে ভাবে—আগে ৰবীবাবুৰ পৰা মাটি ডুকঠা লওঁ—এটা ঘৰ সজাওঁ, তাৰ পিছতহে বিয়া, হ'ব আৰু বিয়া, নহ'বনে ?

মোৰ বিয়ালৈ বাৰু ৰায়বাহাদুৰ যাবনে ? নাচীম যাবনে ? নাচীমৰ মাক হাকিমনী যাবনে ? ক'ত যাব! যিমান ডাঙৰ মানুহ। কিন্তু চিনাকি সকলোকে মাতিব লাগিব। চন্দ্ৰৰ হতুৱাই বিয়াৰ চিঠিখন লিখাব লাগিব—সি পঢ়া গোৱা মানুহ, ধুনীয়াকৈ লিখি দিব পাৰিব কিজানি। ধুনীয়াকৈ ছপা কৰাই নগৰৰ সকলো চিনাকি মানুহকে দিব লাগিব। কলেজৰ ছোৱালীবোৰ কিজানি ক'ত যাব ? পিছে চিনাকি কেইজনীক মাতিব লাগিব।

এখন ডাঙৰ ৰভা দিব লাগিব। নতুন ৰেকৰ্ড আৰু এটা ভাল গ্ৰামোফোন নিয়াব লাগিব—তিনিদিনৰ আগৰ পৰা মাইক বজাব লাগিব। এৰা, বিয়াখন বুলিলে বহুত কাম।

বিয়া কিন্তু ফাগুন মহীযাহে পাতিব লাগে, গা-মনবোৰ তেতিয়াহে ভাল লাগে।

—মইন, যোৱা নাই ? ৰাতি দেখোন ভালেমান হ'ল।

—জানৃটি।

—এ যাওঁ, কোনোবা ওলায়হি বুলিহে বহি আছো, ক'ৰপৰা আহিলা

—অলপ ওলাই গৈছিলো, হেৰি নহয় ?

—ওঁ ?

—হাকিমৰ ভনীযেকৰ বিয়া পাতিছে বোলে ?

—শুনিছো।

—বৰ ডাঙৰ বিযা হ'ব কিজানি দেই। আৰু দৰাঘৰো বোলে বৰ চহকী।

নহ'লে আৰু হাকিমৰ ঘৰৰ ছোৱালী খুজিবলৈ সাহস পায়নে ? ডাঙৰ মানুহৰ কথাই বেলেগ।

—হাকিম বোলে বৰ কিপিন। আমাক মাতিবনে বাৰু?

—কোনেনো কৈছে কিপিন বুলি? নিয়মমতে চলে আৰু, ধন হ'ল বুলি আৰু এনেয়ে উৰাব লাগেনে?

জানটি যায়গৈ।

দোকান বন্ধ কৰি মইন ঘৰলৈ ঘূৰি আহে।

হাকিমনীৰ ননদেক চুৰাইযাৰ বিয়ালৈ যদি মাতে কিন্তু যাব লাগিব। অইনে নহ'লেও নাচীম আৰু হাকিমনীয়ে তাক ভালকৈ চিনি পায়। কিবা এটা উপহাৰো দিব লাগিব—ফুলদানি বা তেনেকুৱা দুই তিনি টকাৰ দামী বস্তু। বজাৰ ঘৰত কি নাই

ইয়াত থকাৰ পৰা তগৰজনীৰ চেহেৰা-পাতিবোৰ ওলাই পৰিছে। তাই বে'চ ধুনীয়াজনী হৈ পৰিছে। গাঁৱৰ ছোৱালী—হাত ভৰিবোৰ লোহোৰা-লোহোৰ। চকুহাল ধুনীয়া, গাটোও পুৰঠ।

মইনে তগৰলৈ ভালকৈ চালে।

তগৰজনীয়ে দেখোন ইযাৰ পৰা যোৱা-মেলাৰ কথা সুলিয়ায়েই। তাই নেযাম বুলিযে আহিছেনেকি? থাকিলেও থাকক। মোৰনো কি খাই চুকুৱাব? ভাত চাহ কৰি দিছে—মোৰেই সুবিধা হৈছে।

—আজি দেখোন ৰাতি বহুত কৰিলা? ক'ৰবালৈ গৈছিলা-নেকি?

—ক'লৈ নো যাম। ৰায়বাহাদুৰ আহিল, জানটি আহিল—কথা-বতৰা পাতি থাকোতেই পলম হ'ল। ভয় লাগিছিলনেকি অকলে?

—ভয় লাগেতোন। সাপবাঘ এটা ওলালেও ইয়াত লাগ বুলিলে মানুহ এটা পাবলৈ নাই।

—এৰা—চিন্তিতভাৱে মইনে ক'লে।

—দিনটো সিমান বেয়া নেলাগে। গধূলিহে অলপ ভয় লাগে।

—ভয় কৰিবলৈ একো নাই। এইখন নগৰহে। কাৰো কুটা এগছ কোনোৱে ইফাল সিফাল কৰিব নোৱাৰে। আৰু পুলিচো ঘূৰি ফুৰে নহয়।

ৰাতি শুই শুই মইনে ভাবিলে—অহা দেওবাৰে ঘৰলৈ এবাৰ যাব লাগিব, বহুত দিন যোৱা নাই? পিছে, তগৰ অকলে থাকিব জানো? হাকিমৰ ঘৰৰ ওচৰ হোৱাহেঁতেন নাচীম থাকিব পাৰিলেহেঁতেন। ৰাতি নহ'লেও দিনত।

অতদিনে মইনে মাক আৰু ভনীয়েকৰ চিন্তা কৰিলেই চলিছিল। দায়িত্ব বুলিবলৈ বৰ বেছি নাছিল। তগৰে আহি তাৰ দায়িত্ব বহুত বঢ়ালে। তাইৰ নো কি দায়? বাপেক থাকিও নথকাৰ নিচিনা, এৰা, মানুহবোৰ কিছুমান যে ইমান বেয়া থাকে। এতিয়া তগৰজনীক ঘৰৰ পৰা খেদাই দিব পাৰিবনে?

—টোপনি গ'লা নেকি? তগৰে সিপাৰৰ পৰা সুধিলে।

—নাই যোৱা, কি হ'ল তগৰ?

—একো হোৱা নাই।

ৰাতি কোনোবাই শুবৰ সময়ত মৰম লগাকৈ মাতিলে ভাল লাগে, তগৰজনীৰ মাতটো মিঠা।

—তগৰ

—কি কৈছা?

—দেওবাৰে মই ঘৰলৈ যাব লাগিব।

—যাবাতোন। বহুত দিন যোৱা নাই নহয়—

—তোমাৰ অকলে থাকিবলৈ ভয় লাগিব নেকি?

—একেদিনাই ঘূৰি আহিব নোৱাৰিবা জানো?

—পাৰিলে আহিব লাগে। পিছে যদি ঘূৰি আহিব নোৱাৰো—

বাৰু, চিন্তা কৰিব নেলাগে। মই ৰাতিটো অকলেই থাকিব পাৰিম।

—একো ভয় নাই জানিছা। ৰাতিও পুলিচ ঘূৰি ফুৰে।

অলপ পৰ তগৰ মনে মনে থাকিল। তাৰ পিছত ক'লে—পিছে, ঘৰত আকৌ মই তোমাৰ ইয়াত থকাৰ কথা কাকো নকবা—

—কেলেই?

তগৰ আন্ধাৰে-মুধাৰে বিছনাৰ পৰা উঠি আহি মইনৰ বিছনাখনৰ ওচৰত ৰ'লহি।

—কিযে কয়। গাঁৱৰ মানুহে গম পালে কি ভাবিব?—ফিচ্‌ফিচাই তগৰে ক'লে।

—ওঁ—

—তোমালোকৰ গাঁৱত কথাটো ওলালে, আমাৰ গাঁৱতো ওলাবলৈ সৰহ পৰ নেলাগে, কথা বুলিলে বতাহ। গাঁৱত জনাজনি হৈ গ'লে, পিছদিনাই মোক বিচাৰি ওলাবহি।

—বিচাৰি আহিলে যাবা আৰু—বিশেষ নভবাকৈ মইনে ক'লে।

তগৰ মইনৰ আৰু কাষ চাপি গ'ল। তাইৰ মুখখন, ওপৰলৈ মূকৈ শুই থকা মইনৰ মুখৰ ওচৰত।

সামান্য অভিযোগ-সনা মাতেৰে তাই ক'লে—মই আহি তোমাক দিগদাৰিহে দিছোহি নহয়? খাইছো, পিন্ধিছো, আমনি কৰিছো। পিছে মোৰনো আৰু কোন আছে।

তগৰৰ মুখৰ তপত উশাহটো মইনৰ মুখত লগা যেন অনুভৱ কৰিলে সি।

মইন বিছনাতে বহিল।

—নহয়, তুমি বুজা নাই। সেই কাৰণে মই কোৱা নাই। পিছে তুমি মোৰ ইয়াত থকা কথাটোনো কিমান দিন লুকাই থাকিব, এদিন গম পাবই।

—এ নেপায়, নগৰত কোন ক'ত থাকে কোনে খবৰ ৰাখে? আৰু গাঁৱৰ মানুহে নগৰৰ একো ভু নেপায়—

—গম জানিবা নেপালেই, পিছে সেইবুলি তুমি জানো সদায় মোৰ ইয়াতে থাকিব পাৰিবা?

—তুমি ৰাখা যদি থাকিম আৰু, ক'লৈনো যাম?

—বৰ সাধাৰণ আৰু সহজভাৱে তগৰে ক'লে।

—বাৰু এতিয়া শোৱাগৈ যোৱা, ৰাতি বহুত হ'ল। আন্ধাৰতে

তগৰৰ ফালে চাই মইনে ক'লে। তগৰ লাহে লাহে নিজৰ বিছনালৈ গুচি গ'ল। গাঁৱৰ ঘৰলৈ গ'লেই বৌটিহঁতে বিয়াৰ কথা ক'ব। কপাহী খুড়ীয়ে মণ্ডলৰ জীয়েকৰ কথা ক'ব, আজি নহয়, কালিলৈ বিয়াখন নেপাতিলে চলিবনে। তগৰজনী সদায় থাকো বুলিলেনো মই কেনেকৈ ৰাখিম ?

চিলেটীয়ালৈ যদি তাই নেযায়, অন্য গাঁৱলীয়া ল'ৰা এটাহে তাইৰ কাৰণে যোগাৰ কৰিব লাগিল। ছোৱালীজনীতো বেযা নহয। গাঁৱতো চলিব পাৰিব, নগৰতো চলিব পাৰিব। পিছে মাজতে আহি বাপেকে লৈ নগলেহিয়েই হয়।

পিছে তাই যিমানে নকওক, মই নেথাকিলে ঘৰটোত তাইক অকলে এৰি থৈ যোৱা বৰ ঠিক কথা নহ'ব। আজিকালি দিনকাল বৰ ভাল নহয়। এৰা, কিবা এটা কৰিব লাগিব।

ছোৱালীবোৰৰ গাবোৰ সদায় কিবা ভাল গোন্ধায়নেকি ? আৰু অলপ গৰমো হৈ থাকে কিজানি। তগৰজনী তাৰ ওচৰত থ'লত তাৰ গাটো গৰম লাগি গৈছিল।

তগৰ—

—হোঁ ?

—মই বাৰু কাকো নকওঁ, চিন্তা কৰিব নেলাগে।

—ওঁ নকবা।

অলপ পৰৰ নিস্তব্ধতা।

—মোক তুমি বেয়া পাইছানেকি বাৰু ? তগৰে সৰুকৈ সুধিলে।

—বেয়া আকৌ পাম কেলেই ?—মানে এইবোৰ কথা মই একো নেজানো বুইছা।

তগৰে ক'লে—সেই চিলেটীয়াটো আহিলে—হয মই তাক কাটিম, নতুবা আপোনঘাটি হ'ম—চিধা কথা।

—বাৰু, বাৰু এতিয়া শুই থাকা, ৰাতি বহুত হ'ল।

তগৰে ক'লে—ওঁ—

তাৰ পিছত নিজকে কোৱাদি তাই বুট্‌বুটাই ক'লে—নহ'লে ক'ৰবালৈ গুচি যাম—বহুত দূৰৰ ক'ৰবালৈ।

লাহে লাহে মইনক টোপনিয়ে হেঁচি ধৰিলে।

নগৰৰ কাষৰ এই প্ৰান্ত তেতিয়া নিজম পৰিছে, দূৰৰ কোলাহলো শান্ত হৈ আহিছে। বাহিৰত আন্ধাৰ, মাজতে ছুটামান মদপীয়ে চিঞৰবাখৰ কৰি ক'ৰবালৈ যোৱাৰ শব্দ আহি তগৰৰ কাণত পৰিলহি।

তগৰৰো লাহে লাহে টোপনি আহিল। মইনৰ নিচিনা এটা মানুহৰ কাষত নিৰ্ভয়ে টোপনি যাবলৈ অকণো সঙ্কোচ নাই—তগৰে ভাবিলে।

মইন গৈ ঘৰৰ পৰা একেদিনাই ঘূৰি আহিলগৈ। সি কিছুদিন ঘৰলৈ নোযোৱাৰ কাৰণ মাকহঁতক বুজাই ক'লে—নতুন ঘৰ লৈছো, ঘৰ এখন ঠিককৈ লোৱা জানো কম কথা। ইটো আন, সিটো আন। ইপিনে আজি কালি দোকানখনো এৰিব নোৱাৰি। দেওবাৰ বুলিও নাই নাই বুলি ৮।১০্ টকা বিক্ৰী নহৈ নেথাকে। ঘৰলৈ আহি থাকিলেনো কি হ'ব?

বাৰীৰ জেওৰাবোৰ মানুহ লগাই দিযাবি। ফজিৰ দদাইক কবি গোহালিটো ঢোকা ডুডাল দি পোনাই দিব। খাজনাৰ পইছা কেইটা সিমাহত দিম বুলি কবি। জলকীযানো ইমান খাৱনে? অলপ কম খাবি!

মইনে সাৱধানে তাৰ ঘৰত তগৰ থকাৰ কথা নোকোৱাকৈ থাকিল। তাৰ ভয়েই লাগিছিল কিজানিবা কথাৰ মাজতে কেনেবাকৈ ওলাই যায় তগৰৰ কথা।

অলপ সময়ৰ কাৰণে যদিও, সি কপাহী খুড়ীৰ ঘৰতো পাক এটা মাৰি আহিল। কপাহীয়ে আগৰ দৰেই বহুত কথা উলিয়ালে—বিশেষকৈ তাৰ বিয়াৰ কথা। মণ্ডলৰ ছোৱলীজনী ভাল। হাতৰপৰা গলে কিন্তু পিছত পস্তাব লাগিব।

সি অলপ গহীন হৈ ক'লে—থোৱা খুড়ী, আজিকালিৰ দিনত

ছোৱালীৰ কিহৰ আকাল? ঢে'ৰ ছোৱালী আছে, ভনীজনীৰ বিয়া নপতাকৈ অইন কথা ভাবিবই নোৱাৰো। জমীলাক দেখোন আজি দেখা নাই, ক'ৰবাত বিয়া চিয়া দিয়ে দিলানেকি? লাওজোপা বৰ লাগিছে খুড়ীটি, মিঠানে লাওবোৰ? টাউনতযে লাওৰ দাম গামোচা জুতি ওলালনেকি, এখন দেখোন নিদিলা, মণিপুৰীয়া গামোচাই এমাহো নেযায়, আও জমীলাৰ আজিকালি বৰ বোৱাব, ইমানপৰ বহি আছো ওলায়ে দেখা দিয়া নাই পিছে উঠোহে খুড়ী আজিয়ে ঘূৰি যাব লাগিব।

একেলগে বহুত কথা ক'লে মইনে।

বহ বোপাই বহ। জমীলা, ককায়েৰক চাহ এবাটি দে'হি। কিনো ভূত ছোৱালী জানো বোপাই। ঘৰৰ ল'ৰাটোৰ আগত আকৌ কিহৰ লাজখন। হক হক, তোৰ তেও চেহেৰাপানী আগতকৈ ভাল দেখিছো। এৰা, ডেকা মানুহ অলপ গা'টোৰ চা-চিকিৎচা ৰাখিবি। ভনীয়েৰলৈ জানো কোনোবা গাহক পাইছে?

মইনো ক'ত পাম, দোকানখন এৰি ক'লৈকো এখোজ লৰিব নোৱাৰো, ঘৰলৈকো পলাই অহাদিহে আহিছো। তোমালোকেই ক'ৰবাৰ ল'ৰা এটা চোৱাছোন।

—হ'ব বাৰু দে। আল্লাই কৰাব। কিনো বুঢ়ী হৈছে ভনীয়েৰ। কালিৰ ছোৱালী, লহপহঁকৈ বাঢিছে বুলিহে। মা'ৰেই গাভৰুজনী হৈ আছে। ল'ৰাছোৱালীৰ ভাল দেখিলে মাকৰ মন এনেয়ে ভালে থাকে।

চাহপানী খাই মইন ঘৰলৈ আহিল।

মাকে মইনক অলপ একাষৰীয়াকৈ মাতি নি ভিতৰুৱা কথা এটা ক'লে। ভনীয়েৰৰ কাৰণে দুই এঘৰে কাণ চোৱাইছে। ক'ৰবাত নহয়, ক'ৰবাত গুজিলেহে হ'ব। পাৰিলে এপদ দুপদকৈ বস্তু-বাহানি গোটাব লাগিল। নহ'লে সময় মূৰকত একেলগে সকলোবোৰ যোগাৰ কৰিবলৈ কিবা ধনৰ পেড়া এটা আছেনে?

মইনে শলাগিলে, সিও ভাবিছে—অকল ভনীয়েকৰ কাৰণেই নহয়,

নিজৰ বিয়াখনৰ কাৰণেও দুই এটা সোণৰ মাল গঢ়াব লাগিব। মাটি—সোণ—এজনী তিৰোতা—তিনিওটা সমান দৰকাৰী বস্তু।

মাটি—তাৰ লয় নাই, ক্ষয় নাই। স্থাৱৰ সম্পত্তি। সোণ—তাৰো লয় ক্ষয় নাই।

আৰু এজনী ছোৱালী—ঘৰৰ তিৰোতাজনী নহ'লে সোণ—মাটি সকলো মূল্যহীন।

আহিবৰ সময়ত সি মাকক ক'লে—এদিন তহঁত দুয়ো নগৰলৈ ওলাবি—সোণাৰীৰ তাত কেনেকুৱা কি লাগে—চাই মেলি দি আহিবি। মই সেইবোৰ ভালকৈ নেজানো।

কিন্তু কথাষাৰ কৈ পিছ মুহূৰ্ত্ততে সি থতমত খাই বৈ গ'ল। মাকহঁত গ'লে ক'ত থাকিব? তাৰ ঘৰত? তাৰ ঘৰত যে তগৰ আছে। তগৰ তাৰ ঘৰত থকা কথাটো জানো মাকহঁতে ভালভাৱে ল'ব?

অলপ চিন্তা কৰি সি ক'লে, বাৰু তহঁত নেলাগে যাব। ঘৰখন এৰি থৈ গ'লে লোকচানহে আছে। মই নিজেই বাৰু কৰাম।

—চেইন বা নেক্‌লেচ এডাল, কাণফুল এযোৰ, হাতৰ চুড়ি দুপাত কৰালেই চলিব। অন্য লাগিলে পিছে পৰেও হ'ব।

মইনে একো নক'লে, মাকে নেজানে সি কিমান টকাৰ মানুহ, তাতে আজি কালি তাৰ ঘৰত আৰু এজনী ছোৱালী থাকে। তাইকো সি খুৱাব-পিন্ধাব লাগিব। খৰচ বাঢ়িছে।

কিন্তু মাকৰ আগত সি নিজকে সৰু কৰি দিবলৈ নিবিচাৰিলে। আৰু ভনীজনীৰ কাৰণে যদি অলঙ্কাৰ দুপাতকে কৰাব নোৱাৰিলো মইনো কিহৰ মানুহ!

ভনীয়েকে তাক একো নক'লে। তাইতকৈ মইনে বেছি জানে। আৰু নগৰত সি কত ডাঙৰ মানুহৰ ঘৰৰ জীয়াৰী বোৱাৰীৰ অলঙ্কাৰ দেখিছে। তেনেকুৱা এযোৰকে সি গঢ়াব। তাৰ তাইলৈ খুব মৰম।

মইনেও মনে মনে তেনেকৈয়ে নভবা নহয়। কেতিয়াবা সি তাৰ

দোকানলৈ অহা, তাৰ দোকানৰ আগেদি যোৱা কলেজীয়া ছোৱালী দুই এজনীৰ ডিঙি, কাণলৈ চকু নিদিয়া নহয়। বৰ শুৱনি অলঙ্কাৰ পিন্ধে কিছুমান ছোৱালীয়ে।

ভনীয়েকৰ কাৰণেও আৰু তাৰ নিজৰ মানুহজনীৰ কাৰণেও সি তেনেকুৱাকে গঢ়াব। নগৰত আজিকালি চুকেকোণে বঙালী সোণাৰী ভৰা। তাৰ দোকানৰ অলপ দূৰতে লক্ষ্মী জুৱেলাৰী—তাতেই কৰাব লাগিব।

মৰিযমজনীয়েনো সদায় আৰু কিমান বজৰুৱা অলঙ্কাৰ পিন্ধি থাকিব? অলঙ্কাৰ পাতি পিন্ধিলে তাই আৰু ধুনীয়াজনী হ'ব। এনেয়ো তাই ধুনীয়া। কিন্তু একেবাৰতে সৰহ বস্তু কৰাব পৰাৰ আশা নাই। তাৰ টকানো আছে কিমান? আৰু সাঁচতীয়া পইছাকেটা তলি উদং কৰি উৰাই দিলে হস্কিলে-মস্কিলে সি কাৰ ওচৰত হাত পাতিব?

সি ঘূৰি আহি ঘৰ পাওঁতে অলপ ৰাতিয়েই হ'ল। দিনতেই ঘূৰি পাবহি বুলি সি ভাবিছিল, পিছে কম জানো লেঠাবোৰ, জোৰ কৰি নহা হ'লে সি কিজানি আহিবই নোৱাৰিলেহেঁতেন।

তগৰে ভাত পানী ৰান্ধি তাৰ কাৰণে বাট চাই আছিল।

তগৰৰ আজি দিনটো অকলে অকলে থাকি বৰ বেযা লাগি থাকিব পায়।

পিছে সি আহি দেখি ভাল পালে তগৰ বে'চ প্ৰফুল্ল মনেৰে আছে। ভাল কাপোৰ-কানি পিন্ধি মূৰ ফণিয়াই, একপ্ৰকাৰ নগৰীয়া ছোৱালী এজনী থকাদিয়েই আছে। আজি তাই দেখিবলৈও ধুনীয়াজনী হৈ আছে। মুখত কিজানি পাউডাৰ ঘঁহিব পায়।

এৰা, গাভৰু ছোৱালীয়ে অকলশৰে থাকিলেও আগত আৰ্চি এখন পালে অকলশৰীযা বুলি নেভাবে। ভাল আৰ্চি এখনৰ আগত বহি গাভৰুৱে তিনিদিন হাঁহি কটাই দিব পাৰে,—কিবা ভয় চয় খাইছিল-নেকি?

—কোনোবা মানুহ দুনুহ আহিছিলেনেকি?

ছুপৰীয়া ভাত-পানী খালানে ?

—মই নাহিম বুলি ভাবিছিলানেকি ? নহা হ'লে, অকলে থাকিব পাৰিলাহেঁতেন নে বাৰু ?

কিবাকিবি বহুত কথা মইনে সুধিলে।

কিন্তু তগৰে মাত্ৰ এটা কথাহে সুধিলে : মোৰ কথা কোনোবাই ক'ৰবাত উলিযাইছিলনেকি ?

দুয়োপক্ষৰ উত্তৰ পাই দুয়ো আনন্দিত হ'ল।

অলপ গৰম পৰিছিল। আৰু দিনটো ঘূৰি-পকি আহি মইনৰো অলপ ভাগৰ লাগিছিল। তাৰ শুবৰ মন গৈছিল।

কিন্তু পূব ফালৰ বাৰাণ্ডাখনলৈ ওলাই আহি মইনে দেখিলে জোনটো বৰ ধুনীযা হৈ ওলাইছে। ফট্‌ফটীয়া জোনাক কিছুমান আহি চোতাল খনত আৰু ঘৰৰ চালত পৰিছেহি। বতাহ এজাকো কোমললৈ মাৰি আছে।

মইনৰ চোতালতে অলপ বহিবৰ মন গ'ল।

বাৰান্দাত থকা চাপৰ মূঢ়াটোতে সি বহিল।

ঘৰটো যদি লোকৰ ভাড়াঘৰ নহৈ তাৰ নিজৰ ঘৰ হ'লহেঁতেন। তেতিযা এই জোনাকখিনিও তাৰ নিজৰ যেন লাগিলহেঁতেন।

জোনাকবোৰৰ ফালে চাই চাই মইনে তাৰ নিজৰ ঘৰটোৰ ছবিটো মনৰ চকুৰ আগত দাঙি ধৰিলে. এনেকুৱা নিজঞ্জাল, আটোমটোকাৰি এটা ঘৰ. এখন পৰিপাটি বাৰী—বাৰীত চাপ আৰু ওখ চকোৱা, এজনী মৰমলগা ছোৱালীৰ নীৰব নিশ্বাস।

জীৱনটো বৰ আপোন লাগিব।

দোকানখন আৰু যদি অলপ ডাঙৰ কৰিব পৰা যায়। দিনে যদি দহ টকাকৈ সাঁচিব পৰা যায়। মাহত তিনি শ। বছৰত—তিনি হেজাৰবো বেছি।

বছৰত তিনি হেজাৰ আৰ্জন। নিজৰ ঘৰবাৰী, গৃহস্থালি। সুখ আৰু শান্তি।

কথাবোৰ ভাবি ভাবি মইনৰ ভাল লাগিল, কাষতে সি শুনিলে তগৰৰ এটা দীঘল উশাহ, সি মুৰ তুলি চালে। দুৱাৰত ধৰি তগৰ থিয় দি আছে। তায়ো জোনাকৰ ফাললৈকে চাই আছে।

তগৰে মইনে তাইলৈ চোৱা দেখি ক'লে,—কিনো ভাবি আছা? ৰাতি ভালেমান হব পায়।

—এৰা। এনেয়েহে—

—শুই থাকাহি আহা। ভাগৰ লগা নাই জানো?

—ওঁ। শুব লাগিল। আজি দিনৰ দিনটো ঘূৰা হ'ল।

মইন বহাৰ পৰা উঠিল।

বাহিৰৰ পৰা ভিতৰলৈ মুখ ঘূৰাবৰ সময়ত সি ক'লে—বৰ ভাল জোনাক হৈছে।

—এৰা, বৰ ভাল লাগে—তগৰে সমৰ্থন জনালে।

দুয়ো ভিতৰ সোমাই আহিল, তগৰে দুৱাৰখন বন্ধ কৰিলে।

মইন নিজৰ বিছনালৈ গ'ল।

এডাল সোণৰ নেক্‌লেচতে কিজানি তিনি শ মান পৰিব। নাচীমৰ মাক হাকিমনীয়ে পিন্ধি অহা ডালৰ নিচিনা এডালকে গঢ়াব লাগিব। আমাৰ ছোৱালীয়ে কিবা হাকিমনীৰ নিচিনা অলঙ্কাৰ পিন্ধিব নেপায়নে? টকাৰ লগতে সকলো কথা।

তগৰ—

—কি কৈছা?

লেম সুমুৱাই তগৰ বিছনাত পৰিছিল।

মইন মনে মনে থাকিল।

—মোক মাতিছিলানেকি? বেৰখনৰ সিপাৰৰ পৰা তগৰে সুধিলে।

—ওঁ—

তগৰ আন্ধাৰতে উঠি তাৰ বিছনাৰ ওচৰলৈ আহিল।

—কি হ'ল?

—মোক আজি বৌটিহঁতে ৰাখিছিল—

—কেলেইনো নেথাকিলা ?

—এৰা, তোমাৰ অকলে ভয়-চয লাগে বুলিহে গুচি আহিলো, ভয় নেলাগিলহেঁতেন জানো ?

তগৰৰ তালৈ মৰম লাগিল। তাৰ হাতখন তাই নিজৰ হাতত ললে আৰু সৰুকৈ ক'লে—

—ভয় লাগিলহেঁতেন কিজানি। দিনতো কেতিয়াবা মোৰ ভয় লাগে। আৰু—

—আৰু কি ?

—ৰাতিও কেতিযাবা ভয লাগে।

—কেলেই ?

—কিজানি কোনোবা ওলাযহি। বাবা, বা সেই চিলেটিয়াটো, আৰু—

—উঁ ?

—সিফালৰ কোঠালিটোত অকলে অকলে শুই থাকিবলৈও মোৰ ভয় লাগে কেতিয়াবা।

—মই চোন ঘৰটোৰ ভিতৰতে থাকো। তেও ভয লাগেনে ?

—এৰা।

তগৰ মনে মনে থাকিল।

মইনে তাৰ গাৰ কাষত তগৰৰ গাৰ কোমল উষ্ণতা অনুভৱ কৰিলে, সি কাটি হৈ তগৰৰ ফালে ঘূৰিল। তাৰ মুখখন তগৰৰ মুখখনৰ ওচৰতে।

অলপ পৰ সি মনে মনে থাকিল।

তাৰ পিছত ক'লে—বৌটিহঁতে মোৰ বিযা পাতিব খুজিছে—

তাৰ কথাষাৰত মুহূৰ্তৰ কাৰণে তাৰ হাতখন মৰমেৰে ধৰি থকা তগৰৰ হাত দুখন শিথিল হৈ গ'ল।

অলপ পৰৰ পিছত তগৰে ক'লে—কি ক'লা পিছে ?

—একো নক'লো। আগে নিজৰ মাটি বাৰী, ঘৰদুৱাৰ হওক। বিযা তাৰ পিছতহে হ'ব, নহয় জানো ?

—ছোৱালীনো ক ৰ ?

—গাঁৱৰে, এতিয়াও ঠিক হোৱা নাই।

—অ'—চুটিকৈ তগৰে ক'লে।

কিছু পৰৰ নীৰৱতা, ৰাতি গভীৰ হৈ আহিছে।

মইন বিছনাতে বহিল।

—কি হ'ল, বহিলাযে ?

—লেমটো জ্বলোৱাচোন—

মইনে তাৰ গাৰুৰ তলৰ পৰা জুইশলাটো উলিযাই দিলে।

তগৰে লেমটো জ্বলালে।

মইনে তগৰলৈ চালে।

তগৰৰ গাত ৰিহা চাদৰ নাই। ব্লাউজটো খুলি সুদা বদিচ এটা পিন্ধি আছে তগৰে। তগৰ শোৱাৰ পৰাই উঠি আহিছিল।

তগৰৰ লাজ লাগিল। কথাষাৰ তাযো পাহৰি গৈছিল। তাই হাত দুখনেৰেই গাটো ঢাকিবৰ চেষ্টা কৰিলে।

মইনে আৰু অলপ পৰ তগৰৰ গাৰ ফালে চাই ৰ'ল।

—কি হ'লনো ? তগৰে সুধিলে।

মইনে অলপ পৰ তগৰৰ গাৰ ফালে চাই ৰ'ল।

—কি হ'লনো ?· তগৰে সুধিলে।

মইনে এবাৰ কোঠাটোৰ চাৰিওফালে চালে, তাৰ পিছত ক'লে—লেমটো নুমাই দিয়া। তগৰে সন্দিগ্ধভাৱে এবাৰ তাৰ মুখলৈ চালে, তাৰ পিছত লেমটো নুমাই দিলে। বাহিৰৰ জোনাক এখিনি যেন কেনিবাদি ভিতৰ সোমাই আহিল।

*　　*　　*

হাফিজৰ গান মইনৰ আগতকৈও বেছি ভাল লাগে। বৰ দৰদ দি গায় হাফিজে। অৱশ্যে গানবোৰ বৰ নতুন নহয। কোনোবা কথাছবিৰ পুৰণি গান, নাইবা গজল, তথাপি, মইনৰ ভাল

লাগে। আৰু ভাল লাগে নাচীমক। ইমান ধুনীয়া, মৰমলগা ছোৱালীজনী। তাই সদায় আহে, লজেঞ্চ কিনে, হাফিজৰ গজল মুগ্ধ হৈ শুনে, নাইবা মইনৰ লগত কথাপাতি বহি থাকে।

নাচীমৰ নিচিনা ছোৱালীৰ সকলো সৌন্দৰ্য যেন শিশু হৈ থকাতে। তাই অন্য ছোৱালীৰ দৰে ডাঙৰজনী হৈ পৰিলে যেন তাই ধুনীয়া নোহোৱা হৈ যাব।

কিমান সৰল, কিমান ধুনীয়া, কিমান মৰমলগা।

—নাচীম?

—কি মইন কাকা?

একো সুধিবলগীয়া নাই। তাইৰ মুখৰ মিঠা মাতষাৰ শুনিবৰ কাৰণেই মইনে মাতে।

—তোমাৰ চুৰাইযা পেহীৰ বিয়া কেতিযা হ'ব?

—পূজাৰ বন্ধত হ'ব। তুমি বিযালৈ আহিবা দেই মইন কাকা?

—মাতিবা জানো?

—ওঁ, কেলেই নেমাতিব!

মইনে হাঁহে।

নাচীমে বাপেক হাকিমৰ পৃথিবীখন আজিও চিনি পোৱা নাই।

দুপৰীয়াৰ নীৰৱতাক মুখৰ কৰি হাফিজে গায—

—দূৰ দেশ্‌কা ৰহ্‌নে ৱালা, আযা,
আযা দেশ পৰাযে,
মন্‌কু মইনে বোল ৰহা হেই,
আপ্‌না ভেদ চুপাযে—

কথাছবিৰ গান।

তথাপি মইনৰ ভাল লাগে।

হাফিজে সদায দূৰ দেশৰ অচিন পৰদেশী ঘৰলৈ অহাৰ করুণ গীত গায়ঃ

হে মৰমী অপৰিচিতা, তোমাৰ প্ৰাণৰ দুৱাৰত দূৰণিৰ বিদেশী

অতিথিৰ ভাষাহীন হুমুনিয়াৰ প্ৰাৰ্থনা শুনা, যাৰ চকুয়ে কেৱল চকুপানীৰ বেদনাময় পৰশ চিনি পালে, সেই চকুৰ করুণ মিনতিৰ নিবেদন শুনা।

সৰ্বহাৰা বিদেশীয়ে তোমাৰ দুৱাৰত কেৱল—গোপন উৎসৰ্গ ৰাখি যাব, তোমাৰ মনৰ মাজত যদি সেই উচৰ্গা থবৰ ঠাই নহয়, তুমি অন্য কোনো অচিন বিদেশীক সকলো শোধাই দিবা, কাৰণ, আজিৰ অতিথিতো তোমাৰ জগতত সদায় নেথাকে।

হাফিজৰ উৰ্দ্দু গজলৰ মৰ্মস্পৰ্শী সুৰে এনেয়ে মইনক অভিভূত কৰে। বহুত নাম-নোহোৱা আনন্দ আৰু নাম নোহোৱা বেদনাৰে তাৰ মনটো ভৰি উঠে। ডেকা মানুহৰ মনৰ এই অবুজ বেদনাৰ মধুৰতাই তাক উন্মনা কৰি তোলে।

প্ৰফেচাৰ চৌধুৰী আহি বহিলহি।

—বহক চাৰ—

চৌধুৰীয়ে একো নেমাতে। চকীখনত বহি তাৰ মুখলৈ চাই থাকে।

মইনে অপেক্ষা কৰে—চাৰৰ নিৰ্দেশলৈ।

কিছু পৰৰ অৰ্থহীন নিস্তব্ধতা।

—মইন—

—চাৰ?

মইনে চাৰৰ মুখলৈ চালে।

আকৌ নীৰৱতাৰ মাজেদি কিছু সময পাৰ হৈ গ'ল।

—মইন—

—কি চাৰ?

—কোনোবাই প্ৰশ্ন কৰিলেই যে তাৰ উত্তৰ দিব লাগে, সেইটো কোনো কিতাপত লিখা নাই।

প্ৰফেচাৰৰ কথা মইনে নুবুজিলে।

—হয় চাৰ—এনেযে সি ক'লে।

—কোনোবাই কিবা কথা ক'লে তাক সুবুজাকৈ সমৰ্থন কৰিব লাগিব বুলিও কোনো কিতাপত লিখা নাই।

—হয় চাৰ।

—প্ৰফেচাৰে মইনৰ মুখলৈ চালে।

– মইন, তুমি কিতাপ পঢ়া ?

—চাৰ—চাৰ—আগেয়ে অলপ পঢ়িছিলো। বেছি পঢ়িব নেজানো চাৰ—সঙ্কোচ আৰু ভয়েৰে মইনে ক'লে। দৰ্শনৰ অধ্যাপকৰ আগত পাণৱালাৰ পুথি-জ্ঞানৰ পোহাৰ মেলিবলৈ মইনৰ সাহস নহ'ল।

—ওঁ ভাল কৰিছা। কিছুমান মানুহে ভাবে যে কিতাপে মানুহ তৈয়াৰ কৰে। প্ৰতিমাই মানুহ সাজেনে, মানুহে প্ৰতিমা সাজে ?

অবোধ্য চকুৰে মইনে প্ৰফেচাৰৰ মুখলৈ চালে।

প্ৰফেচাৰে নিজকে কোৱাৰ দৰে কৈ গ'ল—কাৰ্য আৰু কাৰণ—cause and effect—তাৰ কোনো অৰ্থ নাই। মইন—

—চাৰ ?

—কিতাপে মানুহ নকৰে জানিছা। দহ হেজাৰ কিতাপ পঢ়িও এজন মানুহৰ জ্ঞান নহ'ব পাৰে, আৰু কোনো কিতাপ নপঢ়াকৈও মানুহে বহুত কথা জানিব পাৰে। মানুহৰ জ্ঞান-বুদ্ধিৰ লগত কিতাপৰ কোনো সম্পৰ্ক নাই।

মইনে ভয়ে ভয়ে ক'লে—হয় চাৰ।

প্ৰফেচাৰ অলপ সময় মনে মনে থাকিল। তাৰ পিছত হঠাৎ ক'লে—কিন্তু প্ৰতিমাযো পূজাৰী তৈয়াৰ কৰিব পাৰে। আমি নিজেই নিজ হাতেৰে প্ৰতিমা সাজো, পিছত সেই প্ৰতিমাকে আমি পূজা কৰো। আমাৰ মানুহটোৰ ভিতৰৰ পূজাৰীজনক প্ৰতিমাই সৃষ্টি কৰে।

মইনে কেউফালে চালে, অন্য কোনো গ্ৰাহক আহিছেনে নাই। প্ৰফেচাৰৰ কথা ক্ৰমে তাৰ কাৰণে বেছি অবোধ্য হৈ আহিল। কিন্তু গ্ৰাহক নাই। অগত্যা তাৰ প্ৰফেচাৰৰ কথা শুনি থকাৰ বাহিৰে গত্যন্তৰ নাছিল।

কিতাপ, প্ৰতিমা, জ্ঞান—ইয়াৰ কোনোটোৰে লগত মইনৰ ঘনিষ্ঠ পৰিচয় নাই।

প্ৰফেচাৰে হয়তো মইনৰ অৱস্থাটো উপলব্ধি কৰিলে, তেওঁ মইনৰ মুখলৈ চালে, অলপ হাঁহিলে, তাৰ পিছত ক'লে—জানিছা মইন, যিমান কথা মানুহে কয়—সিমান কথা মানুহে নুবুজে, পিছে নুবুজে যদিও মানুহে কথা কয়—আৰু কথা শুনে। কথাবোৰ নক'লেও হয়, নুশুনিলেও হয়, নুবুজিলে আৰু ভাল। কওঁতাজনৰ কথা যি নুবুজে তাৰ নাম কি জানা?

—চাৰ?

—তাৰ নাম প্ৰতিমা—দেৱী—দেৱতা। পুজাৰীয়ে ভাবে দেৱতাই মানুহৰ কথা নুশুনে। শুনে বুজিছা, কিন্তু একো নুবুজে। মানুহৰ কথাৰ অৰ্থ প্ৰতিমাই কেনেকৈ বুজি পাব? একতোলা মিক্‌চাৰ দিয়া। পিছৰ কথাষাৰ মইনে বুজিলে।

—ভাল চাৰ।

প্ৰফেচাৰ যোৱাৰ পিছত অলপ সময় মইন অকলেই বহি থাকিল। প্ৰফেচাৰৰ কথাবোৰ সি নুবুজে, কিন্তু তেওঁক তাৰ ভাল লাগে। কিবা সক ল'ৰাৰ নিচিনা মানুহজন। নিজেই ভাবে, নিজেই কয়, ল'ৰা কিছু-মানে কিয় জানো তেওঁক বেযা পায়।

চাজ্জাদ আহি বহিলত তাৰ ভাল লাগিল। চাজ্জাদ ডাঙৰ মানুহৰ ল'ৰা। বৰ শান্ত আৰু গহীন মানুহ, 'ল' পাছ কৰিলে, কিন্তু ওকালতি নাই কৰা, কিবা ব্যৱসায় কৰাৰ কথা ভাবিছে। ভাবিছে আজি বহুত দিনৰ পৰা, কিন্তু আজিও একো আৰম্ভ কৰা নাই।

চাজ্জাদৰ বিষয়ে মইনে বহুত কথা শুনিছে। চাজ্জাদ পঢ়া-শুনাত চোকা আছিল—তাৰ সমান কিতাপ পঢ়া মানুহ অতি কমেই আছে। এতিয়াও সি দিনে ৰাতিযে কিতাপ পঢ়ি থাকে। বাতৰি কাকত কেইবাখনো পঢ়ে। অৱশ্যে চাজ্জাদে ৰাজহুৱা কাম বহুত কিবা কৰি ফুৰে। আলোচনা সভা পাতে, সাহিত্য চৰ্চাৰ চক্ৰ পাতে, বক্তৃতাৰ আয়োজন কৰে—নানা চিন্তামূলক কামৰ ব্যৱস্থা কৰি ফুৰে।

কিন্তু চাজ্জাদৰ বিষয়ে নগৰৰ কিছু ডেকা ল'ৰাৰ মন্তব্য বৰ অনুকূল নহয়। চাজ্জাদ বৰ নৈতিকতাবাদী। আজিৰ যুগৰ ল'ৰা ছোৱালীৰ নৈতিক অধঃপতন হৈছে। নৈতিকতাহীন কোনো দেশ, কোনো জাতি, কোনো সমাজ বেছি দিন তিষ্ঠি থাকিব নোৱাৰে, অন্য উন্নতি যিমানেই কৰক, নৈতিক অৱনতি ঘটিলে ধ্বংস অনিবাৰ্য।—

এনেবোৰ মত পোষণ কৰাৰ কাৰণে, আৰু এনে কথা অন্যৰ আগতো ব্যক্ত কৰি ফুৰাৰ কাৰণে চাজ্জাদক বহুতে সন্দেহ কৰে, উপলুঙাও কৰে। আজিৰ যুগত নৈতিকতা, ধৰ্ম আদিৰ কথা কোৱা বা চিন্তা কৰা মানুহক অজ্ঞ বুলিয়ে বহুতে ভাবে।

মইনে অৱশ্যে ধৰ্মৰ কথা বৰ বেছি নেজানে। সকতে গাঁৱৰ মুন্সি এজনৰ ওচৰত অলপ আৰবী অ.ৰু উৰ্দু পঢ়িছিল। কোৰাণৰ কেইটামান চুৰা মুখস্থ কৰিছিল, নামাজ ৰোজাৰ বিষয়ে অলপ কথা শিকিছিল, তাতকৈ বেছি কথা সি নেজানে।

সি নিয়মমতে নামাজ নপঢ়ে। ঈদ আৰু বকৃবিদৰ নামাজ অৱশ্যে পঢ়ে। জুমা নামাজ কেতিয়াবাহে পঢ়ে। নগৰৰ কোনোবা মানুহৰ ঘৰত কোৰাণ-পঢ়োৱা বা মৌলুদ হ'লে, তাক নেমাতে, সি হিচাপত নপৰে।

গাঁৱত থাকোতে অৱশ্যে কোৰাণ পঢ়োৱা, মৌলুদ আৰু বিয়াৰ লগত হোৱা 'ৰাজ' সি শুনিছিল, পিছে বহুত দিন সি গাঁৱৰ কোনো ৰাজহুৱা ধৰ্ম-কামত যোগ দিবৰ সময়কে পোৱা নাই।

আধুনিক শিক্ষাত শিক্ষিত হ'লেও চাজ্জাদ ধৰ্মকামৰপৰা আঁতৰি নেথাকে। সি নামাজ নিয়মমতে পঢ়ে, কোৰাণ হদিচ পঢ়ি অৰ্থ আৰু তাৎপৰ্য বুজিবৰ চেষ্টা কৰে নামাজত কোনোবাই কিবা ভুলকৈ পঢ়িলে সি বিৰক্ত হয়, ধৰ্মজীৱন চৰ্চাক সি কাল্চাৰ বা সংস্কৃতিৰ ভিত্তি বুলি ধৰে। চাজ্জাদে প্ৰায়েই কয়—a man without morality is a man without culture A truly cultured man cannot be immoral

বহুতে তাৰ কথা হাঁহি উৰাই দিয়ে।

মইনে অৱশ্যে morality, culture আদি কথাৰ বিশেষ কোনো অৰ্থ বুজি নেপায়, মানুহে সঁচা কথা কব লাগে, কাকো ঠগিব নেলাগে, ফাকি-ফুকা কৰিব নেলাগে, আৰু আল্লাৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগে। সিমানকে সি জানে। পিছে দুনিয়াত ভাল মানুহনো কেইটা আছে? সকলো মানুহ অলপ অলপ ভাল, অলপ অলপ বেয়া, আল্লাই সকলোকে মাফ কৰোতা।

চাজ্জাদৰ অলপ পিছতে আহি বহিলহি বুঢ়া খ্ৰীষ্ট'ফাৰ।

খ্ৰীষ্ট'ফাৰৰ বয়স ষাঠিৰ ওচৰ চাপিছে। তেওঁ ছোৱালী হাইস্কুলৰ ইংৰাজীৰ মাষ্টৰ। আগেয়ে বহুত দিন মিছনত কাম কৰিছিল। ভাৰতীয় খ্ৰীষ্টান সম্প্ৰদায়ৰ তেওঁ এজন বিশিষ্ট ব্যক্তি। অসমৰ আৰু অন্যান্য ঠাইৰো নানা মানুহৰ লগত পৰিচয় আছে। বহুত দিন মিছনাৰী হিচাপে নগা পাহাৰত, নগাৰ মাজত কাম কৰিছিল। এটা এক্সিডেণ্টত বাওঁ ভৰিখন ভাগিল, তেতিয়াৰপৰা বৰ বেছি খোজ কাঢ়িব নোৱৰা হ'ল। পিছত ঘৰৰ ওচৰৰে ছোৱালী হাইস্কুলটো নতুনকৈ পাতিবলৈ লোৱাত খ্ৰীষ্টফাৰক তাতে ইংৰাজীৰ মাষ্টৰ ললে।

খ্ৰীষ্টফাৰৰ পিতাকো খ্ৰীষ্টান আছিল। কিন্তু খ্ৰীষ্টান হ'লেও তেওঁলোক হাড়ে হিমজুৱে অসমীয়া, পূৰ্বে তেওঁলোক নাজিৰাৰ ফালৰ অসমীয়া লোক আছিল বুলি কয়।

খ্ৰীষ্টফাৰ মানুহজন বৰ নম্ৰ আৰু ভদ্ৰ। আজিৰ দিনত এনেকুৱা নিৰহঙ্কাৰ মানুহ অতি কমেই দেখা যায়। তেওঁ চিগাৰেট নেখায়, কিন্তু তামোল খায় খুব বেছি। এই পিনে গ'লে প্ৰায়ে মইনৰ দোকানৰ পৰা তামোল খায়। সময় থাকিলে এনেয়ে বহে। কেতিয়াবা বুনীয়া ছবি থকা খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰ-পুস্তিকা মইনৰ দোকানত থৈ যায়, পঢ়িব খুজিলে কাৰোবাক দিবৰ কাৰণে।

খ্ৰীষ্টফাৰক দেখি চাজ্জাদ বহাৰপৰা উঠিল আৰু ক'লে—বহক চাৰ—

—ভালে আছা চাজ্জাদ ?

—ভালেই চাৰ, আপোনাৰ ভাল ?

—ভাল এই কেইদিন। কাহ হৈছিল, এতিয়া ভাল পাইছো। মইন ভালে আছা ?

—আছো চাৰ, বহক। কেইবাদিনো দেখাই নাই—

—এইফালে অহা নাছিলো। কাৰবাৰ ভাল চলিছে নহয় ?

—চলিছে আৰু চাৰ। কিনো কাৰবাৰ। খ্ৰীষ্টফাৰে হাঁহিলে।

—তেনেকৈ নেপায ক'ব। পিতাৰ ওচৰত সন্তানৰ সৰুবৰ নাই। ডাঙৰৰ কাৰণে ডাঙৰ কাৰবাৰ, সৰুৰ সৰু কাৰবাৰ। অসন্তুষ্ট হ'ব নেপায—

—হয চাৰ—মইনে সমৰ্থন জনায।

—তামোল ডুখন খুউৱা,—চাজ্জাদে তামোল খোৱা নহয ?

—খাওঁ চাৰ।

মইনে তামোল ডুখন খ্ৰীষ্টফাৰলৈ আগ বঢ়ালে।

তামোলখন চাজ্জাদৰ হাতলৈ দি খ্ৰীষ্টফাৰে সুধিলে—

—আজিকালিনো কি কৰিছা চাজ্জাদ ?

—চাৰ, তেনেকৈ একো কৰা নাই, আছোহে।

—পলিটিক্সৰ কথা ভাবিছানেকি ?

—নাই চাৰ। আজিকালি পলিটিক্সটো ধনঘটা ব্যৱসায় হৈ পৰিছে। তাত অকণো sincerity নাই। মই পলিটিক্সত নেনামিম বুলিয়ে ভাবিছো।

শান্তভাৱে খ্ৰীষ্টফাৰে ক'লে—এৰা, পৰাধীন যুগৰ ৰাজনীতিৰ যি এটা মৰ্যাদা আছিল এতিযা সি একেবাৰে নোহোৱা হৈছে। পৰাধীনতাৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ কালত ক, খ নজনা এটা ভলন্টিযাৰে যিমান একাগ্ৰতা আৰু ত্যাগৰ আদৰ্শ লৈ কাম কৰিছিল, আজি স্বাধীনতা পোৱাৰ পিছত ডাঙৰ ডাঙৰ নেতাসকলেও সেইবোৰ পাহৰি গৈছে। এৰা, ৰাজনীতি ধনঘটা ব্যৱসায হৈহে পৰিছে সঁচাকৈয়ে।

মইনে নীৰৱে কথাবোৰ শুনিছিল। ৰাজনীতিবিদৰ ওপৰত তাৰ এটা গাঢ ভক্তি আছে। তাৰ দোকানৰ আগৰ পথাৰখনত ভাল ভাল কথাৰে বক্তৃতা দিয়া মানুহবোৰ যে বেয়া মানুহ হ'ব পাৰে, তাৰ ভাবিবলৈকে বেয়া লাগে।

—চাৰ, ৰাজনীতিক আজিকালি বহুতে humanities-ৰ ভিতৰত নধৰি science বুলি ধৰিছে। Politics-ৰ laboratory-ত মানুহৰ জীৱন লৈ নানা experiment কৰিছে, কিছুমান ফৰ্মূলাৰে মানৱ সমাজৰ সমস্যাবোৰৰ সমাধানৰ চেষ্টা কৰিছে। ৰাজতন্ত্ৰ, গণতন্ত্ৰ সকলোতে শক্তিৰ অধিকাৰী কেইটামান ৰাজনীতিবিদে বাকী মানুহবোৰৰ আশা অভিলাস সকলো নিযন্ত্ৰণ কৰিছে।

কথাবোৰ মইনৰ ক্ৰমে অবোধ্য যেন লাগি আহিল। ইমানবোৰ ডাঙৰ ইংৰাজী শব্দ সি নুবুজে। তথাপি চাজ্জাদৰ কথাবোৰ তাৰ বেয়া নেলাগিল। খ্ৰীষ্টফাৰে ক'লে—মানুহৰ জীৱনৰ মূল্য নতুনকৈ নিৰ্ধাৰণ কৰাৰ দৰকাৰ হৈছে চাজ্জাদ। A fresh valuation, a new moral regeneration—কথাত নহয়, কামত।

—কিন্তু চাৰ, তাৰ যে পথ নোহোৱাই হৈছে—

পথ আছে। সকলো ধৰ্মত মানৱ জীৱনৰ মহত্ত্বৰ স্বীকৃতি আছে। ৰাজনীতিয়ে যদি মানৱ সমাজক ভাগ ভাগ কৰিছে, ধৰ্মৰ আদৰ্শই মানুহক প্ৰেম, ভ্ৰাতৃত্ব আৰু সৌহাৰ্দ্যৰে এক কৰিব পাৰে।

—কিন্তু চাৰ, প্ৰচলিত ধৰ্মবোৰে জানো মানুহক এক কৰিব পাৰিব?

—নোৱাৰিব কিয়? বৰ্তমানৰ দৰে ধৰ্ম আৰু ৰাজনীতিয়ে যদি মানুহক মানুহৰ মাজত পাৰ্থক্যবোৰ ডাঙৰকৈ দেখুওৱাৰ পৰিৱৰ্তে মিলবোৰ ফঁহিয়াই দেখুৱায়, মানুহে এটা আদৰ্শৰ অনুগামী হ'বলৈ আৰম্ভ কৰিব। মানুহক কেৱল এটা economic unit বুলি নধৰি, যদি এটা higher spiritual entity বুলি ধৰা যায় পৃথিৱীত মানুহ মানুহৰ মাজত ব্যৱধান কমি আহিব।

মইনে আৰু একো নুবুজা হ'ল। বোধহয় অলপ আগতে খ্ৰীষ্টফাৰে ক'ৰবাত ধৰ্মৰ বক্তৃতা দি আহিছিল, তাৰেই পুনৰাবৃত্তি ইয়াত কৰিছে। মইনে বুজিব নোৱাৰি চাজ্জাদ আৰু খ্ৰীষ্টফাৰৰ মুখলৈ চালে।

মই আহো বাৰু চাজ্জাদ, আৰু চাৰিখন তামোল দিয়া মইন—পইছাকেটা খ্ৰীষ্টফাৰে আগবঢ়াই দিলে ।

চাজ্জাদে ক'লে—ঘৰলৈকে যাব চাৰ ?

এৰা, ঘৰলৈ যাম। যাবানেকি বলা। মই ৰিক্সাত যাম। খোজ কাঢ়িলে বৰ ভাগৰ লাগে আৰু বহুত দেৰিও লাগে।

বুঢ়া মানুহ, এখন ভৰি বেয়া, খোজকাঢ়ি যোৱাটো দেখাতেই কষ্টকৰ।

দুয়ো ৰিক্সা এখনত উঠি গ'লগৈ।

চাজ্জাদ, খ্ৰীষ্টফাৰ সকলোৱে বহুত ডাঙৰ ডাঙৰ কথা জানে। সেইবোৰ কথা মইনে বুজিকে নেপায়। তথাপি তেওঁলোকেও তাক চিনি পায়, ডাঙৰ কথা জনা মানুহেও আহি তাৰ দোকানৰ পাণ খায়, তাৰ দোকানত বহে।

মইনৰ ভাল লাগি যায়।

অন্য পাণ দোকানীৰ দোকানত এনেকৈ মানুহ জমা নহয়।

মানুহবোৰে তাক ভাল পায়।

সি গাদীৰপৰা নামি আহে। দোকানখনলৈ এবাৰ চায়। দোকানখন যদি আৰু অলপ ডাঙৰ কৰিব পাৰিলেহেঁতেন সি। চাৰিখন চকী, দুখন বেঞ্চ, মাজতে এখন সৰু মেজ। ডাঙৰ ডাঙৰ মানুহ আহি বহিবহি, নানা ভাল কথা পাতিব, বুজি নেপালেও সি শুনি থাকিব, গৰ্ব অনুভৱ কৰিব।

কিন্তু সিমান পইছা তাৰ ক'ত ? সি যে মাটি কিনিব, ঘৰ সাজিব, ভনীয়েকৰ অলঙ্কাৰ গঢ়াব, তাইক বিয়া দিব লাগে, আৰু তগৰ জনীৰো খৰচ-পাতি দিব লাগে।

তগৰলৈ আজিকালি তাৰ মৰম লাগে। তাৰ বৰ যতন লয়। ভাত পানী কেটা বৰ ভালকৈ ৰান্ধে। গুলপীয়া চোলাটো পিন্ধিলে তাইক বৰ ধুনীয়া দেখি। ভালেই কৰিলে চিলেটীয়ালৈ নগ'ল।

থাকক মোৰ ঘৰতে।

আজিকালি আৰু আগৰ নিচিনা ঘৰটোৰ ভিতৰত অকলশৰীয়া নেলাগে। আগেযে ঘৰলৈ যাবৰ মনকে নেযায। আজিকালি তগৰজনী থকাৰপৰা তাৰ ঘৰত থাকিহে ভাল লাগে। তাই বৰ মৰম লগাকৈ কথাবোৰ কয, ভাত খাওঁতে বিচি দিযে, ৰাতি বিছনাখন ঠিক কৰি পাৰি দিযে, আঁঠুৱাখন ভালকৈ খুছি দিয়ে, গা ধোৱাৰ আগতে কেতিযাবা তাৰ পিঠিটো খজুৱাই দিযে। তাইৰ হাতদুখন বৰ কোমল।

—নাচীমৰ হাতত ধৰি ফুৰিবলৈ আহিছে নাচীমৰ মাক—হাকিমনী আৰু চুৰাইযা। আবেলিযে হ'ল, এৰা, সেই দেখিহে তাৰ পিযাহ লগা যেন লাগিছে।

নাই, ভাবিবই নোৱাৰি। নাচীমৰ মাকজনী ইমান ধুনীযা, নাকে-মুখে, খোজে-কাটলে, চেহেৰাই-পানীযে যেন এপাহ গোলাপ ফুলহে, গালদুখনত ইমান তেজ, এবাৰ চাযে তাৰ তলমূৰ কৰিবলগীযা হয, ইমান তেজ,—তগৰ এওঁৰ পিছত যাবলৈও ভাল নহয।

—মইন কাকা—

—কি নাচীম? আহা—

—আমি ফুৰিবলৈ যাওঁ।

—লজেঞ্জ লৈ যোৱা, আহা, দুখন পাণো লৈ যোৱা।

নাচীম দৌৰি আহে। চুৰাইযা আৰু নাচীমৰ মাকে এবাৰ তালৈ চাই, খোজ ধীৰ কৰি দিযে, লজেঞ্জ মুঠি আৰু পাণদুখন লৈ নাচীম দৌৰি গৈ আকৌ মাকহঁতৰ লগ লাগেগৈ। মইনৰ বৰ আনন্দ লাগে।

হাকিমনীৰ নিচিনা এজনী ৰূপহী মানুহেও তাক চিনি পায, চুৰাইয়া-হঁতেও তাৰ পাণ খায। হাকিমনীযে অলপ হাঁহি নাচীমক সোধে—

—মইন কাকাক পইছা দিলা জানো?

মইনৰ কথাবাৰ শুনি আৰু বেছি লাজ লাগি গ'ল।

নাচীমৰপৰাও সি পইছা লবনে ?

—পইছা দিব নেলাগে, নাচীম—তাৰ মুখ ফুটাই ক'বৰ মন যায়। কিন্তু মাতটো তাৰ ডিঙিতে হেৰাই যায়। তাৰ লাজত মুখখন ৰঙা পৰে। অন্য ধুনীয়া ছোৱালীৰ আগতো সি কথা ক'ব নোৱৰা হয় কেতিয়াবা, কিন্তু হাকিমনীৰ আগত তাৰ যে ইমান বেছি লাজ লাগে।

ধুনীয়া হাকিমনীজনীৰ ভিতৰত মইনে এটা ধুনীয়া কোমল মনৰ সঁহাৰি পায়। পৃথিবীখনৰ প্ৰতি সি এটা গভীৰ কৃতজ্ঞতা অনুভৱ কৰে।

নাচীমৰ মাক আৰু চুবাইযাই হয়তো মুখত পাণখন থকালৈকে তাৰ কথা মনত ৰাখে, তাৰ পিছত পাহৰি যায়। বাটৰ কাষৰ পাণৱালা এটাক মনত ৰাখিবৰ দৰকাৰ ধুনীয়া হাকিমনীৰ নিশ্চয় নহয়, কিন্তু মইনে হাকিমনীৰ কথা বহুত পৰলৈ মনত ৰাখে। মনত ৰাখি তাৰ ভাল লাগে।

অন্য গ্ৰাহক আহে। মইনৰ ধ্যান ভঙ্গ হয়। কিন্তু তাৰ মনত লাগি থাকে যেন এই মাত্ৰ সি ক'ববাৰ ফটিকৰ নৈ এখনত গা ধুই আহিল।

ঘৰত তগৰ অকলে আছে জানিও, সি সোনকালে দোকান বন্ধ নকৰে। চিনেমাৰ চেকেণ্ড শ্ব' আৰম্ভ হৈ যোৱাৰ আধা ঘণ্টামান পিছতহে সি দোকান বন্ধ কৰে। তেতিয়ালৈকে তাৰ অলপ অচৰপ বিক্ৰী হৈ থাকে। এক অনা পইছা ওলালেও কত।

ঘৰলৈ আহোঁতে সি দুখন পাণ, দুটামান লজেঞ্জ, অলপ মছলা লৈ আহে। সুদাহাতে ঘৰলৈ ঘূৰি আহিব নেপায়। তাতে ঘৰত মানুহ এজনী আছে।

প্ৰথম কিছুদিন তগৰলৈ তাৰ বৰ লোভ লাগিছিল। তাইৰ কথা সি দোকানত বহি বহিও ভাবিছিল। কিন্তু ক্ৰমে তাইৰ প্ৰতি তাৰ লোভ কমি আহিল। অলপ ভয়ো লাগিল।

নিকাহ নকৰাকৈ তাইক ৰাখিছে বুলি জানিলে মানুহে তাক বৰ বেয়া বুলিব, হয়তো হাকিম-হাকিমনীয়ে, নাইবা ৰাধা বাবুৱে জানিব পাৰিলে তাৰ দোকানকে উঠাই দিব। তেতিয়া তাৰ ঘূৰি যাবৰ ঠায়ো নহ'ব, সকলোৱে তাক বেয়া মানুহ বুলি ঘিণ কৰিব।

সেই দেখি কোনোবা দিনা সি তগৰক তাইৰ নিজৰ বিছনাত শুই থাকিবলৈ কয়।

আৰু কেতিয়াবা সি ভয়ত অলপ অস্থিৰো হয়। তাৰ লগত বিয়া নোহোৱাকৈ তগৰৰ ল'ৰা-ছোৱালী হ'ব লাগিলে কেলেঙ্কাৰীৰ সীমা নেথাকিব, অলপ সাৱধানে চলা ভাল।

কিন্তু একো নকৈ তাৰ কথামতে তগৰে যেতিয়া সিফালৰ কোঠাৰ তাইৰ নিজৰ বিছনাখনত অকলে শুই পৰেগৈ, তাৰ অস্বস্তি লাগে। অলপ পৰ সি আশা কৰি পৰি থাকে যে তগৰ নিজেই উঠি আহিব, কিন্তু বেছি পৰ সি সেইদৰে বাটচাই পৰি থাকিব নোৱাৰে।

—তগৰ—

তগৰ নীৰৱ, যেন তাইৰ টোপনিযেই আহিল। আকৌ সি মাতে—তগৰ টোপনি গলানেকি? তথাপি তগৰৰ মাত নাই।

সি তাৰ বিছনাৰপৰা উঠি আহে। আৰু আন্ধাৰে মুন্ধাৰে গৈ তগৰৰ বিছনাৰ ওচৰত থিয় হয়গৈ।

—এই তগৰ—ইঃ ইমান সোনকালে টোপনি আহিলনে?

তগৰে তেতিয়াও নেমাতে।

সি তগৰৰ গাত হাত দিয়ে, তগৰ নিশ্চল, তগৰৰ তপত দেহাটোলৈ তেতিয়া তাৰ বেছি হেঁপাহ জাগে।

মইনৰ বিছনাত শুই তাৰ মুখৰ ওচৰত মুখখন থৈ তগৰে সৰু সৰুকৈ কয়—মই যামগৈ।

—ক'লৈ যাবা?

—ক'ৰবালৈ।

—চিলেটীয়াই লৈ যাব।

—যাওক, চিলেটীযাৰ লগতে থাকিম।

তাৰ কিবা এটা ক'বৰ মন যায়। সুধিবৰ মন যায়।

—যদি আমাৰ ল'ৰা-ছোৱালী হয় ?

কিন্তু সুধিবলৈ তাৰ লাজ লাগে। যাঃ সেইবোৰ কথা উলিয়াব নোৱাৰি।

কিন্তু সি নোকোৱাকৈয়ে তগৰে তাৰ মনৰ কথাটো বুজি পায়।

তাই স্থিৰ মাতেৰে কয—তুমি এনেয়ে ভয় খাইছা—

—কতনো ভয খাইছো।

—ভয খাইছা। পিছে সেই কাৰণে ভয কৰিব নেলাগে।

—কিয় ? নোসোধো বুলিও সি সুধি পেলায।

তগৰে সহজ ভাবেই কৈ দিযে,

—আগতে এবেলি ডাক্তৰৰ হতুৱা চোৱাইছিলো। মোৰ বোলে ল'ৰা-ছোৱালী নহয।

কিন্তু তগৰৰ কথাষাৰে মইনক যেন হঠাৎ বৰ শঙ্কিত আৰু নিৰুৎসাহ কৰি দিলে।

ডাক্তৰৰ হতুৱাই চোৱাবৰ কি দৰকাৰ পৰিছিল ? কাৰোবাৰ লগত তাইৰ বিযা-চিয়া হৈছিলনেকি ? নে অন্য কোনো ৰকমৰ—,

কিন্তু সি আৰু তগৰক অন্য কোনো কথা নুসুধিলে।

তাৰ গাৰ কাষ চাপি অহা তগৰক আৰু কাষলৈ চপাই আনি সি মাথোন ক'লে—সঁচাকৈয়ে নেকি ?

ৰাতিপুৱা কিন্তু তগৰৰ মুখলৈ চাই তাৰ আকৌ সন্দেহ হ'ল—তগৰে তাৰ আগত সঁচা কথা কোৱা নাই। এনেকুৱা গাভৰু মানুহ এজনীৰ ল'ৰা-ছোৱালী নহ'ব কিয ? মোক ফান্দত পেলাবৰ কাৰণেহে কিজানি তাই কথা সাজি কৈছে। আৰু ডাক্তৰেনো কেনেকৈ জানিব ?

অৱশ্যে তগৰক সি একো নক'লে।

লাহে লাহে অৱশ্যে তগৰৰ কথা তাৰ সঁচা যেন লাগিল।

আঁঠ মাহ পাৰ হৈ গ'ল। কিন্তু ভয় কৰিবলগীয়া একো নঘটিল। তগৰ আগৰ নিচিনাই আছে, মাত্র আগতকৈ বেছি ধুনীযাজনী হৈছে।

সি নিশ্চিন্ত হ'ল।

তগৰে তাৰ আগত মিছা কথা কোৱা নাছিল। এটা প্রশ্ন কিন্তু তাৰ মনৰ পৰা নগ'ল, বিয়া নোহোৱা ছোৱালী এজনীৰ ডাক্তৰৰ হতুৱাই পৰীক্ষা কৰাবৰ কি প্রযোজন হৈছিল? তগৰে ক'ৰবাত কিবা অঘটন ঘটাই অহা নাইতো? কিন্তু তগৰৰ কেঁচা দেহাটোৰ কথা মনলৈ আহিলে, তাইৰ অতীতক সন্দেহ কৰিবলগীয়া নাই বুলিয়ে সি অনুভৱ কৰে।

নগৰলৈ অহা গাঁৱৰ ল'ৰা এটাৰ আগত বাতৰি দি মাকে তাক মাতি পঠিযালে। ভনীযেকক চাবলৈ মানুহ আহিব—সি নগলেই নহয।

ছুটা দেওবাৰে সি ঘৰলৈ যাব পৰা নাই। সিটো সপ্তাহত আছিল এখন কন্‌ফাৰেঞ্চ, ইটো সপ্তাহত কিবা নাচৰ প্রদর্শনী।

দুপইছা অহাৰ সময়।

ঘৰলৈ গলে হানিহে আছে। দিন এটা খটি হ'ব, বাছ ভাৰাও যাব, তদুপৰি এবোজা লৈ নগলে হ'ব জানো? ঘৰখনতনো আছে কিটো! ছোৱালী চাবলৈ মানুহ আহিব। এইবাৰ কিন্তু তাৰ নগলে নচলে, মাকে অকলে কিটো কৰিব! ঘৰত বা যা-যোগাৰ কি আছে, আৰু মিতিৰৰ ঘৰৰ মানুহ আহিলে চাৰিওফালে পূৰণ দেখি যাব লাগে।

কথাটো মইনে তগৰৰ লগত মুকলিকৈ পৰামর্শ কৰিলে।

তগৰে দিহা দিলে কি কি নিব লাগিব।

দুসেৰ চেনি। পাঁচসেৰ মান মযদা, এটা এসেৰীযা ডালডা ঘিউৰ টিং, কনডেন্স মিল্কৰ টিং দুটা—গাঁৱত গাখীৰ বা আছেনে নাই—ডাব নাৰিকল এটা, মছলা—লং ডালচেনি অলপ, আৰু ছোৱালীজনীলৈ এসাজ ভাল কাপোৰ।

মইনে শুনি যায়।

ছোৱালীবোৰে মতা মানুহতকৈ বহুত বেছি কথা জানে। ইমানবোৰ কথা সি নেজানিছিলেই।

অলপ ভাবি মইনে ক'লে—পিছে তাইৰ অলঙ্কাৰ-পাতিহে একো নাই।

—অতদিনে কৰাব লাগিছিল, বাৰু হ'ব। গাঁৱৰে কাৰোবাৰ ঘৰৰপৰা আনিবা বিচাৰি।

গাঁৱত নো কাৰ ঘৰত আছে? আটাইবোৰ দুখীয়া মানুহ, ভাত কাপোৰৰ লগত সাঁচতীয়া সোণ-ৰূপৰ গহনায়ো ৰক্ষা নেপায়।

নাচীমৰ মাকৰ কথা মইনে প্ৰায়ে তগৰক কয়, হাকিমনীৰ কথা তগৰৰ মনত পৰিল।

—ক'লে হাকিমনীয়ে বাৰু নিদিবনে?

—কোনে? হাকিমনীয়ে? দিলেই জানিবা, পিছে মই মৰিলেও ক'ব নোৱাৰো, আৰু হাকিমনীৰ ডিঙিৰ অলঙ্কাৰ আমাৰ ছোৱালীৰ ডিঙিত শুৱাব জানো। যিহে ধুনীয়া ধুনীয়া, দামী দামী অলঙ্কাৰ পিন্ধে।

—এদিনৰ কাৰণে কোনোবা সোণাৰীয়েও দিব পাৰে।

—সোণাৰীয়েনো ক'ত দিব?

—দিব। অলঙ্কাৰৰ দামৰ জোখাৰে টকা দিব লাগে। অলঙ্কাৰ ঘূৰাই দি টকা লৈ আহিব লাগে।

কথাষাৰ মইনে ভাবি চালে। সেইটো কৰিব পাৰিলে বেয়া নহয়। তাৰ দোকানৰপৰা অলপ আঁতৰতে বসন্ত ঘোষৰ সোণাৰীশাল, তাৰ অলপ অলপ চিনাকিযেই, কেতিযাবা তাৰ দোকানৰ তামোল খায়। তাক অৱস্থাটো বুজাই ক'লে আৰু সোণৰ অলঙ্কাৰৰ সমানি টকা দি গলে নিদিবৰ কাৰণ নাই।

ছোৱালীজনী চাবলৈ আহিব, হাত-কাণ উদি দেখি মিতিৰৰ ঘৰে কি ভাবিব?

তাৰ সাঁচতীয়া ৰূপ ক্ৰমশমান উলিয়াব লাগিব। তাকে বসন্ত যোৱৰ ওচৰত জমা থৈ অলঙ্কাৰ নিব লাগিব।

বেচ বুদ্ধি আছে তগৰজনীৰ।

ভনীজনী বিয়া দি লব পাৰিলে বহুত চিন্তা কমি যাব মইনৰ। থাকিব মাথোন মাক। তাৰ পিছত বৌটিক যদি এজনী বোৱাৰী যোগাৰ কৰি দিব পাৰো, বেচ সুখেৰে দিনবোৰ কটাই দিব পৰা যাব।

অৱশ্যে আজিও মইনে সিদ্ধান্ত কৰিব পৰা নাই তগৰেই সেই ছোৱালীজনী হ'বনে আন কোনোবা ছোৱালীহে হ'ব। দিনৰ পোহৰত অৱশ্যে মইনে অস্পষ্টভাৱে অনুভৱ কৰিলে যে তাৰ মনৰ মাজত থকা ছোৱালীজনী তগৰ নহয়, অন্য বেলেগ ছোৱালীহে। তাইক মইনে এতিয়াও দেখা নাই। কিন্তু তাই অন্য কোনো ছোৱালীৰ লগত নিমিলে। সেই ছোৱালীজনী কেতিয়া তাৰ জীৱনলৈ আহিব সি আজিও ক'ব নোৱাৰে।

তাৰ মনে মনে ভয়ো হ'ল—হঠাৎ যদি তাৰ মনৰ সেই ছোৱালীজনী ক'ৰবাৰপৰা আহি পৰে তেতিয়া সি তগৰক লৈ কি কৰিব? তগৰক জানো সি ক'ৰবাত পেলাই দিব পাৰিব।

তগৰ ভাল ছোৱালী নে বেয়া ছোৱালী আজি আৰু তাৰ বিচাৰ কৰিবৰ প্ৰয়োজন মইনে অনুভৱ নকৰে।

তগৰ তাৰ লগতে আছে আৰু।

তাৰ মনৰ মাজৰ অচিনাকি ছোৱালীজনীৰ ছবি তাৰ মনৰপৰা মচ খাই খাই যায়। সেই ছোৱালীজনী সি আজিও ক'তো দেখা নাই। আৰু যদি সঁচাকৈয়ে তাৰ মনে বিচৰা ছোৱালীজনী হঠাৎ ক'ৰবাৰপৰা আহি নোলায়হি, সি অভিযোগ নকৰে। মাকক মান্তি কৰাই সি তগৰকে বিয়া কৰি থব। তগৰো বেয়া ছোৱালী নহয়।

আৰু ইমান দিন যেতিয়া একেটা ঘৰতে আছেই। আগে ভনীজনীক দি দিওঁ, তাৰ পিছত অন্য কথা ভাবিম। আৰু দুখন

বিয়া একেলগে পাতিবৰ শক্তিয়েইবা ক'ত? নিচেই কমেও ভনীজনী দিয়াৰ পিছত দুই এবছৰ বহি বহি দুপইছা গোটালেহে হ'ব।

হাকিমনীৰ ভনীয়েক নাইনে বাৰু? হাকিমনীৰ নিচিনা ধুনীয়া ছোৱালী এজনী ক'ৰবাত নাইনে বাৰু, তেতিয়া লাগিলে তগৰো থাকিব, কিনো বেয়া হ'ব?

আৱশ্যকীয় বস্তু-বাহানি লৈ সি ভনীয়েকৰ তামোল-পাণ কটোৱালৈ গ'ল। অসমীয়া মুছলমানৰ জোৰোণ বিয়াৰ ভালেমান দিন আগতে হয়। ছোৱালী ঘৰত কিবা অলঙ্কাৰ পাতি এটা দি কথাবতৰা পাতি থলে, বিয়া যিমান দিনৰ মূৰতে পাতক, কোনো কথা নাই। ছোৱালীজনী ধৰি থলেই দুয়োঘৰ নিশ্চিন্ত হ'ব পাৰে। কেতিয়াবা জোৰোণৰ লগতে বিয়াৰ দিনবাৰো ঠিক কৰি পেলায।

তগৰক মইনে ঘৰত অকলেই এৰি গ'ল। অৱশ্যে তাৰ ঘৰত এজনী ছোৱালী থকাৰ কথা তাৰ চিনাকি দুই চাৰিয়ে নজনা নহয়। কোনায়ে আপত্তি কৰাৰ বিশেষ কাৰণ নেদেখিলে।

—ৰাতি অকলে থাকিবলৈ ভয় লাগিবনেকি?

—অলপ ভয় লাগিব, বাৰু তুমি ভাবিব নেলাগে, একো নহয়।

—এৰা, একো ভয় নাই। এই খিনিত মানুহেই নাই কাৰণেহে। আৰু মোৰ দুদিন হ'ব। কাইলৈ ৰাতিপুৱা যাম, কাইলৈৰ দিনটো, পৰহিৰ দিনটো, তাৰ পিছদিনা আগবেলাতে মই ওলামহিয়েই, ভয় কৰিবৰ দৰকাৰ নাই।

তগৰে আশ্বাস দিলে তাই ভয় নকৰে।

মইন যোৱাৰ পিছতে কিন্তু তগৰৰ বৰ উকণ্ডা আৰু অকলশৰীয়া লাগিল, আধামাইলৰ ভিতৰত চিনাকি আপোন বুলিবলৈ কোনো নাই। ৰাতি বিয়লি ভয় নেলাগিবনে?

দুপৰীয়া ভাত খাই উঠি, তগৰে বিছনাতে পৰি কিবা কিবি ভাবি আছিল। পিছুলি মূৰৰ পৰা কোনোবাই মাতিলে—মইন,—মইন।

প্ৰথমে তগৰে বেৰৰ জলঙাইদি জুমি চালে। বছিৰ হ'ব পায়। কেতিয়াবা মইনক বিচাৰি আহে।

দুৱাৰ মুখৰ পৰা তগৰে ক'লে : তেওঁ নাই।

—কলৈ গ'লনো? দোকানো বন্ধ দেখিছে খবৰ কৰো বুলি সোমালো।

বছিৰ আগবাঢ়ি আহিল।

কওঁনে-নকওঁকৈ তগৰে ক'লে : কাইলৈ ভনীয়েকৰ জোৰোণ, ঘৰলৈ গ'ল।

আজি তেন্তে নাহিব আৰু? বৰ টান ৰ'দ ওলাইছে, চাওঁ, পানী এগিলাচ হ'বনে? বছিৰ সোমাই আহিল, সহজ হ'বৰ চেষ্টা কৰি তগৰে গাৰ কাপোৰকানি ভাল কৰিলে। ভিতৰৰপৰা পানী এগিলাচ আনি বছিৰক দিলে।

বছিৰে বোধহয় নাপিতৰ তাত চুলি কটাই আহিছে, ডাড়ি খুৰুৱা মুখখনত নাপিতে ঘহা পাউডাৰ লাগি আছে, কামিজটো ময়লা।

পানী গিলাচ শেষ কৰি তগৰৰ মুখলৈ চাই বছিৰে ক'লে—এৰা, দোকানখন বন্ধ দেখিয়ে ভাবিছিলো কেনিবা গৈছে। পিছে ক'বই নোৱাৰো যে কাইলৈ ভনীয়েকৰ জোৰোণ, কাইলেও ক'ত আহিব পাৰিব চাগৈ।

তগৰে কোনো উত্তৰ নিদিলে, কিন্তু মনে মনে তাইৰ ভয় লাগিল। মইন থকা নথকাৰ কথা কিয় এনেদৰে সুধিছে বছিৰে? আৰু তাৰ যেন বহাৰ পৰা উঠিবৰ মনেই নাই।

পানীৰ পিছত তামোল। বছিৰ গ'লগৈ। তেতিয়াহে তগৰৰ অলপ পাতল লাগিল, কিন্তু বছিৰৰ হাব-ভাবৰ পৰা তাই যে নিশ্চিন্ত হোৱা উচিত নহয় তগৰে বুজিলে। গাঁৱত হ'লে তগৰে অকলে এটা ৰাতি ঘৰত থাকিবলৈ ভয় নকৰিলেহেঁতেন, বহুত ৰাতি তাই তেনেকৈ নথকা নহয়, কিন্তু নগৰ-চহৰৰ কথা বেলেগ, আৰু মইনৰ বাহিৰে তাইৰ চিনাকি

আপোন মানুহো কোনো নাই ইযাত, কাক বিশ্বাস কৰিব, কাক নকৰিব—তাই একো ক'ব নোৱাৰে।

মইনকো তাই বিশ্বাস কৰিব পাৰিছিল, সিও গাঁৱৰ ল'ৰা বুলিহে।

তগৰ বাহিৰলৈ ওলাই আহিল।

ৰ'দ লহিয়াই আহিছে, পশ্চিমৰ ফালে আকাশৰ বুকত মেঘ জমা হৈছে। এতিয়া নহলেও, ৰাতিলৈ বৰষুণ হ'ব পাৰে। আজি কেইবা-দিনো একে লেঠাৰিয়ে ৰ'দ দিছে। ধুমুহা বতাহো হ'ব পাৰে। তগৰে আকাশৰ ফালে চাই বতাহৰ গতিগোত্ৰ লক্ষ্য কৰিলে, আকাশখন তাইৰ চিনাকি। এইখন আকাশে তাইক ফাঁকি নিদিয়ে।

বছিৰটো ডেকা মানুহ, তাতে বিযা নকৰোৱা মানুহ, ৰাতি যদি সি আহি দুৱাৰ হেঁচি ভিতৰ সোমাই।

তগৰৰ ভয় লাগিল, নহয়, তাই আজি ৰাতি অকলে থকা নিৰাপদ নহ'ব। বছিৰ নহৈ অন্য কোনোবা বেয়া মানুহেওতো আহি তাইক আমনি-কৰিবহি পাৰে, তাইক কোনে ৰক্ষা কৰিব? ক'ত ৰাতি দুপৰত গৈ তাই আশ্ৰয় বিচাৰিব? নগৰখনৰ কিমানকনো তাই চিনি পায?

তগৰে এবাৰ ভাবি চালে—তাই কাৰ ওচৰলৈ যাব? কাৰ ওচৰলৈ যাব পাৰে?

তাইৰ মনত পৰিল হাছমতৰ কথা।

তাইৰ মনটো পাতল লাগিল।

হাছমত মইনৰ বৰ অন্তৰঙ্গ বন্ধু। যোৱা বছৰ বিয়া কৰাইছে। এদিন ঘৈণীয়েকক লৈ মইনৰ ঘৰলৈ আহি মাছ-ভাত খায়ো গৈছে। হাছমতৰ ঘৈণীয়েক গাঁৱৰ ছোৱালী, ছোৱালীজনী বৰ ৰূপহী।

আৰু হাছমত অকলে থাকিব পায এতিয়া, ঘৈণীয়েকৰ গা-নবীয়া আছিল—মাকৰ ঘৰত আছেগৈ। ল'ৰা-ছোৱালী এতিয়াও হোৱা নাই কিজানি, নহ'লে মইনে খবৰটো নিশ্চয় দিলেহেঁতেন।

ক'লৈগৈ আজি ৰাতিটো হাছমতেই আহি তাইক নিশ্চয় ৰখিবহি,

এৰা, কোনোবা মটা মানুহ এতা নেথাকিলে ৰাতিটো তাই শান্তিৰে টোপনি যাব নোৱাৰিব।

হাছমতৰ ঘৰটো তাই দেখিছে। আগে পিছে যোৱাহে নাই। মইনে ফুৰাবলৈ নিওঁতে হাছমতৰ ঘৰটো তাইক কেইবাদিনো দেখুৱাই গৈছে।

তগৰে আৰু বিশেষ নেভাবিলে, বৰষুণ হয়তো সন্ধিয়াৰ পিছতহে আহিব, কিন্তু দিনে পোহৰে গৈ হাছমতক কৈ আহিলেহে হ'ব, নহ'লে মতা মানুহ কেনি গুচি যায় কি ঠিক।

তগৰে মূৰটো ভালকৈ ফণিযালে, মুখত অলপ পাউদাৰ ঘঁহিলে, আৰু এসাজ ভাল কাপোৰ পিন্ধি, দুৱাৰত তলা মাৰি, ঘৰৰ পৰা ওলাই গ'ল।

হাছমত কামৰপৰা আহি ঘৰ সোমাইছিলহি। হাছমতে পি. ডব্লিউ ডি ৰ আলি মহৰী কাম কৰে। ৰ'দে বতাহে ঘূৰি ফুৰি অলপ ক'লা পৰিছে। তাতে ঘৈণীযেক নথকাৰ কাৰণে নিজেই ৰান্ধি-বাঢ়িও খাবলগীয়া হৈছে। সি মানুহটো হৃষ্ট-পুষ্ট স্বাস্থ্যবান, প্ৰায় ছফুট ওখ, মুখৰ গঢ়টো বৰ ধুনীয়া নহয় যদিও, শকত-আৱত, হাত-ভৰিবোৰ যৌৱন আৰু স্বাস্থ্যৰ পৰিচায়ক।

কামিজ গেঞ্জী খুলি কেন্‌ভাচৰ জোতাযোৰ সোলোকাই থৈ সুদা গাৰে মূঢ়াটোত বহি হাছমতে ভাগৰ পলুৱাবৰ চেষ্টা কৰিছিল, হাতত তাৰ বিচনীখন?

অলপ উচ-পিচ কৰি তগৰ সোমাই আহি দুৱাৰ মুখত ৰ'লহি, হাছমতে মূৰ তুলি চালে।

—তু—তুমি—। আহা ভিতৰলৈকে আহা। হাছমত বহাৰ পৰা উঠিল আৰু মূঢ়াটো তগৰক এৰি দিলে বহিবৰ কাৰণে।

—ভালনে?

—হয় ভাল।

—মইনক কেইবা দিনো দেখা নাই। ভালনে তাৰ?

—হয়—চুটিকৈ ক'লে তগৰে।

—বৰ গৰম পৰিছে আজি।

হাছমতে হাতৰ বিচনীখন তগৰলৈ আগ বঢ়ালে।

—ঘৰত আৰু কোনো নাইনেকি?—এনেয়ে তগৰে সুধিলে।

—ইহঁত মাকৰ ঘৰলৈ গ'ল। ছুমাহমানেই হ'ল। তাৰ পিছত অলপ হাঁহি আৰু সঙ্কোচ মিহলি মাতেৰে ক'লে—ছোৱালী এটি হৈছে নহয়—

—ক'তা, আমি দেখোন খবৰকে পোৱা নাই। কেতিয়া হ'ল?

হিচাপ কৰি হাছমতে ক'লে, আজি ন' দিন হৈছে। পৰহি মই চাই আহিলোগৈ।

—ভালে আছে নহয়?

—ভাল, মাক কেঁচুৱা দুয়ো ভালে আছে। তগৰে স্পষ্টভাৱে বুজিব পাৰিলে হাছমতৰ মাতত এটা স্বাভাবিক আনন্দৰ সুৰ।

আনন্দৰ কথা—হাছমত বাপেক হ'ল। প্ৰথম সন্তানৰ পিতৃ হোৱাৰ কি উৎফুল্ল আনন্দ।

তামোল এখন খোৱাৰ পিছত তগৰে কওঁ-নকওঁকৈ ক'লে আজি গধূলি ক'ৰবালৈ যাবনেকি?

—নেযাওঁ, কেলেই?

—কাইলৈ ভনীয়েকৰ জোৰোণ আছে, আজি ৰাতিপুৱাই ঘৰলৈ গ'ল।

তাৰ পিছত অলপ বৈ এৰাৰ কথা সাজি ক'লে: মোৰ তেনেকৈ ভয় নেলাগে। পিছে আমাৰ ঠাই ডোখৰ বৰ শূইন, ওচৰত মানুহ দুনুহো নাই। যদি পাৰে ৰাতিটো আমাৰ তাতে থাকিবলৈ ক'বলৈ মোক কৈছিল। সেই কাৰণেহে মই আহিলো।

হাছমতে তগৰৰ মুখলৈ চালে।

—এৰা, এমুৰীয়া ঠাইত অকলশৰীয়া মানুহে ৰাতি কটোৱাটো আজিকালি ভয়ৰহে কথা। যিহে চোৰ-ডকাইত হৈছে আজিকালি।

তগৰ তলমূৰ কৰি বহি থাকিল। একো নক'লে।

—এটোপা চাহপানী কৰো ? হাছমতে ক'লে।

—নেলাগে এতিয়া চাহ কৰিব। বতৰ বেয়া কৰি আনিছে। মই যাওঁহঁ।

তগৰ বহাৰ পৰা উঠিল।

আকৌ এবাৰ হাছমতৰ মুখলৈ চাই সুধিলে : ছোৱালীজনী খুব ধুনীয়া হ'ব নহয় ?

তৃপ্তিৰ এটা সৰু হাঁহিৰে হাছমতে ক'লে :

—মাকৰ নিচিনাই হ'ব বুলি কৈছে সকলোৱে।

—এৰা, মাক জানো কম ধুনীয়া—কৈ তগৰে হাছমতৰ মুখলৈ চালে। এজনী ধুনীয়া ছোৱালীৰ স্বামী হ'ব পৰাটো গৰ্বৰ কথা।

হাছমতে এটা আত্মপ্ৰসাদৰ হাঁহি মাৰিলে।

তাৰ পিছত হাছমতে ক'লে : বাৰু, ভয় কৰিব নেলাগে। মই যাম বাৰু, পিছে মোৰ ইয়াতো কোনো নাই নহয়, ইয়াত কোনোবা এটাক ৰাখি যাব লাগিব। অলপ যদি দেৰি হয় চিন্তা নকৰিবা।

—ভাল বাৰু। পিছে পাৰিলে অলপ সোনকালে যাব। ভাত পিছে আমাৰ তাতে খাব। ইয়াত আৰু বনাব নেলাগে।

তগৰে এবাৰ আকাশৰ ফালে চালে। পশ্চিমৰ মেঘবোৰ ঘন হৈ উৰি আহিছে। আৰু কিছু পৰৰ মূৰত বৰষুণ আহিব হয়তো। ৰ'দ দুৰ্বল হৈ আহিছে।

—মই তেনেহ'লে যাওঁ।

ওৰণিখন অলপ টানি লৈ তগৰে এবাৰ হাছমতৰ মুখলৈ চাই ক'লে।

—বাৰু যোৱা, চাহ এটোপাও খুৱাব নোৱাৰিলো।

—পাৰিলে অলপ সোনকালে যাব দেই।

—বাৰু, পাৰিলে সোনকালেই যাম।

হাছমতে তগৰক পদূলি-মূৰত আগবঢাই থলে। কেনিও কলৈকো নোচোৱাকৈ তগৰে অলপ বেগাই খোজ দিলে ঘৰৰ ফালে।

হাছমতে বিশেষ নেভাবিলে, মইনটো নাই, তগৰজনী ৰাতি অকলে থাকিব। কোনোবা এটাই নৰখিলে তাই অকলশৰে কেনেকৈ থাকিব ?

মইনৰ কাৰণে হাছমতৰ ভাল লাগিল। আপদে-বিপদে অকণমান সহায় কৰিব নোৱাৰিলেনো কিহৰ বন্ধু ?

অকণো ভয় নাই মইন, এদিন নেলাগে এসপ্তাহ নেথাকিলেও তোমাৰ চিন্তা কৰাৰ দৰকাৰ নাই। তোমাৰ ঘৰ মই ৰখিম।

মইনৰ কাৰণে সিমানকণ কৰি দিব পাৰিব বুলি হাছমতৰ আনন্দ লাগিল, সি কাপোৰ-কানি পিন্ধি বজাৰৰ ফালে ওলাই গ'ল। আজি তাৰ ভাত ৰান্ধিবও নেলাগে। তগৰে খাবলৈকো মাতি গৈছে।

সন্ধিয়াৰ লগে লগে বতাহ আৰু বৰষুণ আৰম্ভ হ'ল। অলপ সময় অহাৰ পিছত বতাহজাক কোনোবা ফালে গ'লগৈ, বৰষুণ কিন্তু চলি থাকিল হয়তো গোটেই ৰাতি বৰষুণ দিব।

তগৰে ঘৰটো নিকাকৈ সাৰিলে। অৱশ্যে আগৰে পৰা মইন বৰ পৰিপাটি আৰু কোনো নাই লেতেৰা কৰিবলৈ।

মইন শোৱা বিছনাখনত এখন ধুই থোৱা চাফা বিছনাচাদৰ পাৰিলে, গাৰুৰ গিলিপ দুটাও নতুনকৈ খুৱাই দিলে, সৰু মেজখনত চাফা এখন টেবুল ক্লথ পাৰি দিলে।

নিজৰ বিছনাখনো তগৰে জাৰি জোকাৰি চাফা কৰি থলে।

হাছমত মহৰী নগৰীয়া 'ডাঙৰ মানুহ'। ঘৰখন অপৰিষ্কাৰ হৈ থাকিলে তাইক কি বুলি ভাবিব ?

ৰান্ধনীশাল ডোখৰো তগৰে সাৰিমাজি চাফা কৰিলে।

তাৰ পিছত তত্তাতৈয়াকৈ গাটো ধুই এসাজ সাধাৰণ কিন্তু পৰিষ্কাৰ কাপোৰ পিন্ধিলে। একে সাজকে পিন্ধি বাহিৰ ভিতৰত ফুৰা

দেখিলে মহৰীয়ে নিশ্চয় তগৰক বৰ নিচলা বুলি ভাবিব। আৰু মইনেওতো তাইক কাপোৰ-কানি যথেষ্ট দিছে।

আগফালৰ কোঠাৰ কাৰণে লণ্ঠনটো আৰু ভিতৰত দুটা টিপচাকি জ্বলালে তগৰে। তিতা চুলিবোৰ গামোচাখনেৰে মচি মচি তগৰে আৰ্চিখনৰ আগত বৈ নিজৰ মুখখন চালে। গা ধুই উঠাৰ কাৰণে তাইৰ মুখখন ধুনীয়া হৈ পৰিছে। গাৰুৰ তলৰ পৰা উলিয়াই তাই সৰু ঠুৰিযাযোৰ পিন্ধি ল'লে, নিজৰ গাটোও তাই এবাৰ চালে। তাৰ পিছত কিজানো ভাবি তাই বাকচটো মেলি মইনে আনি দিয়া বদিচটোও পিন্ধি ললে, গাটো তাইৰ আঁটিল লাগিল।

বৰষুণ দি আছে। মাজে মাজে অলপ কমে, কেতিয়াবা ডাঙৰকৈ আহে।

পৃথিবীৰ বুকলৈ আন্ধাৰ নামি আহিছে—ঘন নিবিড় আন্ধাৰ।

অকাৰণতে তগৰৰ মনটো পাতল লাগিল। তাই ৰান্ধনীশালত সোমাই ভাত-পানী ৰন্ধাত লাগিল। মাছ নাই, ডাইল, কণীভজা, শাকভজা, পদিনাৰ চাটনি—আলুৰ দুটা চপ—তাই যি জানে, আৰু ঘৰৰ ভিতৰত যি আছে।

এজন ডাঙৰ মানুহক ভাত খুওৱাৰ কথা।

বৰষুণৰ শব্দৰ বাহিৰে অন্য কোনো সা-সঁহাৰি নাই। তগৰৰ কাণ দুৱাৰৰ ফালে, ৰাতিহৈ আহিছে—এই হাছমত আহি পাবহি।

দুৱাৰখন তাই এনেয়ে বন্ধ কৰি থৈছে, আলহী মাতি দুৱাৰ ডাং মাৰি থলে কি ভাবিব!

মাজতে এবাৰ এনেয়ে পাক মাৰি গ'ল তগৰে, কোনো নাই অহা

হাছমত যদিহে নাহে। 'ডাঙৰ মানুহৰ' লোকৰ ঘৰ ৰখিবলৈ ভাল লাগিব জানো? নাহিবৰ কোনো কাৰণ নাই। নহা হ'লে কৈ দিলেহেঁতেন।

আকৌ এবাৰ আৰ্চিৰ আগত বৈ তগৰে নিজৰ মুখখন চালে, হয়তো জুইৰ কাষত থকাৰ কাৰণে বৰকৈ ৰঙা পৰিছে।

ভাত লবাই উঠি তাক ডাল খৰলৈ লৈছিল তগৰে—দুৱাৰ মুখত কোনে যেন মাতিলে—তগৰ। ততাতৈয়াকৈ হাতত লেমটো লৈ তগৰ ওলাই আহিল।

হাছমত বেচেৰা বৰষুণত তিতিয়ে আহিল চাগৈ।

তগৰে দুৱাৰখন মেলি দিলে, অজানিতেই মুখত অভ্যৰ্থনাৰ হাঁহিটো ফুটি উঠিল।

—বৰ বৰষুণ দিছে:

মাতটোত তগৰ জিকাৰ খাই উঠিল। তাইৰ মুখৰ হাঁহিটো মুহূৰ্ততে মাৰ গ'ল।

ভিতৰলৈ, অলপ হুঁহাৰ নিচিনা কৰি সোমাই আহিল বছিৰ।

অলপ তিতি আহিছে, অৱশ্যে ছাতি লৈ আহিছে।

—বৰষুণজাক ভালেই আহিছে, পিছে অলপ তিয়ালেহে।

হাতৰ ঠাৰিত লাগি অহা পানীখিনি মচি, ভিতৰলৈ সোমাই আহি বছিৰে ক'লে। বছিৰক বহিবলৈ ক'বনে নকব তগৰে একো ঠিক কৰিব নোৱাৰিলে। বহিলে কি জানিবা নোযোৱা হয।

কিন্তু অলপ পৰ ভাবি মনতে কিবা এটা সিদ্ধান্ত কৰি তগৰে ক'লে—বহক—

কথাবাৰৰ কাৰণে যেন বছিৰে বাট চাই আছিল—সি বহিল।

—মইন নাই অহা নহয়?

তগৰে বছিৰৰ কথাৰ কোনো উত্তৰ নিদিলে।

—এৰা, মই বজাৰৰ ফালে ওলাই গৈছিলো। এতিয়া ঘূৰি আহোতে বোলো তুমি অকলে আছা—খবৰ এটা কৰো।

তগৰৰ ফালে নোচোৱাকৈয়ে বছিৰে ক'লে।

মেলা দুৱাৰখনেদি তগৰে বাহিৰৰ ফালে চালে—আন্ধাৰ আৰু বৰষুণ। তাইৰ অলপ ভয় লাগিল।

ভাতৰ চৰু জুইৰ ওপৰতে আছে—ভাত তলত লাগিব পাৰে।

তাই কোনোমতে ক'লে, ভাতখিনি নমাই থৈ আহো।

লেমটো লৈ তাই ৰান্ধনীশাললৈ সোমাই গ'ল।

ৰান্ধনীশালত তগৰে ভাবিলে বছিৰ বেয়া মানুহ নবহওতো পাৰে। মইনৰ চিনাকি, কিজানি বন্ধুও ভাল বুলিয়ে কিজানিবা খবৰ কৰিবলৈ আহিছে। এনেয়ে মানুহক বেয়া ভবা বেয়া।

ভাত নমাই তামোল এখন কাটি তাই বটাটো হাতত লৈ ওলাই আহিল। মনতে যেন তাই এটা বেলেগ শক্তি পালে।

কিন্তু বছিৰৰ সম্মুখলৈ আহি, তাৰ মুখৰ অস্পষ্ট হাঁহিটো দেখি তাইৰ ধাৰণা আকৌ সলনি হৈ গ'ল। বছিৰৰ চকু মুখ বৰ কুটিল কিজানি কি পাঙি আহিছে।

তামোলৰ বটাটো তাই বছিৰলৈ আগবঢাই দিলে।

বছিৰ বিয়া নকৰোৱা ডেকা মানুহ। তাই ঘৰত অকলশৰে আছে ইপিনে বাহিৰত আন্ধাৰ আৰু বৰষুণ।

তামোলখন মুখত ভৰাই বছিৰে যেন ভালকৈ বহি লবৰহে চেষ্টা কৰিলে।

তগৰৰ আৰু বেয়া লাগিল।

হঠাৎ বছিৰে সুধিলে অপ্ৰত্যাশিত প্ৰশ্ন ঃ

—তোমালোকৰ বিয়া হ'বৰ কিমান দিন হ'ল ?

তগৰৰ তালু ওঁঠ শুকাই গ'ল এনে প্ৰশ্ন কোনোবাই কেতিয়াবা কৰিব পাৰিব বলি তাইৰ ধাৰণাই নাছিল।

মোক জব্দ কৰিবৰ চেষ্টা কৰা নাইতো ?

তগৰে সিদ্ধান্ত কৰি পেলালে—তাইৰ বিষযে কোনো কথা জানিবৰ অধিকাৰ বছিৰৰ নাই। বছিৰকো জব্দ কৰা দৰকাৰ, তাই সিমান সহজ ছোৱালী নহয়।

অলপ সঙ্কোচেৰে কোৱাদি তগৰে ক'লে—কেইবা মাহো হ'ল।

কথাষাৰ কোৱাৰ পিছত তাই আৰু সাহস পোৱা যেন পালে।

—এৰা আমি ক'বই নোৱাৰিলো, মইনে, নজনালেই। ভাল হ'ল নজনালে। এতিয়া লোকৰ তিৰোতাৰ লগত মেল মাৰি থাকিব নেলাগে।

কিন্তু কিজানি আচল কথাটো বছিৰে জানে? তাইক কি বুলি ভাবিছে চাগৈ।

কিছু পৰৰ নিস্তব্ধতা।

তগৰৰ অলপ ভয় লাগিল।

বছিৰে কিজানি সকলো জানে। কিজানি সি গৈ বাবাইতক কৈ দিযেগৈ মই ইয়াত থকাৰ কথা। কিন্তু এতিয়া আৰু কথা সলাবৰ কোনো উপায় নাই।

অন্য ভয়তকৈ এই নতুন ভযটোৱেহে মুহূৰ্তৰ কাৰণে অস্থিৰ কৰি তুলিলে—তগৰক। আকৌ তাইৰ মুখখন শুকাই গ'ল।

নিস্তব্ধতাখিনি ক্ৰমে অসহ্য হৈ আহিব ধৰিলে। নিৰুপাযৰ দৰে তগৰে সৰুকৈ ক'লে—ৰাতি ভালেমান হ'ল কিজানি।

বাহিৰৰ ফালে চাই বছিৰে ক'লে—এৰা, বৰষুণ জাকো বৰ দিছে। আজি নেৰিবই হ'বলা।

এই মুহূৰ্তত তগৰে আশা কৰিছিল যেন হাছমত আহি এলাওকহি আৰু তাইক ৰক্ষা কৰক।

কিন্তু বাহিৰত আছে কেৱল আন্ধাৰ আৰু জৰজৰীয়া বৰষুণজাক।

হাছমত নাহিবনেকি?

কথা পাতিবলৈ কাৰো একো নাছিল—নীৰৱতাও অসহ্য হৈ উঠিছিল। তগৰৰ বিৰক্তি লাগিল।

তলমূৰ কৰি সৰুকৈ বছিৰে ক'লে—মোৰ ঘৰলৈও ভালেমান দূৰ যাব লাগিব।

এই সুযোগতে তগৰে আকৌ ক'লে—ৰাতি ভালেমান হ'ল।

তগৰে অলপ সাহস পোৱা যেন পালে। বছিৰৰ ভিতৰৰ পুৰুষটোতকৈ যেন কাপুৰুষটোহে বেছিকৈ ধৰা পৰিছে। তথাপি তাৰ এই অবাঞ্চনীয় উপস্থিতি তগৰৰ অসহ্য লাগি আহিব ধৰিলে।

শেষত সকলোখিনি মনৰ বল একে ঠাই কৰি তগৰে ক'লে—মই ভাত পানীত লাগোগৈ, আপুনি যাব আৰু—

বছিৰে তগৰৰ মুখলৈ চালে, তগৰেও চালে। তাৰ চকুত দুৰ্বল কামনাৰ সপ্ৰতিভ চাৱনি। তগৰৰ যেন তালৈ পুতৌ হ'ল, আৰু সেই কাৰণেই বিৰক্তও হ'ল বেছিকৈ।

তগৰে নিজকে সংযত কৰি অলপ শান্ত মাতেৰে ক'লে—আপুনি বেয়া নেপাব। আপুনি বহি থকাৰ কাৰণে মই বেয়া পোৱা নাই, ভালেহে পাইছো। পিছে তেখেত ঘৰত নাই, মতা মানুহৰ কথা—কিজানি কি ভাবি পেলাব।

কথাষাৰ কৈ তগৰ তাত নৰৈ ৰান্ধনীশাললৈ সোমাই গ'ল।

তগৰৰ কথাষাৰে যেন বছিৰক উৎসাহহে দিলে। সি বহাৰ পৰা উঠিল, আৰু অপেক্ষা নকৰি ৰান্ধনীশালৰ ফালে সোমাই গ'ল।

তগৰে ঘূৰি চালে।

—কি হ'ল? অলপ কঠিনভাৱে ঘূৰি চাই তাই সুধিলে।

—আজি আৰু মইন নাহে নহয়—

এইবাৰ তগৰ আৰু কঠিন হ'ল আৰু ক'লে—

—আহিলে বা নাহিলে আপুনি ভিতৰলৈ সোমাই আহিল কিয়? আপুনি যাওক, মই অন্য ছোৱালীৰ নিচিনা নহয়।

ইমানখিনি ক'বলৈ ক'ৰ সাহস পালে তগৰে নিজেই বুজিব নোৱাৰিলে।

শঙ্কিত চকুৰে বছিৰে তগৰৰ মুখলৈ চালে, সি লাজ বা অপমান অনুভৱ কৰা নাই, অনুভৱ কৰিছে পৰাজয়—এজনী সামান্য, নিঃসঙ্গ ছোৱালীৰ ওচৰত।

তগৰ আকৌ আগফালৰ কোঠালৈ ওলাই আহিল—নিৰুপায় হৈ ওলাই আহিল বছিৰো। সি লাজ পাইছে।

—মই তেনেহ'লে যাওঁ—

বৰ করুণ শুনালে বছিৰৰ মাতটো, তগৰে তাৰ মুখলৈ চালে।

তাইৰ যেন বছিৰলৈ অনুকম্পা হ'ল। বিয়া কৰাবলৈ সমৰ্থ নথকা দুখীয়া ডেকা,—এটা নিঃসঙ্গ আত্মাৰ ৰাতিৰ আশ্ৰয় লৈ তাইৰ কাষত ক্ষন্তেকৰ তৃপ্তি বিচাৰি আহিছে। অথচ তাই নিষ্ঠুৰভাৱে তাৰ আশাক ব্যৰ্থ কৰি খেদাই দিছে।

তগৰৰ অজানিতেই তাইৰ চকুদুটা অলপ কোমল হৈ আহিল।

এইবাৰ কোমল মাতেৰে তগৰে ক'লে—বৰষুণ জাক এতিয়াও দি আছে।

বছিৰে তগৰৰ মুখলৈ চালে।

পদুলিমূৰত তগৰে দেখিলে টৰ্চৰ পোহৰ। অলপ পিছতে হাছমত সোমাই আহিল।

—তিতিল নেকি অলপ? আগবাঢ়ি লৈ তগৰে সুধিলে।

—নাই তিতা, এই অলপ, অ' বছিৰ কেতিয়া আহিলা?

বছিৰে কিবা ক'ব খোজোতেই তগৰে ক'লে—অলপ পৰ হ'ল। অকলে থাকি বেয়া লাগিছিল। ঘৰৰ আগেদি যোৱা দেখি মইয়ে মাতি আনিলো। যাওঁ যাওঁ কৰিযে আছে। মইহে ৰাখি থৈছো।

—ভাল কৰিলা—বছিৰলৈ চাই হাছমতে ক'লে—মোৰ আকৌ পলম হৈ গ'ল।

তগৰে বছিৰৰ মুখলৈ চাই ক'লে—এখেত নহা হ'লে আজি আপোনাকে ৰাখি থলোহেঁতেন। এখেতক কৈ গৈছিল থাকিবলৈ।

—মই যাওঁ আৰু তগৰ—বছিৰে ক'লে।

—এৰা, ৰাতিও হ'ল, বেয়া নেপাব দেই। বহুত পৰ বহুৱাই ৰাখিলো। ন'হলে জানো বেয়া নেলাগে।

হাছমতকো মাত লগাই বছিৰ লাহে লাহে ওলাই গ'ল, তগৰে দুৱাৰ মুখৰ পৰা লণ্ঠনটোৰে বাটটো দেখুৱাই দিলে।

তাৰ পিছত বছিৰ আলিবাটত উঠিলত দুৱাৰখন বন্ধ কৰি দিলে।

তগৰে হাছমতৰ গাৰ পানীবোৰ মচিবৰ কাৰণে এখন গামোচা আনি দিলে।

তাৰ পিছত হাছমতক আগফালে বহিবলৈ দি ৰান্ধনীশাললৈ সোমাল—ভাত বাঢিবৰ কাৰণে।

হাছমতে ঘৰটোৰ পৰিষ্কাৰ আৰু পৰিপাটি ভিতৰখন দেখি ভাল পালে, তগৰ আৰু মইন বেচ ভালে আছে। মইনে তগৰক আৰু তগৰে মইনক সুখতে ৰাখিছে।

হাছমতে এটা চিগাৰেট জ্বলাই হুপিব ধৰিলে। সাধাৰণতে হাছমতে বিড়িহে খায় যদিও আজি এপেকেট চিগাৰেট কিনি আনিলে, অন্য দিনা হাছমতে আবেলি আৰু নতুন কাপোৰ নিপিন্ধে। দিনত পিন্ধি থকা সাজেৰেই গধূলিলৈকে, কেতিযাবা একে সাজেৰেই দুই তিনি দিন কটাই দিয়ে। আজি কিন্তু হাছমতে আবেলি ইযালৈ অহাৰ কথা ভাবিযে নেকি, এসাজ ধুই থোৱা নতুন কাপোৰ পিন্ধিলে।

মইনটোযে কি মানুহ। ছোৱালীজনীক অকলশৰে ঘৰটোৰ ভিতৰত এৰি গৈছে। আজিকালি এজনী ছোৱালীহে নেলাগে মতা মানুহেই ৰাতি অকলে থাকিবলৈ সাহ নকৰে, যিহে চোৰ ডকাইত হৈছে।

—মইনৰ ভনীযেকক নো ক'লৈ ধৰিছে ?

ভাত খাই থাকোতে হাছমতে এনেযে সুধিলে। তগৰজনীয়ে ভাল ৰান্ধিছে। ভাত-তৰকাৰীবোৰ বে'চ হৈছে। আৰু দিছে ইমান পৰিপাটিকৈ।

—সিখন গাঁৱৰ ল'ৰা—তগৰে ক'লে আৰু ওচৰতে বহি ইটো সিটো হাছমতক দি যাব ধৰিলে।

—বিয়াৰ দিনো ঠিক কৰি আহিবনেকি ?

—ক'ব নোৱাৰো। এতিযাই নকৰিব কিজানি, যা-যোগাৰ কৰিব নেলাগিব জানো ?

বৰ তৃপ্তিৰে হাছমতে খাই যাব ধৰিলে। বৰষুণ আগতকৈ বেছিহে হৈছে। ছম্ ছম্, জৰ্ জৰ্ বৰষুণজাক আহিবই লাগিছে। বেছি ৰাতি হোৱা নাই যদিও, বেছি ৰাতি হোৱা যেনেই লাগিছে।

তাতে বাহিৰত কৃষ্ণপক্ষৰ আন্ধাৰ।

মাজে মাজে তগৰে হাছমতৰ মুখলৈ চায়, কেতিয়াবা একোবাৰ হাছমতেও তগৰৰ মুখলৈ চায। কেতিয়াবা দুই এটা কথা পাতে, তাৰ পিছত নীৰৱ।

তগৰৰ ঘৰত এজন 'ডাঙৰ মানুহে' ভাত খাইছে। তগৰৰ চকুত তৃপ্তি আৰু শ্ৰদ্ধা। ক'লতে যে মানুহজন আহিল!

—মইন জানো কাইলৈকে ঘূৰি আহিব পাৰিব ?

—কাইলৈ নাহে, পৰহিলৈ ৰাতিপুৱাহে আহিব। ভাত খাই উঠি হাছমত আগফালৰ কোঠালৈ ওলাই আহিল।

বটাটো হাতত লৈ তগৰো আহিল, আৰু হাততে বটাটো ধৰি থাকি ক'লে, তামোল খাওক।

তুমি ভাত খোৱাগৈ যোৱা। বটাৰপৰা তামোলখন লৈ হাছমতে ক'লে।

একো নকৈ বটাটো মেজখনতে থৈ তগৰ ৰান্ধনীশাললৈ গ'ল।

চকীখনত বহি, তামোলখন মুখত ভৰাই হাছমতে চিগাৰেট এটা জ্বলাই বৰ তৃপ্তিৰে হুপিব ধৰিলে।

মইন সুখী। চাকৰি কৰিব নেলাগে, ৰ'দে-বৰষুণে আলিবাটত ঠিয় হৈ থাকিব নেলাগে, অ'ভাৰচিয়াৰ, এচ. ডি অ'ক চালাম দিব নেলাগে, দিনটো দোকানত শান্তভাৱে বহি থাকে, আৰু ৰাতিটো ঘৰত শান্তিৰে কটাই দিয়ে। তগৰজনী মানুহৰ মন বুজা ছোৱালী। তাইক লৈ মইন নিশ্চয় বৰ সুখী।

হাছমত—হাছমতো সুখী, কেঁচুৱাটো হোৱাৰ পিছত মাক অলপ শেঁতা পৰিছে। পিছে দুদিনতে আগৰ নিচিনাজনী হ'ব। তিনিমাহৰ মূৰতহে হেনো ঘৰলৈ আহিব। এৰা, মাইকী মানুহৰ কথা মাইকী মানুহেহে জানে।

কিছুপৰৰ মূৰত ৰান্ধনীশালৰ দুৱাৰ বন্ধ কৰি, হাতত লেমটো লৈ তগৰ ওলাই আহিল।

—ভাত খালা ?

—হয়।

—তোমালোকৰ এই ফালে বেʼচ নিৰ্জন।

—এৰা। এইফালে লাহে লাহে ঘৰবাৰী হৈছেহে।

বৰষুণজাকৰ বুকত ৰাতিৰ পদক্ষেপৰ ছন্দ।

—আজি বৰষুণ দিয়ে থাকিব কিজানি!

একো নকৈ তগৰে বাহিৰৰ বৰষুণজাকৰ ফালে কাণ দিলে।

হাছমতে আৰু এটা চিগাৰেট জ্বলালে।

তগৰেও তামোল এখন মুখত দিলে।

—মইনে মোক থাকিবলৈ কʼবলৈ কৈ গৈছিল নহয়? তগৰে হাছমতলৈ মূৰ তুলি চালে, আৰু সৰুকৈ কʼলে—ওঁ।

তগৰে আকৌ এবাৰ বিছনাখন জাৰি-জোকাৰি দিলে। ভিতৰৰ পৰা পানী এলোটা আনি থলেহি, লণ্ঠনটো থকা সত্ত্বেও এটা টিপ চাকি আৰু এটা শুইশলা আনি মেজখনত থলেহি।

'ডাঙৰ মানুহ'—আৰু বা কি যতনাই ৰাখিব লাগে।

হাছমতে চিগাৰেটটো শেষ কৰিলে।

—আপুনি এইখন বিছনাতে শুব। আৰু কিবা লাগিবনেকি?

হাছমতে এবাৰ বিছনাখনৰ ফালে চালে।

—আৰু? আৰু একো নেলাগে।

—আপোনাৰ ভাগৰ লাগিব পায, শোৱক আৰু।

—এৰা,—

অলপ পৰৰ নিস্তব্ধতা।

—তুমি ভয় নকৰিবা। কিবা দৰকাৰ হʼলে মোক জগাই দিবা।

—ভাল বাৰু।

তগৰ কোঠাটোৰ পৰা ভিতৰলৈ সোমাই গʼল। হাছমতে কামিজটো খুলিলে আৰু অন্য একো চিন্তা নকৰি, বিছনাত দীঘল দি পৰিল।

অলপ পৰৰ পিছত তগৰ আকৌ আহিল। আৰু কʼলে, দুৱাৰখন তেনেহʼলে বন্ধ কৰি দিওঁ।

—অ' এৰা, বন্ধ কৰা, আৰু তুমিও শুই থাকাগৈ, ৰাতি ভালেমান হ'ল।

তগৰে ঘৰটোৰ দুৱাৰখন বন্ধ কৰিলে, তাৰ পিছত নিজেই হাছমতৰ বিছনাৰ কাষলৈ আহি আঁঠুৱাখন পেলাই দি ক'লে—তুই এটা মহ ওলায় কেতিয়াবা।

তাই আঁঠুৱাখন খুচি দিলে ভালকৈ।

—লেমটো জ্বলাই থমনে, নুমাই দিম ?

—লেম ? নুমাই দিয়া। লেম জ্বলি থাকিলে মোৰ টোপনি নাহে।

—ইয়াতে জুইশলা আছে, লাগিলে লেম জ্বলাব পাৰিব।

—বাৰু।

তগৰ তাইৰ কোঠালৈ গ'ল। বেৰখনৰ সিপাৰে তাইৰ কোঠাটো। ইটো কোঠাৰ পৰা সিটো কোঠালৈ দুৱাৰ নাই, কাপোৰৰ এখন পৰ্দা মাত্ৰ ওলমি আছে।

হাছমত কাটি হৈ শুলে, আৰু তগৰে কি কৰে বুজিবৰ কাৰণে যেন কাণ দি ৰ'ল।

আঁঠুৱাৰ ভিতৰৰ পৰাই সি তগৰৰ কোঠাৰফালে চালে। মানুহজনী নেদেখি, কিন্তু সিফালৰ বেৰখনত সি দেখিলে এটা ছাঁ।

গাৰ চাদৰখন খুলি তগৰে বিছনালৈ দলি মাৰি থলে। তাৰ পিছত গাৰ ব্লাউজটোও খুলিলে। বেৰৰ ছাঁটোত হাছমতে দেখিলে উঠানমা এটা নাৰীদেহাৰ প্ৰতিচ্ছবি।

তাৰ পিছত লণ্ঠনটো কমাই দি তগৰ বিছনাত পৰিল।

হাছমতে চকু মুদিবৰ চেষ্টা কৰিলে যেন তাৰ ইতিমধ্যে টোপনি আহিলেই।

তগৰৰ শৰীৰটো নিপোতল। তাই স্বাস্থ্যৱতী, কথা ক'লে তাইৰ গাল মুখবোৰ ৰঙা পৰে।

বৰযুণজাক অকণো থমা নাই। আজি ৰাতি কিজানি নেৰিবই।

ঠাইখন বৰ জয়াৰ। মানুহ-দুনুহ ইমান কম এইফালে,

নগৰৰ ভিতৰ যেন নেলাগেই। যেন ক'ৰবাৰ এখন নৈ পৰীয়া গাঁওহে।

সকলো মানুহ শুই নিঃপালি দিলেনেকি?

হাছমতে শুনিলে তগৰে এটা গভীৰ হুমুনিয়াহ কাঢ়িছে।

—তগৰ—

—কি কৈছে?

—টোপনি অহা নাই?

—নাই অহা।

—মোৰো নাই অহা।

আকৌ বহুত পৰৰ নিস্তব্ধতা।

ৰাতি দুপৰমান হ'ল কিজানি। বতাহজাকো মাৰিছে, বৰষুণৰ লগে লগে। গোটেই পৃথিৱীখনত আন্ধাৰ—অকণমান মাত্ৰ পোহৰ আছে—তগৰৰ কোঠাৰ সৰুকৈ জ্বলি থকা লেম্পটোত, আৰু ক'তো পোহৰ নাই।

ৰাতিৰ বুকত কোনো স্বপ্ন নাই। এটা সেমেকা, উকা ৰাতি।

সময়বোৰ মনে মনে আগবাঢ়ে, বাহিৰৰ পৃথিৱীত এটা টোপনি-যোৱা ভালুকৰ নিচিনা আন্ধাৰ নীৰৱতা।

—তগৰ?

— হোঁ?

—টোপনি অহা নাই?

—নাই অহা।

—মোৰো নাই অহা।

বৰষুণ আছে, বতাহ আছে, ৰাতিৰ নীৰৱতা আছে, পৃথিৱীত বুকৰ পৰা সৃষ্টিৰ আদিম নিশ্বাসৰ সঁহাৰি আছে।

টোপনি নাহে।

হাছমত আৰু তগৰৰ টোপনি নাহে।

আৰু কিছুমান সন্দিগ্ধ মুহূৰ্ত পাৰ হৈ গ'ল।

বিছনাখনত শব্দ নকৰাকৈ হাছমত বহিল। পোহৰকণ অদৃশ্য হৈছে। হয়তো বাহিৰৰ বতাহ লাগি, নতুবা তেল নোহোৱা হৈ তগৰৰ কোঠাৰ লেমটো কেতিয়াবা মুমাই গৈছে। ঘন আন্ধাৰে দুয়োটা কোঠা আচ্ছন্ন কৰি পেলাইছে।

বিছনাৰ পৰা নামি হাছমত আন্ধাৰে মুন্ধাৰেই তগৰৰ কোঠাটোলৈ সোমাই গ'ল। এদিন দেখা এই ঘৰটোৰ দুৱাৰ আন্ধাৰতে বিচাৰি পোৱাত তাৰ একো অসুবিধাই নহ'ল।

অলপ পৰ হাছমত থিয় দি ৰ'ল, তাৰ বুকুখনৰ মাজৰ উশাহ নিশাহৰ শব্দটো সি ভালকৈ শুনিলে।

তাৰ পিছত লাহে লাহে হাছমত তগৰৰ বিছনাখনৰ ওচৰ চাপি গল।

হাছমতৰ সোঁহাতখনে আঁঠুৱাখন বিচাৰিলে, আঁঠুৱা তৰাই নাই। তাৰ হাতখনত লাগিল তগৰৰ কোমল গাটো। এইখন তগৰৰ মুখ— এইয়া কপাল, এইয়া চকু, এইয়া ওঁঠ।

তাৰ পিছত হাছমতৰ হাতখন আহি তগৰৰ উদং বুকুখনত ৰৈ গ'ল।

—কোন ? টোপনিৰ পৰা কোৱাৰ দৰে তগৰে অতিসৰুকৈ ক'লে।

—মই তগৰ —ফুচ্ ফুচাই হাছমতে ক'লে।

—অ'—

হাছমতে অনুভৱ কৰিলে তগৰৰ বুকৰ এটা ক্ষিপ্ৰ স্পন্দন।

তগৰ বিছনাখনৰ এটা কাষলৈ আঁতৰি গ'ল।

—তোমাৰ টোপনি অহা নাই তগৰ ?

—নাই অহা।

ৰৰষুণৰ বুকত সৃষ্টিৰ আদিম ৰহস্যৰ বেদনাময় নিশ্বাস। গভীৰ চেতনাময়, আদিম অন্ধতা।

পিছদিনা ৰাতিও হাছমতে তগৰক ৰখিলে।

*        *        *        *

কোন বলিয়াই কলিজা জ্বলাই
এটি কথা ক'লে—
মোৰ দুখৰে পোহৰ সানি
হাজাৰ সুৰুয জ্বলে।
বাটে যাৰ বাট হেৰুৱাই,
নিৰুদ্দেশৰ গীত গাই যায়
সেই বাটৰে এটি মূৰত,
তাৰ জীৱনৰ সপোন দুটি থলে।
বাট পাহৰা বলিয়াটোৱে ক'লে ॥

হাফিজে নহয়, গাইছিল তিলকে।

তিলকৰ মাতত দৰদ আছে মন দি গালে সি বৰ ভাল গায়। মইনৰ দোকানৰ আগত বহি চিঞৰি চিঞৰিয়ে সি গায়। ওচৰ-পাঁজৰৰ দুই চাৰিজন কাষ চাপি আহে।

তাৰ গানৰ শেষত দেবেনে ক'লে--বলিযাই গান নেগায় ৰে—

—বলিযাই গান নেগালে কি হ'ল ? গান গোৱা মানুহ চব বলিযা। দুনিয়া কহ্‌তি মুঝকু পাগল মই কহ্‌তি হেঁা দুনিযা কু পাগল

—এই মইন।

মইনে মূৰ তুলি চালে।

—তোৰ ভনীয়েৰৰ বিয়া ঠিক কৰিলি, এতিয়া তোৰখন কেতিয়া পাত ?

—মোৰ বিয়া। নাই এতিযা সেইবোৰ ভুলিয়াবা, আগে ভনীজনী দি লওঁ।

হাকিমৰ ড্ৰাইভাৰ দিদাৰত আহি বহিলহি।

—এই দিদাৰ, হাকিমৰ ভনীযেকৰো বোলে বিয়া পাতিছে ?

—ওঁ পাতিবতো —পাতিছে।

—কেতিয়ালৈ অ'—

—পূজাৰ বন্ধত।

—মইনৰ ভনীয়েকৰো বিয়া নহয় পূজাৰ বন্ধত?

—হয়নেকি অ' মইন?

—এৰা ধৰিছে আৰু তেতিয়াই, জানো কি কৰিবগৈ পাৰো। আমাৰ নিচিনা মানুহৰ বিয়া এখন বুলিলেই জানো বিয়াখন হয়। ধনী মানুহৰ কথা সুকীয়া।

আহিল চন্দ্ৰ আৰু গুল্‌জাৰ।

তিলকে আগে গুলজাৰহঁতৰ লগতে পঢ়িছিল। বেছি পিছে নপঢ়িলে। আজিকালি মাজে মাজে এম্‌প্লয়মেণ্ট এক্‌চেঞ্জ অফিচলৈ যায়। অ'ত ত'ত আড্ডা দিয়ে।

—দৰা ক'ৰ অ'?

—অৰ্থাৎ হাকিমৰ ভনীযেকৰ।

ক'ৰবাৰ ইন্‌কম্‌টেকস্ অফিচাৰ। মই ভালকৈ নেজানো। গুল্‌জাৰ ভালকৈ বহি ললে।

আজিকালি বিযাৰ বজাৰ মই ষ্টাডি কৰিছো। অৰ্ডাৰ অৱ প্ৰিফাৰেঞ্চ এনেকুৱা:

আটাইকেটাই গুলজাৰৰ মুখলৈ চালে।

১। ইন্‌কম্‌টেক্স অফিচাৰ।

২। চেলটেক্স চুপাৰিণ্টেণ্ডেণ্ট।

৩। বাগানৰ এচিষ্টেণ্ট মেনেজাৰ।

৪। মিনিষ্টাৰৰ কাম-নোহোৱা ভাযেক, ভতিজাক বা খুলশালীযেক

৫। চাপ্লাই চুপাৰিণ্টেণ্ডেণ্ট, ইন্সপেক্টৰো চলে।

তাৰ পিছত—তাৰ পিছত–ছয়—

৬। ই. এ. চি। অৱশ্যে কোনো কোনো ঠাইত পুলিচ এচ্ আইৰ ঠাই ই. এ. চিৰ ওপৰত।

তাৰ তলত হ'ল—অ' তাৰ তলত, সৌৱা আহিছে। সকলোৱে চালে—প্ৰফেচাৰ চৌধুৰী।

প্ৰফেচাৰ চৌধুৰী ওচৰ চাপি অহা দেখি গুলজাৰইঁত আঁতৰি গ'ল।

—আহক চাৰ।

—ওঁ—আহি আছো।

প্ৰফেচাৰ চৌধুৰী বহিল। মইনৰ মুখলৈ চালে।

চৌধুৰীয়ে এটা আজোখা অলপ ঢিলা হাৱাইয়ান চাৰ্ট পিন্ধি আহিছে।

—তোমাক কিছুদিন দেখা নাই—

—হয় চাৰ, ভনীজনীৰ জোৰোণৰ কাৰণে গাঁৱৰ ঘৰলৈ গৈছিলো।

—তাৰ পিছত ?

প্ৰশ্নটো নুবুজি মইনে প্ৰফেচাৰৰ মুখলৈ চালে, কিন্তু তাৰ উত্তৰলৈ অপেক্ষা নকৰি তেওঁ নিজেই কৈ গ'ল—ঃ জোৰোণ, তাৰ পিছত বিয়া—তাৰ পিছত—তাৰ পিছত যেই নহওক এটা কথা বুজিছা মইন—?

—কি চাৰ ?

বাকী কেটাযো প্ৰফেচাৰৰ মুখলৈ চালে।

—বাৰু ক'ব পাৰানে তোমাৰ ভনীজোঁৱাযেৰ কেনেকুৱা ল'ৰা ?

—সাধাৰণ গাৱঁলীয়া ল'ৰা চাৰ—

—ওঁ ভাল হৈছে। তোমাৰ ভনীয়েৰ সুখী হ'ব।

—চাৰ ?

চিগাৰেটটো জ্বলাই প্ৰফেচাৰে ক'লে—Every young woman aspires for a foolish—if not foolish—a mediocre husband.

মইনে নুবুজিলে। বাকী কেটায়ো নুবুজিলে।

—বুজা নাই ? তিৰোতাবোৰে নিজৰ স্বামী অলপ হোজা বা অভং বা বুৰ্বক হোৱাটো বাঞ্ছা কৰে। Intelligent husband কেতিয়াও good or successful husband হ'ব নোৱাৰে।

Healthy and rich, but foolish—that is the choice of an intelligent girl.

—হয় চাৰ, ভালকৈ মুৰুজাকৈয়ে মইনে ক'লে।

চিগাৰেটৰ ধোঁৱাখিনি আপোনমনে এৰি দি প্ৰফেচাৰে ক'লে—আৰু, mediocre husband is not a rare thing বিয়াৰ পিছত সকলো hushand—এই অলপ মূৰ্খক, অলপ mediocre হৈ পৰে। The more intelligent the wife is, the more foolish the husband becomes.

ক'ৰবাৰ পৰা বছিৰ ওলালহি।

মইনে মিক্সাৰৰ টিন, পেপাৰ আৰু লজেঞ্চ টোপোলা বান্ধি চৌধুৰীক দিলে।

—মইন—

—চাৰ ?

—তোমাৰ নাম যদি মইন নহৈ, ধৰা মেক্‌মিলান হ'লহেঁতেন, তেতিয়া কি হ'লহেঁতেন— ?

অলপকৈ হাঁহি মইনে চৌধুৰীৰ মুখলৈ চালে। সি একো বুজা নাই।

—তেতিয়াও একো নহয়, জানিছা। এজন অসমীয়া মানুহৰ ইংৰাজী নাম হ'লহেঁতেন। But that makes no difference at all

কৈ কৈ প্ৰফেচাৰ গ'লগৈ।

—বিয়াৰ দিন ঠিক কৰিলি নেকি, মইন ?—বছিৰে সুধিলে।

—পূজাৰ বন্ধতে লাগে বুলিছে, জানো কি কৰিবগৈ পাৰো এথোন।

—যিমান সোনকালে পাৰি দিবহে লাগে পিছে।

—এৰা, পিছে কাপোৰ কানি, অলঙ্কাৰ পাতি অলপ যোগাৰ নকৰিলে জানো চলিব ?

—এ, তোৰো সেইবাবে চিন্তা কৰিব লাগিছেনে ? আমাৰ কথা সুকীয়া।

বছিৰৰ কথাত মইনে অলপ গৰ্ব অনুভৱ কৰিলে। অন্যে আমাক ধনী বুলি ভাবিলে গৰ্ব হয়।

দিদাৰততো যোৱাৰ্লৈ বাট চাই বছিৰ বহি থাকিল। অকলশৰীয়া হলত অলপ আত্মীয়তাৰে বছিৰে ক'লে।

—তইনো কেতিয়া বিয়া কৰালি অ' মইন?

মইনে অবোধ্যভাৱে বছিৰৰ চকুলৈ চালে।

—কোনে ক'লে মই বিয়া কৰালো বুলি?

—বিয়া নাই কৰোৱা যদি ঘৰত সেইজনী ক'ৰ মাইকী ৰাখিছ?

মইনৰ ডিঙিটো অলপ শুকাই গ'ল। ঘৰত মাইকী? মানে তগৰ?

—তোক কোনে ক'লে?

ঃ অ' তই তেনেহলে তাইক বিয়া কৰোৱা নাই, এনেযে ৰাখিছ?

বছিৰে হুঁহা নাইতো? কিন্তু তাৰ ঘৰত এজনী ছোৱালী থকাৰ কথা সি কেনেকৈ জানিলে। সেইদিনা আনদিনাতকৈ সোনকালেই দোকান বন্ধ কৰি মইন ঘৰলৈ আহিল। তগৰৰ বিৰুদ্ধে তাৰ কোনো অভিযোগ নাই। হয়তো বছিৰে ক'ৰবাত কেনেবাকৈ দেখিলে। কিন্তু বছিৰ বৰ ভাল মানুহ নহয—সকলোৱে জানে।

ভিতৰ সোমাই আহি সি থতমত খাই গ'ল। তাৰ বিছনাখনতে হাছমত বহি আছে। আৰু অলপ আঁতৰতে ঠিয হৈ ৰৈ আছে তগৰ।

তগৰহঁতেও থতমত খালে। কিন্তু পিছ মুহূৰ্ত্ততে আশ্বস্ত হ'ল যে কোনো সন্দেহ কৰিবলগীয়া অৱস্থাত মইনে সিহঁতক দেখা পোৱা নাই।

—আজি দেখোন সোনকালেই আহিলা? তগৰে সুধিলে।

—এবা, মূৰটো আজি বৰ কামুৰিছে।

হাছমতে ক'লে—ভনীযেৰৰ বোলে জোৰোণ লৈ আহিলাগৈ? কথাটো শুনি খবৰ এটা কৰি যাওঁ বুলি আহিলো।

ভনীয়েকৰ জোৰোণৰ কথা ওলালত মইনে অন্য কথা পাহৰি গ'ল। তাৰ আনন্দ লাগিল।

—এৰা এতিয়া বিয়াখনৰ চিন্তাইহে মূৰৰ কামোৰণি কৰিছে।

—ইমাননো কি ভাবিবলগীয়া আছে? আল্লাৰ কাম আল্লাই কৰাব।

—এৰা, তাকেই ভাবিছো। এই আহিনত ছোৱালী লাগেই।

—বেছি দিন নায়েই তেনেহলে! চিন্তা নকৰিবা, হ'ব ভালেকালে।

—তোমালোকৰ ভাল নহয়?

—কোনো অহাই নাই নহয়। ভাল বুলি শুনিছো।

এপিয়লা চাহ আৰু এখন তামোল খাই হাছমত গ'লগৈ।

—তগৰ—

—হোঁ—

—মই নেথাকোতে কোনোবা আমাৰ ঘৰলৈ আহিছিলনেকি?

তগৰে ভয় খাইছে। তাইৰ মুখখন শুকাই গৈছে। কিন্তু সংযত হৈ তাই পুনৰ তাকে প্ৰশ্ন কৰিলে—কোনে ক'লে তোমাক?

তাইৰ ফালে নোচোৱাকৈয়ে মইনে ক'লে—বছিৰে কেনেকৈ জানিলে?

—বছিৰে?

এইবাৰ মইনে তগৰৰ মুখলৈ চালে। তগৰে এটা কৃত্ৰিম অভিমানেৰে তাৰ ফালে চাই আছে—যেন তাইৰ এটা মিছা অপবাদ দিয়া হৈছে।

নিজকে কোৱাদি মইনে ক'লে—কুকুৰবোৰৰ কাম নাই নহয়, কাৰ ঘৰত ক'ৰ ছোৱালী আছে, চাই ফুৰিলে সিহঁতৰ শান্তি আছেনে? পদুলিশুঙা কুকুৰবোৰ কটা।

তগৰে বুজিলে মইনে তাইক কোনো সন্দেহ কৰা নাই। তথাপি অভিমান ভৰা মাতেৰে তাই ক'লে—ৰাজআলিৰ কাষত ঘৰ লৈছা, ওলাওঁতে সোমাওঁতে জোনে-বেলিয়েও নেদেখিবনে এতিয়া। ঠেংলগা মানুহ—দিনটো ভিতৰতে সোমাই থাকিব পাৰিবনে কিবা?

তাইৰ মান ভাঙিবৰ উদ্দেশ্যে অলপ হাঁহাৰ নিচিনা কৰি মইনে ক'লে—বছিৰে আকৌ মোক কি সুধিছেগৈ জানা?

—কি?

আকৌ তগৰৰ ভয় লাগিল। কিজানিবা হাছমতৰ কথা কিবা সুধিলে।

—তুমি কেতিয়া বিয়া কৰালা? কুকুৰ কটা।

—সুধিবতো। মানুহৰ ঘৰত তিৰোতা মানুহ দেখিলে যেয়ে সেয়ে সুধিব।

—সোধক, মইনো কি ভয় কৰিছো। হয়, মোৰ ঘৰত তগৰ আছে, বিয়া কৰালো বা নকৰালো তাতে অইনৰ কি? মইনে ক'লে।

—সেইদৰে ক'লেই হ'ব নহয়? এনেকৈ থাকিলে মানুহে দায় ধৰিবই। তগৰে ক'লে।

—সেইবুলি অন্যৰ ঘৰত সিন্ধি দিযাগৈ নাই নহয়। মোৰ ঘৰত মই যি কৰো লাগিলে।

তগৰ নিশ্চিন্ত হ'ল। মইনে অন্য একো ভবা নাই।

ভাত খাই উঠাৰ পিছত তগৰে ক'লে—তুমি তোমাৰ নিজৰ বিছনাত শুবা আজিৰ পৰা।

—কি?

—ওঁ—

—ওঁ এইখনেই মোৰ নিজৰ বিছনা—কৈ সি তগৰৰ বিছনাখনত বাগৰ দিলে।

—তেনেহ'লে মই সিখনত শোওঁগৈ।

মইনে ক'লে ঃ সেইখনো মোৰ বিছনা।

হাঁহিটো সামৰি তগৰে ক'লে—তেন্তে বাহিৰতে শোওঁগৈ।

—তাতনো তোমালৈ কোনে বিছনা পাৰি থৈছে?

তাৰ পিছত মইনে তগৰক বুকৰ মাজলৈ টানি আনিলে। মৃদু প্ৰতিবাদৰ পিছত তগৰ তাৰ বুকুৰ মাজত ঢলি পৰিল।

মৰিয়মৰ বিয়াৰ দিন ওচৰ চাপি আহিছে। মাজত কেইটামান দিনহে বাকী।

আইকণৰ মনত লাগে যেন একো কাম হোৱা নাই, বিয়া এখন বুলিলে কম কাম ওলায়নে ? তাঁত দুজুটি ইতিমধ্যে ব'লে। আশী সূতাৰ চাদৰ পাঁচখন আৰু গামোচা দহখন। অন্য কাপোৰ কানি মইনে নগৰৰ পৰাই আনিব। কানফুলযোৰ কৰালে, হাতৰ চুডি দুপাতো গঢ়ালে। গাঁৱৰ অন্য ছোৱালীৰ কাৰণে সিমানেই বহুত হ'লহেঁতেন। কিন্তু মইনৰ ভনীয়েকক ইমান উকাকৈ বিয়া দিবনে ? তাতে জোৰোণ পিন্ধাবলৈ আহোঁতে মিতিৰৰ ঘৰে মৰিয়মৰ ডিঙিত শকত নেক্‌লেচ এধাৰো দেখি গৈছে। অৱশ্যে তাতোকৈ ভাল এধাৰ গঢ়োৱাৰ বুলি, যাওঁতে মইনে সেইধাৰ আকৌ লৈ গ'ল। এলাপেচা বস্তুৰে মইনক সন্তুষ্ট কৰিব নোৱাৰে।

কাম হোৱা নাই। গাৱঁৰ কোনো কোনোৱে মাজে মাজে খবৰ কৰি গ'লহি। ঘৰটোত আকৌ এবাৰ চূণ দিয়াব লাগে, ঘৰ চোতাল চিকুনাব লাগে, ৰাইজলৈ খোৱাৰ যা-যোগাৰ কৰিব লাগে। কত যে কাম।

মাক-জীয়েক দুয়ো কৰাকে কৰি দিনেৰাতিয়ে ব্যস্ত হৈ থাকে।

মাজে মাজে ফজিৰ আহে, কাম কৰি দিয়ে, দিহা বুধি দিয়ে। লাগি দিয়া মানুহ সিয়েইহে। ফজিৰ আহিলে আইকণৰো মনটো ডাঠ লাগে।

মাজতে দুদিনৰ কাৰণে মৰিয়মক মোমায়েকৰ ঘৰত 'কইনা ভাত' খুৱাবলৈ নিলে। ঘৰত আইকণ থাকিল অকলে।

অৱশ্যে কোনো ভয় চিন্তাৰ কাৰণ নাই। বিয়াৰ দিন ওচৰ চাপি অহাৰ লগে লগে গঞাৰ ৰাইজেও ঘনাই খবৰ খাতি কৰিছে। তাতে ফজিৰ প্ৰায় দিনটোৱেই আইকণৰ ঘৰত থাকে। বহুত কাম সিয়ে কৰি দিছে।

এৰা, নিজৰ দদায়েক এটায়ো ইমান কাম কৰিব নোৱাৰে।

ফজিৰে মুখেৰে একো নকয়। কাম কৰি যায়। তাৰ মনৰ কথা জানো আইকণে বুজে ? আইকণৰ ফালে চালেই তাৰ মনটো কেনেবা

লাগি যায়। জীয়েকৰ বিয়া বুলিয়েনেকি, তাইৰ ৰূপ দিনে দিনে চৰিছে গৈছে। কোনে কব সেইজনী মইনৰ নিচিনা এটা ডেকা ল'ৰাৰ মাক, মৰিয়মৰ নিচিনা এজনী গাভৰু ছোৱালীৰ মাক। তাই যেন ওঠৰ বছৰীয়া গাভৰু এজনীহে। অন্যৰ চকুত নহলেও, ফজ্বিৰৰ চকুত আইকণ অনন্যা। তাইৰ পুৰঠ দেহাটোলৈ তাৰ বৰ লোভ লাগে।

পিছফালৰ পুখুৰীৰ দলংখন দিওঁতে বাঁহৰ চেচুৱে ফজ্বিৰৰ বাওঁ-হাতখন বাকুকৈয়ে ফালিলে। তেজবোৰ সো-হাতৰে টিপা মাৰি ধৰি সি আহি আইকণৰ ওচৰত থিয় হ'লহি। আইকণে ৰান্ধনীঘৰৰ পিৰালিটো লিপি আছিল, তাই ঘূৰি চালে।

—কি হ'ল ? হাত ৰাঙলী কৰি আহিলা দেখোন ?

—চেচুৱে ফালিলে। চাওঁ অকণমান চূণ আৰু ফটাকানি এখন আনচোন।

ফজ্বিৰ চোতালৰ মাটিতে বহিল। বেগাবেগীকৈ আইকণ ভিতৰলৈ গ'ল আৰু এলোটা পানী, চূণৰ ভুৰুকাটো আৰু ফটা ৰিহা এখন লৈ ওলাই আহিল।

—চাওঁ আগে তেজবোৰ ধুই লোৱা—ফজ্বিৰৰ হাতত পানী বাকি দি দি আইকণে ক'লে।

কুঁজা হৈ পানী বাকি দিয়া আইকণৰ মুখলৈ চাওঁতে ফজ্বিৰৰ চকু পৰিল আইকণৰ বুকুখনত। হয়তো কথাটো আইকণেও বুজিব পাৰিলে। পুৰুষৰ চকুৱে নাৰীৰ দেহাৰ ক'ত জিৰণি পায় আইকণে জানে।

সেইদৰেই কুঁজা হৈ থাকি আইকণে তাৰ হাতত চূণ অলপ লগাই দিলে, তাৰ পিছত ফটা ৰিহাখনৰ মূৰ এটা ফালি মেৰিয়াই মেৰিয়াই বান্ধিলে।

—আইকণ—

—কি হ'ল আকৌ ?

—তোৰ গাটো বৰ ধুনীয়া হৈ আছে অ'—

—বাৰু সেইবোৰ এতিয়া থোৱা। ক'ৰবাত কোনোবা ওলাবহি।

—নহয়, সঁচাকৈয়ে কৈছো—আইকণৰ গাবপৰা চকু নাতবোৱাকৈ ফজিৰে ক'লে।

—বাৰু মৰিয়মৰ বিয়াৰ পিছত তইনো অকলে কেনেকৈ থাকিবি ?

আইকণ অলপ আঁতৰি গ'ল, আৰু ফলা খৰি চটাতে বহি ক'লে—এৰা, এতিয়াই দুদিন ছোৱালীজনী নাই উকডা উকডা লগা নাইনে ?

—তাইক উলিয়াই দিয়াৰ পিছত আৰু বেছিহে বেয়া লাগিব। তইনো কেনেকৈ অকলে থাকিবি ?

—নিলে ল'ৰাটোৰ লগতে নগৰলৈকে যামগৈ।

—ইযাৰ ঘৰবাৰী-মাটি সম্পত্তিবোৰ পিছে ?

—এৰা, সিও হয়। বাৰু, আগে ছোৱালীজনী দি লওঁচোন।

—তই যি বোল লাগে, মই পিছে তোৰ আশা এৰিব নোৱাৰো।

—সেইবোৰ লাজবিজৰ কথা আৰু মুলিযাবা। এনেই আহি গৈ থাকিবা। এতিয়া আৰু নকৈ ঘৰ পতাৰ দিন আছেনে ?

—দুদিনলৈ মানুহে বেযা বুলিব, বোলক। পিছে এনেই আহি গৈ থাকিলে জানো মানুহৰ চকু নপৰিব ? তেতিয়া বদনামহে হ'ব।

আইকণে ফজিৰৰ মুখলৈ চালে ?

তাইৰ কাৰণেই আশা পালি মানুহটো পোন্ধৰ যোল বছৰ বৈ আছে। গাঁৱৰ খেতিযক মানুহ—কুকুৰি বছৰ একোৱেই নহয়, আৰু তাযোতো বুঢ়ী হৈ যোৱা নাই। হেফাজত মোল্লাই কুকুৰি সোতৰ বছৰত বিযা কৰালে। চাৰিটা ল'ৰাছোৱালী হৈছে। মতা মানুহ বুঢ়া নহয়। একো নকৈ আইকণ ৰান্ধনীশাললৈ গ'ল, আৰু ফজিৰলৈ এটোপা চাহপানী বাকি আনিলে।

বহুত ভাবি চিন্তি আইকণে ক'লে—পিছত বাৰু যি হয় হ'ব, পিছে বিযাৰ কিদিন অলপ ভালকৈ চলিবা, কতৰ কত ৰকমৰ চকু।

আইকণৰ কথাত ফজিৰৰ মনটো আনন্দেৰে ভৰি পৰিল। তাৰ চকুত নতুন আশাৰ পোহৰ জিলিকি উঠিল। তাৰ অতদিনৰ সপোন ফলিয়াব।

ফজিৰে ক'লে—মৰিয়মৰ বিয়াখন হৈ যাওক। তাৰ পিছত যদি পাৰি আঘোণ মানতে মইনৰ বিয়াখনো পাতি পেলাব লাগে। সি নগৰীয়া মানুহ, নগৰৰ ছোৱালী বিয়া কৰাই নগৰতে থাকিব। ইয়ালৈ আৰু ক'ত আহিব?

এবা—আইকণে ক'লে।

জীয়েক পুতেকহঁতে নিজৰ নিজৰ ভাগে ঘৰ সংসাৰ কৰি খাব। আইকণৰ জীৱনৰ কাষত কোনো নাই। হাঁহ কুকুৰা পুহি মানুহ গোটেই জীৱন এনেই থাকিব নোৱাৰে।

ফজিৰলৈ তাইৰ মৰম লগা যেন পালে।

—ৰ'দজাক বৰকৈ ওলাইছে। তেজ বৈছেনে? অলপ চাইচিটি কাম কৰিলেহে। এতিয়া আৰু ঘৰলৈকে যোৱাগৈ। ইমান ৰ'দত কাম কৰিব নেলাগে।

ফজিৰে আইকণৰ মুখলৈ চালে। সি দেখিলে, আইকণ যেন এজনী নতুন গাভৰু। তাই এই প্ৰথম, জীৱনৰ কথা কবলৈ শিকিছে। গাঁৱলীয়া ছোৱালী—সকতে বাপেক-মাকে বিয়া দি দিলে। বিয়াৰ পিছতে আহি ল'ৰাছোৱালীৰ মাক হ'লহি। মৰম-চেনেহ-ভালপোৱা কি বুজিবলৈ সুবিধাকে নেপালে। এতিয়াহে যেন আইকণে নিজক চিনি পাইছে। যিজনী তিৰোতাই জীৱনত কোনো পুৰুষৰ প্ৰশংসা শুনিবলৈ নেপালে, পুৰুষৰ চকুৰ কামনাৰ মিনতি শুনিবলৈ নেপালে, তাইৰ জীৱনত কোনো বৈচিত্ৰ্য নাই, কোনো সৌন্দৰ্য নাই।

ফজিৰ পিছ চোতালৰ পৰা ভিতৰলৈ আহিল। পিছতে হাতত লোটাটো লৈ আইকণো আহিল। ভিতৰ পাই সি অলপ ৰ'ল। আই-কণে তাৰ ফালে নেচাই লোটাটো লৈ ৰান্ধনীশাললৈ গ'ল।

সি আগচুৱাৰৰ মুখলৈ ওলাই কেউপিনে চালে। থিয় দুপৰীয়া বাহিৰত কেও কতো নাই। তাৰ গাটো যেন এনেযে কঁপি উঠিল।

—আইকণ—

—কি হ'ল?—ভিতৰৰ পৰাই আইকণে মাত দিলে। তাই তেতিয়া

গা ধুবৰ কাৰণে পিন্ধি থকা চোলাটো সোলোকাইছিল। —মই গা ধোওঁগৈ। কাপোৰ কানি এবোজাও ধোবলগীয়া আছে।

কৈ কৈ আইকণে পুৰণি আধাফটা ৰিহাখন গাত মেৰিয়াই ওলাই আহি তাৰ আগত ৰ'লহি।

কিয় জানো ফজিৰৰ ডিঙি ওঠ শুকাই গৈছিল। তাৰ চকুত বহুত দিনৰ ৰুদ্ধ ক্ষুধা জীৱন্ত হৈ উঠিছে।

—পানী এগিলাচ—

সি কোনোমতে ক'লে।

আইকণে পানী গিলাচ আনি তাৰ হাতত দিলে।

সি আকৌ এবাৰ আইকণৰ গাটোলৈ চালে। তাইৰ কেঁচা গাটোৱে পুৰণি ৰিহাখনৰ কোনো বাধাকে মনা নাই। তাইৰ ঠুটৰিৰ তলৰ ডিঙি ডোখৰ ইমান ধুনীয়া বগা।

—বিষাইছেনে কি হাতখন?

তাৰ মুখলৈ চাই আইকণে সুধিলে।

তেতিয়া সি হাত কটা বা বিষোৱাৰ কথা পাহৰি গৈছিল।

আকৌ এবাৰ বাহিৰৰ ফালে চাই সি ক'লে—ক'তো কোনো নাই আইকণ।

আইকণ গিলাচটো লৈ ভিতৰলৈ গ'ল আৰু গিলাচটো হাততে লৈ নিজৰ বিছনাৰ কাষতে একো বুজিব নোৱৰা কিবা এটা ভাবি থিয় দি ৰ'ল।

—আইকণ—

তাই নেমাতিলে।

কোঠাটোৰ সৰু খিৰিকিখনেদি এখিনি বগা ৰ'দ আহি বিছনাখনত পৰিছেহি।

ফজিৰ আহি আইকণৰ পিঠিৰ পিছতে থিয় হ'ল।

—নেমাত কিয আইকণ—?

ফজিৰৰ ফালে ঘূৰি এবাৰ ফজিৰৰ চকুলৈ চাই, অলপ হহাঁৰ নিচিনা কৰি আইকণে ক'লে—জানো তোমাক কিহে পাইছে।

সি মাথোন ক'লে—ক'তো এতিয়া কোনো নাই অ' আইকণ।

* * *

মইনে ভাবিলে কথাটো অইন কোনোৱে নজনাই ভাল হ'ব। সকলোৱে ভাবে তাৰ বহুত টকা বেঙ্কত জমা আছে। পিছে টকা আছে মুঠেই পাঁচশ মান। মৰিয়মৰ জোৰোণতেতো ভালেমান খৰচ হ'ল।

জোৰোণৰ কাৰণে বসন্ত সোণাৰীৰ পৰা নগদ দুশ টকা চিকিঅ'ৰিটি থৈ সি নেক্লেচ ডাল নিছিল। জোৰোণৰ পিছত আকৌ আনি ঘূৰাই দিলেহি। সোণাৰী ভাল মানুহ। তাৰ পৰা আৰু একো নললে, মুঠেই দুটকাৰ চাহ খালে—এনেই ফুৰ্তিতে—ভনীযেকৰ জোৰোণৰ বাবদ। খাওক, তাৰ যে ইজ্জত ৰক্ষা কৰিলে।

মইনে কিন্তু মনে মনে ঠিক কৰিলে যে ভনীয়েকৰ উছৰগাত সি এডাল ভাল নেক্লেচ দিবই। গাঁৱৰ মানুহে বুজিব মইন পাণৱালাৰো দুপইছা আছে।

এদিন সি বসন্ত সোণাৰীৰ ঘৰলৈ গ'ল—অলপ শূইন বুজি।

—আহা মইন—

মইন আহি সোণাৰী শালতে বহিল।

—কেনে, ভাল ?

—আছো আৰু।

—ভনীয়েৰৰ বিয়া পিছে কাহানিকৈ ?

বসন্ত কলিকতীয়া মানুহ হলেও কথাই বতৰাই খাটি অসমীয়া হৈ পৰিছে। ব্যৱসায়ী মানুহৰ সেই এটা গুণ।

—মাজত মুঠেই কুৰি দিন আছে।

—মাল-গঢনা গঢ়ালা জানো ?

—আৰুনো ক'ত গঢ়াম ? তুমিয়ে গঢ়াই দিলেহে হ'ব।

—গঢ়াম, কিয় নগঢ়াম। পিছে কি কি গঢ়াম বুলি ভাবিছানো ?

—অন্য যেই হওক, এডাল ভাল নেক্লেচ গঢ়াই দিব লাগিব।

—কিমান সোণৰ হ'ব আন্দাজ ?

—জোৰোণত যে নিছিলো, তেনেকুৱা হলেই হ'ব,—নহ'ব জানো ? জানো কিমান সোণ লাগিব ।

মইনে সোণাৰীৰ মুখলৈ চালে ।

—সেইডাল, তেনেকুৱা ডালত আঠে তোলা সোণ লাগিব । গঢনি লৈ তিনিশৰ ওপৰ পৰিব ।

অলপ ভাবি মইনে ক'লে ঃ পৰক যিমান পৰে । বস্তুটো ভাল হ'ব লাগে, দহজনে ভাল বুলিব লাগে ।

সোণাৰীয়ে এবাৰ মইনৰ মুখৰ ফালে চাই কাষতে থকা বাকচটোৰ পৰা এধাৰ নেক্লেচ উলিয়াই মইনৰ চকুৰ আগত দাঙি ধৰিলে ।

নতুনকৈ গঢোৱা নেক্লেচ ডালে মইনৰ চকু চাট মাৰি ধৰিলে ।

নেক্লেচডাল সি হাতলৈ ল'লে ।

—বৰ ধুনীয়া হৈছে এইধাৰ । কোনে গঢোৱাইছে ? নেক্লেচডাল লিৰিকি বিদাৰি চাই মইনে সুধিলে ।

—কৰোৱাইছে আমাৰ হাকিমনীয়ে, নিজলৈ বুলি গঢাইছে—পিছে সেই নাচীমৰ কাৰণেহে এইবোৰ গোটাইছে—টকা থকা মানুহ ।

—নাচীমৰ কাৰণে ! নাচীমে ইমান দামী নেক্লেচ পিন্ধিবনে ? তাইতো সৰু ছোৱালী ।

—কিহৰনো সৰু ! ন-দহ বছৰ হ'লহি চাগৈ । পিছে কেনে দেখিছা—ভাল হৈছেনে ?

—বৰ ধুনীয়া হৈছে । ঠিক এনেকুৱা এধাৰ মোকো গঢাই দিয়া—ঠিক এনেকুৱা—পাৰিবা নহয— ?

—কিয় নোৱাৰিম ? আমাৰ বৰ ভাল কাৰিকৰ আছে । কেতিয়া-মানকৈ লাগিব পিছে ?

—দহ দিনৰ ভিতৰতে লাগে ।

—ভাল কথা । সোণৰ দামটো আগে দি দিলে গঢনি পিছত দিলেও হ'ব । আৰু ভালেই হ'ল—মই আৰু বাৰ দিনৰ মূৰত কলিকতালৈ যাম । তাৰ আগতে মালটো গঢাই দি যাম । টকা সোনকালে দিলেহে হ'ব ।

—বাৰু কালিলৈকে মই টকা দিম। নেক্‌লেচডাল কিন্তু এইডালৰ নিচিনাকৈ—ঠিক এই পেটাৰ্ণৰে কৰি দিবা।

—ঠিক ইয়াৰ নিচিনাই হ'ব। কোনডাল কাৰ চিনিবৰ উপায় নেথাকিব। হাকিমনীৰ কিন্তু 'চইচ' ভাল—এইটো বৰ ধুনীয়া ডিজাইন—নহয়নে বাৰু ?

দোকানলৈ আহিও মইনে নেক্‌লেচডালৰ কথাকে ভাবিলে। তাৰ সোণ আৰু বাখৰৰ জকমকনিটো তাৰ চকুৰ পৰা নাতৰা হ'ল।

নাচীমৰ মাক হাকিমনীয়ে পিন্ধাৰ নিচিনা এডাল নেক্‌লেচ তাৰ ভনীয়েককো সি উছৰগাত দিব। গৰ্বত তাৰ মনটো ভৰি উঠিল।

আৰু—আৰু কোনোবা দিনা—সি বিয়া কৰোৱা ছোৱালীজনীকো হাকিমনীৰ ধাৰৰ নিচিনা এধাৰ নেক্‌লেচ দিব—এৰা।

আবেলি মইনৰ দোকানৰ আগেদি নাচীম আৰু মাক ফুৰিবলৈ গ'ল। দিদাৰতৰ পৰা হাকিমনীয়ে জানিব পাৰিছে যে মইনৰ ভনীয়েকৰ বিয়াও তেওঁৰ ননদেক চুৰাইযাৰ বিযাৰ লগতে দুই এদিনৰ অগা পিছা কৰি হ'ব। হযতো একে তাৰিখতেও দুয়োখন বিয়া হ'ব পাৰে।

লজেঞ্চ নিবলৈ নাচীম তাৰ দোকানলৈ আহিল। সি নাচীমলৈ ভালকৈ চালে। এৰা, সোণাৰীয়ে কোৱা কথা ঠিক। নাচীম একেবাৰে সৰু হৈ থকা নাই। দিনে দিনে বাঢি আহিছে। খাইবই সুখত থকা ছোৱালী—বয়সতকৈ বাঢিছে বেছি। নেক্‌লেচডালে শুৱাই পৰিব।

—তোমাৰ ভনীৰ বিযা হ'ব হযনে মইন কাকা ?

—কোনে ক'লে তোমাক ?।

—ড্ৰাইভাৰ কেকাই কৈছে।

—আৰু তোমাৰ পেহীৰ বিয়া কেতিয়া হ'ব ? মুৰটো ধুনীয়াকৈ জোকাৰি জোকাৰি নাচীমে ক'লে—হ'ব আৰু কেইদিনমানহে আছে।

দৌৰিগৈ নাচীমে মাকক লগ ধৰিলেগৈ।

ইমান মৰম লাগে মইনৰ নাচীমজনীলৈ। নাচীমৰ পৰা সি সহজে চকু আঁতৰাই আনিব নোৱাৰে।

তগৰৰ আগত সি সকলো কথা ক'লে। তগৰে ভাল বুলিলে। সি তগৰকো আশ্বাস দিলে—মৰিয়মৰ হৈ লওক, তোমালৈকো এডাল নেক্‌লচ গঢ়াব লাগিব। বিশ্বাস-অবিশ্বাসৰ মাজেৰে তগৰে শলাগিলে।

মইনৰ অকণো ভাবি চাবৰ আজৰি নাছিল—তেতিয়া—তগৰৰ কিবা পৰিবৰ্তন হৈছেনেকি, সি মাত্ৰ ভাবিছিল ভনীয়েকৰ বিয়াৰ কথা। কামৰ এসপ্তাহৰ আগত সি ঘৰলৈ যাবগৈ লাগিব। গোটেই বিয়াখনৰ ভাৰ যে তাৰ মূৰৰ ওপৰতে। পিছে তগৰক কি কৰিব? বিয়ালৈ-লৈ যোৱাটো জানো সুবিধা হ'ব? তেতিয়াহে গাওঁত জনাজাত হৈ যাব কথাটো। লাগিলে নিকাহ নকৰাকৈ তাইক তাৰ ঘৰত ৰখাৰ কাৰণে ৰাইজে তাৰ ঘৰত নেখাবই। ইপিনে সাত আঠ দিনৰ কাৰণে অকলে তাইক এৰি যোৱাওতো ভাল কথা নহ'ব। নগৰখনত কত ৰকমৰ মানুহ আছে।

সময়ৰ মূৰত কিবা এটা ব্যৱস্থা হৈ যাব—এই প্ৰত্যয়েৰে সি ইটো সিটোকৈ বিয়াৰ বস্তু কিনি মেলি যোগাৰ কৰিব ধৰিলে।

অৱশেষত এদিন আহি দৰাঘৰে বিয়াৰ তাৰিখো ঠিক কৰি গ'লহি। বিয়া হ'ব আহিনৰ পঁচিছ-ছাবিশ, বুধ আৰু বৃহস্পতিবাৰে।

দিদাৰতৰ পৰা মইনে খবৰ ললে হাকিমৰ ভনীয়েক চুৰাইয়াৰ বিয়া হ'ব আহিনৰ বাইশ-তেইশ তাৰিখে—শনি আৰু দেওবাৰে। দুয়োখন বিয়া পূজাৰ বন্ধৰ ভিতৰতে পৰিছে।

তাৰ ভাল লাগিল, নাচীমৰ পেহীয়েকৰ বিয়াখন সি থাই অলপ আও-ভাও বুজি যাব পাৰিব। অৱশ্যে হাকিমৰ ঘৰৰ সমান খৰচ কৰিবলৈ তাৰ ধন পইছা নাই, কিন্তু সিও ভনীয়েকৰ বিয়া নগৰীয়া ধৰণেই পাতিব। ভোজতো হ'বই। তাৰ উপৰি হুব চন্দ্ৰাতাপ দিয়া ৰভা, এখন ওখ বহল গেট, তদুপৰি নগৰীয়া তাৰ বন্ধু বিলাকৰ কাৰণে চাহ মিঠাই। খৰচ বাৰুকৈয়ে লাগিব। সি এটা হিছাপ কৰি চালে। তাৰ সাঁচতীয়া পইছাই নাটিব। ধাৰ কৰিব লাগিব। নগৰৰ ডাঙৰ মানুহেও বিয়াত হেজাৰ দুহেজাৰ ধাৰ লগায়। সিও কৰিব তিনি চাৰিশ যি লাগে ধাৰ।

মানুহে কয়েই ধাৰে-ঋণেহে বিয়া। আৰু ভনীয়েকৰ বিয়াখনলৈ তাক এশ-দুশ টকা বহুতেই ধাৰ দিব। হয়তো গোলজাৰেও দিব পাৰে, প্ৰফেচাৰেও দিব খুজিছে আৰু চিদানন্দ অভাৰচিয়াৰেও দিব পাৰে—ভালকৈ ক'লে। আৰু ৰবিবাবুৱে নিশ্চয় দুশ টকা ধাৰলৈ দিব। ৰবিবাবুৱে তাক জানো কম মৰম কৰে। আৰু 'আইতাক' যে সি সদায় ঘৰতে পাণ দি আহেগৈ।

হৈ যাব। নহ'ব পাৰে মৰিয়মৰ বিয়া চুৰাইয়াৰ বিযাৰ নিচিনা, কিন্তু গাঁৱত তেনেকুৱা বিয়া অতি কমেই হৈছে।

তদুপৰি নেক্লেচ, আঙঠি, হাতৰ-চুড়ি।

গাঁৱৰ অন্য ছোৱালীৰতো চিচাৰ আৰু ৰূপৰ অলঙ্কাৰেৰেই বিযা হৈ যায়।

তাৰ আনন্দবোৰ সি মনতে লুকাই ৰাখিবৰ চেষ্টা কৰিলে। নগৰৰ মানুহৰ আগত তাৰ মনৰ কথা ক'লে কেইজনে বুজিব ?

দোকানখন তাৰ লখিমী। ইযেই তাৰ জীৱন। এই দোকান থাকে মানে তাৰ ভয় নাই, মৃত্যু নাই, আৰু দোকানৰ যোগেদিযে বিচাৰি যোৱা তাৰ নতুন নতুন বন্ধুবোৰ, সিহঁতো তাৰ জীৱনৰ লগৰীযা জীয়াই থকাৰ অৱলম্বন, ইমানবোৰ বন্ধু কেইজনৰ আছে ?

তদুপৰি আপুনি আহি পৰা তগৰজনী। তাযো বৰ ভাল ছোৱালী—ইমান মৰমিয়াল, ইমান বিশ্বাসী, বৰ আপোন আপোন লাগে।

জীযাওৰৰ ছোৱালীজনী অৱশ্যে তগৰতকৈ বেছি ধুনীযা, পিছে ক'ত তালৈ বিযা দিব হবলা, হাইস্কুলত পঢ়া ছোৱালী।

বিয়ালৈ পিছে জীযাওৰৰ পৰিয়ালটোক মাতিব লাগিব। হয়তো তগৰৰ বিয়া দেখি তাৰ মূল্য বুজি পাব। তেতিয়া হয়তো দিবও পাৰে। আৰু যদি অন্য ভাল ছোৱালী নহয়, তেন্তে তগৰেই থাকিব। তগৰো বেয়া ছোৱালী নহ'ব। আৰু ইমানদিন একেঘৰ হৈ আছোৱেই। পিছে এতিয়া তগৰ এনেকৈয়ে থাকক। তাইক কিবা কথা জনাই দিয়াটো ঠিক নহ'ব। তাইৰ মনটোতো বুজিছোৱেই ?

ছোৱালী এজনী বিয়া কৰোৱাটো কোনো ডাঙৰ কথা নহয়।

মৰিয়মৰ বিয়ালৈ কাক কাক মাতিব তাৰো এখন লিষ্ট মনে মনে সি কৰিলে। দিনে দিনে এটা দুটা নতুন নাম তাৰ মনত পৰি থাকে হাকিমনীক কিন্তু সি মাতিবই, নাচীমকো, হাকিমকো। নেযাবনে বাৰু ?

হাকিমনীয়েতো তাক ভালকৈ চিনি পায়, নাচীমৰতো কথাই নাই।

হাকিমনী যদি যায়—কাণ্ড এটা হ'ব দেই। গাৱঁৰ মানুহে তবধ মানিব।

ঘৰলৈ গ'লত মাকে ক'লে ঃ তই কোনো চিন্তা নকৰিবি। গঞা ৰাইজখন আছে, সকলো হৈ যাব, তই মুঠেই পইছা অলপ পঠিয়াই দিবি।

সি দেখিলে ঘৰ চোতালৰ কাম প্ৰায় হৈছেই। সকলো চাফ-চিকুন কৈ উলিওৱা হৈছে। মাকে চাউলপাতো যথেষ্ট উলিযাইছে—জা-জলপানো।

ফজিৰে ক'লে—তই সময়ৰ মূৰত আহিলেও হ'ব মইন। মই আছোৱেই। পিছে বুঢাসকলক এদিন গোটাই দিহা পৰামৰ্শ ল'ব লাগে। পাৰিলে আকৌ এদিন আহিবি আৰু গঞা ৰাইজখিনিক বিযালৈ মাতি থৈ যাবি। তই নেমাতিলে নহ'ব।

মইনে মাকৰ হাতত টকা এশ দিলে—টকাৰ কাৰণে চিন্তা নকৰিবি বৌটি। যি লাগে তইঁতে যোগাৰ কৰ। আৰু ফজিৰ দদাইতি আছে। তেওঁও ঘৰৰে মানুহ। কবি কি কৰিব লাগে। মই কাপোৰকানি আ-অলঙ্কাৰ সকলো ঠিক কৰিছো।

মৰিযমে লাজতে তাৰ পৰা গা-এৰা দি ফুৰিছিল। সি তাইক ওচৰলৈ মাতি ক'লে—আৰু কিবা তোক লাগিবনেকি ?

তাই প্ৰথমে ককাযেকৰ চকুলৈ চাই কথাকে ক'ব নোৱাৰিলে। তাৰ পিছত কোনো মতে ক'লে—মুকুতামণি এধাৰ পাৰিলে আনিবি।

—মুকুতামণি ? বগা নে ৰঙা। মোৰ দোকানতে আছে। আৰু একো নেলাগে ?

মৰিয়মে মূৰ জোকাৰিলে,—নেলাগে।

অৱশ্যে নলগা নহয়। কিন্তু ককায়েকক কয় কেনেকৈ? তাইক পাৰবতীৰ নিচিনা বুকুত পিন্ধা বদিচ নে ব্ৰেচিযাৰ লাগে। কিন্তু ডিঙি কাটি দিলেও মইনক তাই সেই কথা ক'ব নোৱাৰে। তাই এনেয়ে ৰঙা পৰিল।

—কিবা লাগিলে অনাই লবি। বৌটিৰ হাতত টকা দিছো।

মৰিযমৰ ভাল লাগিল।

মাকৰ পৰা টকা লৈ তাই কাৰোবাৰ হতুৱাই অনাব। ফেৰীৱালাৰ পৰাও কিনিব পাৰে।

আৰু একো নেলাগে।

—নগৰৰ মানুহ বহুত আহিব। যা-যোগাৰ ভালকৈ কৰিবি। মইনে নিৰ্দেশ দিলে।

সোণাৰীৰ ঘৰত পাক এটা মাৰি মইন ঘৰলৈ গ'ল।

তগৰৰ লগত কথা পাতি বহি আছে বছিৰ।

—অ' মইন আহিলি, কেনে, যা-যোগাৰ হৈছেগৈনে? বিযাৰে খবৰ এটা কৰি যাওঁ বুলি সোমালো—বছিৰে অকনো অপ্ৰস্তুত নহৈ ক'লে।

—হৈছে অলপ-চলপ, তোমালোক পিছে দুই এদিন আগতে যাব লাগিব। তোমালোকৰ ওপৰতে সকলো।

হাঁহি বছিৰে ক'লে—এতিয়ালৈকে দেখোন-আমাক বিয়ালৈ মতাই নাই?

—তোমালোকক আৰু কি মাতিম? মোৰ হৈ কাক কাক মাতিব লাগে, তোমালোকেই মাতি দিব লাগিব।

—বাৰু বাৰু চিন্তা নকৰিবা। নেমাতিলেও আমি যাম।

চাহ-তামোল খাই খাই বছিৰ যোৱাৰ পিছত, মইন গা ধুবলৈ গ'ল।

হাছমতে আহি মাত দিলে—তগৰ—

চকুৰ ঠাৰেৰ তগৰে জনাই দিলে যে মইন ঘৰতে আছে।

অলপ অপ্ৰস্তুত আৰু নিৰুৎসাহ হৈ অলপ ডাঙৰকৈয়ে, মইনে শুনাকৈ হাছমতে ক'লে—মইননো কেতিয়া পাবহি ? বেচেৰাৰ বৰ খাটনি পৰিছে, অকলশৰীয়া মানুহ, নবহো দেই তগৰ—যাওঁহে।

হাঁহিটো সামৰি তগৰে ক'লে—নবহে ? ভাল বাৰু। সময় পালে আহিবচোন কেতিয়াবা।

—এৰা, সময়কে নেপাওঁ—কৈ কৈ, মইনক মাত নলগোৱাকৈয়ে হাছমত গ'লগৈ।

মইনে নেজানে যে আজিকালি তগৰ অকণো অকলশৰীয়া নহয়। মইন দোকানলৈ ওলাই যোৱাৰ পিছতে আহে বছিৰ, আবেলি, সন্ধিয়া আহে হাছমত। মইনৰ কথা তগৰৰ মনত নেৰাখিলেও চলে। মইনে তাইক ভাত-কাপোৰ দিছে, পিছে বছিৰ আৰু হাছমতে তাইক দিছে মৰম চেনেহ। কাৰোবাৰ পৰা ভাত কাপোৰ পাই থাকিলে, জীৱনটো বন্ধু বান্ধৱৰ মৰম চেনেহৰ মাজত ফুৰ্তিৰে কটাই দিবলৈ বেয়া নহয়। আৰু ক'ত কেনেকৈ চলিব লাগে—তগৰে ভালকৈ জানে। নগৰলৈ আহি আৰু ভালকৈ শিকি লৈছে।

আৰু এটা সুবিধা—মইনে তাইক খুব বিশ্বাস কৰে।

দিদাৰতৰ আগত হাকিমনীয়ে মইনক ঘৰলৈকে মাতি পঠিয়ালে। আনন্দত তাৰ মনটো ভৰি উঠিল। ইয়াৰ কাৰণেই যেন সি গোটেই জীৱন অপেক্ষা কৰি আছিল। নাচীমৰ মাকে তাক মাতি পঠাইছে।

তাৰ অলপ সঙ্কোচো লাগিল। হাকিমনীৰ লগত সি ভালকৈ কথা কব জানিবতো ?

হাকিমনীয়ে তামোলৰ বটাটো তাৰ ফালে আগবঢ়াই দি ক'লে ঃ আমাৰ চুৱাইয়াৰ বিয়া পাতিছো নহয়—

—হয়—

—বিয়ালৈ পিছে তুমি আহিবা—

—ভাল বাৰু।

—অ' আৰু চোৱা, বিযাৰ কাৰণে এহেজাৰমান ভাল 'পাণ' দিবা, পাৰিবা নহয় কৰি দিব ?

—ভাল বাৰু।

—এৰা মই হাকিমকো কৈছো। তুমিয়েই গোটেই খিনি দিব পাৰিবা নহয় ?

—হয়।

নাচীম ভিতৰৰ পৰা ওলাই আহিল।

মইনে মূৰ তুলি চালে।

—মইন কাকা।

তাৰ মনটো আনন্দত পূৰ্ণ হৈ উঠিল।

—চুৰাইয়া পেহীৰ বিয়ালৈ আহিবা দেই—

—ওঁ আহিম নাচীম, তুমি যেতিয়া মাতিছা।

—অ' হাফিজ ক'ত আছে ? আজিকালি গান নেগাযনেকি ?

—গায়, তুমি জানো শুনা নাই ? আহে নহয মোৰ দোকানলৈ।

—হাফিজকো বিয়ালৈ মাতিবা দেই, গান গাব।

মইনে হাকিমনীৰ মুখলৈ চালে।

—এৰা, নাচীমে আকৌ তোমাক আৰু হাফিজক বৰ ভাল পায়। সদায় কয তোমালোকৰ কথা।

মইনৰ কাণমূৰ ৰঙা পৰিল। সি আৰু কথা কব নোৱৰা হ'ল।

—তোমাৰ ভনীয়েৰাৰো বোলে বিযা পাতিছা ?

—হয়।

—কেতিযাকৈ ?

—আপোনালোকৰ ঘৰৰ বিযাৰ তিনি দিনৰ পিছতে।

—অ' হযনেকি ?

অলপ পৰ মনে মনে থাকি মৰসাহ কৰি মইনে ক'লে—আপোনালোককো বিযালৈ মাতিছো আৰু।

হাকিমনীয়ে হাঁহিলে।

মই যাম মইন কাকা—নাচীমে ক'লে।

হাঁহিয়ে হাকিমনীয়ে ক'লে—বাৰু, ভনীয়েৰাৰ বিযাত যাব নোৱাৰো যদি, তোমাৰ বিয়াতে যাম, বুজিছা।

মইনৰ গাল মুখ ৰঙা পৰিল। সি ওপৰলৈ মূৰ তুলি হাকিমনীৰ চকুলৈ চাবৰ শক্তি বিচাৰি নেপালে।

কিন্তু যেতিয়া সি বিদায ললে তাৰ মনটো এটা অভূতপূৰ্ব আনন্দ আৰু তৃপ্তিৰে ভৰি উঠিল। ইমান ৰাংঢালী হাকিমনীজনী। ইমান ভাল নাচীমজনী।

হাকিমনীৰ মাতটো বৰ মিঠা। এহেজাৰ পাণৰ অৰ্ডাৰ সি পালেই।

এৰা, মৰিযমৰ বিযাৰ কাৰণে আগতে ঘৰলৈ নগলেও হ'ব। কামতো সকলো প্ৰায় হৈছেই। আৰু ফজিৰেও ঘৰ বুলি সকলো কাম গাত লাগি কৰিছে। চিন্তা নাই।

গাঁৱৰ বিয়া—হৈ যাব।

হাকিমনীৰ ভুৱৰ বিয়াখনহে ভাল হৈ উঠিব লাগে। এহেজাৰ পাণ সি খুৱাব। ভালকৈ কৰিব লাগিব পাণখিনি—খাই যাতে মানুহৰ মনত থাকে।

এহেজাৰৰ লগত নিশ্চয এশ পাণ সি বেছিকৈ দিব।

মৰিযমৰ বিযা নোহোৱা হ'লে সি আৰু কিবা দিলেহেঁতেন।

এৰা দুয়োখন বিযা একে সময়তে পাতিব নেলাগিছিল।

তগৰৰ আগতে প্ৰাযে সি নাচীম আৰু হাকিমনীৰ কথা কয। আজিও ক'লে। সি যে হাকিমনীহঁতক মৰিয়মৰ বিয়ালৈ মাতিথৈ আহিছে সেই কথাও ক'লে, এহেজাৰ পাণৰ অৰ্ডাৰ পোৱাৰ কথাও ক'লে।

তগৰে বেচ আগ্ৰহ দেখুৱালে—সঁচা?

—ওঁ আৰু কি ক'লে জানা, ভনীয়েৰাৰ বিয়ালৈ নোৱাৰিলেও তোমাৰ বিযালৈ হ'লে যাম।

—হাকিমনী যাব যেতিয়া তোমাৰ বিয়াখনো পাতি পেলোৱা—তগৰে ক'লে।

—মৰিয়মৰ হে যাওক। তাৰ পিছতে মোৰখনো পাতিবই লাগিব। মইনৰ মাতত আনন্দ।

—এৰা, মাতা যদি ময়ো যাম তোমাৰ বিয়ালৈ, তগৰে ক'লে।

মইনে একো নেমাতিলে, অদৰকাৰী ধেমালি কৰিবৰ সময় নাই। আৰু অন্য ছোৱালী যদি নহয়গৈ তগৰৰ লগতে তাৰ বিয়াখন সি ৰাইজ মাতি পাতি পেলাব। আজি তগৰৰ লগত ধেমালি কৰাৰ দৰকাৰ নাই।

—এহেজাৰ পাণৰ কাৰণে ভালেমান চুপাৰি লাগিব। তুমিও চুপাৰি অলপ কাটিব পাৰিবা নহয়?

আজিকালি তাৰ দোকানৰ তামোল চুপাৰিও তগৰেই কাটে। তাৰ কাম বহুত সস্তা হয।

—আমাকহে বিযালৈ কোনেও নেমাতিলে—অভিযোগভৰা মাতেৰে তগৰে ক'লে।

—কাৰ বিযালৈ?

—কাৰো ভনীযেকৰ বিযালৈ আমাক কোনেও মতা নাই—গহীন হৈয়ে তগৰে ক'লে।

তগৰৰ কাষলৈ আহি তাইৰ নাকটোত চেপা এটা দি মইনে ক'লেঃ এওঁক আকৌ বেলেগে মাতিব লাগে। মাতিছো বাৰু।···

* * *

দিনবোৰ কোমল হৈছে। পুৱা গধূলি কুঁৱলি পৰে। হেমন্তৰ আভাস লাগিছে শৰতৰ শ্যামলা পৃথিবীৰ আচলত। আকাশখনৰ বুকুত টুকুৰা টুকুৰ বগামেঘৰ কপাহুৱা ফুল।

বতাহজাক ভাল গোন্ধায। এটা সজীৱ কেঁচা প্ৰাণৰসৰ আদিম গন্ধ।

মইনৰ দোকানৰ আগৰ গছজোপাৰ পাতবোৰ ক্ৰমে পকিবলৈ আৰম্ভ কৰিছে। ফাগুনৰ নতুন কুঁহিৰ কাৰণে আহিনৰ পুৰণি পাতে বাট এৰি আঁতৰি পৰিব লাগিব।

দিনবোৰ আগতকৈ চুটি হৈছে। সেই কাৰণেই মৰমলগা হৈছে।

হাফিজৰ চকুত আগতকৈও করুণ কোমলতা নামিছে। তেওঁৰ গজল কাৱালিত আগতকৈও গভীৰ দৰদৰ স্পৰ্শ লাগিছে। কোনোবা দূৰ গাঁৱৰ চিনাকি পথুলিৰ এৰি অহা স্মৃতিয়ে যেন হাফিজক দিনে দিনে আগতকৈ বেছি উন্মনা কৰি তুলিছে।

অৱশ্যে হাফিজৰ মুখৰ হাঁহিটো আগৰ দৰেই আছে—প্ৰাণখোলা, উজ্জ্বল, জীৱন্ত।

হাফিজে গজল গাইছিল ঃ—

ৰাহ্ আগৰ খো যাযে মোছাফিৰ,
দিল আগৰ খো যায়ে।
দিন্‌কি ৰৌছ্‌নি বুঝ যাযে আওৰ
খাবে আৰমান খো যায়ে।
তুম্ কিচিছে কুচ্ নপুচ'—
জীন্দগী হি খো যাযে।

—মোছাফিৰ, যদিহে হেৰাই যায় বাট, যদিহে হেৰাই যায় দিল্— অন্তৰত, দিনৰ পোহৰ যদি নুমাই যায়, আশাৰ স্বপ্ন যদি হেৰাই যায়, কাকো একো নুসুধিবা—জীৱনটোৱেইতো হেৰাই যায়—

জুম বান্ধি মইনৰ দোকানৰ আগত সকলোৱে হাফিজৰ গীত শুনে।

ওচৰৰ ঘৰবোৰৰ দুৱাৰ-মুখ আৰু খিৰিকিৰ কাষত জীয়াৰী বোৱাৰীহঁত জমা হয়। নাচীম দৌৰি আহে।

চুটি দিন, সময় নাই। তথাপি আতৰৱালা হাফিজে দুইতিনিটা গজল কাৱালি গায়। শ্ৰোতাৰ অনুৰোধ এৰাব নোৱাৰে। বহুত দৰদ, বহুত বেদনা আহি হাফিজৰ কণ্ঠত থুপ খায়হি। সকলোৱে থৰ লাগি হাফিজৰ মুখলৈ চাই থাকে। মইনে কিন্তু চাই থাকে নাচীমৰ মুখলৈ—ইমান ধুনীয়া, মৰমলগা এই নাচীমজনী। এটা যেন পুতলাহে।

হঠাৎ তাৰ চকুত পৰিল নাচীমৰ ডিঙিত এধাৰ নতুন নেক্‌লেচ। সেই নেক্‌লেচ ধাৰ, যি ধাৰ সি সোণাৰীৰ ঘৰত দেখিছিল। ঠিক এনেকুৱা এধাৰকে সি মৰিয়মৰ কাৰণেও গঢ়োৱাইছে। হব পায কিজানি। আজি আকৌ এবাৰ খবৰ কৰিব লাগিব। তাতে দুই এদিনতে বসন্ত সোণাৰীও কলিকতালৈনে ক'লৈ যোৱাৰ কথা আছে। গ'লে আহেবা কেতিয়াকৈ! এৰা, বিয়া পালেহিয়েই।

গান শেষ হ'লত প্ৰায সকলো গ'ল, থাকিল হাফিজ চাহেব, দিদাৰত আৰু বাসুদেৱ। নাচীমো আছে।

লজেঞ্চকেটা আগ বঢ়াই দি মইনে ক'লে—চাওঁ নাচীম, নতুন নেক্‌লেচ ল'লানেকি? চাওঁ—

নাচীম তাৰ কাষ চাপি আহিল। সি নাচীমৰ ডিঙিতে নেক্‌লেচ ধাৰ লিৰিকি বিদাৰি চালে।

—বৰ ধুনীয়া হৈছে নহয়নে? এনেযে সি ক'লে।

—এৰা, বাখৰবোৰ কেনেকৈ জিলিকিছে! বাসুদেৱে ক'লে।

—তিনিশ পৰিছে—দিদাৰতে সামৰণি মাৰিলে। এবাৰ নাচীমৰ মুখলৈ আৰু এবাৰ নেক্‌লেচডাললৈ চাই চাই কিবা এটা কওঁ কওঁ কৰিও মইনে নক'লে।

মযো ঠিক এনেকুৱা এধাৰ নেক্‌লেচ গঢ়োৱাইছো—ঠিক এনেকুৱা, ভনীজনীৰ কাৰণে।

কিন্তু সি নক'লে।

আগে সোণাৰীৰ তাৰপৰা অনা যাওক, তাৰ পিছত সকলোৰে চকুৰ আগতে মেলি ধৰি সি আচৰিত কৰি দিব।

মইনো একেবাৰে পৰিমৰা নহয়।

—মা'ই দিছে—নাচীমে ক'লে।

হাফিজেও নাচীমৰ ডিঙিৰ নেক্‌লেচডালৰ ফালে এবাৰ চালে। কিন্তু তেওঁৰ যেন বৰ আনন্দ নেলাগিল। কোনোবা এটা ধুনীয়া চিনাকি ডিঙিৰ কথা যেন হাফিজৰ মনত পৰি গ'ল, এটা ধুনীয়া ডিঙি, এখন

চিনাকি মুখ, এটা মৰমী হাঁহি !—আজি তাৰপৰা যেন হাফিজ বহুত দূৰ আঁতৰি আহিছে।

চিনেমাৰ গান এটাৰ এফাকি গাই গাই হাফিজ যায়গৈ ঃ

অ' দূৰ যানেৱালে, ওৱাদা না ভুল যা'না
ৰাতে হুই আন্ধেৰি, তুম খা'ব বনকে আ'না।

*　　　*　　　*

—মইন কাকা—

—নাচীম— ?

—মোৰ নেক্‌লেচডাল ভাল হৈছেনে বাৰু ?

—বৰ ধুনীয়া হৈছে। চাওঁ আকৌ দেখুওৱা চোন—

নাচীমৰ নেক্‌লেচডাল সি আকৌ ভালকৈ চালে। মৰিয়মৰ ডিঙিতো এনেকুৱা এডাল নেক্‌লেচ সি দিব।

মাঁকলৈও কিবা এটা অলঙ্কাৰ তাৰ গঢ়াবৰ মন আছিল, ৰূপৰ খাৰু দুপাত আগেযে পিন্ধি আছিল, বাপেক মৰাৰ পিছত সেই দুপাতো সোলোকাই পেলালে। বাঁৰী মানুহে অলঙ্কাৰ নিপিন্ধে।

পিছদিনা দুশ আশী টকা মূল্যৰ নেক্‌লেচডাল বসন্ত সোণাৰীৰ ঘৰৰ পৰা মইনে লৈ আহিল। এডাল নেক্‌লেচৰ কাৰণে তাৰ সমুদায় সঞ্চয়ৰ আধা খৰচ কৰিবলগীয়া হ'ল। এৰা, অন্যান্য খৰচৰ কাৰণে তাৰ কিছু টকা ধাৰ নকৰিলে নচলিব, দুই একক সি কৈও থৈছে, দিব।

সহোদৰ ভনীজনী, চিৰজীৱনৰ কাৰণে নিজৰ ঘৰ এৰি অন্যৰ মজিয়ালৈ অন্যৰ হৈ গুচি যাব। ঘৰৰ পৰা এটা স্থায়ী চিন লৈ নগ'লে ভাল হ'বনে ? কাপোৰকানিয়ে কিমান দিন যায় ? সোণৰ অলঙ্কাৰ এটা স্মৃগমীয়া হৈ থাকিব। আৰু গাঁৱৰ অন্য মানুহেও বুজিব—মইন আগৰ দুখীয়া মইন হৈ থকা নাই।

ধুনীয়া এটা অৰ্ণামেণ্ট কে'চো দিলে লগতে। বসন্ত সোণাৰী ভাল মানুহ, গঢ়নিও দহটকা কমাই ধৰিছে।

কিন্তু নেক্‌লেচডাল আনি সি ক'ত থব একো ঠিক কৰিব

নোৱাৰিলে। দোকানত থোৱাটো নিৰাপদ নহয়, কিজানি কত ৰকমৰ মানুহ আহে তাৰ দোকানলৈ, কাৰোবাৰ চকুত যদি পৰে, আজিকালি কোন চোৰ, কোন সাধু চিনাই টান।

আনহাতে ঘৰত নি থবলৈকো তগৰে জানিব পাৰিলে তাইবা কি কৰি বহে, তিনি শ'টকীয়া অলঙ্কাৰ এটা হাতত পালে কোনফালে মন ঘূৰি যায় কোনে জানে, আৰু তাইকো তেনেকুৱা এধাৰ দিব নোৱৰালৈকে তাই জানো ভাল পাব?

এবাৰ সি ভাবিলে হাকিমনীৰ হাততে দিবগৈনেকি, এই কেইদিন থৈ দিবৰ কাৰণে, কিন্তু হাকিমনীৰ ঘৰতে বিয়া হৈছে—লোকৰ মাল সামৰিবলৈ আজৰি ক'ত?

মইনে বৰ অস্বস্তি অনুভৱ কৰিলে, বস্তু এটা এসপ্তাহ থবলৈ তাৰ ব্যৱস্থা এটা নাই।

মই বৰ দুখীয়া হৈ আছো—নিজকে সি ক'লে।

অৰ্ণামেণ্ট কে'চটো সি তাৰ পইছা থোৱা বাকচটোতে থলে, অতদিন যেতিয়া তাৰ টকা পইছা চুৰি হোৱা নাই, এতিয়াও নহয়।

তাতে বসন্ত সোণাৰীৰ বাহিৰে অন্য কোনোৱে কবও নোৱাৰে সি মৰিয়মলৈ নেক্‌লেচ গঢ়োৱাৰ কথা। ভয় নাই।

মাজে মাজে তাৰ দোকানত মানুহ নেথাকিলে ইফালে সিফালে চাই সি বাকচটো মেলি নেক্‌লেচডাল চায়। বৰ ধুনীয়া হৈছে, বাখৰবোৰ জলমলাই আছে। নাচীমৰ ধাৰেবে ঠিক একে।

তাৰ আনন্দ লাগি গ'ল।

নাচীম তাৰ দোকানলৈ আহিলত সি আকৌ নাচীমৰ ডিঙিৰ নেক্‌লেচডাল চালে, তাৰ মনত লাগিল যেন সি গঢ়োৱা ডালহে বেছি ধুনীয়া হৈছে।

নিজৰ বস্তুক সকলোৱে আনৰ বস্তুতকৈ ভাল দেখে।

তাৰ দোকানৰ আগেদি যোৱা স্কুল কলেজৰ ছোৱালীবোৰৰ ডিঙিলৈকো সি চায়—নাই তেনেকুৱা নেক্‌লেচ কোনেও পিন্ধি অহা নাই।

জীয়াওবৰ জীয়েকজনীৰ ডিঙিলৈও সি মন কৰিলে—তাই অকণমান চেইন এডালহে পিন্ধিছে। ছোৱালীজনী কিন্তু দিনে দিনে ধুনীয়াহে হৈ গৈছে।

জীয়াওবে জানো কি মন কৰে।

নিদিলেও নাই, তগৰ আছে।

নেক্‌লেচডাল অন্যক দেখুৱাবলৈ কিন্তু তাৰ মনটো উচ্‌পিচাই আছিল। ইমান এটা ধুনীয়া বস্তু অন্যক নেদেখুৱাকৈ লুকুৱাই ৰখাটো অসম্ভৱ, কিন্তু দেখুৱাটো বৰ ভাল কথা নহ'ব। সকলো মানুহ জানো ভাল?

অৱশেষত সি কথাটো হেঁচি ৰাখিব নোৱৰা হ'ল। প্ৰথমতে সি কথাটো তগৰকে ক'লে। কিন্তু সম্পূৰ্ণ সঁচা কথা সি নকলে, মাত্ৰ ক'লে—মৰীয়মৰ কাৰণে গঢোৱা নেক্‌লেচ ডাল বৰ ধুনীয়া হৈছে।

—আনিলা জানো?

—নাই অনা, হোৱাই নাই। দুই এদিনতে হ'ব। পিছে মই চাই আহিছো, বৰ ধুনীয়া হৈছে।

—আনিলে মোক দেখুৱাবা চোন—

—দেখুৱামতোন, কিয় নেদেখুৱাম। দামহে বহুত পৰিল।

পুলিচ কনষ্টেবল মোবাৰককো সি কথাটো ক'লে, অলপ অন্য ৰকমে।

—ভনীজনীলৈ অলংকাৰ এপদ গঢাব লাগে, নেক্‌লেচ এডাল গঢাও বুলি ভাবিছো, বেয়া হ'বনে?

—কেলেই বেয়া হ'ব, পিছে বিয়ালৈ দিন দেখোন নায়েই। কেতিয়া কৰাবানো?

—এ' হৈ যাব, মোৰ চিনাকি সোণাৰী আছে?

নাচীমকো সি ক'লে—এনেকুৱা এডাল নেক্‌লেচ মোকো লাগে নাচীম।

নাচীমে সুধিছিল—সদায় মোৰ নেক্‌লেচডাল কেলেই চোৱা মইন কাকা, তোমাৰ বৰ ভাল লাগেনেকি?

তেতিয়া মইনে কৈছিল , —বৰ ভাল লাগে নাচীম—

নেক্‌লেচডাল সি দোকানৰ বাকচতে ছুদিন থলে, ছুদিন কোনো হানি বিঘিনি নোহোৱা দেখি তাৰ সাহস বাঢ়িল। এৰা, কোননো তাৰ শত্ৰু। শত্ৰু হোৱা হলেনো মুখৰ কথাতে তাক ছুকুৰি তিনিকুৰিকৈ টকা ধাৰে দিলেহেঁতেন কিয় ?

মানুহবোৰ সকলো ভাল।

*　　　*　　　*

নাচীমৰ পেহীয়েক চুৰাইয়াৰ বিয়া বৰ ধুমধাম আৰু জাক-জমকেৰে হৈ গ'ল। হাকিমৰ ঘৰৰ বিয়া, কত উপহাৰ আহিল, কত ডাঙৰ মানুহ আহিল, কত মটৰ গাড়ী আহিল।

মইনে প্ৰায় তাঁত বাটি দিব ধৰিলে। এবাৰ পাণ লৈ বিয়া ঘৰলৈ আহে, আকৌ দোকানলৈ যায়। দোকানখনো বন্ধ ৰাখিব নোৱাৰি। তাতে বাকচত তাৰ আছে—মৰিয়মৰ নেক্‌লেচডাল, বিপদলৈ কলৈ যাব লাগিছে ?

দিনতে হোৱা বিয়া—ৰাতি এঘাৰ বজাত ছোৱালী উলিয়াই দিলে, বিয়া ভাগিল।

অৱশ্যে হাকিমনীয়ে নিজে নকৰিলেও ঘৰৰ অন্য মানুহে মইনক ভালকৈয়ে সোধ-পোচ কৰি খুৱালে, সিও এহেজাৰ 'পাণৰ' ঠাইত কিমান শ 'পাণ' দিলে নিজেই ক'ব নোৱাৰিলে। হয়তো পোন্ধৰ শ মানেই দিলে। নাচীমৰ পেহীয়েকৰ বিয়া—সিমানকণ তাৰ নকৰিলে চলেনে ?

—মইন কাকা—নাচীমে তাক মাত লগাবলৈ নেপাহৰিলে।

—কি নাচীম ?

—তোমাৰ ভনীৰ বিয়া কেতিয়া ?

—অহা বৃহস্পতিবাৰে।

—তুমি ঘৰলৈ কেতিয়া যাবা ?

কাইলৈ ৰাতিপুৱা যাম গৈ—

এনেতে নাচীমক ভিতৰৰ পৰা কোনোবাই মাতিলে: নাচীম, ইমান ৰাতিলৈকে কাৰ লগত কথা পাতি আছা? আহা শুই থাকাহি।

—মইন কাকাৰ লগত কথা পাতিছো।

—যোৱা নাচীম, ৰাতি বহুত হ'ল—শুই থাকাগৈ।

মইনৰ ক'বৰ মন গৈছিল—মৰিয়মৰ বিয়ালৈ যাবা দেই নাচীম, ক'ব নোৱাৰিলে।

সিমান সাহস তাৰ এতিয়াও হোৱা নাই।

দোকানলৈ আহি মইনে আকৌ এবাৰ তাৰ বাকচটো খুলি চালে। আছে—নেক্‌লেচডাল আছে, টকা পইছাও আছে। এতিয়া আৰু ভয় নাই।

সেইদিনা ৰাতি সি বাকচটো ঘৰলৈকে লৈ আহিল, আজি আৰু তগৰক দেখুওৱাত আপত্তি নাই, কাইলৈতো সি ঘৰলৈ যাবগৈয়ে লাগিব।

পিছে ৰাতিপুৱাই যোৱা নহ'ব কিজানি। আৰু অলপ পইছা হাতত লৈ নগলে, বিয়া খনত কত কি খৰচ ওলাব পাৰে, তাৰ দোকানখন চাবৰ কাৰণে আৰু তগৰৰ অলপ খবৰ ৰাখিবৰ কাৰণে দুই এজনক কৈ যাব লাগিব।

ৰাতি তেতিয়া প্ৰায ১ বাজিছিল, নানা কথা ভাবি, কাষলতি তলত পইছাৰ সৰু বাকচটো লৈ মইন আহি আছে ঘৰলৈ।

আহি আহি সি তাৰ ঘৰৰ পদুলি মূৰ পালেহি।

হঠাৎ সি অনুভৱ কৰিলে যেন আন্ধাৰৰ মাজেদি কোনোবা এটা তাৰ গাৰ কাষেদিয়ে পাৰ হৈ গ'ল।

সি ঘূৰি চালে।

কিন্তু ডাঠ আন্ধাৰ আছিল, সি কাকো নেদেখিলে।

দুৱাৰ-মুখত বৈ সি আকৌ এবাৰ চালে, নাই, কোনো নাই, বতাহহে হ'ব পায়।

দুৱাৰখন খোলাই আছিল, সি ভিতৰ সোমাই গ'ল।

তগৰ অ' তগৰ, টোপনি গ'লা নেকি?

প্ৰথমতে মাত নাই, দুই তিনিবাৰ মতাৰ পিছত টোপনিৰ পৰা সাৰ পোৱাৰ দৰে অলপ চহমহাই তগৰে মাতিলে, হোঁ কোন ?

—মই আৰু নো কোন হ'ব ?—কৈ মইন তগৰৰ বিছনাৰ কাষ চাপি গ'ল।

তগৰ বিছনাতে বহিল, তাইৰ যেন বৰ টোপনি আহিছিল।

ভগা ভগা মাতেৰে তাই চকু আধা মেলা কৰি ক'লে—বহুত ৰাতি হ'লনেকি ! উঃ মোৰ যে ইমান টোপনি আহিছিল।

তাৰ পিছত ভালকৈ চকু মেলি তগৰে মইনৰ মুখলৈ চালে।

ইমান ৰাতি কৰিলানে, হাতত সেইটো কি ?

বাকচ—মইনে ক'লে।

বাকচ ? তগৰৰ মাতত বিস্ময়।

—ওঁ কাইলৈৰ পৰা দোকান বন্ধ থাকিব নহয়, দোকানৰ পইছাৰ বাকচটো আজি লৈযে আহিলো।

বাকচটো মইনে সৰু মেজখনৰ ওপৰতে থলে।

—পইছাখিনি লৈ অহা হলেও দেখোন হ'লহেঁতেন, বাকচটোকে লৈ আহিব নেলাগিছিল, লখিমী ঘৰৰ বাহিৰ কৰি আনিব নেপায়।

এনেই অনা নাই, কাৰণ আছে—মাতত আনন্দ আৰু গৰ্ব মিলাই মইনে ক'লে, আৰু বাকচটো মেলি নেক্‌লেচডাল চকুৰ আগত দাঙি কৰি ক'লে—এইয়া কি চোৱা।

নেক্‌লেচডাল মইনৰ হাতৰ পৰা লৈ তগৰে ভালকৈ চালে।

—বৰ ধুনীযা হৈছে—কাৰ ? মৰীয়মৰ ? এবা বৰ ধুনীয়া পেটাৰ্ন, কিমান পৰিল ?

—কিমান হ'ব বাৰু ? মইনে ক'লে।

দুশমান পৰিব পায়—তগৰে ক'লে।

—দুশ ? দুশত এনেকুৱা এডাল নেক্‌লেচ পায়। তুমি এটা ভূত !

—বাৰু দিয়া পাঁচ শ, এতিয়া যোৱা, কাপোৰকানি সলাই হাত ভৰি ধোৱা গৈ, বহুত ৰাতি হ'ল।

মইনে নেক্লেচডাল এবাৰ তগৰৰ ডিঙিত পিন্ধাই অলপ আঁতৰি আহি চালে, ধুনীয়া দেখি। তাৰ পিছত খুলি আনি নেক্লেচডাল বাকচটোত ভৰাই চাবি বন্ধ কৰিলে, তাৰ পিছত তাৰ পৰা পিছ চোতাললৈ ওলাই গ'ল।

ততাতৈয়াকৈ তগৰ বিছনাৰ পৰা নামিল, আৰু পিন্ধি থকা কাপোৰকানিবোৰ সলাই বেলেগ কাপোৰ পিন্ধিলে, অলপ সময়ৰ ভিতৰতে বিছনা চাদৰখনো তক্তাপোচৰ তললৈ দলিয়াই থৈ অন্য এখন বিছনাচাদৰ পাৰিলে, তাৰ পিছত আৰ্চিখনৰ আগত বৈ লেমটোৰ পাতলীয়া পোহৰতে নিজৰ মুখখন এবাৰ চাই হাতেৰেই চুলিখিনি ঠিক কৰি ললে।

তগৰৰ চকু মুখত ক্লান্তিৰ ছাপ পৰিছে, সেই কথা তগৰে নিজেই অনুভৱ কৰিলে।

—ভাত-পানী খালানে নাই? মইনে তগৰক সুধিলে।

—খালো, তুমি খালা নহয়?

—ওঁ বিয়াত আৰু নেখাই থাকিমনে? অলপ বৈ মইনে সুধিলে—কোনোবা মানুহ আহিছিল নে কি?

প্ৰশ্নটোত হঠাৎ তগৰৰ মুখখন শেঁতা পৰি গ'ল, কিন্তু পিছ মুহূৰ্ততে নিজক সংযত কৰি ক'লে—কোননো আহিব? অকলে ইয়াতে পৰি মৰি থাকিলেও আমাৰ খবৰ লওঁতা কোন আছে? আমাৰ বিয়াই আছেনে, তোজেই আছে।

তাই কেৰাহিকৈ মইনৰ মুখলৈ চালে, তাৰ চকুত এতিয়াও সন্দেহৰ কিবা চিন আছেনেকি?

তাই আশ্বস্ত হ'ল, নাই, মইনে তাৰ গাৰ কাষেদি সাউটকৰে পাৰ হৈ যোৱা মানুহটোৰ কথা পাহৰি গৈছে।

—কাইলৈ কিমান পৰত যাবানো?

—আগবেলাই যাম বুলি ভাবিছিলো, পিছে পিছবেলাহে যোৱাটো হ'বগৈ। অলপ চিন্তা কৰি মইনে ক'লে।

—কেনেই ?

—ভালেমান কাম আছে। অলপ বজাৰ কৰিবলৈকো বাকী আছে।

তগৰে আগফাল পিছফালৰ দুৱাৰ বন্ধ কৰিলে, দুয়ো বিছনাত পৰিল।

—তগৰ—

—হোঁ—

—তোমাৰ কি কৰিম মই একো ঠিক কৰিব পৰা নাই।

—মোৰ আকৌ কি কৰিবা ?

—বিয়ালৈ তুমি যাবা জানো ?

—পগলা হৈছানেকি ? মই গৈ ওলালে হৈ-চৈ লাগি পৰিব। লাগিলে তাৰ পৰাই চোচোৰাই লৈ যাব। মই মৰিলেও নেযাওঁ।

—পিছে ইয়াত অকলে থাকিব পাৰিবা জানো ?

—আগেওতো আছো। কিহবাই নিছে জানো ?

—এৰা, মোৰহে বেযা লাগিছে, ঘৰতে বিয়াখন হ'ব, তেওঁ তোমাক নিব নোৱাৰো।

—মোৰ কাৰণে নেভাবিবাই,—মৰমেৰে মইনৰ ডিঙিত সাবটি ধৰি তগৰে ক'লে।

—এৰা, মৰিয়মৰ বিয়াখন ভালেকালে হৈ যাওক। তাৰ পিছত—

খুকুখুকাই হাঁহি তগৰে মুখখন তাৰ কাষলৈ চপাই আনি ক'লে, বাৰু, এতিয়া মনে মনে শুই থাকা, ৰাতি পুৱাবই এতিয়া।

মইনে সৰুকৈ ক'লে : বিয়াৰ পিছদিনাই মই শুচি আহিম।

—তোমাৰ বৌটিয়েৰ পিছে অকলে কেনেকৈ থাকিব ?

—এৰা, বাৰু হ'ব কিবা এটা নহলে আৰু ইয়ালৈকে লৈ আহিম। নহয় জানো ?

—পিছে আহি যদি মোক খেদাই দিয়েহি।

—বৌটি তেনেকুৱা নহয়—জানিছা।

তাৰ পিছত আৰু সিহঁতে কথা নক'লে, ক্লান্তভাৱে তগৰে মইনৰ কাষত ধৰা দিলে অন্তৰঙ্গতাৰেই।

মইন ঘৰ পাওঁতে গধূলি হ'ল। টোপোলাই টাপলিয়ে তাক বাচৰ পৰা নমা দেখি মাক আৰু ফজিৰ আগবাঢ়ি আহিল।

—আজিহে আহিছ?

—কালি হাকিমৰ ঘৰৰ বিয়া আছিল নহয়।

—হাকিমৰ ঘৰৰ বিয়া বুলি তই আৰু তাতে লাগি থাকিব পাৰনে?

ৰভা দিয়া হৈ গ'ল। আগফালে, পিছফালে দুখন ৰভা। ইতিমধ্যে মইনৰ মোমায়েকৰ ঘৰৰ আৰু গাঁৱৰ অন্যান্য মানুহ আহি বিয়া ঘৰ গৰম কৰিয়ে তুলিছে।

চাহ খাই উঠি বহি লৈ মইনে কি কি কাম হৈছে, কি কি এতিয়াও বাকী আছে, তাৰ এটা আলোচনা কৰিলে। অন্য কাম বৰ বেছি নাই। আৰু আজি সোমবাৰ হ'ল, মাজতে মঙ্গল আৰু বুধ দুটা দিন বাকী আছে। বৃহস্পতিবাৰে ছোৱালী উলিয়াই দিব লাগিব। বুধবাৰে বাইজে বিয়াৰ ভোজ খাব, বৰ চিন্তা কৰিব লগীয়া নাই।

ভিতৰৰ পৰা তিৰোতা মানুহেও আহি মইনক বেঢ়ি ধৰিলেহি। তাৰ টোপোলাত বা কি কি বস্তু আনিছে, সি সিহঁতৰ কৌতূহল বুজিয়ে যেন অলপ গহীন হৈ থাকিল। মৰিয়ম হয়তো লাজতে এতিয়াও ভিতৰৰ পৰা ওলাই অহা নাই।

নগৰৰ পৰা কিমান মানুহ আহিব আৰু নগৰীয়া মানুহক কি কি খুৱাব লাগিব, কেনেকৈ খুৱাব লাগিব—এই বিষয়েও কিছু কথাবতৰা হ'ল।

কোনোবা এজনীয়ে মাজতে মাত লগালে—

—একেখন ৰভাৰ তলতে মইনৰ খনো পাতি পেলাব লাগিছিল, নোৱাৰ'হকনে ভাল চাই ছোৱালী এজনী বিচাৰি আনিব?

আন এজনীয়ে ক'লে—লোকে নগৰীয়া মানুহ, নগৰীয়া ছোৱালী নানি, গাঁৱলীয়া ছোৱালী আনিবহে হয়।

মইনে মুগুনাৰ ভাও জুৰি অন্য কথা উলিয়ালে। ৰাতি অলপ বেছি হলত ওচৰৰ তিৰোতাবোৰ দিহা দিছি গ'ল। ঘৰখন অলপ পাতল হ'ল, থাকিল মোমায়েকৰ ঘৰৰ মানুহখিনিহে।

সকলো শোৱাৰ পিছত মইনে মাকক তাৰ নিজৰ শোৱা কোঠালৈ মাতি নিলে।

অলপ সৰুকৈ মাকে সুধিলে—গহনা-পাতি কি কৰিলি?

—আনিছো, চাচোন বাৰু—

সি টোপোলো এটা খুলি অৰ্নামেণ্ট কে'চটো উলিয়ালে। নেক্‌লেচ ডাল দেখি মাক স্তব্ধ হৈ গ'ল।

—ভাল হৈছেনৈ বাৰু?

—বৰ ধুনীয়া হৈছে পায়, কিমান পৰিল? মাকৰ চকুত আনন্দ জিলিকি উঠা দেখি তাৰ বৰ ভাল লাগিল।

—চাওঁ, বৌটি বাৰু এইপিনে আহচোন।

মাক ওচৰলৈ আহিলত সি মাকৰ ডিঙিত নেক্‌লেচডাল পিন্ধাই চাই ক'লে—ৰ'চোন বাৰু, তই পিন্ধিলে কেনেকুৱা দেখি চাওঁ—

—এহ্‌ থ মোক সেইবোৰ পিন্ধাই চাব নেলাগে। কিন্তু মাকে বাধা দিব নোৱাৰিলে, বহুত দিন উকা হৈ থকা ডিঙিটোত অলংকাৰডাল দিলত আইকণ গোটেই মানুহজনীয়েই যেন নতুন হৈ পৰিল।

অলপ আঁতৰৰ পৰা চাই সি ক'লে—ভাল হৈছে অ' দেখিবলৈ। চাচোন বাৰু—

বেৰত আঁৰি থোৱা সৰু আৰ্চিডোখৰ আনি সি মাকৰ চকুৰ আগত দাঙি ধৰিলে। নেচাওঁ নেচাওঁকৈও মাকে নিজৰ ডিঙিটো, মুখখন আৰু আৰ্চিত দেখা পোৱা গাটো চালে। নিজকে আইকণে ক'ৰবাৰ অন্য এজনী ধুনীয়া গাভৰু যেন দেখিলে।

অলপ পৰ চাই থাকি নেক্‌লেচডাল সোলোকাই মাকে ক'লে—ভাল হৈছে দে, পিছে কিমান পৰিল ?

—দুশ আশী—

—মানুহক পাঁচ শ বুলি কবি।

মইনে একো নেমাতিলে।

টোপোলা-টাপলি মেলি মইনে সি অনা কাপোৰকানি আৰু অন্যান্য বস্তুবোৰ দেখুৱালে। মাকৰ চকুমুখত অপৰিসীম তৃপ্তি। মইনটোৰ ভনীয়েকজনীলৈ বৰ মৰম সঁচাকৈয়ে।

অৱশেষত সি চোলাৰ ভিতৰ-জেপৰ পৰা টকা তিনিশ উলিয়াই মাকৰ হাতত দিলে।

—আৰু নাই। হাত ধৰি খৰছ কৰিবি বৌটি। অলপ ধাৰ কৰিহে আনিছো।

—ধাৰনো লগালি কেলেই ? বস্তু-বাহানিৰ যোগাৰ হৈছিলেই দেখোন।

—হঠাৎ কি দৰকাৰ হয় ক'বতো নোৱাৰি। আৰু মৰিয়মৰ লগত নগদ টকাও অলপ দিব নেলাগিব জানো ?

মাকে আৰু একো নক'লে। টকা, অৰ্নামেণ্টকে'চ, কাপোৰকানিৰ টোপোলা সকলো ভিতৰলৈ নিজৰ শোৱা কোঠালৈ লৈ গ'ল।

মইনে শুবলৈ লৈছিল।

মাকে আহি ক'লে—ছোৱালীক কি দিওঁ নিদিওঁ সেইবোৰ তই বৰকৈ খকি নুফুৰিবি। দুনীয়াৰ সকলোকে বৰ আপোন বুলি নেভাবিবি।

—ওঁ—মইনে ক'লে।

লাচতে মাকে সক আৰ্চিখন লৈ নিজৰ কোঠালৈ গ'ল।

শাৰী, ব্লাউজপীচ্, পাউডাৰ, ক্লিপ, চিচাৰ খাৰু, প্লাষ্টিকৰ ৰিবন, আনকি নখত লগোৱা ৰং সকলো আনিছে মইনে। কমালো আনিছে একভজন, তদুপৰি এটা এচেঞ্চৰ বটলো।

একো বাকী ৰখা নাই।

হাকিমৰ ঘৰৰ বিয়াত দিয়া দি দিবৰ মন মইনৰ—মাকে ভাবিলে।

আইকণে বস্তুবোৰ ভালকৈ সামৰি থলে। তাৰ মাজতে মাটিতে অকণমান বিছনা কৰিলে। বিয়াঘৰীয়া কথা। ঘৰৰ মানুহে আৰাম কৰি শুবলৈ ক'ত ঠাই ওলাব? কাইলৈৰ পৰা কিজানি শোৱা নহবই।

চাৰিওপিনে বাকচ-পত্ৰ, টোপোলা-টাপলি, আনকি আখৈ জলপানৰ পাচি আৰু দৈৰ কলহো। হেদানি মেলিব নোৱাৰি, ক'ত হাত-লৰ মানুহ থাকে, কোনেনো দিনে-ৰাতিয়ে ৰখি থাকিব? আৰু বিযাঘৰীযা কথা—থাউকতে সকলো বস্তু পোৱা হ'ব লাগে।

আইকণে দুৱাৰখন বন্ধ কৰিলে। ৰাতি বহুত হ'ল—সকলো শুলে। আইকণে লেমটো অলপ বঢ়াই দিলে। তাৰ পিছত চাৰিওপিনে এবাৰ চাইলৈ, নেক্‌লেচডাল উলিয়াই কিছুপৰ চকুৰ আগত লৈ চাই থাকিল। তাৰ পিছত আকৌ চাৰিওফালে এবাৰ চাই নেক্‌লেচডাল নিজৰ ডিঙিত পিন্ধিলৈ আৰু আৰ্চিখন চকুৰ আগত লৈ নিজৰ ডিঙি মুখৰ ফালে বিভিন্ন ভঙ্গীত চালে। ধুনীয়া, তেজাল এজনী গাভৰু ছোৱালীযে আচিখনৰ বুকত হাঁহিছে।

তাৰ পিছত আইকণে বাকচ এটা মেলি এযোৰ মেখেলা-চাদৰ পিন্ধিলে। পিন্ধি থকা চোলাটো সোলেকাই একাষে থৈ মৰিযমৰ কাৰণে কৰোৱা এটা নতুন ব্লাউজো পিন্ধিলে।

কিছুপৰ একেঠাইতে থিয দি থাকি আইকণে নিজক নানাভাৱে চালে।

হঠাৎ কিছুমান লাজে আইকণৰ কাণ ৰঙা কৰি তুলিলে। তাই ততাতৈযাকৈ সকলো খুলি, আগৰ পিন্ধি থকা সাজ আকৌ পিন্ধিলে।

কিন্তু আৰ্চিত দেখা বেলেগ এজনী ছোৱালীৰ ধুনীয়া ছবিটো তাইৰ চকুত লাগি থাকিল। এতিযাও মই গাভৰু হৈয়ে আছো—নিজেই বুজি নোপোৱাকৈ আইকণে ভাবিলে।

কিছুপৰ কিবা ভাবি আইকণ এনেয়ে বহি থাকিল। তাৰ পিছত বাকচ টোপোলাবোৰ মেলি বাছি বাছি তিনিযোৰ মেখেলা-চাদৰ আৰু

ছুটা ব্লাউজ উলিয়ালে। চিচাৰ খাৰু চাৰিপাতো উলিয়ালে। তাৰ পিছত এটা সৰু টিনৰ চুটকেচ আজৰি কৰি সেই বস্তু কেটা তাতে ভৰাই তলা মাৰিলে। বাকী বস্তুবোৰ আকৌ আগৰদৰেই বাকচত সুমাই থলে।

শোৱাৰ আগতে আইকণে আকৌ এবাৰ আৰ্চিত নিজৰ মুখখন চালে।

*　　　　*　　　　*

মইনৰ ভনীয়েকৰ বিয়ালৈ নগৰৰ পৰা আন কোনোৱেই নাহিল। আহিল মাত্ৰ হাফিজ চাহেব আৰু তাৰ এসময়ৰ প্ৰতিবেশী জয়নাথ। অন্য 'ডাঙৰ মানুহ' আৰু নাহিল। মইন অলপ হতাশ হ'ল, আৰু ক'লে —নগৰীয়া মানুহ, আজৰি হলেহে বিয়া খাই ফুৰিবলৈ।

গাঁৱৰ সকলো মানুহ অৱশ্যে আহিল, আৰু ভোজ-ভাত খালে, ডেকা-গাভৰুহঁতে বং ৰহইচ কৰিলে। মৰিয়মৰ বিয়াখন গাঁৱৰ ভিতৰতে এখন লেখত লবলগীয়া বিয়া—সকলোৰে মত।

আইকণ মাজে মাজে মনমৰা আৰু চিন্তিত হৈ পৰে। একেজনী ছোৱালী—উলিয়াই দি অকলশৰীয়া হ'ব—বেয়া লাগিবৰ কথাই। সকলোৱে মনে মনে ভাবিলে।

মইন ব্যস্ত হৈ থাকিল বাহিৰৰ কামত। বাহিৰ ভিতৰ সকলো কামতে টাকুৰি ঘূৰাদি ঘূৰিল ফজিৰ। কাৰোবাৰ চকুত পৰিল, কোনোৱে মন নকৰিলে।

দৰাঘৰীয়াক খুৱাই উঠে মানে ৰাতি হ'ল। গাঁৱৰে বিয়া, খৰখেদা নকৰিলেও চলিব। দৰা আহিছে হাতীত, বাকী তিৰোতাবোৰ আহিছে গৰু গাড়ীত আৰু আদহীয়াখিনি খোজ কাঢ়িয়ে আহিছে। বাট তিনি মাইলো এটা কথানে?

নিকাহৰ পিছত সকলো মানুহ খুউৱা বুউৱাত লাগি থাকোতে, এবাৰ চেগ বুজি অলপ শূইন চাই আইকণে ফজিৰক মাতিলে। তেতিয়া কইনাক ৰভাতলৰ পৰা ভিতৰলৈ নিছে—কাপোৰ সলাবৰ কাৰণে। দৰাঘৰে কাপোৰ লৈ আহে, আৰু নিকাহ পঢ়োৱাৰ পিছত ছোৱালীজনী

যেতিয়া তেওঁলোকৰ হয়, তেতিয়া সেই সাজ কাপোৰ পিন্ধাই দৰাঘৰলৈ নিয়ে।

পিছ চোতালৰ সকলো মানুহে তেতিয়া কইনাক বেটি ধৰিছে কাপোৰ পিন্ধোৱা চাবলৈ। আনকি বভাতলৰ পেট্ৰমাক্সটোও কোনোবা এজনীয়ে ভিতৰলৈ লৈ গ'ল।

ফজিৰৰ কাণৰ কাষলৈ মুখ নি আইকণে ক'লে—এই চুটকেচটো কোনেও নেদেখাকৈ নি তোমাৰ ঘৰত থৈ আহাগৈ, ভালকৈ থৈ আহিবা।

ফজিৰে এবাৰ আইকণৰ মুখলৈ চালে। হঠাৎ তাৰ কথা এটাই বিজুলী খেলোৱাদি খেলাই গ'ল।

—মোৰ মুখলৈ চাই থাকিব নেলাগে। বেগেতে যোৱা।

ফজিৰে কাপোৰেৰে মেৰিয়াই টোপোলা বান্ধি দিয়া সক চুটকেচটো হাতত তুলি ললে, আৰু আগ চোতালেদি নগৈ, পিছফালে পুখুৰী পাৰেদি নিমিষতে আন্ধাৰৰ মাজত অদৃশ্য হৈ গ'ল।

কন্যা উলিয়াই নিবৰ সময়ত আইকণে হুৰাওবাৰে হিয়া ভুকুৱাই কান্দিলে। মূৰত পানী দিব লগীয়া হ'ল।

মইনেও সক ল'ৰাৰ দৰে ফেকুৰি কান্দিলে। আজিৰ পৰা ঘৰখন উদি হ'ল, তাৰ আৰু মাকৰ বাহিৰে এই দুনিয়াত কোনো নাই।

দুই চাৰিয়ে মাকপুতেকক সান্ত্বনা দিলে—দুনিয়া এনেকৈয়ে চলে, ইমান বে'হাল হ'লে কেনেকৈ চলিব? মইনৰ বিয়াখন সোনকালে পাতি পেলালে আকৌ ঘৰ জয়জয় ময়ময় হ'ব। মানে-ইজতে যে ছোৱালীজনী ভাল ঘৰলৈ উলিয়াই দিব পাৰিলি এয়ে আল্লাৰ চুকুৰ।

মাক-পুতেক দুয়ো আকৌ এজাউৰি কান্দিলে।

সকলোৱে সান্ত্বনা দিলে—আমাৰ গাঁৱত ছোৱালীৰ লগত ইমানবোৰ মাল বস্তু কেইঘৰে দিছে। আমাৰ গাঁৱত তেনেকুৱা নেক্‌লেচ কিমানে দেখিছে। মৰিয়মৰ কপাল ভাল। তইঁতে কন্দা কটাধন নকৰিবি। দোৱা কৰ, জী-জোঁৱাই সুখেৰে থাকক।

আইকণে কন্দা সামৰি ঘৰৰ বাহিৰ ভিতৰত চকু ফুৰালে। ফৰ্জিৰ ঘুৰি আহি ৰভাতলৰ বস্তুবোৰ সামৰাত লাগিল। মইন কিন্তু বহিয়ে থাকিল। মনৰ মাজত সি শূন্য অনুভৱ কৰিলে। যৰিয়মে তাৰ মনৰ ভিতৰৰ কিমান ঠাই আগুৰি আছিল, আজি তাইক উলিয়াই দিয়াৰ পিছতহে সি অনুভৱ কৰিলে। এই সময়ত তাৰ কাৰো কথা মনলৈ নাহিল। আনকি তগৰৰ কথাও সি পাহৰি গ'ল।

সি বৰ অকলশৰীয়া আৰু ক্লান্ত অনুভৱ কৰিলে। ভাগৰে তাক হেঁচি ধৰিলে।

জুমটো ক্রমাৎ ডাঙৰ হৈ আহিল। বাটেদি যোৱা মানুহৰ প্রায় সকলো মানুহেই হঠাৎ ৰৈ গ'ল। অস্বাভাৱিক নহলেও অলপ অপ্রত্যাশিত ঘটনাটো, মানুহৰ কৌতূহল হোৱা স্বাভাৱিক।

একাষে মইন থিয় দি আছে, তাৰ কাষত দুটা কনষ্টেবল, অলপ আঁতৰত এজন পুলিচ চব্ ইন্সপেক্টৰ থিয় দি আছে। আৰু দুটা পুলিচে মইনৰ দোকানখন তন্ন তন্নকৈ খানাতালাছ কৰিছে।

ঘটনাটো কি মইনেও ভালকৈ তত ধৰিব পৰা নাই। বাহিৰা মানুহেও বুজিব পৰা নাই।

বিয়াৰ পিছদিনা মইন আহি বাচৰপৰা নামি দোকানৰ মুখত ৰৈছিলহি মুঠেই। পুলিচে তাক বেটি ধৰিলে। কাৰণ সি একো বুজিবই নোৱাৰিলে। সুধিবলৈকো সাহস নহ'ল।

এচ্ আইয়ে তাৰপৰা দোকানৰ চাবি খুজি লৈ, কনষ্টেবল দুটাক খানাতালাছ কৰিবলৈ হুকুম দিলে।

গোটখোৱা মানুহৰ কৌতূহল ভাঙি এচ্ আইয়ে অলপ থঙেৰে, কিন্তু স্থিৰ মাতেৰে ক'লে—হাকিমৰ ঘৰৰ বিয়াত জীয়েকৰ এডাল নেক্লেচ চুৰি গৈছে।

কথাষাৰ শুনি মইনে সুধি উঠিল—নাটীমৰ নেক্লেচডাল হেৰালনেকি চাৰ?

এচ্ আইয়ে একো নেমাতি গহীন হৈ থাকিল।

কিন্তু নাটীমৰ নেক্‌লেচডাল তাৰ দোকানত বিচৰাৰ কোনো কাৰণ সি বুজিব নোৱাৰিলে।

দোকানত একো পোৱা নগ'ল। কোনো মাল 'চুৰি মাল' বুলি ধৰিব পৰা নগ'ল।

কনষ্টেবল এটাই দোকানৰ তলাটো বন্ধ কৰিলে।

এচ্ আই চাইকেলত উঠিল আৰু হুকুম দিলে—ইয়াক থানালৈ লৈ আহ।

আনটো পুলিচে মইনৰ হাতত হেণ্ডকাফ দিলে। মইন হতভম্ভ আৰু অবাক হৈ গ'ল। তাক হেণ্ডকাফ দিলে কিয়? সি অবোধ্য চাৱনিৰে কেউফালে চালে। কোনো চিনাকি মুখ সি নেদেখিলে। মানুহবোৰ ক্ৰমে নিজ নিজ বাটত আতৰি গ'ল।

থানাত কোনো সোধ-পোচ-নকৰাকৈ এবেলা তাক লক্‌আপত সুমুৱাই থলে। তাৰ পিছত দুটা কনষ্টেবলে তাক আনি অ'চি-ৰ আগত হাজিৰ কৰিলে—হাতত হেণ্ডকাফ।

—নেক্‌লেচডাল কি কৰিলি?

—চাৰ?

—নেক্‌লেচডাল কি কৰিলি?

—ভনীজনীক উচৰগাত দিলো চাৰ।

আৰু গহীন হৈ অ' চিয়ে সুধিলে—ভনীয়েৰক কলৈ বিয়া দিছ?

—মাজৰ গাঁৱৰ—মইনে নাম ঠিকনা ক'লে।

—বিয়া কেতিয়া হৈ গ'ল?

—কালি চাৰ—

—নেক্‌লেচডাল নিলি কেতিয়া?

—চাৰ, মই ইয়াৰ পৰা সোমবাৰে গৈছিলো।

নিজকে কোৱাৰ দৰে অ' চিয়ে ক'লে—ওঁ হেৰাইছেও সেইদিনাই।

—ইয়াক বন্ধ কৰি থ—

নিৰ্বাক, করুণ চকুৰে মইনে উপস্থিত সকলোৰে মুখলৈ চালে।

মইনে একো বুজিব পৰা নাই, এইবোৰ কি হৈছে। সি জানো তাৰ ভনীয়েকক বিয়াত নেক্‌লেচ উপহাৰ দিয়াটো এটা অপৰাধৰ কথা। তাক আনি লক্‌আপত সুমুৱালেহি কিয় ?

গধূলি তাক হেণ্ডকাফ লগাই হাজোতলৈ পঠাই দিলে।

অবোধ্য পৃথিবী।

কালি মৰিয়মৰ বিয়া, আজি সি জেলৰ ভিতৰত। সকলো তাৰ ধূৱলি কুঁৱলি লাগিল, একো সি বুজিব নোৱাৰিলে।

পিছদিনা তাক কাছাৰীত এজন খীণ, খঙাল হাকিমৰ আগত হাজিৰ কৰা হ'ল। গধূলি আকৌ আনি হাজোতত সুমাই থলে।

চাৰিটা অবোধ্য, বেদনাময় দিন আভোক অনিদ্ৰাৰ মাজেদি মইনে জেলৰ ভিতৰতে পাৰ কৰিলে। বন্দী জীৱনৰ প্ৰতিটো মুহূৰ্ত তাৰ অসহ্য লাগিল। সি অনুভৱ কৰিলে দুৰ্বিসহ মৃত্যু-যন্ত্ৰণা।

কিন্তু সি একো নক'লে, একো বুজিব নোৱাৰিলে, পৃথিবীখনৰ একোকে সি বুজি নেপায়।

পঞ্চম দিনা পুৱা দহ বজাত অন্যান্য কয়দীৰ লগতে সাঙুৰি মইনক কাছাৰীলৈ আনিলে। সি বাটৰ দুয়ো কাষে চালে। কোনো চিনাকি মানুহ নাই। এইটো বাটে সি কোনো দিন অহা নাই যেনেই লাগিল।

এজন বগা, শকত হাকিমৰ আগত তাক হাজিৰ কৰা হ'ল। ক'ট চব্‌ইন্সপেক্টৰে কে'চ দাখিল কৰিলেঃ তেওঁৰ বক্তব্যৰ মূল কথা— পাণৱালা মইনে হাকিমৰ ঘৰৰ বিয়াৰ দিনা বিয়াৰ পিছত হাকিমৰ জীয়েক নাচীমক ফুচুলাই, ডিঙিৰপৰা তিনিশ টকীয়া নেক্‌লেচ এধাৰ চুৰ কৰি লৈ যায়। ৰাতি শুবৰ সময়ত নাচীমৰ ডিঙিত বিচাৰি নোপোৱাত অনুসন্ধান ক্ৰমে বুজা গ'ল যে বিয়া ভগাৰ পিছত নাচীমৰ লগত কথা পাতি বহি আছিল মইনহে।

আগে পিছেও নাচীম মইনৰ দোকানলৈ যায় আৰু নাচীমৰ ডিঙিৰ নেক্‌লেচডাল মইনে কেইবা দিনো লিৰিকিবিদাৰি চাইছে।

দাৰোগাৰ কিছু কথা মইনে বুজিলে, কিছু কথা সি একো বুজিব নোৱাৰিলে।

সিদিনা মইনৰ ভনীয়েকৰ বিয়া হৈ গ'ল। ভনীয়েকৰ ঘৰত ইতিমধ্যে চাৰ্চ কৰোৱা হ'ল, কিন্তু নেক্‌লেচডাল ভনীয়েকৰ বাকচত পোৱা নগ'ল। হয়তো গম পাই সিহঁতে কৰবাত লুকুৱালে। কিন্তু মইনৰ মাক, ভনীয়েক আৰু বিয়াঘৰৰ অন্যান্য মানুহেও মইনে ভনীয়েকক দিবৰ কাৰণে এডাল দামী নেক্‌লেচ নিয়াৰ কথা স্বীকাৰ কৰিছে। কোনোৱে অস্বীকাৰ কৰা নাই। আৰু নেক্‌লেচডালৰ বৰ্ণনা নাচীমৰ ডালৰ লগত সম্পূৰ্ণ মিলি যায়। সন্দেহ কৰিবৰ কোনো কাৰণ নাই—যে মইনে নাচীমৰ ডিভিৰ নেক্‌লেচ নি ভনীকেয়ৰ বিয়াত উচৰ্গা দিছে।

হাকিমে সুধিলে: আৰু প্ৰমাণ?

—হয় আছে—দাৰোগাই ক'লে। এই নেক্‌লেচডাল বসন্ত সোণাৰীৰ হতুৱাই কৰোৱা হৈছিল। এইখন টকা পোৱাৰ ৰছিদ। এতিয়া বসন্ত সোণাৰী নাই। আজি দহবাৰ দিন আগতে দেশলৈ গৈছে। আৰু নাচীমৰ বাবাক হাকিমৰো এটা লিখিত ষ্টেটমেণ্ট আছে।

দাৰোগাই আৰু এখন কাগজ আগবঢাই দিলে। হাকিমে কাগজখন পঢি চালে। নাচীমৰ ডিভিৰ নেক্‌লেচ হেৰোৱা সম্পৰ্কত তেওঁ মইনকে সন্দেহ কৰে। কাৰণ বিয়া ভগাৰ পিছতো মইনে নাচীমৰ লগত কথা পাতি আছিল।

হাকিমে কাগজখন পেচকাৰলৈ আগবঢাই দি ক'লে—নাচীমৰ জবানবন্দী লব লাগিব।

—হয় চাৰ—

নাচীমক আনি হাকিমৰ আগত থিয় কৰালে। মইনে এবাৰ নাচীমৰ মুখলৈ চালে। নাচীম বৰ ৰঙা পৰিছে। যেন কাণ্ড কাৰখানাবোৰ একো বুজি পোৱা নাই। থানা, জে'ল, এজ্‌লাচ, হাকিম, দাৰোগা—একেবাৰে অচিনাকি এখন পৃথিবী। ইয়াৰ মাজত কিয় সোমাই পৰিছে সি বুজিবই নোৱাৰিলে।

—নাচীম, তুমি মইনৰ দোকানৰ লজেঞ্চ সদায় খোৱা নহয় ?

নাচীমে মূৰ দুপিয়ালে। খায়।

—নেকলেচডাল পিন্ধি তুমি মইনৰ দোকানলৈ গৈছিলা ?

আকৌ নাচীমে মূৰ দুপিয়ালে।

—মইনে তোমাৰ ডিঙিৰ নেকলেচডাল চুই চাইছিল ?

নাচীমে আকৌ মূৰ দুপিয়ালে।

—চুৰাইয়া পেহীৰ বিয়াৰ দিনা মইন তোমালোকৰ ঘৰলৈ গৈছিল ?

—ওঁ—

—বিয়া ভগাৰ পিছত তোমাৰ লগত কথা পাতি বহি আছিল ?

—ওঁ —

—তোমাৰ নেকলেচডাল চাইছিল ?

নাচীমে মূৰ দুপিযালে।

—সেইদিনা ৰাতিযে তোমাৰ নেকলেচডাল নোহোৱা হ'ল ?

নাচীমে মূৰ দুপিযালে।

—তোমাৰ ডিঙিৰপৰা মইনে নেকলেচডাল কেতিয়া খুলি নিলে তুমি ক'ব নোৱাৰা ?

নাচীমে মূৰ জোকাৰিলে—নোৱাৰে।

—বাৰু হ'ব দেই—যোৱা।

নাচীমে এবাৰ কাঠগৰাৰ ভিতৰত থকা মইনৰ মুখলৈ চালে। মইন কাকাটো ইমান খীণাই গৈছে, আৰু ইমান ক'লা পৰিছে! নাচীমৰ যেন চিনি নোপোৱা যেন লাগিল।

মইনে তলমূৰ কৰিলে।

দাৰোগাই হাকিমৰ জীয়েক নাচীমক কাছাৰীৰপৰা এটা পুলিচৰ লগত ঘৰলৈ পঠিয়াই দিলে।

—মইন—

মইনে হাকিমৰ মুখলৈ মূৰ তুলি চালে।

—তোৰ কিবা ক'বলগীয়া আছে ?

—তোৰ কোনোবা উকিল আছে ?

অবোধ্য চাৱনিৰে মইনে এবাৰ হাকিম আৰু এবাৰ ক'ৰ্ট দাৰোগাৰ মুখলৈ চালে।

—ভনীয়েৰক বিয়াত এধাৰ নেক্‌লেচ দিছিলি ?

—হয় চাৰ।

—ক'ৰ পালি নেক্‌লেচডাল ?

—গঢ়াইছিলো চাৰ।

—ওঁ—ক'ত গঢ়াইছিলি ?

—বসন্ত সোণাৰীৰ তাত।

—কিমানত ?

—দুশ আশী টকাত হুজুৰ।

—ইমান টকা ক'ৰ পালি ? বিয়াতো বোলে বহুত খৰচ কৰিলি ?

—নিজৰে টকা চাৰ। দুই এটকাকৈ গোটাই থৈছিলো।

দাৰোগাই মন্তব্য দিলে : বিয়াত এহেজাৰমান খৰচ কৰিছে : He is only a Panwalla Sir।

—পিছে ভনীযেৰে নেক্‌লেচডাল কি কৰিলে ? আমাৰ মানুহে দেখোন বিচাৰি নেপালে ?

—মই ক'ব নোৱাৰো চাৰ।

আৰু প্ৰশ্নৰ প্ৰযোজন নাছিল।

—তই কিবা কবি ?

মইনে হাকিমৰ মুখলৈ চালে। সি কি ক'ব ? কিন্তু ভনীয়েকৰ তাৰ পৰা নেক্‌লেচডাল ক'লৈ গ'ল—তাৰ চিন্তাহে তেতিয়া তাৰ হৈছিল।

—He has practically confessed his guilt Sir, দাৰোগাই ক'লে।

—But the stolen article has not been recovered. হাকিমে ক'লে।

তাৰ পিছত আৰু কোনে কি ক'লে মইনে ক'ব নোৱাৰিলে। এটা কথা মাত্ৰ তাৰ কাণত বাজিব ধৰিলে—চাৰিমাহ সশ্ৰম-কাৰাদণ্ড।

দুটা কন্‌ষ্টেবলে হাতত কেৰি লগাই তাক জেললৈ লৈ গ'ল।

সি একো বুজিব নোৱাৰিলে, একো অনুভৱ কৰিব নোৱাৰিলে, চাৰিওফালে সি আন্ধাৰ দেখিলে।

কাতি, আঘোণ, পুহ—

চুটি দিনবোৰ দীঘল হৈ হৈও অৱশেষত শেষ হৈ গ'ল।

মইনে নিজকে ক'লে—নাচীমে কেতিয়াও মিছা কথা কোৱা নাই। মই চোৰ, মই নাচীমৰ ডিঙিৰ নেক্‌লেচ চুৰ কৰিলো। মই কোনো বসন্ত সোণাৰীক চিনি নেপাওঁ। মই কাৰো ওচৰত কাৰো কাৰণে নেক্‌লেচ গঢ়োৱা নাছিলো। মই চুৰ কৰিছিলো, ধৰা পৰিলো, জেল হ'ল। ঠিকেই হৈছে। মই চোৰ নোহোৱা হ'লে, হাকিম-দাৰোগা সকলো সগ লাগি এনেযে মোক জেল দিয়েনে?

মই চোৰ। নাচীমেও জানে মই চোৰ!

আকাশে বতাহে মাঘ বিহুৰ গোন্ধ। শীত শেষ হৈ যাব, আহিব বসন্ত। পুৰণি পৃথিবীখন সলনি হৈ যাব। পুৰণি গছত নতুন কুঁহি পাত মেলিব। নকইনা এজনীৰ দৰে পৃথিবীখন ধুনীয়া হ'ব।

কাইলৈ পুৱা মইনৰ ম্যাদ শেষ হৈ যাব। তাক কাইলৈ জেলৰ পৰা মুক্তি দিব। সি মুক্ত হ'ব। কিন্তু জেলৰ পৰা ওলাই গলেই জানো মোৰ সকলো মচ খাই যাব। মই চোৰ, দাগী, ফাটেকিয়াল। মুকলি হলে বৰং যেয়ে দেখে সেযে মোক চোৰ হিচাপেহে চাব।

কিন্তু মই জানো সঁচাকৈযে নাচীমৰ নেক্‌লেচ চুৰ কৰিছিলো? মোৰতো অকণো মনত নপৰে? অন্য সকলো কথাই দেখোন মনত আছে? নাই, মই কেতিয়াও চুৰ কৰা নাই। মই মাত্ৰ চুই চাইছিলো। ক'ৰবাত কিবা ভুল হৈ গ'ল। কিন্তু তাৰ বাবে মই জেল খাবলগীয়া হ'ল কিয়?

এবা ক'ৰবাত ভুল হলে মৰে যদি জেল নেখাওঁ কোনে খাব ?

ঠিকেই হৈছে।

খবৰ দিয়াতো মোক কোনোৱে জামীনত নিবলৈ নাহিল। কিয় আহিব ? চোৰৰনো কোনোবা জামীনদাৰ হয়নে ? ভালেই কৰিলে।

উকিল ধৰা হলেনো কি লাভ হ'লহেতেন ? আৰু উকিলৰ ফীজ দিবলৈ পইছা পাম ক'ৰপৰা ? কমেও এশ টকা লগেহেঁতেন। ভনীজনীৰ বিয়াততো ধাৰেই লাগি আছে তিনি শ টকা। এবা ওলাই গৈয়ে দোকানখনত মনপুতি লাগিম। আৰু ইফাল সিফাল কৰি থাকিলে নচলিব। তিনি শ টকাৰ ধাৰ মাৰিবলৈ কমেও ছমাহ লাগিব। নিজেও চলিব লাগিব, বৌটিলৈকো পঠিয়াব লাগিব।

বৌটি অকলে আছে। এবা, এই তিনি চাৰি মাহে বৰ কষ্ট পাব পায়! কিন্তু জেলত পৰি থাকিলো ইমান দিন, বৌটিয়েও এবাৰ দেখা কৰিবলৈ নাহিল। মৰিযমৰ ঘৰৰো কোনো নাহিল। হাফিজ চাহেব আহিছিলে—এবাৰ মু'ঠই। আৰু নো কোনো আহিব নেপাযনে ? বাহিৰখনতনো কি হৈছে একো ক'বই নোৱাৰো আজি তিনি চাৰি মাহে।

তগৰজনী জানো এবাৰ আহিব নেপায় ? নাই, তাইৰ গাত দায় নাই। ভয়তে তাই নাহিল। কোনোবাই চিনি পাই গলে তাই যে ধৰা পৰি যাব। বেচেৰীৰো বৰ অসুবিধা হ'ব পায। চাৰিমাহকৈ অকলে কেনেকৈ চলিছে চাগৈ!

জেললৈ আনিবৰ সময়ত টকা পঁচিশটা আছিল জেপতে। জেল দাৰোগাই ৰাখি থলে। ঘূৰাই দিয়ে বা নিদিয়ে। নহলে গৈয়ে দোকানখনত পাণ-তামোলকে কিহেৰে কিনিমগৈ ?

এবা, হঠাৎ কি যে হৈ গ'ল।

আৰু কিন্তু বাট নেচাওঁ। তগৰৰ লগত এনেকৈ থকা ভাল হোৱা নাই। এইবাৰ গৈ বিয়াখন পাতি পেলাম। ক'ৰনো ভাল ছোৱালীজনী আহিব আৰু ফাটেকিয়াললৈ ? তগৰো বেয়া ছোৱালী নহয়।

নাচীমে আৰু মোৰ দোকানৰ লজেঞ্চ কেতিয়াও নেখায়। মোক চাগৈ বৰ ঘিণ কৰিব নাচীমে। কৰিবই—নেক্‌লেচ চুৰ কৰিছো—ঘিণ নকৰিব কিয় ?

নাই, মই আৰু নাচীমহঁতৰ আগত দেখা নিদিওঁ।

কিন্তু নাচীমজনী ইমান ধুনীয়া, ইমান মৰমলগা।

*　　*　　*

পিছদিনা পুৱা আঠবজাত মইনক জেলৰ পৰা মুকলি কৰি দিলে। আহিবৰ সময়ত তাৰ পুৰণি চোলা কাপোৰ আৰু টকা পঁচিশটাও দি পঠালে। টকা কেটা পাই তাৰ মনটো ডাঠ লাগিল।

এখন মুকলি পৃথিবী। মাঘ বিহুৰ উৰুকা। চাৰিওফালৰ পৰা আনন্দৰ কিৰিলি উৰি আহিছে। কুঁৱলিবোৰ ৰাতিপুৱাই নোহোৱা হৈছে। এজাক কোমল, মিঠা ৰ'দত আকাশ আৰু পৃথিবীয়ে হাঁহি উঠিছে। জেলত কটোৱা চাৰিটামাহ মইনৰ এটা বহুত দিনৰ আগৰ ভয়াবহ আন্ধাৰ ৰাতি যেন লাগিল।

তাৰ কাষেদি যোৱা সকলো মানুহ যেন নতুন আৰু তাৰ অচিনাকি। আলিবাটবোৰো বৰ বহল আৰু মুকলি যেন লাগিল তাৰ।

—মইন দেখোন—কেতিয়া আহিলি ? ডিউটিত থকা মোবাৰকে সুধিলে। কিন্তু মইনে যেন মোবাৰকক চিনিকে পোৱা নাই।

—এইয়া আহিছো—সি ক'লে। তাৰ সকলো আচহুৱা যেন লাগিছে।

সি কেউপিনে চালে।

তাৰতো ভুল হোৱা নাই। এইজোপা তাৰ চিনাকি বৰগছজোপা। এইটো পুলিচ পইণ্ট। এইটো ডিউটিত থকা পুলিচ—মোবাৰক। কিন্তু তাৰ দোকানখন কলৈ গ'ল ? সি থমক খাই ৰ'ল। আৰু মোবাৰকৰ মুখলৈ অবাক চাই নিৰে চালে।

—অ' তই দোকানখন বিচাৰিছ ? এৰা, তই ক'বই নোৱাৰ হ'বলা—

নেছনেল্‌ হাইৱে’ এক্ট চলিছে নহয়। ৰাজ আলিৰ কাষৰ পৰা সকলো দোকান পোহাৰ পুলিচে জোৰ কৰি উঠাই দিছে।

—কিয় ?

—দোকানবোৰ আনি আনি আলিৰ ওপৰতে দিবলৈ ধৰিলে মানুহবোৰে। নটিছ দিলেও উঠাই নিনিয়ে। চৰকাৰে পুলিচ লগাই দোকান উঠাই দিছে।—মোবাৰকে কর্তৃত্বৰ সুৰত ক’লে।

মইন মোবাৰকৰ ওচৰৰ পৰা তাৰ আগেযে দোকান থকা ঠাইলৈ গ’ল।

বাটৰ কাষৰ খালটোত তাৰ দোকান ঘৰটো ওপৰলৈ ঠেং কৰি পৰি আছে।

ৰাজ আলিত তাৰ দোকানে বাধা দিছিল—দলিযাই দিয়া হৈছে—গৰখাৰৈলৈ।

মইনৰ বৰ বিস্বাদ লাগিল।

‘নেছনেল হাইৱে’। মোৰ দোকানখনেহে ৰাজবাট ভেটিছিলনে? তাৰ মুখফুটাই ক’বৰ সাহস নহ’ল। কিজানিবা আকৌ কিবা জগৰ লাগে, আকৌ তাক জেললৈ লৈ যায়।

অলপ পৰ সি একেথৰে তাৰ দোকানঘৰটোলৈ চাই থাকিল। পুৰণি কাঠৰ তক্তাৰে সজা এটা ডাঙৰ বাকচ। সি বৰ কুন্ধচ দেখিলে—কেনেকৈ খুৰা কেইটা ওপৰলৈ মূকৈ পৰি আছে।

লাহে লাহে সি তাৰ পৰা খোজ ল’লে।

তাৰ ভোকো লাগিছিল, পিযাহো লাগিছিল। তগৱে হযতো নেজানে যে সি আজি ঘূৰি আহিছে। তাই বেচেৰীযে অকলে অকলে কটাই দিলে চাৰিটা মাহ। ভাল ছোৱালী বুলিহে।

তাৰ ঘৰটোৰ চোতালত সি দেখিলে এহাল আগেয়ে নেদেখা ল’ৰা-ছোৱালী। সি বৈ গ’ল।

এনেতে ভিতৰৰ পৰা ওলাই আহিল এটা মানুহ।

—অ’ মইন দেখোন, কেতিয়া আহিলি ?

—আজি—তগৰ নাইনেকি বাসুদেৱ ?

—তগৰ ? অ' ইয়াত থকা সেই ছোৱালীজনী ? তই ক'বই নোৱাৰনেকি ?

—ওঁহো মইতো একো ক'ব নোৱাৰো। সপ্ৰশ্ন দৃষ্টিৰে সি বাসুদেৱৰ চকুলৈ চালে।

—ক'ৰ জানো বনৰীয়া ছোৱালী চপাইছিলি ? তোক জেললৈ নিয়াৰ দিনাই তাই পলাই গ'ল।

—পলাই গ'ল ? ক'লৈ ?

—কেনেকৈ জানিম ক'লৈ ? বছিৰক চিনি নেপাৱ জানো ? সেই বছিৰৰ লগতে সেই ৰাতিয়ে ক'ৰবালৈ পলাই গ'ল।

অলপ সময সি বাসুদেৱৰ মুখলৈ থৰ লাগি চাই ৰ'ল।

—থৰ লাগিলি কেলেই ? বহহি আহ, এটোপা চাহ পানী খা।

—তই ইযালৈ কেতিযা আহিলি ?

—হ'ল দুমাহমান, এনেইহে পৰি আছিল ঘৰটো—ময়ো ঘৰ বিচাৰি ফুৰিছিলো। পিছে তোৰ একো বস্তু নাই, সকলো সিহঁতে লৈ গ'ল।

মইন ঘূৰিল। সি একো নক'লে।

গোটেই পৃথিবীখনে মোৰ বিৰুদ্ধে কিবা অভিসন্ধি কৰিছে, ষড়যন্ত্ৰ কৰিছে। কিন্তু মই পৃথিবীৰ কি কৰিলো ? মইতো একো কৰা নাই।

—তই অকণ নবহ' মইন— ?

কিন্তু বাসুদেৱৰ কথা তাৰ কাণত নোসোমাল।

সি আহি আলিবাটত উঠিলহি।

নগৰৰ জীৱনৰ ওপৰত তাৰ বিতৃষ্ণা হ'ল। গাঁৱলৈ গুচি যাম, খেতি কৰি খাম, ইযাত আৰু নেথাকো।

কোনোমতে সি চেপা খাই বাছখনত বহি ললে।

নগৰ, তোমাক বিদায়, মই গাঁৱৰ ল'ৰা গাঁৱলৈ গুচি আহিছো। তগৰেও মোক ঠগিলে, বজ্জাত বনৰীয়া ছোৱালী। কিন্তু বছিৰৰ লগতহে তাই যাবলৈ পালে! খাবলৈ নেপাই মৰিব।

ধাৰখিনি আগে মাৰি ল'ব লাগিব। গাঁৱত নো ক'ৰ পইছা ওলাব? মাটি বেচি দিম—বৌটি আৰু মই দুটা মানুহ খেতি কৰিয়ে চলি যাম। থাওক তগৰ—গাঁৱৰে অন্য এজনী ছোৱালী—

বাছ তাৰ ঘৰৰ আগতে ৰ'ল। সি বাছৰ পৰা নামি আহিল।

এই চোতালৰ মাটি তাৰ চিনাকি।

চোতালত ভৰি দি তাৰ ভাল লাগিল।

শান্তি পালে তাৰ ক্লান্ত মনটোৱে।

চোতালতে গৰু এটা শুই আছে। দুৱাৰখন তলা মৰা।

বৌটিনো ক'লৈ গ'ল?

সি পিছ চোতাললৈ গ'ল। ইঃ চোতালখনত ইমান বন গজিছে, যেন মানুহ দুনুহ নায়েই। এৰা, বৌটিয়েনো অকলে কি কৰিব?

—কোন অ' সেইটো?

সিফালৰ ঘৰৰ পৰা কোনোবা এজনে চিঞৰি সুধিলে।

—মইহে দদাই—

—অ' মইন, হেৰ' কেতিয়া পালিহি?

—এইযা বাছৰ পৰা নামিছো। চাওঁ এইপিনে আহাচোন—বৌটিনো ক'লৈ গ'ল? দুৱাৰত দেখোন তলা মৰা?

জেওৰাখন পাৰ হৈ মানুহজন আহি তাৰ সন্মুখত ৰ'লহি।

—তই একো নেজান জানো?

—ওঁহো, কাৰোবাৰ কিবা হ'লনেকি?

—কিবা আৰু কিটো হ'ব? এৰা, লাজ বিজৰে কথা বোপাই। সেইবোৰ কৰিবৰ বয়স জানো আছিল?

—কি হ'ল দদাই, মই একো বুজিব পৰা নাই।

—আমি শুনিলো তোক বোলে জেললৈ নিলে। সেইবোৰ সাত পুৰুষত নোহোৱা কথা, হ'ল হ'ল আৰু। পিছে মাৰে ক'ত তোৰ বিচাৰ কৰিবলৈ যাব, ফজিৰৰ লগত মাৰ গুচি গ'ল—

—কি? কি হ'ল?

—এৰা আমাৰে বিশ্বাস কৰিবলৈ টান লাগিছিল। পিছে মৰিয়মৰ বিয়াৰ বাতিয়েই হেনো জীয়েকৰ কাপোৰকানি চান কাটি ফজিৰৰ ঘৰলৈ বাকচ পত্ৰ সৰকাই থৈছিল। হেৰ' ক'লে জানো বিশ্বাস কৰিবি যে মাৰে মৰিয়মলৈ বুলি তই গঢ়োৱা নেক্‌লেচধাৰ মনে মনে নিজলৈ বুলি ৰাখি থলে?

মইনে একো বুজি পোৱা নাই। তাৰ মাক—মৰিয়মৰ মাক—আইকণ—পঁয়ত্ৰিশ বছৰীয়া বুঢ়ী মানুহজনী—এতিয়া অন্যৰ লগত পলাই যাবৰ দিন আছেনে?

—কেলেই নেক্‌লেচডাল মৰিয়মক নিদিলেনেকি?

—এৰা বোপাই, দিন কাল কিবা হ'ল। ফজিৰলৈ যাম বুলি তলে তলে ফিকিৰ সাজি থৈছিল। কোনেনো জানে, সি আৰু কাম কাজ কৰি দিয়া দেখো, আমি ভাবিছিলো বোলো এনেয়ে কৰি দিছে। আহ, আমাৰ ঘৰলৈকে যাওঁ—

মইনে ক'লে: নেক্‌লেচডাল বৌটিয়ে নিজলৈ ৰাখিলে?

—আমি কোনেও ক'ব নোৱাৰো, পিছে সেইডাল বোলে কিবা জগৰীয়া মাল আছিল। নগৰৰ পুলিচ আহি ভনীয়েৰৰ ঘৰ তলা নলা কৰিলেহি, ভনীয়েৰেও তেতিয়াহে ক'ব পাৰে যে সেইডাল বাকচত নাই।

বৌটিযে ৰাখিছে বুলি কেনেকৈ জানিলা?

—আমি দেখা নাই, পিছে পিন্ধি ঘূৰি ফুৰিছে বোলে। আজি-কালিৰ মানুহৰ লাজ চৰমো নোহোৱা হ'ল।

মৰিয়মৰ উছৰ্গাত দিবলৈ গঢ়োৱা নেক্‌লেচডাললৈ বৌটিৰ ইমান লোভ লাগিলনে? ৰাখক সেইডাল, কিন্তু ফজিৰৰ লগত নতুন সংসাৰ কৰিবলৈ গুচি গ'ল!!

অসম্ভৱ! অসম্ভৱ, অবিশ্বাস্য কথা!!

কিন্তু যোৱাই যদি নাই, মইনৰ ঘৰত আজি তলা মৰা কিয়?

মইনৰ মনটো একেবাৰে দবি গ'ল, তাৰ যে খুব ভোক লাগিছিল সেই কথাও পাহৰি গ'ল। সি কোনোমতে ক'লে—মই অলপ পিছত যাম দদাই, হাত-ভৰিবোৰ ধুই যাওঁ।

সি পুখুৰীৰ ফালে আগবাঢ়িল। তাৰ উনৈশ বছৰীয়া জীৱনটো নিঃসাৰ, নিষ্পন্দ যেন লাগিল তাৰ। জীৱনত কোনো দিন সি ইমান নিঃসঙ্গ, ইমান অকলশৰীয়া অনুভৱ কৰা নাছিল। গোটেই পৃথিবীখনত যেন সি অকলে বাট হেৰুৱাই ঘূৰি ফুৰিছে।

সি পুখুৰী পাৰলৈ গ'ল। খৰালি পুখুৰীৰ পানীবোৰ বহুত শুকাই গৈছে। পানীবোৰ পৰিষ্কাৰ, নিৰ্মল।

পাৰৰ বননিতে সি বহিল, বহি থাকিল বহুত পৰ। হয়তো তাৰ টোপনি আহিছিল, হয়তো সাৰে থাকিও স্বপ্ন দেখিছিল। তাৰ মনৰ মাজলৈ ঘূৰি আহিছিল তাৰ শৈশৱৰ কথা, তাৰ বাপেকৰ কথা, মাকৰ কথা—কত বুজা-নুবুজা কথা। এই চোতাল, এই পুখুৰীপাৰ সকলোৰে লগত মিলি আছে তাৰ জীৱনটো। আজি যেন সকলো ছিন্ন-ভিন্ন হৈ গৈছে। তাৰ অতীতটো যেন একেবাৰে নোহোৱা হৈ গৈছে। তাৰ ভিতৰৰ এটা মানুহ যেন মৰি জঠৰ হৈ গৈছে।

চকু মেলি চাই সি দেখিলে লাহে লাহে পৃথিবীৰ বুকলৈ কুঁৱলি নামি আহিছে। বেলিটো গৈ পশ্চিমৰ শেষ দিগন্ত পাইছেগৈ। পৃথিবীৰ বুকত পোহৰ আৰু আন্ধাৰৰ অৰিযাঅৰি চলিছে। আন্ধাৰ জয়ী হ'ব।

সি বহাৰ পৰা উঠিল। সি অনুভৱ কৰিলে যে তাৰ বৰ ভোক লাগিছে। অলপ পৰ সি পিছ চোতালতে বৈ জনহীন ঘৰটোৰ ফালে চাই ৰ'ল। তাৰ পিছত ওলাই আহি আলিবাটত উঠিল।

ক'লৈ যাব সি একো ঠিক কৰিব নোৱাৰিলে। এবাৰ তাৰ মাকক চাবৰ খুব মন গ'ল কিন্তু মনটোৱে তাৰ বিদ্ৰোহ কৰি উঠিল। তাৰ কোনো নাই, কোনো আপোন নাই।

দদাযেকৰ ঘৰতে সি ভাত-পানী খালে, অলপ বিছনাতে দীঘল দিলে, কিছু সময় তাৰ টোপনিও আহিল। বেছি কথা-বতৰা নেপাতিলে।

মাজ ৰাতি তাৰ টোপনি ভাগিল। কেউপিনে হিলৈ ফুটিছে। ল'ৰা-ছোৱালীৰ আনন্দৰ কিৰিলি, ৰাতিৰ আন্ধাৰ আৰু কুঁৱলি ভেদ কৰি

চাৰিওপিনে বিয়পি পৰিছে। সমাগত বসন্তৰ ইঙ্গিতত পৃথিৱী যেন উৎসৱ-মুখৰা হৈ উঠিছে।

সি শোৱাৰ পৰা উঠি আহিল। গাত বৰকাপোৰখন ভালকৈ লৈ সি ঘৰৰ বাহিৰ ওলাল। আকাশৰ বুকত কিছুমান নিস্তেজ তৰা আছে। চাৰিওফালে ঘন কুঁৱলিৰ আৱৰণ। সি লাহে লাহে আগ বাঢ়িল। দূৰে দূৰে হিলৈৰ শব্দ। ৰাতিৰ বুকুখন অলপ কঁপি উঠিল।

*　　　　*　　　　*

ফজিৰৰ ঘৰৰ আগৰ জপনাখন মেলি সি সোমাই গ'ল। চাৰিওফালে চালে—কোনো নাই। সি বেৰখনৰ কাষ চাপি গ'ল।

তুপৰ ৰাতি। কাৰো শব্দ-সহঁাৰি নাই।

অলপ পৰ সি থিয় দি থাকিল। বেৰখনৰ কাষত এনেয়ে কাণ দিলে। তাৰ কাণত পৰিল বেৰৰ সিপাৰে শোৱা ফজিৰ আৰু তাৰ মাকৰ গভীৰ ঘন নিশ্বাসৰ ক্ষীণ শব্দ। অতি নিশ্চিন্তভাৱে বৰ তৃপ্তিৰে টোপনি যোৱা তুটা প্ৰাণীৰ নাকৰ পৰা যেন গভীৰ আনন্দৰ কোমল সঙ্গীত নিজৰি আহিছে।

আৰু অলপ পৰ সি তাতে থিয় দি থাকিল, তাৰ পিছত ওলাই আহিল আৰু আলিবাটত উঠিল।

হঠাৎ তাৰ মনটো আগতকৈ পাতল লাগিল। বৌটি সুখত আছে ফজিৰৰ লগত। সকলো মানুহে নিজৰ সুখকে আগে বিচাৰে, ভালেই হ'ল। এতিয়া মোৰ নিজৰ বাহিৰে আৰু অন্য কাৰো চিন্তা কৰিবলগীয়া নাই। জীৱনটো মোৰ নিজৰ, তাত কাৰো ভাগ নাই।

মইনে গাটো পাতল পালে।

সি দদায়েকৰ ঘৰলৈ ঘূৰি আহিল আৰু একো নভবাকৈ বিছনাত পৰি টোপনি যাবৰ চেষ্টা কৰিলে।

তেতিয়া শেহ ৰাতিৰ জাৰবোৰ কঠিনভাৱে চাৰিওফালে বিয়পি পৰিছিল। * * * *

নীলা, মুকলি আকাশ। এই আকাশখন মইনৰ ভাল লাগে। কাষৰ গছজোপাই আকাশখন নেঢাকে। গোটেইখিনি ৰ'দ আৰু পোহৰ আহি তাৰ গাত পৰেহি। তাৰ মনটো প্ৰফুল্ল লাগে।

বাজবাটৰ কাষত তাৰ নতুন জীৱন আৰম্ভ কৰিছে মইনে। এই নগৰত সি এটা নতুন মানুহ, বেলেগ মানুহ।

কুৰিটকা ৰূপৰ তাৰ বেহানি। ঘৰ নাই, পেকিং কাঠৰ বাকচ এটাৰ ওপৰতে কেইপেকেটমান চিগাৰেট, জুইশলা, বিড়ি, বাদাম আৰু তামোল-পাণ। আগেয়েও এবাৰ—প্ৰথমবাৰ—সি এইদৰেই আৰম্ভ কৰিছিল—তেতিয়া তাৰ অভিজ্ঞতা নাছিল। এইবাৰ কিন্তু অভিজ্ঞতা হৈছে। সি আকৌ তাৰ হেৰোৱা ভাগ্য ফিৰাই আনিব। ধাৰবোৰ মাৰিব লাগে, নহ'লে তাৰ শান্তি নাই। এই পিনেদিও মানুহ অহা-যোৱা কৰে, স্কুল-কলেজৰ ল'ৰা-ছোৱালী আহে যায়। তাৰ বিক্ৰী হয়—দুটকা—চাৰিটকা—ক্ৰমে ছটকা—বাৰ টকা তাৰ নিজৰ ওপৰতে এটা বিশ্বাস হয়, এইদৰেই মই আকৌ মানুহ হম।

একেখন নগৰ, মাত্ৰ একেঠাই নহয়, অন্য এটা ফাল।

লাহে লাহে মইনে তাৰ দোকানখন অলপ ডাঙৰ কৰি যায়। আকৌ এখন দোকান সি কৰিব।

আগৰ দুই চাৰিজনক সি লগ পাইছে। নতুন বন্ধুও তাৰ হৈছে। নাই, মানুহ অকলশৰে থাকিব নোৱাৰে। মানুহক মানুহ লাগে—বন্ধুৱেই হওক বা শত্ৰুৱেই হওক।

হাফিজে আহি ইয়াতে মইনক বিচাৰি পালেহি। মইনে মনতে এটা বল পালে। হাফিজক তাৰ বহুত দিনৰ অভিন্ন-হৃদয় বন্ধু যেন লাগিল। হাফিজৰ গীত আকৌ তাৰ ভাল লাগিল।

হাকিমৰ ড্ৰাইভাৰ দিদাৰতো আহি আকৌ মইনৰ লগ লাগিলহি।

একো হোৱা নাই। ছমাহত পৃথিবীখনৰ একো পৰিৱৰ্তন নহয়।

কিন্তু আকাশখনৰ এটা পৰিৱৰ্তন হৈছে। মইনৰ এই আকাশখন নতুন হৈছে। আকাশৰ বুকত নতুন বসন্তৰ নিশ্বাস লাগিছে। মইনৰ

মনৰ মাজতো কিছুমান নতুন আনন্দ সজাগ হৈ উঠিছে। সি অলপ টকা জমা কৰিব পাৰিছে—একত্ৰিশ টকা ছয় অনা।

দিদাৰতক সিফালৰ পৰা কোবাকুবিকৈ অহা দেখি মইনে মাতিলে—ক'ৰ পৰা আহিলি দিদাৰ—বিড়ি এটা খাই নেযাৱনে ?

দিদাৰত আহিল।

—ডাক্তৰৰ ওচৰলৈ গৈছিলো।

—কাৰ কি হৈছেনো ?

—নাচীমজনীৰ আজি তিনিদিন বৰ জ্বৰ। অকণো এৰা নাই।

মইন উচপ্ খাই উঠিল। নাচীমৰ জ্বৰ।

—এৰা, সৰু ছোৱালী। হাকিম-হাকিমনীৰ বৰ চিন্তা হৈছে।

—হবতো চিন্তা।

বিড়িটো জলাই দিদাৰতে ক'লে—মই যাওঁ দেই। দেৰি হৈ গৈছে।

অলপ কিবা ভাবি মইনে ক'লে—নাচীমক মই বহুত দিন দেখা নাই। বৰ চাবৰ মন যায়, মই গ'লে বাৰু চাবলৈ দিবনে এবাৰ ?

—নিদিব কেলেই। যাৱ যদি যাবি।

—নহয়, তই হাকিমনীক কথাটো কবি। ডাঙৰ মানুহৰ কথা, ভয় লাগে পায়।

—একো ভয় নাই, যাৱ যদি মোৰ লগতে আহ।

মইনে অলপ ভাবিলে, গধূলিয়েই হৈ আহিল। তাৰ দোকান সামৰিবৰ হ'ল। অলপ বহি থাকিলে হযতো এটকা আঠ অনাৰ বিক্ৰী হ'ব, কিন্তু নাচীমজনীক এবাৰ দেখা পোৱাতকৈ এটকা ৰূপ ডাঙৰ নহয।

দোকান সামৰি মইন দিদাৰতৰ লগতে আহিল। মনে মনে তাৰ ভয় লাগিছিল, কিজানিবা সি গ'লে হাকিমৰ ঘৰৰ আকৌ কিবা হেৰায়, আৰু তাক চোৰ ধৰে। ধৰিলেও ধৰিব, তথাপি নাচীমক এবাৰ সি চাই আহিব, কত দিন দেখা নাই।

সি দুৱাৰ-মুখতে ৰ'ল দিদাৰত ভিতৰলৈ গ'ল।

—পালি ডাক্তৰক ?

—ঘৰত নাছিল, কৈ আহিছো। আহি পালেই আহিব।

দিদাৰত অলপ ৰ'ল, তাৰ পিছত ক'লে—নাচীমক চাবলৈ মইন আহিছে, দুৱাৰ-মুখতে বৈ আছে।

—কোন?

—মইন—আগে যে পাণৰ দোকান দিছিল।

মইনৰ নাম শুনিয়ে যেন নাচীমে ডিঙি বেকা কৰি চালে।

—আহিবলৈ ক—নাচীমৰ মাকে ক'লে।

অলপ পিছতে দিদাৰতৰ লগত মইন সোমাই আহি নাচীমৰ বিছনাৰ কাষতে ৰ'ল। হাকিম-হাকিমনীয়ে এবাৰ তাৰ মুখৰ ফালে চালে। এটা অপৰাধীৰ দৰে সি তলমূৰ কৰি নাচীমৰ ফালে চালে।

—বহা মইন—হাকিমনীয়ে ক'লে।

সি কিন্তু নবহিল। সি নাচীমৰ কপালত হাত দি মাতিলে—নাচীম—নাচীমে চকু মেলি চালে।

—নাচীম—আকৌ মাতিলে মইনে। আৰু দিদাৰতৰ ফালে চাই ক'লে—জ্বৰ বৰ বেছি নাই কিজানি।

—মইন কাকা—স্পষ্ট মাতেৰে নাচীমে মাতিলে, আৰু বিছনাতে বহিবৰ চেষ্টা কৰিলে।

হাকিমনী ওচৰ চাপি আহি ক'লে—শুই থাকা নাচীম, তোমাৰ গা ভাল নাই নহয।

—তুমি কেতিয়া আহিলা মইন কাকা?

—বাৰু, তুমি কথা নকবা দেই। এতিয়া ভাল পাইছানে?

—ওঁ, মোৰ খুব জ্বৰ হৈছিল নহয়। লজেঞ্চ আনিছানে মইন কাকা।

মইনৰ চকু দুটা অলপ সেমেকা যেন পালে। সি জেপৰ পৰা কাগজেৰে বান্ধি অনা লজেঞ্চৰ সৰু টোপোলাটো নাচীমৰ হাতত দি ক'লে—ওঁ এইয়া লজেঞ্চ লোৱা।

হাকিম, হাকিমনী আৰু দিদাৰত তিনিও কৌতূহল আৰু বিস্ময়েৰে মইনৰ ফালে চালে।

নাচীমে এটা লজেঞ্চ মুখত দিলে।

হাকিমনীয়ে ক'লে – বেমাৰ পৰাৰ পৰা, পানী এটোপাকে মুখত দিয়া নাই।

নাচীম মইনৰ ফালে ঘূৰিল।

—জানিছা মইন কাকা, আমাৰ নেক্‌লেচডাল যে হেৰাইছিল সেইডাল নাই হেৰোৱা, তুমিও চুৰ কৰা নাই, সেই ডাল আমাৰ ডাঙৰ পেহীৰ বাকচত গৈছিল। পাই পেলাই পঠিয়াই দিলে।

—তুমি মনে মনে থাকা নাচীম—মইনে ক'লে।

নেক্‌লেচৰ কথা ওলালত মইন যেন লাজত মৰি যাব ধৰিছিল। কিন্তু নাচীমৰ কথাত সি উচপ্ খাই উঠিল। নাচীমে জ্বৰত ভুল বকা নাইতো?

লাহে লাহে হাকিমনীয়ে ক'লে—এৰা মইন, আমি একো নেজানিছিলো, নেক্‌লেচডাল নাচীমৰ ডাঙৰ পেহীয়েকৰ বাকচত কেনেবাকৈ গ'ল। তেওঁলোকেও ক'ব নোৱাৰে। সিদিনা বাকচ খুলি অন্য বস্তু বিচাৰোতে হঠাৎ পালে, আৰু পঠিয়াই দিলে।

তলমূৰ কৰি মইনে কথাবোৰ শুনি গ'ল। মই নিৰ্দোষ, মই নিৰপৰাধ! তাৰ মনটো আনন্দেৰে ভৰি উঠিল।

—যি হৈ গ'ল, হৈ গ'ল আৰু—মইনে কোনো ৰকমে ক'লে।

—মই কৈছিলো মইন কাকা, যে তুমি নাই নিয়া, কোনেও শুনিলে।

—বাৰু বাৰু, একো হোৱা নাই নাচীম, মই আকৌ দোকান দিছো নহয়, ভাল হ'লে তুমি যাবা দেই।

এইবাৰ হাকিমে মাত লগালে—বসন্ত সোণাৰী কলিকতাৰ পৰা আহিলত মই সুধিলো। তেতিয়াহে জানিলো যে তুমিও একে ৰকমৰ এধাৰ নেক্‌লেচ গঢ়োৱাইছিলা—

—হয় চাৰ—

হাকিমনী বহাৰ পৰা উঠিল আৰু ক'লে—তুমি গুচি নেযাবা মইন, চাহ খাই যাবা।

হাকিমে ক'লে—আৰু বিয়াত পাগ দিয়াৰ পইছাখিনিও লৈ যাবা।

তাৰ পিছত অতি নম্ৰ মাতেৰে ক'লে—আমাক মাফ কৰিবা মিছাতে তোমাৰ বহুত কষ্ট হ'ল।

মইনে তলমূৰ কৰিলে।

হাকিম আৰু হাকিমনীয়ে এবাৰ নাচীম আৰু এবাৰ মইনৰ ফালে চাই কোঠাটোৰ পৰা ওলাই গ'ল।

দিদাৰতে ক'লে—এইবোৰ কথা ময়ো ক'ব নোৱাৰো। কেতিয়াবা এনেকুৱা হয়েই অ'—

মইনে তাৰ কথাৰ উত্তৰ নিদি নাচীমৰ সৰু হাতখন নিজৰ হাতৰ মাজত মৰমেৰে লৈ ক'লে—মোৰ দোকানলৈ তুমি আকৌ যাবানে নাচীম?

—কেলেই নেযাম? তুমি মোক সদায় লজেঞ্চ দিবা দেই, আৰু হাফিজ চাহেবে গান গাবনে বাৰু?

—ওঁ গাবতো, আজিকালি হাফিজ চাহেবে মযে একে লগে থাকো নহয়।

এনেতে দুৱাৰ মুখৰ পৰা হাকিমনীয়ে আহি মইনক চাহ খাবলৈ মাতিলে।

নাচীমে ক'লে—চাহ খাই তুমি গুচি নেযাবা দেই মইন কাকা, আকৌ মোৰ ওচৰলৈ আহিবা।

—নেযাওঁ নাচীম। গোটেই ৰাতি মই তোমাৰ ওচৰতে বহি থাকিম। কৈ কৈ মইন হাকিমনীৰ পিছে পিছে অন্য এটা কোঠালৈ আহিল। এইটো কোঠা সি বহুত পোহৰেৰে ভৰি থকা যেন দেখিলে।

মইনে অনুভৱ কৰিলে যেন এটা নতুন জীৱনৰ পাতনিত মানুহৰ মৰম, বিশ্বাস আৰু জীৱনৰ নতুন পোহৰে তাক অভ্যৰ্থনা জনাইছে—তাৰ ডিঙিত যেন কাৰোবাৰ চেনেহৰ মৰমী কণ্ঠহাৰ!

— ::o:: —